
# কৰ্মিষ্ঠ

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ

৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিবেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ




সম্পাদনা

ড° বলিন সন্দিকৈ

যদুনাথ পুৰী

# কৰ্মিষ্ঠ

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক)
কেন্দ্ৰীয় অধিবেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ

স্থান ঃ মৰাণ মহাবিদ্যালয়
১২, ১৩ আৰু ১৪ অক্টোবৰ, ২০১২

প্ৰতি,

____________________

____________________


<u>সম্পাদনা</u>

ড° বলীন সন্দিকৈ

যদুনাথ প...

**কৰ্মিষ্ঠ ঃ** সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় মৰাণ অধিবেশন উপলক্ষে প্ৰকাশিত আৰু ড° বলীন সন্দিকৈ আৰু যদুনাথ পুৰীৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ। ১২, ১৩ আৰু ১৪ অক্টোবৰ, ২০১২।

**সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
ড° অনিল শইকীয়া
ৰাজকুমাৰ বৰুৱা
মৃদুলা দাস

**সভাপতি ঃ**
শোভিত কুমাৰ ছেত্ৰী

**সম্পাদক ঃ**
ড° বলীন সন্দিকৈ
যদুনাথ পুৰী

**সম্পাদনা সহযোগী ঃ**
অজিত চুতীয়া

**সদস্য ঃ**
কৰুণা ফুকন
নন্দিতা গঁগৈ

**প্ৰকাশক ঃ**
সম্পাদক, অভ্যৰ্থনা সমিতি

**প্ৰচ্ছদ পৰিকল্পনা ঃ**
সম্পাদনা সমিতি

**অক্ষৰ বিন্যাস ঃ**
মৃদুস্মিতা শইকীয়া গঁগৈ

**মুদ্ৰণ ঃ**
কাবেং অফ্ছেট প্ৰেছ, মৰাণ।

## শ্ৰদ্ধাঞ্জলি

**যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত আজিৰ এই মৰাণ মহাবিদ্যালয়খনি অসমৰ ভিতৰতেই লেখত ল'বলগীয়া শিক্ষানুষ্ঠানৰূপে গঢ় ল'লে তেখেতসকলক অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জনালোঁ।**

*-সম্পাদনা সমিতি।*

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**

No.DU/VC/073/12/1090

Date: 06.08.2012

## শুভেচ্ছাবাণী

মই জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে, সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিবেশনখনি তিনিদিনীয়া কাৰ্যসূচীৰে মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈও যো-জা কৰা হৈছে বুলিও জানিব পাৰিছোঁ।

একোখন মহাবিদ্যালয়ৰ উন্নতিৰ কাৰণে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে কৰ্মচাৰীসকলৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। আশা কৰোঁ ৪৬তম্ (পঞ্চম দ্বি-বাৰ্ষিক) অধিবেশনত সদস্যসকলে মহাবিদ্যালয়সমূহৰ কাম-কাজবোৰ পৰিচালনা কৰাত তেখেতসকলে কেনেধৰণে অধিক উন্নত সেৱা আগবঢ়াব পাৰে তাৰে বিশদ আলোচনা কৰিব।

অধিবেশনৰ সকলো কাৰ্যসূচী সুকলমে সমাপন হওক তাৰে শুভ কামনাৰে-

*(কন্দৰ্প কুমাৰ ডেকা)*
*উপাচাৰ্য*
ডিব্ৰুগড় বিশ্ববিদ্যালয়

---

सत्यमेव जयते

**তৰুণ গগৈ**

**মুখ্যমন্ত্ৰী, অসম**
**গুৱাহাটী**

**দিছপুৰ**
**২৮/০৯/১২**

## শুভেচ্ছাবাণী

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ অধিবেশনখনি অহা ১২ ৰ পৰা ১৪ অক্টোবৰ তাৰিখলৈ মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

আশাকৰোঁ, এই অধিবেশনে সন্থাৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰাৰ সুযোগ দিব আৰু কলেজ কৰ্মচাৰীসকলক অধিক নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনৰ গুণগত মানদণ্ডৰ উন্নয়ন সাধনৰ প্ৰক্ৰিয়াত অংশলৈ বিদ্যায়তনিক জগতলৈ সেৱা আগবঢ়াই যাবলৈ অনুপ্ৰাণিত কৰিব।

অধিবেশনখনিৰ সৰ্বতোপ্ৰকাৰৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

**(তৰুণ গগৈ)**

ড° হিমন্ত বিশ্ব শৰ্মা, এম এ, এল এল বি, পি এইচ ডি
মন্ত্ৰী
শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ
আৰু অসম চুক্তি ৰূপায়ণ বিভাগ

অসম সচিবালয়, দিশপুৰ, গুৱাহাটী-৬
দূৰভাষ : (০৩৬১) ২২৩৭৩০১ (কাঃ)
২২৩৭০১২ (ফেক্স)
২২৬৮৪১৯ (বাঃ)

প্ৰসঙ্গ :...........................

দিনাংক : ০১-১০-২০১২

## শুভেচ্ছাবাণী

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) অধিবেশনখনি এইবেলি চলিত অক্টোবৰ' মাহৰ ১২ তাৰিখৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উজনি অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান মৰাণ মহাবিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত কৰিব বুলি জানিবলৈ পাই আনন্দিত হৈছো।

পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাই অসমতো শিক্ষাৰ সম্প্ৰসাৰণ আৰু গুণগত শিক্ষাৰ বিকাশৰ লগতে শিক্ষা ব্যৱস্থাটোক অধিক গতিশীল কৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱা হৈছে। আমি আশা ৰাখিছো, এই ক্ষেত্ৰত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাও শিক্ষাৰ সামগ্ৰীক উন্নয়নৰ বাবে পৰোক্ষভাৱে হ'লেও তেখেতসকলৰ ভূমিকা আৰু দায়িত্ব সুকলমে পালন কৰিব।

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ সমূহ বিষয়-ববীয়ালৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে প্ৰকাশ কৰিব বিচৰা স্মৃতিগ্ৰন্থখনিয়ে পঢ়ুৱৈ ৰাইজৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা ৰাখিলো।

(ড° হিমন্ত বিশ্ব শৰ্মা)

पबन सिंह घाटोवार
Paban Singh Ghatowar

राज्य मंत्री (स्वतंत्र प्रभार)
उत्तर पूर्वी क्षेत्र विकास मंत्रालय एवं
संसदीय कार्य राज्य मंत्री
भारत सरकार
Minister of State (Independent Charge)
Ministry of Development of North Eastern Region &
Minister of State for Parliamentary Affairs
Government of India

## শুভেচ্ছাবাণী

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ আগন্তুক দ্বি-বাৰ্ষিক অধিবেশনখনি অহা ইংৰাজী ১২, ১৩ আৰু ১৪ অক্টোবৰ, ২০১২ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব বুলি জানিব পাৰি অতি আনন্দিত হৈছোঁ। অসমৰ উচ্চশিক্ষাৰ প্ৰসাৰত কলেজ কৰ্মচাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সাম্প্ৰতিক সময়ত অসমৰ উচ্চ শিক্ষাৰ জগতখনলৈ আমূল পৰিবৰ্তন আহিছে, এনে পৰিপ্ৰেক্ষিতত কলেজ কৰ্মচাৰী সকলৰ দায়িত্বও বহু পৰিমাণে বাঢ়িছে। মই আশা কৰিছো, আগন্তুক অধিবেশন উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনে কলেজ কৰ্মচাৰী সন্থাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব। মই উক্ত অধিবেশনৰ সৰ্বতোপ্ৰকাৰৰ সাফল্য কামনা কৰিলোঁ।

(পৱন সিং ঘাটোৱাৰ)

Room No-258, Vigyan Bhavan Annexe, Maulana Azad Road, New Delhi-110011
Tel. : 011-23022400, 23022401, Fax. : 011-23062754

# সদৌ অসম ছাত্ৰ সন্থা

**ALL ASSAM STUDENTS' UNION**

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

**H.O. : GUWAHATI UNIVERSITY, GUWAHATI-781014**


## শুভেচ্ছা

অহা ১২, ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱা সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিবেশনখনিৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা বুলি জানি নথৈ আনন্দিত হৈছোঁ। আমি আশাবাদী, স্মৃতিগ্ৰন্থখনত মৰাণ অঞ্চলৰ লগতে সামগ্ৰিকভাৱে বৃহত্তৰ অসমীয়া জাতিৰ জাতীয় জীৱনৰ সঠিক মূল্যায়ন হ'ব। লেখক-লেখিকাসকলৰ কলমৰ পৰা নিগৰি ওলাই অহা শব্দ-বাক্যই গঠন কৰিব অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ জনমত।

কলেজ কৰ্মচাৰী সন্থাৰ সমূহ বিষয়-ববীয়া, সদস্য-সদস্যা তথা অভ্যৰ্থনা সমিতিৰ সকলো কৰ্ম-কৰ্তালৈ সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা জনাইছোঁ আন্তৰিক কৃতজ্ঞতা।

অধিবেশনখনি সফল কামনাৰে-

(তপন কুমাৰ গগৈ)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা


**Sri Sarat Saikia**

Parliamentary Secretary
(Finance) Assam
Dispur Guwahati-781006
Ph.No. 2237315 (O) 2268402 (R)
D.O. No. ..........................
Dated............................


## শুভেচ্ছাবাণী

অহা ইংৰাজী ১২, ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) অধিবেশনখনি মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো, লগতে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে বুলি শুনি নথৈ সুখী হৈছো। এখন শিক্ষানুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত যিদৰে শিক্ষকসকলৰ একান্ত প্ৰচেষ্টা সেইদৰে শিক্ষানুষ্ঠানখন সুচাৰুৰূপে পৰিচালনা কৰাৰ গুৰু দায়িত্ব কলেজ কৰ্মচাৰী সন্থাৰ। এই ক্ষেত্ৰত কৰ্মচাৰীবৃন্দই এই শিক্ষানুষ্ঠানখন গঢ়াত কোনো ত্ৰুটি নকৰাকৈ পৰিচালিত কৰে। সেয়ে এই অধিবেশনখনিৰ জৰিয়তে তেখেতসকলৰ আগন্তুক কাৰ্যবিৱৰণী, সকলো দাবী তথা নিজৰ সমস্যাসমূহৰ এক ফলপ্ৰসূ সমাধান পাব, তাকে কামনা কৰিলোঁ।

শেষত সমূহ কলেজ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

(শৰৎ শইকীয়া)

**হেমেন্দ্ৰনাথ ব্ৰহ্ম**
সভাপতি, সদৌ অসম কলেজ কৰ্মচাৰী সন্থা
গোসাই গাঁও কলেজ, দূৰভাষ ঃ ০৯৪৩৫০-২৬৯৬৩

## শুভেচ্ছাবাণী

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) অধিবেশনখনি অহা ১২, ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে ঐতিহ্যমণ্ডিত মৰাণ কলেজত অনুষ্ঠিত হ'ব। এই উপলক্ষে অভ্যৰ্থনা সমিতিয়ে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে বুলি জানিবলৈ পাই অতি আনন্দিত হৈছো। এই স্মৃতিগ্ৰন্থখনিত মৰাণ ইতিহাস আৰু ঐতিহ্যৰ প্ৰতিচ্ছবি দেখা পাম বুলি আশা কৰিলো। লগতে উচ্চ শিক্ষানুষ্ঠানৰ লগত জড়িত কৰ্মচাৰী সকলৰ ভূমিকা তথা কৰ্মৰ মূল্যাংকন হওক এয়ে মোৰ প্ৰত্যাশা।

অধিবেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ মৰাণ কলেজৰ শিক্ষক, কৰ্মচাৰী, অধ্যক্ষ আৰু মৰাণবাসী ৰাইজৰ প্ৰচেষ্টাৰ সফলতা কামনা কৰিলোঁ।

*হেমেন্দ্ৰনাথ ব্ৰহ্ম*
সভাপতি
সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

## সূচীপত্ৰ ঃ

❖ সম্পাদকীয়-১৩

১ম খণ্ড ঃ মৰাণৰ ৰূপৰেখা

❖ ইতিহাস প্ৰসিদ্ধ মৰাণৰ অতীত আৰু বৰ্তমান✍ ড° যতীন চুতীয়া-১৯
❖ সমন্বয়ৰ স্থলী 'মৰাণ' ঃ এক ঐতিহাসিক আৰু অৰ্বাচীন অৱলোকন✍ ড° দয়ানন্দ বৰগোহাঞি-২৬
❖ মৰাণৰ নাট্যচৰ্চাৰ পৰম্পৰা✍ ড° অনিল শইকীয়া-৩২
❖ মৰাণৰ সমস্যা আৰু সমাধানৰ পথ ঃ এটি পৰ্য্যালোচনা✍ অমৰজ্যোতি মহন-৪৯
❖ মৰাণ অঞ্চলৰ কেইটামান জনগোষ্ঠীৰ সাংস্কৃতিক আভাস✍ জয়া কলিতা-৫৪
❖ মৰাণহাটৰ শঙ্কৰী সংস্কৃতিৰ চৰ্চাত দৃষ্টিপাত✍ লক্ষী চুতীয়া-৬১
❖ মৰাণৰ সংবাদ সাহিত্য✍ অজিত চুতীয়া-৭২
❖ অসমৰ ৰাজনৈতিক মানচিত্ৰত মৰাণ✍ অৰুণ বৰুৱা-৮৪
❖ মৰাণৰ সঙ্গীত জগত ঃ এক অৱলোকন✍ জয়ালক্ষ্মী দত্ত দুৱৰা-৯০

২য় খণ্ড ঃ মৰাণ মহাবিদ্যালয়ৰ ৰূপৰেখা

❖ মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চা ঃ এটি চমু অৱলোকন✍ মৃদুলা দাস-১০১
❖ মৰাণ মহাবিদ্যালয়ৰ দূৰসংযোগী আৰু বৃত্তিমুখী পাঠ্যক্ৰম✍ ড° ভানুপ্ৰভা শইকীয়া-১১২
❖ মৰাণ কলেজৰ কাব্যিক-যাত্ৰা✍ অৱনী মহন-১১৫
❖ মৰাণ মহাবিদ্যালয়ৰ দুটিমান স্নেপশ্বট✍ নন্দিতা গগৈ-১১৯

❖ মৰাণ অঞ্চলৰ গৌৰৱ মৰাণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ➾
দ্বীপেন গগৈ-১২৪

❖ প্ৰতিষ্ঠা লগ্নৰে পৰা মৰাণ মহাবিদ্যালয়ত একনিষ্ঠভাৱে সেৱা আগবঢ়োৱা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল➾ নীলিমা তালুকদাৰ-১২৬

৩য় খণ্ড ঃ কলেজ কৰ্মচাৰীৰ কলমেদি....

❖ কলেজ কৰ্মাচাৰীৰ সমস্যা ঃ এক ইতিবাচক বিশ্লেষণ➾
ৰমনী ৰাজবংশী-১৩১

❖ কলেজ কৰ্মচাৰীৰ অৱদান➾ শৰৎ কুমাৰ কলিতা-১৩৩

৪ৰ্থ খণ্ড ঃ শিক্ষা আৰু অন্যান্য

❖ অসমৰ উচ্চ শিক্ষাৰ ক্ৰমবিকাশ আৰু কিছু প্ৰাসংগিক চিন্তা➾
কল্পনা বৰা-১৩৯

❖ কোন দিশে সাম্প্ৰতিক অসমৰ শিক্ষা ব্যৱস্থা ?➾ যদুনাথ পুৰী-১৪৭

❖ অপৰাধ প্ৰৱনতা এক সামাজিক ব্যাধি➾ আল্পনা গগৈ ভূঞা-১৫০

❖ আধুনিক বিজ্ঞানৰ উন্মেষ ঘটিছিল মহাভাৰতৰ যুগতেই➾ যদু চুতীয়া-১৫৩

❖ Man in the Society➾ Dr. Asimabha Datta-156

❖ TOURIST SPOTS OF SIVASAGAR DISTRICT➾
Tulshi Das-158

❖ Human Rights And Women : A Theoretical Perspective➾
Dr. Pramila Paul-167

৫ম খণ্ড ঃ কবিতাৰ কৰণি- ১৭৩-১৮০

মানসী গগৈ, দিতুল চেতিয়া, নবীন বুঢ়াগোহাঁই, পূৰবী নাথ, বনমালী দাস, ৰনদ্বীপ বড়া, বিকাশজ্যোতি শইকীয়া, তু হি ৰো, দিলীপ বৰুৱা, অংকুৰ ৰঞ্জন ফুকন, পলাশ বকলীয়াল, দিপাংকৰ গগৈ।

❖ মৰাণ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ একলম-১৮১

❖ অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদকৰ একাষাৰ-১৮৩



## সম্পাদকীয় ঃ

# বিশ্বায়ন আৰু অসমীয়া ভাষা ঃ

'Globalization'-ই এটা অৱস্থা, ই এটা প্ৰক্ৰিয়া, ই মানৱ প্ৰচেষ্টাৰ জৰিয়তে অহা পৰিৱৰ্তন। 'Globalization'ৰ অসমীয়া প্ৰতিশব্দ হৈছে— 'বিশ্বায়ন'। 'বিশ্বায়ন', 'বিশ্ব' আৰু 'অয়ন'- এই দুটা শব্দৰ সমষ্টি (বিশ্ব+অয়ন=বিশ্বায়ন)। 'বিশ্ব' মানে পৃথিৱী আৰু 'অয়ন' মানে গতি। অৰ্থাৎ বিশ্বৰ ফালে কৰা গতি। সমগ্ৰ মানৱ সমাজে বিশ্বৰফালে কৰা গতিয়েই বা এটা বিন্দুলৈ কৰা গতিয়েই বিশ্বায়ন। 'বিশ্বায়ন' শব্দটো মূলতঃ বিশ্বৰ অৰ্থনীতিৰ লগত জড়িত আৰু বিভিন্ন অৰ্থনীতিসমূহক এক অৰ্থনীতিলৈ পৰিৱৰ্তন ঘটোৱাই ইয়াৰ কাৰ্য। বিশ্বায়নৰ মূল মন্ত্ৰ হ'ল— মুক্ত বাণিজ্য অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য, আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তৰ ক্ষেত্ৰত ব্যাপক মাত্ৰাত মুক্ত কৰি দিয়া। মুক্ত বাণিজ্যই বিশ্বৰ গতি সলনি কৰি দিলে। সকলোতে পৰিৱৰ্তনে দেখা দিলে। বিশেষকৈ উদ্যোগীকৰণে এই (বিশ্বায়নৰ) গতি ক্ষীপ্ৰৰ পৰা ক্ষীপ্ৰতৰ কৰি তুলিলে। মানুহে ক'ব নোৱাৰাকৈয়ে অভ্যস্ত হৈ পৰিল উদ্যোগিক জীৱনত। মানুহৰ জীৱন ধাৰণৰ সমস্ত পদ্ধতিয়েই সলনি হ'ল। তথ্য আৰু প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰে; বিজ্ঞানৰ অভিনৱ আৱিস্কাৰসমূহে বিশ্বৰ ভৌগোলিক পৰিসীমা যেন সংকুচিত কৰি আনিলে। কম্পিউটাৰ, ইণ্টাৰনেট, ই-মেইল, ম'বাইল আদিয়ে নগৰৰ পৰা গাঁৱলৈও ঢাপলি মেলিলে। বিশ্বৰ যিকোনো প্ৰান্তৰ তথ্য সৰবৰাহৰ অকল্পনীয় সুবিধা হ'ল। মানুহে ঘৰতে বহি গোটেই বিশ্বখন দেখি থকাৰ সুবিধা হ'ল। সকলো বস্তু হাতৰ মুঠিতেই পোৱা হ'ল। এনেদৰে বিশ্বায়নে সমগ্ৰ বিশ্বখনকে এখন গাঁৱলৈ অৰ্থাৎ 'Globle Village' লৈ ৰূপান্তৰিত কৰিলে।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বিশ্বায়ন শব্দটো যিমান ব্যাপক আৰু প্ৰায়োগিকভাৱে বহুল প্ৰচলিত, ভাষা-সাহিত্যৰ ক্ষেত্ৰত সিমান বহুলভাৱে ব্যৱহৃত নহয়। কিন্তু পুঁজিয়ে যেনেকৈ মানৱ মনৰ সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়াক নিয়ন্ত্ৰণ কৰে; ঠিক তেনেকৈ চিন্তা-ভাবনা, কলা-সংস্কৃতি, ভাষা-সাহিত্যকো নিয়ন্ত্ৰণ কৰে। পুঁজিয়ে নিজৰ লগতে

চিন্তা-চেতনাৰো বিশ্বায়ন ঘটায়। বিশ্বপুঁজিৰ নামত যেনেকৈ শক্তিশালী জাতি-ৰাষ্ট্ৰৰ পুঁজিয়ে সকলোকে মোহাৰি পেলাব খোজে; ঠিক তেনেকৈ শক্তিশালী ৰাষ্ট্ৰসমূহৰ চিন্তা-চেতনা আৰু ভাষা-সাহিত্যইয়ো সকলোকে মোহাৰি নিজে বিচৰা ধৰণে গঢ় দিব খোজে। সেয়েহে বিশ্বায়ন কেৱল অৰ্থনীতিৰ লগতে জড়িত নহয়, বৰঞ্চ ভাবনাৰ মাজেৰে বিশ্বায়নে ভাষা-সাহিত্যকো প্ৰভাৱিত কৰিছে। মুঠতে মুক্ত বাণিজ্য অৰ্থনীতিক আধাৰ হিচাপে গ্ৰহণ কৰি আগবাঢ়ি যোৱা বিশ্বায়নে বৰ্তমান বিশ্বৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, বিদ্যায়তনিক, ভাষিক, সাহিত্যিক আদি সকলো দিশতে প্ৰভাৱ বিস্তাৰ কৰিছে। বিশ্বায়নে বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ সভ্যতা আৰু সাংস্কৃতিক একত্ৰিত কৰি এক বিশ্ব সভ্যতা আৰু সংস্কৃতিৰ গঢ় দিছে।

বিংশ শতিকাৰ শেষৰ দুটা দশকৰ পৰাই আমাৰ দেশে আন্তৰ্জাতিক মুদ্ৰানিধি আৰু বিশ্ববেংকৰ নিৰ্দেশ মানি চলাৰ পৰাই বিশেষকৈ ১৯৯০ চনৰ পৰা উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ নীতিয়ে ভাৰতবৰ্ষ তথা অসমত প্ৰবল ৰূপ ধাৰণ কৰিছে। ভাৰতৰ লগে লগে অসমতো শিক্ষা-ব্যৱস্থা, ভাষা-সংস্কৃতি আদি সকলোতে উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিলক্ষিত হৈছে। আমেৰিকা হ'ল ভাষাৰ ক্ষয়িষ্ণু ৰূপৰ মূল কেন্দ্ৰস্থল। আমেৰিকান বৰ্ণাশুদ্ধিয়ে ইংৰাজী ভাষাক প্ৰভাৱিত কৰাৰ ফলত সমগ্ৰ বিশ্বতে কম্পিউটাৰ মাধ্যমত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। ১৯৭০ চনত আমেৰিকাত দেখা দিয়া এই ভাষা বিভ্ৰাটে কিছু দিনৰ পাছত ইংলেণ্ডকো গ্ৰাস কৰিলে। লাহে লাহে প্ৰান্তীয় ভাষাসমূহলৈকো এই ব্যাধি বিয়পি পৰাত ই মহামাৰী ৰূপ ধাৰণ কৰিলে। আনক অন্ধভাৱে অনুকৰণ কৰি ভালপোৱা অসমৰ নৱপ্ৰজন্মই অসমীয়া ভাষাতো এই ব্যাধি বিয়পাই দিলে। বৰ্তমান যি গতিত ভাষাৰ বিভ্ৰাট ঘটিছে, সেই গতিয়ে অসমীয়া ভাষাৰ অস্তিত্বলৈও সংকট কঢ়িয়াই আনিছে। দূৰদৰ্শনৰ বিভিন্ন প্ৰাইভেট চেনেল, এফ.এম. ৰেডিঅ', ম'বাইল, বাতৰি কাকত আদি সংবাদ মাধ্যমসমূহে ভাষাৰ এনে বিভ্ৰাট জন্মোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতৰ হিন্দী-ইংৰাজী মিশ্ৰিত 'হিংলিছ' ভাষাৰ দৰে অসমতো বাংলা-হিন্দী-ইংৰাজী-অসমীয়া (বা+হি+ইং+মিজ=বাহিইংমিজ> বাংমিজ) মিশ্ৰিত ভাষাৰ জনপ্ৰিয়তা নৱপ্ৰজন্মৰ মাজত দিনে দিনে বাঢ়ি যাবলৈ ধৰিছে। সেয়েহে বিশ্বায়নৰ প্ৰভাৱে অন্যান্য বস্তুৰ ক্ষেত্ৰত যিদৰে মুক্ত ব্যৱহাৰৰ বাট কাটি দিছে, সেইদৰে ভাষাকো মুক্ত ব্যৱহাৰ বা উদাৰীকৰণৰ টৌৱে এনেদৰে মহতীয়াই পেলাইছে।



নতুন জামানাৰ ভাষা পুৰণা জামানাৰ ভাষাৰ পৰা ভালেখিনি ফালৰি কাটি আহিছে। নতুন জামানাৰ বাবে মাতৃভাষা অসমীয়া এলাগী হ'ল আৰু তেওঁলোকৰ ইংৰাজী মাধ্যমৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়িল। আগ্ৰহ বাঢ়িল আনক অনুকৰণ কৰিবলৈ। অগতানুগতিক শব্দৰ ব্যৱহাৰেহে যুগৰ সৈতে খাপ খুৱাই ল'ব পৰাটোক সূচায় বুলি নৱ প্ৰজন্মই ভাবিবলৈ ল'লে। কিয়নো এতিয়া বিশ্বায়নৰ যুগ, ম'বাইলৰ যুগ, ই-মেইলৰ যুগ। নৱপ্ৰজন্মই বাংলা, হিন্দী, ইংৰাজী, অসমীয়া মিশ্ৰিত ভাষাটোৰেহে মনৰ ভাব প্ৰকাশ কৰিবলৈ আটাইতকৈ সুবিধা পোৱা হ'ল। বিশ্বায়নে নতুনত্ব আনি দিয়া বা প্ৰভাৱিত কৰা নৱপ্ৰজন্মৰ মুখৰ বৰ্তমানৰ অসমীয়া ভাষাটোৱে মান্য ভাষাতকৈ ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত দিশত সুকীয়া ৰূপত গঢ়লৈ উঠিছে।

**কৰ্মিষ্ঠ সম্পাদনা সম্পৰ্কত ঃ**

নতুনকৈ গঢ়লৈ উঠা এখন মফচলীয় নগৰ মৰাণ। মৰাণ নগৰৰ এটি ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হৈছে-মৰাণ মহাবিদ্যালয়। মৰাণ মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ উদ্যোগত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিৱেশনখনি উলহ-মালহেৰে তিনিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত কৰা হৈছে। উদ্যোগতাসকলে কাৰ্যসূচীৰ লগত অধিবেশন উপলক্ষে এখন স্মৃতিগছ্থ প্ৰকাশৰ দিহা কৰি আমাৰ দুজনক সম্পাদনাৰ দায়িত্ব দিলে। স্মৃতিগ্ৰন্থখনিৰ নাম ৰখা হ'ল 'কৰ্মিষ্ঠ'। অৰ্থাৎ কামত নিপুন, কাজুৱা, পৰিশ্ৰমী। প্ৰকৃততেই স্মৃতিগ্ৰন্থখনিৰ নামকৰণ সাৰ্থক হৈছে বুলি ক'ব পাৰি। কিয়নো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলক লৈহে মহাবিদ্যালয় একোখনিৰ পৰিয়ালটো গঠিত হয়। কৰ্মচাৰীসকলৰ অবিহনে সেই পৰিয়ালটিৰ কথা ভাবিব নোৱাৰি। উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হিচাপে মহাবিদ্যালয় এখনৰ অস্তিত্বৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ ভূমিকা যেনেকৈ গুৰুত্বপূৰ্ণ ঠিক তেনেকৈ মহাবিদ্যালখনৰ সমগ্ৰ প্ৰশাসনিক যন্ত্ৰটোক সুচল কৰি ৰখা কৰ্মচাৰীসকলৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ।

স্মৃতিগ্ৰন্থ সম্পাদনাৰ দায়িত্ব বৰ জটিল। অনেক বাধা আৰু সমস্যাৰ সন্মুখীন হৈয়ো স্মৃতিগ্ৰন্থখনিৰ সৰ্বাংগসুন্দৰকৈ সজাবলৈ যত্ন আৰু কৰ্তব্যৰ অলপো ত্ৰুটী কৰা নাই। খুউৱ কম সময়ৰ ভিতৰত ছপাই উলিয়াব লগীয়া হোৱাৰ বাবে অনেক ভুল-ত্ৰুটীৰ লগতে বৰ্ণশুদ্ধি ৰৈ যোৱাটো স্বাভাৱিক। সেয়ে সদাশয় পাঠক সমাজৰ ওচৰত

আগতীয়াকৈ ক্ষমা মাগিছোঁ।

**কৃতজ্ঞতা ঃ**

স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আৰু বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে উদযাপন সমিতিৰ সভাপতি মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল শইকীয়া, কাৰ্যকাৰী সভাপতি হৰেণ ফুকন আৰু মুখ্য সম্পাদক ৰাজকুমাৰ বৰুৱাৰ লগতে সকলো বিষয়-ববীয়ালৈ কৃতজ্ঞতা যাচিলোঁ। যিসকল লেখক-লেখিকাই অতি কম সময়ৰ ভিতৰতে নিৰ্ধাৰিত বিষয়ত লেখাসমূহ আমালৈ প্ৰেৰণ কৰি স্মৃতিগ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে, সেইসকললৈ আমাৰ অশেষ ধন্যবাদ থাকিল। অতি কমদিনৰ ভিতৰত টৌতে খৰ মাৰি স্মৃতিগ্ৰন্থখনি সৰ্বাঙ্গসুন্দৰ ভাৱে ছপা কৰি দিয়াৰ বাবে মৰাণৰ 'কাৰেং অফছেট্ প্ৰেছ'ৰ স্বত্বাধিকাৰী শ্ৰীৰঞ্জন বৰুৱাৰ লগতে সকলো কৰ্মকৰ্তাকে আন্তৰিক ধন্যবাদ জনালোঁ।

বিনীত

*ড° বলীন সন্দিকৈ*
*যদুনাথ পুৰী*
সম্পাদকদ্বয় 'কৰ্মিষ্ঠ'

## ১ম খণ্ড

# মৰাণৰ ৰূপৰেখা

# ইতিহাস প্ৰসিদ্ধ মৰাণৰ অতীত আৰু বৰ্তমান

ড° যতীন চুতীয়া
উপাধ্যক্ষ, মৰাণ মহাবিদ্যালয়

মৰাণ ইতিহাস প্ৰসিদ্ধ অঞ্চল। এই অঞ্চলৰ লগত এটা বুৰঞ্জী প্ৰসিদ্ধ জাতিৰ সমন্ধ আছে। মৰাণৰ ভৌগোলিক অৱস্থান, পৰিসীমাই বিস্তৃত অঞ্চল সামৰিছে। ডিব্ৰুগড় জিলাৰ অৰ্ন্তগত মৰাণ সমষ্টিৰ বুঢ়ীদিহিং নদীৰ দক্ষিণাঞ্চল, শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিৰ উত্তৰ-পূব অঞ্চলক মৰাণ বুলিয়ে কোৱা হয়। মৰাণ ডিব্ৰুগড়-শিৱসাগৰ জিলাৰ সীমামূৰীয়া ঠাই। একালৰ মৰাণ ৰজা বদৌচাৰ শাসনৰ অধীনত আছিল। শিৱসাগৰ জিলাৰ অন্তৰ্গত ডিমৌ চাৰি আলি দিহাজানৰ পৰা (বৰফুকন আলিৰ সংযোগ ঠাইৰ) চকলীয়া চেপন, মৰাণ, খোৱাং হৈ যোৱা (ডিব্ৰুগড়লৈ) ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথে অঞ্চলটো চুই গৈছে আৰু মৰাণৰ মাজেৰে যোৱা শলগুৰি আলিয়ে অতীতৰ পৰা যাতায়াতৰ দিশত গুৰুত্বপূৰ্ণ ইন্ধন যোগাই আহিছে। উল্লেখ্য যে আহোম স্বৰ্গদেউ চুপিমফা বা ভগা ৰজাই গড়গাঁৱৰ চুণপোৰাৰ পৰা নঙলামৰা, পাটসাকোঁ, চেপন, মৰাণ, বামুনবাৰী, শলগুৰি, আঘোণীবাৰীলৈ যোৱা আলিটো বন্ধাইছিল।

বুৰঞ্জীবিদ চিভিলিয়ান ব্ৰনচন, কেদাৰ বন্মাচাৰী, ভূদেৱ মূৰ্খাজী, বেণুধৰ শৰ্মা আদিৰ মত সপক্ষে মৰাণসকলক অতীজত নেপালৰ পৰা প্ৰব্ৰজন হোৱা বুলি উল্লেখ কৰিছে। মৰাণ শব্দৰ উৎপত্তি যেনে মৌৰাং মৌৰান, মোৰাণ মৈৰাং আদি শব্দৰ পৰা অপভ্ৰংশ হৈ অহা বুলি পণ্ডিতসকলৰ অভিমত বুৰঞ্জীত পোৱা যায়। আহোমসকল সৌমাৰত প্ৰৱেশ কৰাৰ বহু যুগৰ পুৰ্বেই এই ভূখণ্ডতত কছাৰী, বৰাহী চুতীয়া, খামিয়াং, মৰাণ আদি বিভিন্ন জনগোষ্ঠীলোকে বাস কৰিছিল। এই আদিবাসীবোৰ চীন-তিৰ্বত বৰ্মা, দক্ষিণ পূব এছিয়াৰ মালভূমি অংশত বাস কৰা মঙ্গোলীয় গোষ্ঠীৰ প্ৰাচীন জনজাতিসকলৰ বংশোদ্ভৱ বুলি বুৰঞ্জীবিদসকলে ঠাৱৰ কৰে।

মৰাণৰ ৰজা বডৌচাৰ ৰাজ্য তেৰশ শতিকাৰ আগতে প্ৰতিষ্ঠা হৈছিল আৰু আহোম ৰাজ্যৰ লগত চামিল হৈছিল। এই অঞ্চলত দীৰ্ঘকাল বসতি স্থাপন কৰা মৰাণসকলৰ ৰাজনৈতিক সংকটৰ সন্মুখীন হৈছিল। উল্লেখ্য যে এই চামিল হোৱাৰ পিছত পশ্চিমৰ মৰাণ অধ্যুষিত অঞ্চলত চুতীয়া আৰু আহোমৰ আধিপত্য চলিছিল। দুদৰ্শা পিড়ীত আহোম-চুতীয়াৰ ৰণ, মোৱামৰীয়া-আহোমৰ জাতিক্ষয়ী বিদ্ৰোহৰ পৰবৰ্ত্তী কালত ভালেসংখ্যক মৰাণ উজনিৰ বেংমৰা, বৰ (সেনাপতিৰ দেশ) হোলোংগুৰি আদি ঠাইলৈ গৈ বসতি স্থাপন কৰিছিল। তদুপৰি মাত্ৰাধিক কৰৰ বোজা বহন কৰিব নোৱাৰি

উজনিৰ বৰ সেনাপৰিৰ দেশলৈ ভাগি গৈছিল। একাংশ মৰাণলোক আহোম, চুতীয়া আৰু কছাৰীসকলৰ লগত বৈবাহিক সম্বন্ধ হৈছিল। কিন্তু কালক্ৰমত বিভিন্ন জাতিৰ সৈতে সংমিশ্ৰিত হৈ অসমীয়া জাতিৰ লগত বিলীন হৈ পৰিল। এনেধৰণৰ বিভিন্ন কাৰণত একালৰ মৰাণ অধ্যুষিত অঞ্চলবিলাকত মৰাণ মানুহৰ বসতি হেৰেঙা হৈ পৰিল। উল্লেখ্য যে ১২৪২ খৃঃত বিবাহসূত্ৰে চুকাফাই ৰজা বড়ৌচা আৰু বৰাহী ৰজা 'থাকুমথাৰ লগত মিত্ৰতা স্থাপন কৰে। বিবাহসূত্ৰে মিতিৰ হোৱাৰ উপৰিও আহোম স্বৰ্গদেউসকলে বিভিন্ন খেল পাতি নানা ধৰণৰ পদবী দি মৰাণ বৰাহী, চুতীয়াক নিজৰ কৰি লৈছিল। ১৫২৩ খৃঃত চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অধীনলৈ আনি অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াত অগ্ৰাধিকাৰ দিছিল। যাৰফলত মৰাণৰ গুৰুত্ব আগতকৈ দুগুণে বাঢ়িল।

স্বাধীনতাৰ পূৰ্বে মৰাণ আজিৰ দৰে নাছিল। আঙুলিৰ মূৰত লেখিব পৰা জনসংখ্যা আছিল। ইয়াৰ চৌপাশে অগাধ হাবি আছিল। বৰ্তমান মৰাণ নগৰৰ মাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথেদি (তেতিয়া শলগুৰি আলি) পথচাৰীয়ে বনৰজাৰ ভয়ত যাবলৈ সংকোচ কৰিছিল। তৰু-তৃণ-লতিকা, ফল-ফুলে যেনেকৈ ডালভৰি লাগি প্ৰাকৃতিক পৰিবেশে সুন্দৰ কৰি অঞ্চলটো মনোমোহা কৰিছিল ঠিক তেনেকৈ চৰাই-চিৰিকতি পশু পতংগ আদি জীৱ-জন্তুৱে সোণত সুৱগা চৰাইছিল। তেতিয়া মৰাণ নগৰৰ আশে-পাশে নগৰ বা গাঁওবোৰত ডাঠ হাবি আছিল আৰু বাঘ, ঘোং নাহৰফুটুকী, কুকুৰনেচীয়া, শিয়াল, বান্দৰ, মেচেকা পশু আৰু বিভিন্ন ধৰণৰ সৰীসৃপ জীৱৰ বসতিৰ স্থল আছিল। পিয়লি নগৰ আৰু জয়ানগৰ অঞ্চল দুটা পূৰ্বতে সাহিত্যিক প্ৰয়াত বেণুধৰ ৰাজখোৱাদেৱৰ পিতৃ স্বৰ্গীয় সুঁচান্দ মৌজাদাৰৰ ৪৬ নং ফি. চি. গ্ৰাণ্টহে আছিল। বৰ্তমানৰ কুশল নগৰ আৰু (বঙালী গ্ৰেজিং) ইয়াৰ কিছু সংলগ্ন ঠাই আৰক্ষীবিষয়া প্ৰয়াত কনক শৰ্মাৰ আছিল। মৰাণহাটৰ পৰা কিছু আঁতৰত থকা ঠাইবোৰলৈ অহা-যোৱা পথবোৰ সুগম নাছিল। ৰাস্তাবোৰ বাৰিষা বোকাময় হয়। তেতিয়া ঘোঁৰা আৰু গৰুগাড়ীৰ দ্বাৰা ব্যৱসায়-বাণিজ্য কৰা হৈছিল। অঞ্চলটোত থকা বাগিছাসমূহলৈ যোৱা যাতায়াতৰ পথবোৰ কেঁচা আৰু একেবাৰে বেয়া আছিল। পূৰ্বতে মৰাণখন নিচেই সৰু আছিল। আহোমৰ ৰাজত্বৰ দিনৰে পৰা মৰাণহাট বজাৰ আৰু বৃটিছৰ দিনত আৰক্ষীথানা, পৰিদৰ্শন বঙলা, চিকিৎসালয় আৰু ১৯২৭ চনত ৰেল ষ্টেচন স্থাপন কৰা হৈছিল। বৰ্তমানৰ ৰাজ্যিক চিকিৎসালয়খনৰ কাষতেই মৰাণহাট প্ৰাথমিক বিদ্যালয় (এতিয়া মৰাণ আদৰ্শ প্ৰাথমিক বিদ্যালয়) আৰু কাষতেই থকা বাগিছাখন স্বৰ্গীয় পৃথুবৰ শইকীয়াৰ আছিল। বৰ্তমানৰ মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (পূৰ্বতেই বৰডবা মধ্য ইংৰাজী বিদ্যালয়, উষাপুৰত আছিল) মাটি স্বৰ্গীয় পান্নালাল আগৰৱালাই দান দিছিল আৰু কাষত থকা মাটি (বৰ্তমানৰ দোকান-বজাৰবোৰ) স্বৰ্গীয় মহাহুম কৰ্মা আলি, উজিৰ আলি আৰু



ধনপৰ হালোৱাই আদিৰ ম্যাদি পট্টাৰ অন্তভূক্ত মাটি আছিল। ইয়াৰে একাংশ মাটি স্বৰ্গীয় জয়ৰাম চুতীয়া আৰু প্ৰয়াত ডিম্ব চুতীয়াৰ চুম গছেৰে ভৰা চুমনি বাৰী আছিল। এই ঠাইৰ বিপৰীত দিশে থকা মাটিখিনি প্ৰয়াত দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, বি.এল. দেৱৰ ঠাকুৰবাৰী মৰাণৰ এক উল্লেখযোগ্য ৰাজহুৱা স্থান। মৰাণহাটৰ কাষত থকা গাওঁবোৰ আছিল বৰডবা চুতীয়া, হেলা গাওঁ (এতিয়া কিৰণ নগৰ), ফটিকাছোৱা, আহোম গাওঁ, মৰাণ চাংমাই গাওঁ, মাউত গাওঁ অনতি দূৰত আমগুৰি, ডোমৰদলং, বৰপথাৰ, মাজপথাৰ, বগপৰা, দলপা, নলনীবাম, লুকুমাৰী, গজপুৰীয়া, পানীতোলা, পথালিবাম আদি ইংৰাজৰ ৰাজত্বৰ দিনৰ পৰায়ে জনাকীৰ্ণ আছিল।

অষ্টাদশ শতিকাৰ শেষ আৰু উন্নবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ধৰ্মীয় কাৰণতে সৃষ্টি হোৱা মোৱামৰীয়া বিদ্ৰোহ আৰু তিনিবাৰকৈ সংঘটিত হোৱা মানৰ আক্ৰমণে মৰাণ অঞ্চলটোত মানুহৰ বসতি প্ৰায় হেৰেঙা কৰিছিল। আহোমৰ ৰাজত্বৰ পৰা ইংৰাজসকলে শাসনভাৰা গ্ৰহণ কৰাৰ পিছতে মৰাণ অঞ্চলৰ ছন পৰি থকা মাটিবোৰত চাহখেতি কৰিবলৈ আৰম্ভকৰা সময়ৰ পৰা পুনৰ মানুহৰ বসতি বাঢ়িবলৈ ধৰিলে। প্ৰণিধানযোগ্য যে ১৯২৮ চন পয্যন্ত ডিব্ৰুগড় (তেতিয়াৰ লক্ষীমপুৰ) শিৱসাগৰ জিলাত প্ৰায় ৪১৯ খন মান চাহ-বাগিছা স্থাপন হৈছিল। এই চাহ-বাগিছাবোৰলৈ ইংৰাজসকলে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা বনুৱা শ্ৰমিকক আনি বাগিছাৰ কামত নিয়োগ কৰাত ইয়াৰ জনসংখ্যা বৃদ্ধি পাবলৈ ধৰে। নানা ধৰণৰ ব্যৱসায় বাণিজ্য কৰিবলৈ অহা মানুহৰো সমাগম হৈছিল। লাহে-লাহে ৰাস্তা, পথ আৰু যাতায়াতৰ গুৰুত্ব বাঢ়িল। ইংৰাজসকলে নিজৰ সা-সুবিধাৰ কাৰণে ৰেলপথ, ডাক-তাঁৰ আদি অন্যান্য যোগাযোগ মাধ্যমক গুৰুত্ব দিয়াত মৰাণ অঞ্চল পাশ্চাত্য সভ্যতাৰ আওতালৈ অৱধাৰিতভাৱে সোমাই পৰিল। উদাহৰণস্বৰূপে মৰাণ খট্খটিত প্ৰথম ডাকঘৰ ১৯০১ চনত, ১৯৩১ চনত মৰাণ বৰডবাত প্ৰথমখন প্ৰাইমেৰী বিদ্যালয়, ১৯০৮ চনত বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত দ্বিতীয়খন প্ৰাথমিক বিদ্যালয় আৰু ১৯২৭ চনত পূৰ্বতেই উল্লেখিত মৰাণহাট ৰেল ষ্টেচন আৰু ৫৭ কিঃমিঃ দৈৰ্ঘ্যৰ ৰেললাইন স্থাপন হৈছিল। মৰাণত বেপাৰ বাণিজ্য কৰা লোকৰ সমাগমৰ বাবে পিছলৈ মৰাণ মৰাণহাট বজাৰ বুলি পৰিচিত হ'ল আৰু বজাৰক কেন্দ্ৰ কৰি দোকান পোহাৰ ইত্যাদিৰো বৃদ্ধি হ'ল। ব্যৱসায়, চৰকাৰী চাকৰি আদিৰে মৰাণলৈ অহালোকৰো সংখ্যা বাঢ়িল। সুদূৰ ৰাজস্থানৰ পৰা আহিল শ্ৰীসুশীল বেৰিয়াৰ ককাদেউতাক প্ৰয়াত ৰামচন্দ্ৰ আগৰৱালা। ঠিক সেইদৰে অন্যতম ব্যৱসায়ীৰূপে প্ৰতিষ্ঠা লাভ কৰা শ্ৰীমুঙ্গীলাল আগৰৱালাৰ পিতৃ প্ৰয়াত পান্নালাল আগৰৱালা, ভঁৱাৰলাল পাচাৰী, নাথুৰাম ম'ৰ আদিকে ধৰি বৰ্তমান তিনিশতকৈ অধিক মাৰোৱাৰী পৰিয়ালে মৰাণত বসতি স্থাপন কৰে। বঙ্গভাষী লোকৰ ভিতৰত পুৰণি পৰিয়ালটি আছিল শ্ৰীমুন্না দাসৰ

ককাক ক্ৰীন্ত দাস, সতীশধৰ, দিগম্বৰ পাল, উমেশ ঘোষৰ পিতৃ বংকিয় চন্দ্ৰঘোষ, অজিত কুমাৰ ঘোষ, অনিল ৰয় আদিয়ে ব্যৱসায়ৰ পাতনি মেলিছিল। বৰ্তমান বঙ্গভাষী পৰিয়ালৰ সংখ্যাত আগতকৈ বৃদ্ধি হ'ল। দ্বিতীয় বিশ্বযুদ্ধৰ আগে-পিছে মুছলমানলোকৰো মৰাণলৈ আগমণ ঘটিল। ইংৰাজ চৰকাৰৰ চাকৰি সূত্ৰে জালালুদ্দিন আহমেদে মৰাণত থিতাপি লৈ পিয়লি নগৰৰ মাটি (৪৬ নং এন এল গ্ৰাণ্টৰ) চাহ বাগিছাৰ মালিক ডিব্ৰুগড়ৰ বাসিন্দা নীলাম্ব দত্তৰ পৰা কিনি লৈছিল। প্ৰয়াত আহমেদৰ একমাত্ৰ পুত্ৰ আৰু ১২ গৰাকী জীয়াৰীৰ সৈতে এক বৃহৎ পৰিয়ালে ইছলাম ধৰ্মীয় লোকৰ আগমণক সঁহাৰি জনালে। ক্ৰমান্বয়ে মৰাণত ইছলামধৰ্মীয় লোকৰ সংখ্যাও দ্ৰুত গতিত বাঢ়িল। কল-কাৰাখানাৰ যন্ত্ৰপাতি, চাহ-বাগিছাৰ ফেক্‌টৰী আদিৰ কামত নিয়োজিত কৰ্মচাৰী হিচাবে মৰাণলৈ অহা শিখ সম্প্ৰদায়ৰ ব্যক্তি শ্ৰীবলবীৰ সিংৰ পিতৃ সেৱা সিং ক্ৰমান্বয়ে পৰৱৰ্তী সময়ত চৰ্দাৰ গুৰুচৰণ সিং, বলবৎ সিং আৰু এনেকৈ শতাধিক শিখ ধৰ্মালম্বীলোকৰ আগমণ ঘটিল। পূৰ্বতে উল্লেখ কৰাৰ দৰে মাৰোৱাৰীলোকৰ নিচিনাকৈ উত্তৰ প্ৰদেশ, উৰিষ্যা, বিহাৰ আদি ৰাজ্যৰ পৰা হিন্দীভাষী লোকৰ মৰাণলৈ আগমণ ঘটিল। সেইসকলৰ ভিতৰত প্ৰয়াত ব্যৱসায়ী, সমাজকৰ্মী মথুৰা প্ৰসাদ চাহুৰ পিতৃ শিশুচৰণ চাহু, সুখদেউ লোহাৰ আদি সম্পৰ্কীয় কেইটামান পৰিয়াল। ইয়াৰ পিছৰ সময়ত অহা বহুতোলোকে চাহ- বাগিছাবিলাকত যন্ত্ৰপাতি মেৰামতি আৰু ঘোঁৰাগাড়ী, গৰুগাড়ী আদি নিৰ্মাণ কৰা কামত নিয়োজিত হোৱা তেনেলোকৰ সন্তান-সন্ততিকে ধৰি পৰিয়ালৰ সংখ্যা ছয় হেজাৰতকৈ অধিক হ'ব। বৰ্তমান বিভিন্ন জাতি, উপজাতি, সম্প্ৰদায় মিলি মৰাণ এখন জনবহুল ঠাইত পৰিণত হ'ল।

ইতিহাস প্ৰসিদ্ধ এই মৰাণহাট আজি সমগ্ৰ অঞ্চলটোৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। স্বাস্থ্য, যাতায়াত, ব্যৱসায়, বাণিজ্য, শিক্ষা, ক্ৰীড়া, সাহিত্য-সংস্কৃতিৰ মিলনভূমিত পৰিণত হোৱা মৰাণৰ গুৰুত্ব অপৰিসীম। মৰাণৰ ভৌগোলিক অৱস্থান ২৯.১০ উত্তৰ অক্ষাংশ আৰু ৯৪.৪৫ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। জলবায়ু গৰম আৰু সেমেকা, মাটি সাৰুৱা প্ৰধান খেতি ধান আৰু চাহ(কৃষিজাত), খনিজাত- খাৰুৱা তেল, সাগৰৰ পৃষ্ঠৰ উচ্চতা - ১০২ মিটাৰ সৰ্বোচ্চ উত্তাপ ৩৯ ডিগ্ৰী চেলচিয়াচ, সৰ্বনিম্ন ৬ ডিগ্ৰী চেলচিয়াচ। স্বাধীনতাৰ পৰৱৰ্তীসময়ত পনীয়া সোণ, খনিজ তেল উদঘাটন হোৱাৰ ফলত মৰাণ এখন উন্নয়ন মুখী নগৰ হিচাবে গঢ়ি উঠিছে। দেখাত মৰাণ যদিও জনবসতিপূৰ্ণ সঙ্গমস্থল, সমৃদ্ধিশালী আৰু যোগাযোগ শিল্প-বাণিজ্যৰ ক্ষেত্ৰত স্নায়ুকেন্দ্ৰ স্বৰূপ তথাপি কাৰ্যক্ষেত্ৰ মৰাণে আশানুৰূপ অগ্ৰগতি লাভ কৰিব পৰা নাই। ইয়াৰ চৌপাশে বিস্তৃত অঞ্চলটো অনুসূচীত জাতি-জনজাতি, আহোম, কছাৰী সোণোৱাল, ব্ৰাহ্মণ, কোচ-কলিতা, মৰাণ, চুতীয়া, দেউৰী, নেপালী, বঙালী, বিহাৰী, মাৰোৱাৰী, মণিপুৰী, পাঞ্জাৱী, চাহজনগোষ্ঠীকে



ধৰি বিভিন্ন ধৰণৰ ধৰ্মালম্বীলোকৰ বসতিভূমি হৈ পৰিল আৰু সম্প্ৰীতিৰ এনাজৰীডাল এতিয়াও কটকটীয়া হৈ আছে। মৰাণ অঞ্চলটো ওখ হোৱাত বাসস্থানৰ উপযোগী আৰু যাতায়াতৰ সুগম হোৱাৰ বাবে ইয়ালৈ চাকৰি, ব্যৱসায়ীসূত্ৰে অহা মানুহে ইয়াতে স্থায়ীভাৱে থাকি যোৱাত এতিয়া মাটিৰ দামো দিনকদিনে বৃদ্ধি হ'বলৈ ধৰিছে। বৰ্তমান জনসাধাৰণৰ অৰ্থনৈতিক আৰু সামাজিক অনগ্ৰসৰতা কিন্তু আঁতৰা নাই। ইয়াৰ অন্যতম কাৰণ হ'ল ইংৰাজৰ দিনৰে পৰা চলি অহা অঞ্চলটোৰ প্ৰশাসনীয় ব্যৱস্থাৱলীৰ বিৰাট আহুকলীয়া পৰিস্থিতি। বাৰ্লিন চহৰৰ দৰে মৰাণ দুখন জিলাৰ এখন নগৰ। শিৱসাগৰৰ পাৰে নগৰ সমিতি আছে আৰু ডিব্ৰুগড় পাৰে এখন ৰাজহ নগৰ গঢ়ি উঠিছে। অৱশ্যে ডিব্ৰুগড় জিলাৰ অংশ ৰাজহ নগৰ হিচাবে চিহ্নিত হৈ আছে যদিও আধুনিকতাৰ স্পৰ্শত এই অঞ্চলো ক্ৰমান্বয়ে গতিশীল হৈছে। এই গতিশীলতা আৰু পৰিকল্পিত আঁচনিৰ গঠনমূলক কামৰ সংযোগ ঘটিলে মৰাণ এখন আদৰ্শ নগৰলৈ উন্নীত হোৱাৰ পূৰ্ণ মাত্ৰাই সম্ভাৱনা আছে।

এনে সম্ভাৱনা থকাৰ কাৰণেই মৰাণকে কেন্দ্ৰস্থল হিচাপে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত- মৰাণ, চেপন, খোৱাং, লেঙেৰী, টিংখাংৰ একাংশ আৰু শিৱসাগৰ জিলাৰ মাহমৰা আৰু খালৈঘোগুৰা মৌজাৰ অংশ বিশেষকলৈ মৰাণক সদৰ কৰি মৰাণক মহকুমা গঠনৰ দাবীত ১৯৫৪ চনৰ পৰায়েই জনসাধাৰণে চৰকাৰক এটি সুকীয়া মহকুমা দাবী জনাই আহিছে। উল্লেখ্য যে ১৯৫৮ চনত তদানীন্তন মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহাদেৱৰ দিনৰ পৰা একাধিকবাৰ প্ৰতিখন চৰকাৰক এই দীৰ্ঘদিনীয়া দাবীৰ সম্পৰ্কত স্মাৰক পত্ৰ আৰু মানচিত্ৰসহ তথ্যপাতি প্ৰদান কৰি আহিছে। কিন্তু চৰকাৰৰ ৰাজনৈতিক সদিচ্ছা নাই। ৰাইজৰ প্ৰতিনিধিসকলৰো বলিষ্ঠ পদক্ষেপৰ অভাৱ। বৰ্তমান মৰাণক কেন্দ্ৰকৰি নাগৰিকৰ বাসস্থান আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ গঢ়লৈ উঠাত দুয়োখন জিলাৰ সংগমস্থল মৰাণৰ পৰিসৰ আগতকৈ বহুত বৃদ্ধি হ'ল।

প্ৰস্তাৱিত মৰাণ মহকুমাই ডিব্ৰুগড় লোকসভা সমষ্টিৰ একাংশকো সামৰি লৈছে। ১৯৭১ চনৰ পিয়লৰ মতে ৪৫০ বৰ্গ মাইলৰো অধিক মাটি কালিৰ মুঠ জনসংখ্যা ২,৮৪,৪০৮ আৰু ৰাজহৰ পৰিমাণ ৪,১১,০০০ টকা। বৰ্তমান প্ৰস্তাৱিত মহকুমাৰ অন্তৰ্গত চাৰিশৰো অধিক গাঁও, ৩৫ খনৰো অধিক চাহ বাগিছা আৰু মৰাণ তৈলক্ষেত্ৰকে ধৰি ভালেমান শিল্প উদ্যোগ আছে। এই শিল্প উদ্যোগসমূহৰ পৰাও যথেষ্ট পৰিমাণৰ ৰাজহ সংগ্ৰিহিত হয়। প্ৰস্তাৱিত মৰাণ মহকুমাৰ অন্তৰ্গত ৰাজহচক্ৰ সমূহ- মৰাণ, মাহমৰা, ৰাজগড়, ডিমৌ (একাংশ- মাহমৰা আৰু সোণাৰী একাংশ) উন্নয়ন খণ্ডসমূহ সোণাৰী (একাংশ), দিচাংপানী, খোৱাং, ৰাজগড়, জয়পুৰ (একাংশ), চেপন ইত্যাদি। নগৰৰ সম্পৰ্কত শিৱসাগৰৰ পাৰে ৯০০ বিঘা মাটি কালিৰ এলেকাত ১৯৬২ চনৰে পৰাই

মৰাণ নগৰ পালিকাই কাৰ্য্যনিৰ্বাহ কৰি আছে। ঠিক সেইদৰে ডিব্ৰুগড়ৰ পাৰে প্ৰায় ৯৪৮ বিঘা ৭ লোচাৰে সাঙুৰি সমপৰ্যায়ৰ আন এখন ঘোষিত নগৰ, গাঁও পঞ্চায়তৰ অধীনত গঢ়ি উঠাত সীমামূৰীয়া অঞ্চল হে পৰাত প্ৰশাসনীয় বিবাদ আৰু বিশৃঙ্খলতাই অঞ্চলটোৰ সাৰ্বিক উন্নয়নত কিছু বাধাৰ সৃষ্টি কৰিছে। তদুপৰি দূৰদূৰণিৰ জনসাধাৰণৰ দৃষ্টিত মৰাণ এখন উদ্যোগী নগৰ। ইয়াৰ আশে-পাশে থকা উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত মহাবিদ্যালয় ৯ খন, উচ্চতৰ মাধ্যমিক বিদ্যালয় ৮ খন, উচ্চ মাধ্যমিক বিদ্যালয় ৩৮ খন, ৰাজ্যিক বিদুৎ পৰিষদৰ মহকুমা বিষয়াৰ কাৰ্যালয় ১, খণ্ড উন্নয়ন কাৰ্যালয় ২, আৰক্ষী থানা ৪, আৰক্ষী চাৰ্কোল বিষয়াৰ কাৰ্যালয় ১, ৰাজ্যিক চিকিৎসালয় ৪, প্ৰাথমিক চিকিৎসালয় ৪, স্বাস্থ্য উপকেন্দ্ৰ ৬, ৰাজ্যিক পশু চিকিৎসালয় ৪, টেলিফোন কেন্দ্ৰ ৪, ডাঁকতাৰ কাৰিকৰী কণিষ্ঠ অভিযন্তাৰ কাৰ্যালয় ৪, সামাজিক বনানীকৰণ আঞ্চলিক কাৰ্যালয় ৩, অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় ২, তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ আবাসিক অঞ্চল আৰু কাৰ্যালয় ১, অসম চাহ মজদুৰ সংঘৰ শাখা কাৰ্যালয় ২, নগৰখনৰ দুয়োপাৰে চৰকাৰী আৱৰ্তভৱনৰ কাৰ্যালয় ২, চাহ কৰ্ম্মচাৰী সংঘ কাৰ্যালয় ১, ৰেল ষ্টেচন আৰু আৱাসিক অঞ্চল ৪, আবকাৰী পৰিদৰ্শকৰ কাৰ্যালয় ২, ষ্টেট বেংকৰ শাখা ৪, ইউনাইডেট বেংক ১, ক'পাৰেটিভ এপেক্স বেংক ১, লক্ষিমী গাৱলীয়া বেংকৰ নতুন নাম অসম গ্ৰামীণ বিকাশ বেংকৰ শাখা ২, ইউকো বেংক ১, নতুনকৈ স্থাপন হোৱা অভাৰচিচ্ বেংক ১, ইন্দিয়ান বেংককে ধৰি ভালেকেইটা নতুন বাণিজ্যিক বেংকৰ শাখা কাৰ্যালয় গঢ়ি উঠিছে। এই উল্লেখিত চৰকাৰী-বেচৰকাৰী, অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আৰু ব্যৱসায় বাণিজ্যত কাম কৰা কৰ্মচাৰী তথা সৰ্বসাধাৰণ ৰাইজৰ উপকাৰত অহাকৈ এটি কোষাগাৰ আজিকোপতি প্ৰতিষ্ঠা হোৱা নাই। কোষাগাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত চৰকাৰ আৰু জনসাধাৰণৰ ভূমিকা তেনেই নগন্য। তদুপৰি আমি মৰাণবাসী সমূহ ৰাইজে অনুভৱ কৰোঁ যে, এখন পূৰ্ণাঙ্গ প্ৰতিষ্ঠিত নগৰ হিচাপে পৰিচয় পাব পৰা সম্ভাৱনীয়তা সম্পূৰ্ণই আছে। তুলনামূলকভাৱে মৰাণ এখন ওখ ঠাই ইয়াত বানপানীৰ সমস্যা নাই। কিন্তু দূৰ্বল প্ৰশাসন আৰু ডিব্ৰুগড়ৰ পাৰে প্ৰশাসনৰ শূণ্যতাৰ সুযোগ লৈ বৰষুণৰ পানী নিষ্কাষণৰ ব্যৱস্থা কৰাতো সম্ভৱ নোহোৱা বাবে পুৰণি নাগৰিকসকলে নগৰীয়া জীৱন-যাপনৰ পৰিৱৰ্তে আহুকলীয়া জীৱন অতিবাহিত কৰিবলগা হৈছে। সুন্দৰ জীৱনধাৰা গঢ়িব পৰা সম্ভাৱনা থকা মৰাণ নগৰখনৰ উন্নতি পাৰ্শ্ববৰ্তী এলেকাৰ সকলো ৰাইজে কামনা কৰে। এই ক্ষেত্ৰত প্ৰত্যেকে নিজৰ নিজৰ অৱস্থাৰ পৰা প্ৰচেষ্টা নিশ্চয় কৰিব বুলি আমি আশা কৰোঁ।

মৰাণ নগৰখনৰ মাছৰ বজাৰখনকে আদিকাৰি ইয়াৰ সমীপৰ বজাৰসমূহৰ স্থানসমূহ একেবাৰে অপৰিষ্কাৰ আৰু আৱৰ্জনাৰে ভৰপূৰ। এনে আৱৰ্জনাবোৰ পেলাবৰ



বাবে যদিও দিখাৰী গাঁও পঞ্চয়তে দাষ্টবিনৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থাই নিৰ্দিষ্ট সময়মতে আৱৰ্জনা আন ঠাইলৈ স্থানান্তৰিত নকৰা বাবে ইয়াৰ পৰা গেলা গন্ধই নাগৰিকৰ জীৱনযাত্ৰাত ব্যাঘাত জন্মাইছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত যি দৈনিক বজাৰ আগতে বহিছিল, সেই বজাৰখন ডিব্ৰুগড় জিলাৰ উপায়ুক্ত, মৰাণ ৰাজহ চক্ৰ বিষয়া আৰু মৰাণৰ জ্যেষ্ঠ নাগৰিকসকলৰ সমূহীয়া প্ৰচেষ্টাত মাছ বজাৰৰ পিছফালে থকা গাঁও পঞ্চায়তৰ অধীনত পূৰ্বতে নিৰ্মাণ কৰা দোকানৰ ঘৰবোৰলৈ স্থানান্তৰ কৰা বাবে পথচাৰী তথা জনসাধাৰণৰ যথেষ্ট সুবিধা হৈছে। মাছৰ বজাৰখনো উন্নতভাৱে নতুনকৈ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিবলৈ মৰাণবাসী ৰাইজে বহু দিনৰেপৰা স্থানীয় ৰাইজৰ প্ৰতিনিধিক অনুৰোধ জনাই আহিছে। কিন্তু আজি পৰ্যন্ত এই বিষয়ত কোনো সদোত্তৰ বা সমাধানৰ ব্যৱস্থা কৰা দেখা নাই। মৰাণ নগৰৰ এই দুৰ্ভগীয়া প্ৰশাসনীয় ব্যৱস্থাটোৱে ৰাজপ্ৰতিনিধি তথা চৰকাৰখনৰ জনসাধাৰণৰ প্ৰতি কিমান দায়বদ্ধ তাকে প্ৰতিফলন কৰিছে। অঞ্চলটোৰ মুঠ জনসাধাৰণ, জনবসতি অঞ্চল, বাণিজ্যিক লেন-দেন, ব্যৱসায়ীক প্ৰতিষ্ঠানৰ পৰিসংখ্যা ইত্যাদিত মৰাণ নগৰৰ তথ্যত পঞ্জীভুক্ত নোহোৱাৰ বাবে পৰিকল্পনাৰ শিতানত আৰু পুঁজি আৱণ্টনৰ সংক্ৰান্তত মৰাণে কিমানদিন বঞ্চিত হৈ আছে তাক সহজেই অনুমেয়। তদুপৰি দ্ৰুতগতিত বাঢ়ি অহা জনসংখ্যাৰ লগতে গাড়ী, মটৰচাইকেল ইত্যাদিৰ পাকিং ব্যৱস্থাৰ অভাৱেও জনসাধাৰণক বাৰুকৈয়ে বিপদত পেলাইছে। অসম চৰকাৰে মৰাণ অঞ্চলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে লোৱা আঁচনি- কৃষি, বাণিজ্য, শিক্ষা, স্বাস্থ্য, আলি-পদুলি আদিৰ নামত সঠিকভাৱে ৰূপায়নৰ ক্ষেত্ৰত গুৰুত্ব দিলে নিশ্চয় মৰাণ নগৰখন সুন্দৰ হৈ উঠিব। আমি মৰাণবাসী ৰাইজে তেনেকুৱা দিনলৈ আৰু কিমানদিন অপেক্ষা কৰিব লাগিব তাক সময়েহে ক'ব। তথাপি আমি আশাকৰোঁ অসমৰ মানচিত্ৰত মৰাণে এক বিশেষ স্থান লাভ কৰিব।

***সহায়ক গ্ৰন্থ ঃ***


১। জীৱকান্ত গগৈ, 'বুৰঞ্জীৰ নাম লাকটু', আমাৰ প্ৰতিনিধি ১৯৭৮।

২। ইতিহাসে সোঁৱৰা ছশটা বছৰ; সৰ্বানন্দ ৰাজকুমাৰ।

৩। আহোমৰ দিন- হিতেশ্বৰ বৰবৰুৱা।

৪। 'বদৌচা'- মৰাণ সাহিত্য সভাৰ উপলক্ষে প্ৰকাশিত 'স্মৃতিগ্ৰন্থ' ২০০৯।

৫। অন্যান্য অসম বুৰঞ্জী আৰু আলোচনী প্ৰৱন্ধ পাতি আদি।


❖❖

# সমন্বয়ৰ স্থলী 'মৰাণ' ঃ এক ঐতিহাসিক আৰু অৰ্বাচীন অৱলোকন

ড° দয়ানন্দ বৰগোহাঞি
অৱসৰপ্ৰাপ্ত অধ্যাপক, মৰাণ মহাবিদ্যালয়

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সীমা-মূৰিয়লিত ২৯.১০ উত্তৰ অক্ষাংশ আৰু ৯৪.৫৫ পূব দ্ৰাঘিমাংশৰ মাজত 'মৰাণ' অঞ্চলৰ ভৌগোলিক অৱস্থান। নিঃসন্দেহে ক'ব পাৰি যে মৰাণ জাতিৰ পৰাই 'মৰাণ' নামৰ উৎপত্তি। ঐতিহাসিক পণ্ডিত আৰু বিশ্লেষকসকলে প্ৰমাণ কৰিছে যে, মৰাণসকল মঙ্গোলীয় জনগোষ্ঠীৰ লোক আৰু তেওঁলোকৰ আদি বাসস্থান তীব্বত-চীনৰ পাদদেশ হোৱাৰ সম্ভাৱনাই বেছি। নেপালত বসবাস কৰা 'মৌৰাং' আৰু অসমৰ আদিবাসীসকলৰ অন্যতম 'মৰাণসকল একে গোষ্ঠীৰ অন্তৰ্গত। মৌৰাং > মীৰাং> মোৰান > মৰাণ এই বুৎপত্তিগত নিষ্পত্তি গ্ৰহণ কৰিব পাৰি। অন্যহাতে ম-বলী, ৰাণ-ধৰণ, মৰাণ- অৰ্থাৎ শক্তিমন্ত, বীৰ জাতিৰ মানুহ। অসমীয়া কথিত ভাষাত 'মৰাণবহা' (দা-টোকোন পাৰি বহা); 'মৰাণ-চেঙ' (মৰাণৰ চোৰাংচোৰা); মৰাণ-দাং (মৰাণৰ চাউদাং); মৰাণ-কাঁড়ী (মৰাণৰ ৰণুৱা); 'ৰাঙ-কুকুৰ' (মৰাণৰ চিকাৰী কুকুৰ); 'মৰাণ-আদা' আদিৰ প্ৰচলন ঐতিহাসিক।

'অসম'ৰ উৎপত্তি আৰু অসমীয়া জাতি গঠনৰ লগত ত্ৰয়োদশ শতাব্দীৰ আদি ভাগতে পাটকাই পাৰহৈ - এই ভূখণ্ডত পদাৰ্পণ কৰা চাওল্যুং চ্যকাফাৰ নাম সাঙুৰ খাই আছে। ১২২৮ খৃঃৰ ১৬ আঘোণৰ দিনা- এইজনা টাই ৰাজকোঁৱৰে ভৈয়ামত পদাৰ্পণ কৰি আঘোণৰ সোণোৱালী ধাননি দেখি হয়তো উৎফুল্লিত হৈ কৈছিল, 'ম্যুঙ-ডুন্-চুন্-খাম' (সোণৰ বাগিচাৰে ভৰা দেশ)। উদাৰতা, বদান্যতা প্ৰলেপ সংপৃক্ত উচ্চ সভ্যতা-সংস্কৃতিৰে-সংস্কৃত চ্যুকাফাই দিয়া-লোৱাৰ যোগেদি এখন ৰাজ্য তথা এখন সমাজ গঢ়াৰ লক্ষ্য সাৰোগত কৰি 'মুং-ক্লা-চে-খু'ত এদিন ৰাজধানীও পাতিছিল। এই 'মুং-ক্লা-চে-খ্ৰ' (অভয়পুৰ) আছিল মৰাণ জাতিৰ বসতি প্ৰধান অঞ্চল। এই চ্যুকাফাৰ অভিযানৰ বৰ্ণনা অসমীয়া বুৰঞ্জীত এনেদৰে আছে- তাৰ পৰা আহি চ্যুকাফাই দিহিঙ্গত নগৰ কৰি দহবছৰ থাকিলহি। তাৰ পৰা গৈ উত্তৰ কুলত তিনি বছৰ, চেপনত বছৰ থাকিল। তাৰ পৰা দিহিঙ্গে ভটিয়াই, দিখৌৱে উজাই, দিলীহৰ মুখ পাই, তাতে নগৰ কৰি, মানুহৰ ঘৰ-বাৰী আছে নে চাবলৈ দিলে। পাছে হাবিত মানুহ এটা পালে। ...... সি বোলে দক্ষিণে কছাৰী, উত্তৰে বৰাহী মৰাণ আছে। পাছে তাক লগত লৈ



দিখৌৱে উজাই চাৰিং পাই বিস্তৰ পানীখোৱা ঘাট দেখিলে। তাৰ পৰা শিমলুগুৰিত নগৰ কৰি ৰ'লহি। তাৰ পৰা মানুহ পঠাই বৰাহীক চাব দিলে। পাছে, সেই মানুহ আহি ৰজাক কলেহি, বোলে, মৰাণ-বৰাহী চাৰি হেজাৰমান হ'ব, শিলপানীৰ চাৰিওফালে জুৰি আছে। ৰজাদেৱে বোলে, যুঁজ কৰিলে মানুহ মৰে......... এই বুলি বৰাহীৰ ৰজালৈ মানুহ পঠাই, আমি দেখা দেখি হওঁ আহকহঁক। আমি উজনিৰ পৰা আহিছোঁ, আমাৰে মিত্ৰ হ'ব লাগে। তহঁত থানগিৰী..... আমি আলহী। এতেকে, আমাক থাকিবলৈ দিব পায়। এইৰূপে আমাৰ মানুহে বৰাহী ৰজাত কলেগৈ। বৰাহীৰ ৰজাইও আদি অন্ত সুধিল। ..... কথা শুনি বৰাহী আৰু মৰাণহঁতে অপূৰ্ব বুলিলে। ...... ভাৰভেটি লৈ আহিল। ...... ৰজাদেৱে বৰাহীৰ ৰজাত কথাবাৰ্ত্তা সুধিলে। সি বোলে...... মোকে থাপিথুমা বোলে, থাকুমখা বুলিও জানে। মই বৰাহীৰ মৰাণৰে অধিকাৰী। ..... পাছে ৰজাদেৱে থামিথুমাক বোলে, আমি ক'ত থাকিবলৈ ভাল। পাছে ৰজাদেৱে বৰাহী-মৰাণ কুঁৱৰী চাৰিজনী আনিলে ...... মৰাণ বৰাহীৰ জীয়াৰীক চাংমাই শালত বনাবলৈ দিলে...... । (হিতেশ্বৰ বৰবৰুৱা, আহোমৰ দিন, পৃঃ২১-২২)

এই বৈবাহিক সুত্ৰেৰে মৰাণ-বৰাহীৰ বুকুত সোমাই চ্যুকাফাই আৰম্ভ কৰিছিল জাতি গঠনৰ কাম। প্ৰথমজনা বুঢ়াগোহাঞি থাওমুং ক্লিঙ্গলুঙ্গমাংৰায়- এও মৰাণৰ ছোৱালীৰ পাণি গ্ৰহণ কৰিছিল। মৰাণ গাভৰুৰ গৰ্ভজাত সন্তান চাও-ফ্ৰাং-ডাম (থাবুক-বকুন) বুঢ়াগোহাঞি আৰু তাফ্ৰিখিন বৰগোহাঞিয়ে লগ লাগি চুতীয়া ৰজাই বিশ্বাসঘাতকতা কৰি ৰজা নোহোৱা কৰা আহোম ৰাজ্যৰ ১৪ বছৰ শাসন কাৰ্য চলোৱাৰ কথা বুৰঞ্জীত আছে। এই 'মৰাণ' জাতিৰ নামৰ পৰাই সৃষ্টি হোৱা 'মৰাণত কিন্তু দুই এক অঞ্চলৰ নামৰ বাহিৰে (যেনে- মৰাণ-দিখাৰী, মৰাণ-চাংমাই, ফটিকাছোৱা মৰাণ) অন্য বিশেষ ৰক্ষিত নহ'ল। স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্ব কালত (১৬০৩-৪১ খৃঃ) প্ৰথমজনা বৰবৰুৱাৰ পদ সৃষ্টি কৰা হৈছিল আৰু মোমাই তামুলী বৰবৰুৱাই সেই পদ অলংকৃত কৰিছিল। এই গৰাকী মহামতী বৰবৰুৱাৰ দিনতেই ৰাজ্যত প্ৰথম লোকপিয়ল আৰু জৰীপৰ কাম আৰম্ভ কৰা হৈছিল। শাসনৰ সুবিধাৰ্থে সমগ্ৰ ৰাজ্যৰ বিভিন্ন খণ্ডত ভগোৱা হৈছিল আৰু মৰাণ অঞ্চলক সামৰি উজনি খণ্ড এইজনা বৰবৰুৱাৰ তলত দিয়া হৈছিল। এই অঞ্চলত স্বৰ্গদেৱৰ তিনিখন খাট- বৰ অভয়পুৰীয়া, সৰু অভয়পুৰীয়া আৰু পানী অভয়পুৰীয়া। মৰাণ বৰুৱা, দা-ধৰা বৰুৱা, ঘৰফলীয়া বৰুৱা, খাৰঘৰীয়া বৰুৱা, গজপুৰীয়া বৰুৱা, অভয়পুৰীয়া বৰুৱাৰ সহযোগত বৰবৰুৱাই এই অঞ্চলৰ প্ৰশাসন চলাইছিল। মৰাণ অঞ্চল সেই সময়ৰ আহোম ৰাজ্যৰ প্ৰায় মধ্যস্থলত হোৱাৰ বাবে প্ৰতিৰক্ষা আৰু যোগাযোগৰ বাবে এই অঞ্চলৰ গুৰুত্ব আছিল অপৰিসীম।

অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশ শতিকাৰ আদি ভাগত ধৰ্মৰ অনুভূতিৰ

বোকোচাত উঠি সৃষ্টি হোৱা মোৱামৰীয়াৰ বিদ্ৰোহ আৰু তিনিবাৰকৈ হোৱা মানৰ বৰ্বৰ
আক্ৰমণত মৰাণ অঞ্চল প্ৰায় জনপ্ৰাণীহীন অঞ্চললৈ ৰূপান্তৰিত হৈছিল যেন অনুমান
হয়। স্বৰ্গদেউ পুৰন্দৰ সিংহৰ হাতৰ পৰা ৰাজনৈতিক ক্ষমতা সম্পূৰ্ণৰূপে হস্তগত কৰাৰ
পিছত ইংৰাজৰ আমোলাত শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা গঠন কৰাৰ পিছত আৰু
ইংৰাজে মৰাণ অঞ্চলৰ ছন পৰি থকা বিস্তৃত অঞ্চলত চাহ খেতি কৰিবলৈ লোৱাৰ
পিছৰ পৰাহে পুনৰ মানুহৰ বসতি বাঢ়িবলৈ ধৰে। উল্লেখযোগ্য যে, ১৯২৮ চন পৰ্যন্ত
শিৱসাগৰ আৰু ডিব্ৰুগড় (তেতিয়াৰ লক্ষীমপুৰ) জিলাত মুঠ ৪১৯ খন চাহ বাগিছা
পতা হৈছিল।

চাহ বাগিছাত শ্ৰমিকৰ সমাগমৰ লগে লগে ব্যৱসায়ীসকলৰো আগমন হ'ল।
বাগিচাসমূহৰ স্বাৰ্থতে ই ৰাষ্টা-ঘাটৰ প্ৰয়োজন হ'ল। পাশ্চাত্য সভ্যতাৰ আওতালৈ
মৰাণ অঞ্চল অৱধাৰিতভাৱে সোমাই পৰিল। ১৯০১ চনত মৰাণ খট্‌খটিত প্ৰথম ডাকঘৰ,
১৯২৭ চনত শিৱসাগৰৰ পৰা মৰাণলৈ ৰেল সংযোগ স্থাপিত হ'ল। ১৯০১ চনত মৰাণ
বৰডবাত প্ৰথমখন প্ৰাইমেৰী স্কুল আৰু ১৯০৮ চনত বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ
কাষত দ্বিতীয়খন প্ৰাইমেৰী স্কুল প্ৰতিষ্ঠা হৈছিল।

মৰাণ অঞ্চলে লাহে লাহে প্ৰস্ফুটিত হ'বলৈ আৰম্ভ কৰিলে। ব্যৱসায়, চৰকাৰী
চাকৰি আদিৰ গইনাত মৰাণলৈ প্ৰবজনৰো আৰম্ভ হ'ল। ব্যৱসায় সংক্ৰান্তত মৰাণৰ
পাশ্বৱৰ্তী এলেকাত সৰ্বাগ্ৰে অহা ৰাজস্থানী পৰিয়ালটো আছিল শ্ৰীসুশীল বেৰিয়াৰ
ককাক ৰামচন্দ্ৰ আগৰৱালাদেৱৰ পৰিয়াল। পিছৰ কালত তেওঁৰ স্মৃতিত নিৰ্মিত হৈছিল
ৰামচন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়। মৰাণ নগৰত ব্যৱসায়িক প্ৰতষ্ঠা লোৱা অন্য মাৰোৱাৰী
পৰিয়ালসমূহৰ অন্যতম আছিল পান্নালাল আগৰৱালা, নাথুৰাম ম'ৰ, ভঁৱাৰলাল পাচাৰী
আদি। সম্প্ৰতি, মৰাণত প্ৰায় তিনিশটামান মাৰোৱাৰী পৰিয়ালৰ বাসস্থান আছে।

মৰাণলৈ আহি থিতাপি লোৱা বঙ্গভাষী পৰিয়ালকেইটাৰ ভিতৰত অন্যতম
প্ৰাচীন পৰিয়ালটি আছিল শ্ৰীমুন্না দাসৰ ককাক ক্ৰীস্ত দাস। ঊনবিংশ শতিকাৰ শেষ
ভাগত মৰাণত নিগাজীকৈ থাকিবলৈ লোৱা দাসৰ লগত প্ৰায় সমসাময়িকভাৱেই সতীশ
ধৰ, দিগম্বৰ পাল আদিৰ পৰিয়ালো আহিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ আগে পিছে শ্ৰীউমেশ
ঘোষৰ দেউতাক বংকিম চন্দ্ৰ ঘোষৰ পৰিয়াল আহিছিল মৰাণলৈ। তেখেতৰ পুত্ৰ অজিত
কুমাৰ ঘোষ, সম্পৰ্কীয় অনিল ৰায়ৰ লগ লাগি চাং পাতি দোকান আৰম্ভ কৰিছিল
এতিয়াৰ মৰাণৰ সোঁমাজত। সেই সময়ত ব্যৱসায় সংক্ৰান্তীয় কাৰ্যালয় (Income
Tax, Sales Tax আদি) যোৰহাটতহে আছিল আৰু যাতায়াত আছিল ট্ৰেইনৰেহে।
সম্প্ৰতি প্ৰায় তিনি হাজাৰমান বঙালী সম্প্ৰদায়ৰ পৰিয়ালে মৰাণত বসবাস কৰি আছে।
ইছলাম ধৰ্মীয় লোকৰ এক স্বচ্ছল প্ৰলেপ মৰাণত পৰিছিল যুদ্ধ-পূৰ্ব যুগতে।



এই সম্প্ৰদায়ৰ ইংৰাজ চৰকাৰৰ চাকৰিয়াল জালালুদ্দিন আহমেদৰ দ্বাৰা। মৰাণৰ মধ্যস্থলৰ ডিব্ৰুগড় জিলাৰ ৪৬ নং এন.এল. আৰ. গ্ৰাণ্টৰ (পিয়লি নগৰ) সমুদায় মাটি চাহ বাগিচাৰ মালিক ডিব্ৰুগড় নিবাসী নীলাম্ব দত্তৰ পৰা কিনি লৈছিল আহমদদেৱে। তেখেতৰ ১২ গৰাকী কন্যা আৰু একমাত্ৰ পুত্ৰৰ নামলৈ যোৱা এই অঞ্চল এতিয়া বিভিন্ন জাতি প্ৰজাতিৰ সমন্বয়স্থলী। বৰ্তমান সময়ত মৰাণ অঞ্চল আগুৰি প্ৰায় দুই হাজাৰোধিক ইছলাম ধৰ্মীয় পৰিয়াল আছে।

চাহ বাগিচাৰ লগত সাঙুৰ খাই থকা যন্ত্ৰপাতিৰ চোৱাচিতা-মেৰামতি আদিৰ লগত জড়িত হৈ মৰাণলৈ আহিছিল শিখ সম্প্ৰদায়ৰ প্ৰথমজন লোক শ্ৰীবলবীৰ সিঙৰ দেউতাক সেৱা সিং। তেওঁকে দেখি পিছৰ সময়ত বলৱৎ সিং, চৰ্দাৰ গুৰুবচন সিং (মৰাণ বাগান), জোৱন্ট সিং (চেপন বাগান) আদি আহি থিতাপি লৈছিল। এইসকলৰ পুত্ৰ-নাতি-পৰিনাতিসকলেই আজি মৰাণৰ প্ৰায় এশটাতকৈ অধিক শিখ সম্প্ৰদায়ৰ পৰিয়াল।

এওঁলোকতকৈ কিছু বছৰৰ আগেয়ে মাৰোৱাৰী সম্প্ৰদায়ৰ প্ৰায় সমসাময়িকভাৱে বিহাৰ, উত্তৰপ্ৰদেশ আদি ৰাজ্যৰ পৰা হিন্দীভাষী লোকৰো আগমন হৈছিল। এওঁলোকৰ ভিতৰত প্ৰথমেই উল্লেখ কৰিব লাগিব শ্ৰীমথুৰা চাহুৰ ককাদেউতাক শিওচৰণ চাহু (১৮৮৫)ৰ কথা। সময়সাময়িকভাৱে আহিছিল সুখদেউ লোহাৰৰ পৰিয়াল। শিখ সম্প্ৰদায়ৰ লোকসকল যেনেকৈ যন্ত্ৰপাতিৰ তৈয়াৰ আৰু মেৰামতিৰ লগত জড়িত হৈ আহিছিল, ঠিক তেনেকৈ এই হিন্দীভাষী (বিহাৰী) লোকসকল এটা সময়ত প্ৰাচীন যাতায়াতৰ লগত অবিচ্ছেদ্য সম্পৰ্ক থকা গৰুগাড়ী তৈয়াৰ কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল। বিংশ শতিকাৰ আদি ভাগত মৰাণত তৈয়াৰ কৰা এযোৰ গৰুগাড়ীৰ চকাৰ মূল্য আছিল হেনো পঞ্চাশ টকা। সম্প্ৰতি, এই লোকসকল অন্যান্য ব্যৱসায়ৰ লগতে কমাৰ শিল্পৰ লগত জড়িত হৈ আছে। এওঁলোকৰ সংখ্যা সম্প্ৰতি পাঁচ-ছয় হাজাৰৰ কম নহ'ব।

মৰাণক কেন্দ্ৰ কৰি চাৰিওফালে আৰু নগৰৰ (ৰাজহ নগৰকো ধৰা হৈছে) ভিতৰত খিলঞ্জীয়া চুতীয়া, আহোম, কছাৰী, কোচ, কলিতা, ব্ৰাহ্মণ আদিৰ লোকৰ বাসস্থান। বিভিন্ন চৰকাৰী চাকৰি, স্কুল-কলেজৰ চাকৰি, বিজ্ঞান-প্ৰযুক্তিৰ লগত সাঙুৰ খাই অহা শিল্পোদ্যোগ, চিকিৎসা সেৱা, অন্যান্য ব্যৱসায় আদিৰ লগত জড়িত হৈ বিভিন্ন চাকৰিৰ অৱসৰৰ পিছত অওঁহী-বওহীৰ ভেজা লৈ মৰাণক কেন্দ্ৰ কৰি প্ৰায় ৭/৮ কিলোমিটাৰ ব্যাসাৰ্ধৰ এক অঞ্চলক ঘন বসতি প্ৰধান অঞ্চললৈ ৰূপান্তৰিত কৰি পেলোৱা হৈছে। এই অঞ্চলৰ ভিতৰত আনকি অব্যৱসায়িক মাটিৰ মূল্যও সম্প্ৰতি কঠাত ৩/৪ লাখ হোৱাটো মৰাণৰ প্ৰসাৰতাৰ প্ৰমাণ দিয়ে। সম্প্ৰতি এই ব্যাসাৰ্ধৰ ভিতৰৰ

জনসংখ্যা প্ৰায় ৪০/৫০ হাজাৰৰ ভিতৰত হ'ব।

অৰ্বাচীনতাৰ বোকোচাত উঠি প্ৰসাৰতা লভা মৰাণত সম্প্ৰীতিৰ এনজাৰীডাল কিন্তু এতিয়াও নিৰ্ভেজাল আৰু কটকটীয়া হৈ আছে। ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৭৩-৭৪ চনৰ মাধ্যম আন্দোলন, ১৯৭৯-৮৫ চনৰ অস্তিত্বৰক্ষাৰ (?) আন্দোলন আদিৰ সময়তো এই সম্প্ৰীতিৰ ঘূণে ধৰা নাছিল। ১৯৬০ চনৰ ভাষা আন্দোলনৰ পিছত বঙ্গভাষী কিছু লোক মৰাণ এৰি গুচি গৈছিল যদিও আন্দোলনৰ সময়ছোৱাত আনকি নাম-ফলক এখনো ভঙা হোৱা নাছিল বুলি জনা গৈছে। সেই সময়ত চাহ বাগিছা আৰু গাঁৱত বাস কৰা বঙ্গভাষী লোকসকলক নিৰ্ভয় প্ৰদান কৰিবলৈ অহা ৰাজনৈতিক ব্যক্তি অশোক সেন, জগজীৱন ৰাম আদি আহি মৰাণৰ সম্প্ৰীতি দেখি অভিভূত হোৱাৰ কথা জনা যায়। আজিৰ অৰ্বাচীন মৰাণত হোৱা উৎসৱ মেলা আদিত সকলো সম্প্ৰদায়ৰ লোকে অংশগ্ৰহণ কৰে, সেৱা বিহু মেলাই হওক, মাৰোৱাৰী যুৱ মঞ্চৰ অনুষ্ঠানেই হওক, ষঠ পূজাৰ উৎসৱেই হওক, বঙ্গভাষী হিতৈষী ব্যক্তিৰ স্মৃতিচাৰণ হওক, বিভিন্ন পূজা স্থলীতেই হওক। ইছলাম ধৰ্মৰ উৎসৱ পাৰ্বণতো উৎসাহ উদ্দীপনাৰ অভাৱ নাই।

মৰাণ অঞ্চলত দ্ৰুতভাৱে বসতি বিস্তৃতিৰ মূল কাৰণ সম্পৰ্কে কেইটামান দিশ আঙুলিয়াব পৰি। ইবিলাকৰ ভিতৰত সৰ্বাগ্ৰে উল্লেখনীয় মৰাণৰ যাউতিযুগীয়া সম্প্ৰীতি। আমি মৰাণলৈ আহিছিলো সত্তৰ দশকৰ আৰম্ভণিতে। তেতিয়া মৰাণত খুব বেছি ৩০/৩৫ খনমান সৰু -ডাঙৰ দোকান সেৰেঙাকৈ আছিল। মৰাণত তেতিয়াৰ পৰা কোনো ধৰণৰ দ্বন্দ্ব (সাম্প্ৰদায়িকহে হওক বা দলগতই হওক) দেখা নাই। অসমীয়া-বঙালী, হিন্দু-মুছলমান, মাৰোৱাৰী-বিহাৰী-শিখ ইত্যাদি সকলো শ্ৰেণী লোকৰ যেন এক সামুহিক বাসস্থান মৰাণ। বছৰদিয়েক আগৰ পৰা অৱশ্যে অসমৰ সামগ্ৰিক ৰাজনৈতিক আৱহাৱাৰ সমান্তৰালভাৱে মৰাণেও কিঞ্চিত সাম্প্ৰদায়িক হেঁচাৰ মৃদু উত্তেজনা অনুসন্ধিৎসু মনক বিচাৰি উলিওৱাৰ সুৰুঙা নিদিয়া নহয়। বিশেষ সম্প্ৰদায়ৰ আনুগত্য বুজাবলৈ আগেয়ে বিশেষ বেশভূষা উৎসৱ পাৰ্বণতহে দেখা গৈছিল। এতিয়া হকবিহক তেনে সাজোন-কাচোন নহ'লে যেন নহ'বই। ধৰ্মীয় স্থানৰ বিস্তৃতিৰ পয়োভৰে আধ্যাত্মিকতাৰ উন্নতি কৰিছে নে নাই নাজানো, কিন্তু মাইক আদি লগাই হুলস্থুল কৰি আধুনিক জীৱনযাত্ৰাৰ লগত আনাত্মীয়তাৰ প্ৰমাণ লক্ষণীয় হৈ নপৰা নহয়।

মৰাণলৈ জনবসতি আকৰ্ষিত অন্য এটা কথায়ো মৰাণত বসতি স্থাপন কৰিবলৈ উৎসাহ যোগায়। সেয়া হল অইল আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ আৱাসিক অঞ্চলৰ বাদে মৰাণতেই পাইপেৰে ৰন্ধন গেছ যোগান ধৰাটো। ইয়াৰ ফলত গৃহিনীসকলৰ এটা ডাঙৰ সমস্যাৰো সমাধান নিমিষতে হোৱা যেন অনুভৱ হয়। উল্লেখিত কাৰণবোৰে



মৰাণত ব্যৱসায়, চাকৰি নাইবা যিকোনো সংক্ৰান্তত দিনদিয়েক থাকি যোৱাজনে যেনে তেনে মাটি অকণমান কিনাটো লক্ষ্য হিচাপে ল'বলৈ বাধ্য হয় যেন লাগে।

প্ৰত্যেকটি ক্ৰিয়াৰ বোকোচাত প্ৰতিক্ৰিয়া উঠি অহাৰ নিচিনাকৈ ঐতিহাসিক মৰাণৰ উন্নতিৰ বোকোচাত সেয়েহে দুই -এটা সমস্যাই কুৰুকি ঠাই উলিয়াই লৈছে। মৰাণৰ শিৱসাগৰ জিলাৰ নগৰাঞ্চল আৰু ডিব্ৰুগড় জিলাৰ ৰাজহ নগৰৰ বাসিন্দা সম্প্ৰতি ৪০/৫০ হাজাৰৰ ভিতৰত হ'ব বুলি ঠাৱৰ কৰিব পাৰি। এইখিনি লোকৰ বাবে নিৰ্মাণ কৰা বাসস্থানসমূহ প্ৰণালীবদ্ধ আওতাৰ মাজলৈ আনিবলৈ চৰকাৰী বা বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা প্ৰশংসনীয় নহয়। বাসিন্দাসকলে কেৱল নিজৰ সুবিধালৈ চাওঁতে সামূহিক দিশবোৰৰ প্ৰতি মনোযোগ দিব পৰা নাই। ফলস্বৰূপে সৰ্বাগ্ৰে আহি পৰিছে নলা-নৰ্দমাৰ সমস্যা। বাৰিষা এজাক বৰষুণতে নতুনকৈ হোৱা বসতি অঞ্চল প্লাৱিত হৈ পৰে আৰু আটায়ে জীয়াতু ভুগে। ইয়াৰ বিজ্ঞানসন্মত সমাধান আজিকোপতি কৰিব পৰা নাই। ৰাজনৈতিক ক্ষমতাৰে বলীয়া বহু ডাঙৰ ডাঙৰ নেতাৰ বাসস্থান মৰাণ; কিন্তু, এই বিশেষ সমস্যাটোৰ প্ৰতি মনোযোগ দিবলৈ যেন কাৰোৰে আহৰি নাই। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ মৰাণৰ মাজেদিয়েই গৈছে, স্বৰূপাৰ্থত এই পথেই দুয়োখন জিলাক ভাগ কৰিছে। বসতি বাঢ়ি যোৱাৰ লগে লগে সৃষ্টি হোৱা শিক্ষানুষ্ঠান, ব্যৱসায়িক অঞ্চল আদিৰ চাহিদা পূৰাবলৈ গাড়ী, মটৰ চাইকেল, ৰিক্সা, ঠেলাৰ কনৰ্চাট পুৰা সাত বজাৰ পৰাই আৰম্ভ হয়। ভূতৰ ওপৰত দানহ হৈ নগৰৰ সোঁ মাজতে দৈনিক আৰু সাপ্তাহিক বজাৰ বহে। অবিজ্ঞানসন্মত বজাৰখনে প্ৰতি মুহূৰ্ততে দুৰ্ঘটনাৰ আহ্বানটো কৰেই, তদুপৰি এক আওপুৰণি, আহুকলীয়া পৰিবেশ এটাত সকলোকে বান্ধি ৰখাত কৃতাৰ্থ হৈছে আৰু পুৰণিকলীয়া উকি এটাত সদৌটিকে মোহচ্ছন্ন কৰি আমোদ দি (?) থাকিবলৈ সমৰ্থ হৈছে। এই বজাৰখন বহা ঠাইডোখৰতে বেচ্মেঅট তৈয়াৰ কৰি প্ৰয়োজনীয় পাৰ্কিং, কেইবামহলীয়া বজাৰ আৰু অন্যান্য প্ৰয়োজনীয় ব্যৱস্থা কৰি বহু বছৰলৈকে নগৰখনৰ চাহিদা পূৰণ কৰিব পৰা যায়। বিশেষজ্ঞৰ লগ লাগি দূৰদৃষ্টিসম্পন্ন পৰিকল্পনা এটাৰে নুন্যতম ৫০ বছৰীয়া আঁচনি যুগুতাই লৈ কামত অগ্ৰসৰ হ'লে মৰাণক এখন আধুনিক নগৰলৈ ৰূপান্তৰ কৰি পেলোৱাটো বৰ কঠিন নহ'ব। উল্লেখ কৰি থোৱা ভাল হ'ব বুলি ভাবিছো যে, চেপন-খোৱাং-ৰাঙলী-বামুণবাৰী- এই এলেকা সামৰি এদিন বৃহৎ মহানগৰী সৃষ্টি হোৱাটো অসম্ভৱ কল্পনা নহয় বুলি প্ৰমাণ হোৱাৰ স্থল দেধাৰ।

❖❖

# মৰাণৰ নাট্যচৰ্চাৰ পৰম্পৰা

ড° অনিল শইকীয়া
অধ্যক্ষ, মৰাণ মহাবিদ্যালয়

কথাবোৰ পুৰণি আৰু নতুনৰ সংমিশ্ৰণ। মৰাণৰ নাটক চৰ্চাৰ কথা।

নাটক আৰু সংগীতৰ বুৰঞ্জী বোধহয় সভ্যতাৰ বুৰঞ্জীৰ সমান্তৰাল। মৰাণ অঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু মৰাণৰ সাংস্কৃতিক ইতিহাসত ১৯৩০ চনৰ আগৰ কোনো নথিপত্ৰ নাই। মৰাণৰ সংগীত-নাটকৰ ইতিহাসত লিখা প্ৰবন্ধটো আছিল বোধহয় "লুকভাক খেলি যায় মন কাননত" (১৯৭৮) লিখিছিল বুৰঞ্জীবিদ জীৱকান্ত গগৈয়ে। তাতে উল্লেখ আছে, ১৯৩১ চনত মৰাণত এটি নাট্যমন্দিৰ প্ৰতিষ্ঠা হৈছিল, এটা নাট্যমন্দিৰ প্ৰতিষ্ঠা হোৱা মানে তাৰ বহুত পূৰ্বৰ পৰাই মৰাণত এক নাট্য-চৰ্চাৰ এক বিশাল পটভূমি আছিল।

১৯৩০-৩১ চনতনো মৰাণত কি আছিল? বিজুলী সংযোগ হৈছে সৌ-সিদিনা ১৯৬০-৬১ চনত। মৰাণে নগৰৰ মৰ্যাদা পাইছে ১৯৬২ চনত, অৱশ্যে ১৯২৭ চনৰে পৰা মৰাণলৈ শিমলুগুৰিৰ পৰা ৰেল চলাচল আৰম্ভ হৈছিল, ইতিহাসে কয় মৰাণ ঠাইখন এখন বাণিজ্যপ্ৰধান স্থান আছিল,[১] ইয়াতে ১৬১১-৪৯ সময়ছোৱাত স্বৰ্গদেউ চাওফা চুচেঙে বাণিজ্যৰ হাট পাতিছিল,[২] সেইবাবেই মৰাণৰ নাম মৰাণহাট। একালত মৰাণৰ খটখটিত বদৌচাৰ ৰাজধানী আছিল। ৰাজধানীত থকা ৰজাৰ পুখুৰীটো 'পকা খটখটিৰে' সৈতে এতিয়াও আছে। সেইকাৰণে মৰাণৰ পৰা চাৰি কিলোমিটাৰ শিৱসাগৰৰ দিশে থকা ঠাইখনৰ নাম খটখটি। আজিৰ পৰা ৪০-৫০ বছৰৰ আগতে মৰাণহাটক মানুহে হাটখোলা বুলিছিল, ইয়ালৈ গৰুগাড়ীত মাল বোজাই কৰি আনি বেহাৰ মেলিছিল। তেতিয়া মৰাণত ৰাষ্ট্ৰীয় ঘাইপথৰ দুকাষে কিছুমান দোকান আছিল আৰু ইফালে সিফালে কিছুমান দ খাল আৰু



ডোবা আছিল। দুই-চাৰিঘৰৰ বাহিৰে ইয়াত থলুৱা লোকৰ বসতি নাছিল,... হাবি-বননিৰে ভৰা বন্যজন্তুৰ ৰম্যভূমি আছিল।[৩] ইতিহাসৰ এনেবোৰ পাঠে দুটা কথাৰ ইংগিত দিয়ে, প্ৰথমে এই অঞ্চল আন অ্ঞ্চলতকৈ উন্নত আৰু দ্বিতীয়, ইয়ালৈ দূৰৰ মানুহ আহি বেপাৰ কৰিছিল, পিছে মৰাণৰ সেই ভৌগলিক পটভূমি আৰু এতিয়া নাই। সেই পটভূমি ক্ৰমাগতভাৱে চাৰিটা কাৰণত পৰিৱৰ্তন হৈছে। প্ৰথম- ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নতি, দ্বিতীয়- ১৯৫৭ চনৰ পৰা মৰাণত তেল উদঘাটনৰ প্ৰক্ৰিয়া আৰম্ভ, তৃতীয়- আনুষ্ঠানিক শিক্ষাৰ দ্ৰুত প্ৰসাৰ আৰু চতুৰ্থ- মৰাণ ঠাইখনক নগৰৰ মৰ্যাদা প্ৰদান। যেতিয়াৰ পৰা ৰাষ্ট্ৰীয় ঘাই পথ আৰু মৰাণ নগৰখন উন্নত হ'ল তেতিয়াৰ পৰা ঠাইখনি এক সুবিধাজনক আবাসিক অঞ্চললৈ ৰূপান্তৰিত হ'ল। ১৯৬০ চনৰ পৰা মৰাণ তৈলক্ষেত্ৰৰ আৱাসিক অঞ্চলৰ কাম আৰম্ভ হয়। তৈলক্ষেত্ৰৰ নিয়োগৰ সুবিধাই অসমৰ বিভিন্ন অঞ্চলৰ বিভিন্ন ব্যক্তিক মৰাণলৈ আকৰ্ষণ কৰিবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে মৰাণ অসমৰ মানচিত্ৰত এখনি লেখত ল'বলগিয়া স্থানলৈ পৰিৱৰ্তন হ'ল। কিন্তু এই পৰিৱৰ্তন আৰম্ভ হৈছে সৌ সিদিনাৰ পৰাহে মাথোঁ। কাৰণ ১৯৪০ চনত প্ৰতিষ্ঠা হৈছিল মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৯৫৯ চনত মৰাণ বলিকা বিদ্যালয়, ১৯৬৪ চনত মৰাণ মহাবিদ্যালয়, ১৯৯২-৯৪ চনত মহিলা মহাবিদ্যালয় আৰু বাণিজ্য মহাবিদ্যালয়।

**মৰাণৰ মাট্যমন্দিৰ নিৰ্মাণত গুৰি ধৰোতাসকল ঃ**

যেতিয়া মৰাণত নাট্যমন্দিৰ আৰম্ভ হৈছিল "তেতিয়া মৰাণৰ জনসংখ্যা আছিল আঙুলিৰ মূৰত লিখিব পৰা, মুষ্টিমেয় হ'লেও কেইজনমান নাট্যপ্ৰেমী ব্যক্তিৰ আশাশুধীয়া চেষ্টাতেই মৰাণত দুৰ্গাপূজা মণ্ডপৰ প্ৰঙ্গণতে কাঠ আৰু টিনপাটেৰে এটি নাট্যমন্দিৰ গঢ়ি উঠিছিল.....।"[৪] মৰাণৰ নাট্য-আন্দোলনক ৰঙ্গমঞ্চৰ চাৰিবেৰলৈ অনা গুৰিয়ালসকল আছিল ডাঃ ৰহমৰ আলি, অনন্ত গোহাঁই, জীৱকান্ত গগৈ, মহেন্দ্ৰ ভাগৱতী, আচৰিত বৰবৰা, চুগালাল আগৰৱালা, কৃষ্ণ লাল দাস, বংশী ভাগৱতী, জীৱেশ্বৰ গগৈ, কুমুদ নেওগ, মুহিব আলি আদি।[৫] এই নাট্যপ্ৰাণ ব্যক্তিসকলে ১৯৩০ চনত সৰস্বতী পূজা উপলক্ষে অস্থায়ী ৰঙ্গমঞ্চত 'গুলেনাৰ' নাটক মঞ্চস্থ কৰিছিল, নাটকখনিত জীৱেশ্বৰ গগৈয়ে 'চেলিম', কাৰ্তিগন চুতীয়াই 'আকবৰ' আৰু মহেন্দ্ৰ ভাগৱতীয়ে 'মেহেৰুণনিচাৰ' বাৰত অভিনয় কৰিছিল। মোজাম্মল বৰাৰমতে এইখনেই মৰাণ অঞ্চলত প্ৰথম অভিনয় হোৱা নাটক,[৬] বোধহয় নাটখনি মঞ্চস্থ কৰোতে অস্থায়ী ৰঙ্গমঞ্চৰ অসুবিধাখিনিয়ে নাট্যউদ্যমীসকলক এটি মঞ্চৰ অভাৱৰ দিশটো নিষ্ঠুৰভাৱে উপলব্ধি কৰাইছিল। নাট্যপ্ৰেমীসকল আগবাঢ়ি আহিল "ৰহমত আলিৰ এশ টকা, ৰামদয়াল ঘনশ্যাম দাস আগৰৱালাৰ কাঠৰ খুটাৰেই নাট্যমন্দিৰ প্ৰাৰম্ভিক কামখিনি আৰম্ভ হৈথিল, আৰু অৱশেষত ১৯৩১ চনত ফেব্ৰুৱাৰী মাহত নাট্যমন্দিৰটি সম্পূৰ্ণ হয়।[৭] নাট্যমন্দিৰত প্ৰথম মঞ্চস্থ

হোৱা নাটক দুখন আছিল 'নৰকাসুৰ' আৰু মিচৰ কুমাৰী' (বাংলা ভাষাৰ)। নাটক দুখন মঞ্চস্থ কৰাৰ উপযুক্ত সময়। সেই সময়ৰ অভিনয় শিল্পীসমূহৰ ভিতৰত জীৱকান্ত গগৈ, শীতল পাল,ফণী গোহাঁই, কমল শইকীয়া, হৰমোহন ডেকা, কাৰ্তিগন চুতীয়া, ক্ষীৰনাথ খুকন, ডাঃ যোগেশ দত্ত, কুমুদ নেওগ, ডাঃ সন্তোষ দাসগুপ্তা, ডাঃ বংকেশ দাসগুপ্তা, মহেন্দ্ৰ নাথ বাগৱতী, ক্ষীৰ ফুকন, বেণু গগৈ, মিহিৰ বাবু, নলিনী দে, শংকৰলাল ধৰ, খেতেকেশ্বৰ কটকী, ডাঃ নাৰায়ণ চেটাৰ্জী, তুলসী বৰপাত্ৰ গোহাঁই, ৰিয়াজত ।লি, অন্নদা প্ৰসাদ বৰঠাকুৰ, যাদৱ দুৱৰা, তুলসী গগৈ, নগেন ভট্টাচাৰ্য, ভোলা খাটনিয়াৰ, ধীৰেণ গগৈ, কৃষ্ণলাল দাস, প্ৰফুল্ল সিং, ৰবীন মিত্ৰ, শীতল পাল, পৰেশ হাজৰা, ৰবি কৰ্মকাৰ প্ৰভৃতিৰ নাম উল্লেখযোগ্য।[৮]

১৯৩০-৪০ দশকটোত মৰাণত অভিনীত হোৱা উল্লেখযোগ্য নাটকসমূহ আছিল গুলেনাৰ, নৰকাসুৰ. মিচৰ কুঁৱৰী, কনৌজ কুমাৰী, নীলাম্বৰ, নগা কোঁৱৰ, সতীৰ তেজ, ছত্ৰপতি শিৱাজী ইত্যাদি।[৯]

১৯৪০-৬০ দশক দুটাৰ উল্লেখযোগ্য নাটকসমূহ আছিল- পিয়লি ফুকন, মোৱাৰ সন্ধা, কাশ্মীৰ কুমাৰী, শকুনিৰ প্ৰতিশোধ, চক্ৰধ্বজ্ সিংহ, নীলাম্বৰ, মণিৰাম দেৱান, মনোমতী, জেৰেঙাৰ সতী, কংস লোচন, ভস্মলোচন, ৰাজবন্দী, সোমাই দীঘি, নিহত গোলাম, টেক্সী ড্ৰাইভাৰ, তাজৰ ৰচনা, মনোমতী, আলিবাবা, চন্দ্ৰকান্ত সিংহ, মাৰ্জিয়ানা, মমতা, নবাব মিৰকচিম, বেউলা, আহুদি ইত্যাদি।[১০] সেই সময়ৰ একেটা মঞ্চতে এৰাতি অসমীয়া আৰু এৰাতি বাংলা ভাষাৰ নাটক হৈছিল। শিল্পীসকলে পৰস্পৰৰ নাটক অভিনয় কৰাটোৱে আছিল পৰম্পৰা। সেই সময়ৰ বিচিত্ৰ অভিজ্ঞতা সুঁৱৰি খগেন্দ্ৰ নাথ ভাগৱতীয়ে লিখিছে- "ত্ৰিশ দশকৰ পৰা চল্লিছ দশকৰ মাজলৈকে যিবোৰ নাটক অভিনয় কৰা হৈছিল সেইবোৰ প্ৰায় আটাইবোৰেই ধৰ্মমূলক বা বুৰঞ্জীমূলক, নাটকবোৰ চাৰি বা পাঁচ অংকৰ পূৰ্ণাংগ নাটক, একাংকিকা, এবচাৰ্ড বা ব্ৰেখটীয়া নাটকৰ প্ৰচলন তেতিয়া নাছিল, নাটক প্ৰদৰ্শনৰ বাবে ৰাইজৰ পৰা বৰঙণি বা টিকৰ ব্যৱস্থা নাছিল। যাৱতীয়া খৰচ উদ্যোক্তা বা অভিনেতাৰ। দৰ্শকৰ বাবে নিৰ্দিষ্ট আসনো নাছিল। অ'ৰ-ত'ৰ চকী, বেঞ্চ গোটাই বা মাটিত ঢলা বিছনা কৰি বহাৰ ব্যৱস্থা কৰা হৈছিল। মহিলাৰ আসন আছুতীয়া আছিল, প্ৰেক্ষাগৃহৰ একাষে বাঁহৰ কাঠিৰ পৰ্দা দি তিৰপাল সতৰঞ্চি পাৰি দি মহিলা বহিবৰ ব্যৱস্থা হৈছিল।" বাঁহৰ কাঠীৰ পৰ্দাই পুৰুষ-মহিলাক পৃথকে ৰখাৰ ব্যৱস্থা কৰা হৈছিল, সেই সময়ৰ সমাজ ব্যৱস্থাত ই নিচেই স্বাভাৱিক কথা। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ১৯২৫ চনৰ নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত অসমৰ বিভিন্ন ঠাইৰ বহুতো মহিলা উপস্থিত আছিল। সেই অধিৱেশনতো মহিলা শ্ৰোতাৰ বাবে যিখিনি অংশ নিৰ্দিষ্ট কৰি থোৱা হৈছিল সেই



ঠাইখিনি মিহি বাঁহৰ কাঠীৰে সজা 'চিকেৰে' (পৰ্দাৰ দৰে) আঁৰ কৰি ৰখা হৈছিল যাতে মহিলাসকলক বাহিৰৰ পৰা পুৰুষে দেখা নাপায়, মহিলাসকলে পৰ্দাৰ ভিতৰৰ পৰাই বক্তাসকলৰ বক্তব্য শুনিব লগা হৈছিল।[১১] সেই সময়ৰ ৰক্ষণশীল সমাজ ব্যৱস্তাই মহিলাক যি সামাজিক অৱস্থান দিছিল, মৰাণো বোধহয় ইয়াৰ ব্যতিক্ৰম নাছিল।

**মৰাণত সহ-অভিনয় ঃ**

সকলো সামাজিক বাধা-বিঘিনি অতিক্ৰম কৰি ১৯৫৮ চনত তিনিগৰাকী মহিলাই নাটকত অভিনয় কৰিবলৈ ওলাই।হিল। তেখেতসকল বগীতৰা চুতীয়া, হুৰণ নাহাৰ বেগম আৰু মোহিনী চুতীয়া। নাটকৰ নাম 'মমতা'। জীৱেশ্বৰ গগৈৰ মতে প্ৰথম সহ-অভিনয়ৰ নাটক 'টেক্সী ড্ৰাইভাৰ'।

১৯৪০-৬০ দশক দুটাত যিসকল তেতিয়াৰ যুৱকে অভিনয় আৰু নাট্য-কৰ্মৰ বিভিন্ন দিশৰ গুৰি ধৰিছিল, সেইসকলৰ ভিতৰত খগেন্দ্ৰ ভাগৱতী, উপেন শৰ্মা, ইন্দ্ৰ শৰ্মা, নৰেন ভট্টাচাৰ্য, বুদ্ধেশ্বৰ দুৱৰা, গুণসাগৰ দিহিঙ্গীয়া, ৰবি মিত্ৰ, দীৱ ফুনক, ব্ৰজেন লেখাৰু, কমলেশ্বৰ গোহাঁই, ধীৰেন মিত্ৰ, স্বদেশ ৰয়, ৰবি কৰ্মকাৰ, মাণিক চন্দ্ৰ গোস্বামী, যোগেন বৰা, পুলিন দত্ত, জগন্নাথ শৰ্মা, ভোলা খাটনিয়াৰ প্ৰভৃতিৰ নাম উল্লেখযোগ্য। এইচাম অভিনেতাৰ সান্নিধ্যতে নাটক কৰিবলৈ আগবাঢ়ি আহিল বীৰেন্দ্ৰ কুমাৰ গগৈ, মোজাম্মল বৰা, লক্ষী প্ৰসাদ বুঢ়াগোহাঁই, লক্ষী শৰ্মা, হায়দৰ আলি, বাবুল ডেকা, মধু গগৈ, ৰেব চুতীয়া, ৰুদ্ৰ বৰুৱা, শোভন গগৈ, যদুনাথ দত্ত, পদ্ম গগৈ, পৰমল চক্ৰৱৰ্তী, কানু গগৈ, থানেশ্বৰ গগৈ, কেশৱ সিদ্ধা, দেবু বাগচি, বেণী বাগচী, সুনীল দে, মাণিক দিহিঙ্গীয়া প্ৰভৃতি ব্যক্তিসকল।

১৯৫৫-৫৬ চন মানলৈকে সেই সময়ত নিৰ্মিত নাট্যমন্দিৰতে নাট্যাভিনয় চলি আছিল। ইয়াতে কথাছবি প্ৰদৰ্শন কৰি সংগ্ৰহ কৰা হৈছিল ৪,৫০০ টকা। ইয়াকে মূলধন হিচাপে লৈ পুৰণা নাট্যমন্দিৰটো পুনৰ নিৰ্মাণ কৰিবলৈ লোৱা হৈছিল, কিন্তু পকী ভেটিটো সম্পূৰ্ণ বোৱাৰ পাচতে বিভিন্ন কাৰণত ই সম্পূৰ্ণ নহ'ল। বোধহয় আৰ্থিক অনাটনেই ইয়াৰ মূল কাৰণ আছিল।

**মৰাণত সংগীত বিদ্যালয় ঃ**

১৯৬০ চনত খগেন্দ্ৰ নাথ ভাগৱতীৰ সভাপতিত্বত মাৰণত গণনাট্যৰ শাখা মুকলি কৰা হৈছিল, সেই বৰ্ষতে মৰাণত এখনি সংগীত বিদ্যালয় স্থাপন হয়। অসমৰ খ্যাতনাম নৃত্যশিল্পী যতীন্দ্ৰ নাথ গোস্বামী, ভোলা হাজৰিকা আৰু প্ৰফুল্ল প্ৰাণ মহন্তই ইয়াত সত্ৰীয়া নৃত্য-গীতৰ প্ৰশিক্ষণ দিছিল। মৰাণত ১৯৭৪ চনৰ পৰা 'মাৰণ সংগীতালয়' নামেৰে স্থায়ী সংগীত বিদ্যালয় আৰম্ভ হয়। সম্প্ৰতি বিদ্যালয়খনি কেইবা বছৰো ধৰি কেশৱানন্দ দুৱৰাৰ তত্ত্বাৱধানত আৰু মৰাণত ৰাইজৰ উদ্যোগত পৰিচালিত হৈ আহিছে।

বিদ্যালয়খনিৰ পৰা শাস্ত্ৰীয় সংগীত আৰু তবলাত বহুসংখ্যাক ছাত্ৰ-ছাত্ৰীয়ে বিশাৰদ সন্মান লাভ কৰিছে।

১৯৬৫ চনত মৰাণত অতুল গগৈ, ধৰ্ম গগৈ আৰু দ্বিজেন গোহাঁইৰ প্ৰচেষ্টাত দুদিনীয়াকৈ একাংকিকা নাটক প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

**মৰাণ নাট্যসমাজ ঃ**

১৯৬৭ চনত মোজাম্মল বৰা আৰু বহুতো নাট্যকৰ্মীৰ প্ৰচেষ্টাত মৰাণ ড্ৰেমেটিক ক্লাবৰ জন্ম হয়। অৱশ্যে, কিছুদিনৰ পাচতে অনুষ্ঠানটিৰ নাম মৰাণ নাট্যসমাজ কৰা হয়। 'কিয়' নাটকেৰে আত্মপ্ৰকাশ কৰা মৰাণ নাট্যসমাজে এতিয়ালৈকে প্ৰায় একুৰিৰো অধিক নাটক মঞ্চস্থ কৰি আহিছে। নতুন চাম শিল্পীক মঞ্চাল আগবঢ়াই অনাত মৰাণ নাট্যসমাজৰ যি দৃঢ় পদক্ষেপ সেয়া এতিয়ালৈকে একক আৰু অদ্বিতীয় প্ৰচেষ্টা হিচাপে অটুট আছে। ১৯৭৪ চনত প্ৰথমে আঞ্চলিক ভিত্তিত আৰু পাছলৈ সদৌ অসম ভিত্তিত একাংকিকা নাটক প্ৰতিযোগিতা অনুষ্ঠিত কৰি নাট্যসমাজে এক অভিলেখ সৃষ্টি কৰিছে আৰু মৰাণ নাট্য আন্দোলনৰ বাটকটীয়া হিচাপে।

মৰাণ নাট্য-সমাজে ১৯৬৭-৬৮ কালচোৱাৰ মঞ্চস্থ কৰা উল্লেখযোগ্য নাটকসমূহ হ'ল 'কিয়', 'শকুনিৰ প্ৰতিশোধ' আৰু 'এখম নাটকৰ জন্ম'। শেষত উল্লিখিত নাটকখনে নাজিৰাত সদৌ অসম ভিত্তিত অনুষ্ঠিত পূৰ্ণাঙ্গ নাটক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ অভিনেত্ৰী(আৰতি বৰা), দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা (খগেন্দ্ৰ নাথ ভাগৱতী), শ্ৰেষ্ঠ পৰিচালত (মোজাম্মল বৰা) আৰু শ্ৰেষ্ঠ আলোক শিল্পী (ফুণু বৰুৱা, শিৱসাগৰ) সন্মান লাভ কৰে। মৰাণ নাট্য সমাজে গুৱাহাটী, বৰপেটা, নগাঁও আদি ঠাইত বহুবাৰ পূৰ্ণাঙ্গ নাটক প্ৰদৰ্শন কৰি মৰাণলৈ গৌৰৱ কঢ়িয়াই আনিছে। (সবিশেষ নাট্যসমাজৰ বাৰ্ষিক মুখপত্ৰ 'নাট্যচিন্তা'ত লিপিবদ্ধ আছে)।

**মৰাণ এমেচাৰ যাত্ৰা পাৰ্টি ঃ**

১৯৬৯ চনত মৰাণলৈ আহে স্বদেশ বিশ্বাস। আৰম্ভ কৰে বাংলা নাটক আৰু যাত্ৰা অভিনয়ৰ যাৱতীয় কাম-কাজ। তেখেতে ধীৰেন মিত্ৰৰ সহযোগত ভালেকেইখন নাটক আৰু যাত্ৰা মঞ্চস্থ কৰে। আৰু সেই বৰ্ষতে মৰাণ এমেচাৰ যাত্ৰা পাৰ্টিৰ আৰম্ভ হৈছিল। এই প্ৰসঙ্গত মোজাম্মল বৰাই লিখিছে "গাল সোমোৱা যাঠি বছৰৰ পাৰ হোৱা লোকে চফল ডেকা যুৱৰাজৰ পাৰ্ট কৰিবলৈ বিচাৰি হুলস্থূল কৰাৰ বাবে চক্ৰান্তত পৰি উক্ত এমেচাৰ দলৰ মৃত্যু অৱশ্যম্ভাৱী হৈ উঠিল।[১২]

**মিলিত শিল্পী সমাজ ঃ**

১৯৭৮ চনত মৰাণত ভালেকেইজনমান সংস্কৃতিপ্ৰেমী ব্যক্তিৰ প্ৰচেষ্টাত মিলিত শিল্পী সমাজৰ জন্ম হয়। মোজম্মল বৰাৰ মতে -এই অনুষ্ঠানৰ জন্ম হয় গণেশ গগৈৰ



'শকুনিৰ প্ৰতিশোধ' নাটকখনি মঞ্চস্থ কৰাৰ প্ৰাক্ মুহূৰ্তত। মোজাম্মল বৰা, প্ৰেমানন্দ বৰুৱা, ডাঃ প্ৰতাপ শৰ্মা আৰু বহুতৰ সন্মিলিত প্ৰচেষ্টাত নাটকখনি মঞ্চস্থ কৰিব খোজা হৈছিল, আৱশ্যক হৈছিল এখনি বেনাৰৰ, কাৰ বেনাৰত নাটক কৰিব? নাটকখনিত অভিনয় কৰিবৰ বাবে বহু ঠাইৰ পৰা বহু শিল্পী মিলিত হৈছে। নাম দিলে 'মিলিত শিল্পী সমাজ'। ৪ নৱেম্বৰ, ১৯৭৮ নাটক মঞ্চস্থ হ'ল, মিলিত শিল্পী সমাজৰো প্ৰতিষ্ঠা দিৱস ৪ নৱেম্বৰ। আৰম্ভণিতে শিল্পীসকলে সংকল্প ল'লে নাটকৰ মাধ্যমেৰে কিবা এটা কৰাৰ। সেই সংকল্পৰে আগবঢ়া নাট্য-কৰ্মীসকলে মৰাণৰ সাংস্কৃতিক বিকাশত পাছৰ সময়ছোৱাত একক আৰু অদ্বিতীয় ভূমিকা গ্ৰহণ কৰিলে আৰু কৰি আহিছে।

১৯৭৮-২০০৬ কালচোৱাত মিলিত শিল্পী সমাজে প্ৰায় এশৰো অধিক সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰিছে। এই কাৰ্যসূচী সমূহত আছে-ভাওনা, ৰাসলীলা, দূৰদৰ্শনত টেলিনাট (মানুহ), সংগীতালেখ্য আৰু পূৰ্ণাঙ্গ, একাংকিকা আৰু বাটৰ নাটক। নাটকসমূহৰ ভিতৰত উল্লেখযোগ্য নাটকসমূহ হ'ল- 'সময়', 'কাৰেঙৰ লিগিৰী', 'সাঁকো', 'নাগপাশ', 'ভোগজৰা', 'বংশধৰ', 'পিঞ্জৰা', 'ৰূপালীম', 'শোণিত কুঁৱৰী', বায়নৰ খোল', 'চিৰাজ', 'পিয়লি ফুকন', 'মচজিদ মন্দিৰ', 'এখন নিলাজ মানুহৰ দেশ', 'মাটিৰ ৰথ', 'মুখ্যমন্ত্ৰী', 'বলিয়া হাতী', 'গাওঁবুঢ়া', 'জৰৌবৌৰা পৰজা', 'কাশ্মিৰী কুমাৰী', 'শকুনিৰ প্ৰতিশোধ, 'মণিৰাম দেৱান', 'হাতী আৰু ফান্দী। মিলিত শিল্পী সমাজৰ আন এটা উল্লেখযোগ্য অৱদান হ'ল সত্ৰীয়া নৃত্য-গীতৰ প্ৰশিক্ষণ অৰ্থে মৰাণত এখনি 'মৰাণ সংগীত সত্ৰ' নামৰ বিদ্যালয় স্থাপন কৰা। ১৯৮৭ চনত স্থাপন কৰা বিদ্যালয়খনিৰ পৰা এতিয়া কেইবাগৰাকী ছাত্ৰীয়ে বৰগীত আৰু সত্ৰীয়া নৃত্যত গুণীন উপাধীৰে স্বীকৃত হৈছে। তদুপৰি কেইবাগৰাকীও ছাত্ৰীয়ে ভাৰত চৰকাৰৰ পৰা মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ পৰা জলপানি পাবলৈ সক্ষম হৈছে। অনুষ্ঠানটিয়ে দূৰদৰ্শনত সত্ৰীয়া নৃত্য প্ৰচাৰ কৰাৰ উপৰিও ভাৰত চৰকাৰৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰৰ (EZCC) আমন্ত্ৰণত কলিকতাৰ শান্তি নিকেতন আৰু চল্ট লেক চিটিত বৰগীত, সত্ৰীয়া নৃত্য, পাৰিজাত হৰণ নাটক, কাঁহি ঘূৰোৱা বিহু নাচ, গোৱালপৰীয়া লোকগীতৰ অনুষ্ঠান পৰিবেশন কৰে। উল্লেখযোগ্য যে, অনুষ্ঠানটিয়ে দিল্লীত অনুষ্ঠিত লোক-নৃত্য সমাৰোহতো কাঁহি ঘূৰোৱা বিহু নাচ (প্ৰদীপ গগৈৰ) প্ৰদৰ্শনৰ সুযোগ লাভ কৰে।

মিলিত শিল্পী সমাজৰ জন্মলগ্নৰে পৰা জড়িত ডাঃ প্ৰতাপ শৰ্মা আৰু হাদি মোস্তাক হুছেইনৰ উপৰিও চাৰকিসূত্ৰে মৰাণলৈ অহা সুজয় ৰায়ে বহুসংখ্যক পূৰ্ণাঙ্গ নাটক পৰিচালনা কৰিছে। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বোলছবি অভিনেতা বিষ্ণু খাৰঘৰীয়াই ১৯৮৭ চনৰ পৰা মিলিত শিল্পী সমাজে মঞ্চস্থ কৰা প্ৰায় সকলো নাটক পৰিচালনা কৰিছে। নাটসমূহৰ আলোকসজ্জাৰ দায়িত্ব ডাঃ প্ৰতাপ শৰ্মাৰ আৰু সংগীতৰ

দায়িত্ব এই প্ৰবন্ধ লেখকৰ।

মিলিত শিল্পী সমাজে ১৯৮৫ চনৰ পৰা শিল্পী দিৱস উদাপন কৰি সদৌ অসম ভিত্তিত জ্যোতি সংগীত আৰু জ্যোতি কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। (সবিশেষ মিলিত শিল্পী সমাজৰ বাৰ্ষিক মুখপত্ৰ 'সমলয়'ত লিপিবদ্ধ হৈছে)।

**মৰাণ অভিনেতা-অভিনেত্ৰী ঃ**

মৰাণ নাট্য-সমাজ আৰু মিলিত শিল্পী সমাজে মৰাণত যিচাম যুৱকক নাট্যকৰ্মলৈ আগবঢ়াই আনিলে, সেইসকলৰ ভিতৰত নাট্য-সমাজৰ প্ৰথম চামৰ অভিনেতাসকল আছিল - কুল বাইলুং, অতুল গগৈ, কুদ্দুচ আলি, মোহন মহন্ত, ৰোহিণী চুতীয়া, চেকেণ্ডৰ আলি, নগেন চেতিয়া গৌৰি শৰ্মা, বসন্ত দুৱৰা (তেতিয়া মৰাণ অইল ইণ্ডিয়াৰ বিষয়া), পৰেশ খাউণ্ড, নৃপেন গগৈ, দেৱেন শৰ্মা, যোগেন বৰা, প্ৰবীণ ভাগৱতী, মনোৰঞ্জন শৰ্মা, নীৰেন হাজৰিকা, ধীৰেন চুতীয়া, শৰৎ শইকীয়া আৰু অভিনেত্ৰীসকল আছিল- ৰূপা সিং, জুলিয়ানা বেগম, মামণি বৰা, দেৱলতা শইকীয়া, কল্পনা দেৱী, পুতলী দেৱী, পাৰুল শৰ্মা, আৰতি বৰা, মামনি বৰা, ভাৰতী ফুকন, জয়া দাস, ৰত্না দাস, নিয়তি ধৰ প্ৰভৃতি। দুয়োটা অনুষ্ঠানৰে প্ৰযত্নত নাট্যকৰ্ম আৰু অভিনয়ৰ লগত জড়িত হ'ল ডাঃ প্ৰতাপ শৰ্মা, হাদি মোস্তাক হুছেইন, ভোগেশ্বৰ শইকীয়া, লক্ষী চুতীয়া, সুৰেন গগৈ, বসন্ত গগৈ, অজিত দে, প্ৰবীণ ভট্টাচাৰ্য, দবিৰ আহমেদ, প্ৰতাপ বৰুৱা, গৌতম বেনাৰ্জী, প্ৰশান্ত বৰপূজাৰী, প্ৰাঞ্জল শৰ্মা, নীল হাজৰীয়া, জামাল আহমেদ, চাইফুদ্দিন আহমেদ, সুজয় ৰায়, অৰুণ শইকীয়া, অনন্ত শইকীয়া, উমানন্দ দুৱৰা, জীৱন্ত চেতিয়া, হেম বৰা, সূৰ্য বৰা, জেহৰুদ্দিন খান, গোবিন গগৈ, সমীৰণ শৰ্মা, কমল মিত্ৰ, বিমল মিত্ৰ, লক্ষণ মিত্ৰ, ত্ৰিদীব গোস্বামী. বিকীশ দেৱ, শ্যামল মহন্ত, ৰোহিত শইকীয়া, ৰবীন মহন্তস ৰাণা মহন্ত, অতনু বৰগোহাঁই, অসীম বৰগোহাঁই, প্ৰদ্যুৎ বৰগোহাঁই, লক্ষেশ্বৰ দত্ত, ঘন ফুকন, পূৰ্ণানন্দ গোহাঁই, দীপক বৰগোহাঁইস প্ৰবীণ বৰবৰা, ফাৰুক বৰা, ক্ষীৰোদ গগৈ, সীমান্ত শৰ্মা, মানস ফুকন, লক্ষ্যজ্যোতি বৰগোহাঁইস প্ৰণৱ নাথ, কুশ বৰা, প্ৰদীপ চুতীয়া, চিনু শৰ্মা, মৃদুল চুতীয়া, মৃদুল শৰ্মা, জগন্নাথ চেতিয়া, সোণটি হাজৰিকা, মুকুট কলিতা, ৰাণা বৰা, অমৰদীপ ভাগৱতী, ৰাজীৱ বৰঠাকুৰ, দিলীপ চেতিয়া, অদেশ তাচা, ৰঞ্জিত কুমাৰ গগৈ, প্ৰদীপ গগৈ, জগত কাথবৰুৱা, হীৰেণ শৰ্মা, নিপন বৰুৱা, নীলাক্ষী বৰুৱা, অমিয়া ফুকন, জয়ালক্ষী দত্ত দুৱৰা, অনিমা চুতীয়া, চিনু গগৈ, আৰতি ডেকা, নমিতা বৰুৱা, নিভা আৰন্ধৰা, প্ৰেৰণা চেতিয়া, সুনীত বৰগোহাঁই, মীনাক্ষী চুতীয়া, আইভী চুতীয়া, য়াচমিন ৰেজাক, কাকলি শৰ্মা, ৰীণা চৌধৰী, মুবিনা বৰা, ডলী বনগএগ্ৰা, লাৱণ্য কলিতা, সান্ত্বনা চেতিয়া, ডেউজী গগৈ, সুৰভি চুতীয়া, দীপ্তি ডেউৰী, লিলি



বৰা, জ্যোতি শইকীয়া, ইভা শইকীয়া, নমিতা বৰুৱা, ৰূপালী খনিকৰ, প্ৰীতিমা, গায়ত্ৰী গগৈ, মীনা হাতীমূৰীয়া, লিলি বৰুৱা, উৰ্মিমালা বৰুৱা, অঞ্জু বৰুৱা, ভাৰতী গগৈ, প্ৰণামী ফুকন, লিপিকা বৰুৱা, ৰাজলক্ষ্মী বৰুৱা, শান্তা ভাগৱতী, প্ৰীতিৰূপা আদি।

**বাৰুদ নাট্যগোষ্ঠী ঃ**

'নাটক আৰু অভিনয় আমাৰ বাবে বিলাসিতা নহয়, শোষণমুক্ত সমাজ গঢ়াৰ ইও এক অস্ত্ৰ আমাৰ'- এই মন্ত্ৰকে সাৰোগত কৰি ১৯৭৭ চনত জন্ম লাভ কৰা বাৰুদ নাট্যগোষ্ঠীয়ে গাঁৱে-ভূঞে নাটক কৰি এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছিল। অনুপ ফুকন, গৌতম বেনাৰ্জী, চন্দ্ৰ চুতীয়া এই গোষ্ঠীৰ বাটকটীয়া আছিল।

**মৰাণ অভ্যুদয় নাট্যগোষ্ঠী ঃ**

১৯৭৮ চনত জন্ম হোৱা অভ্যুদয় নাট্যগোষ্ঠীয়ে অসমৰ বিভিন্ন মঞ্চত একাংকিকা নাটক প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী ,সন্মান লাভ কৰিবলৈ সক্ষমহৈছিল। জীৱন্ত চেতিয়া, প্ৰশান্ত বৰপূজাৰী, গৌতম বেনাৰ্জী, হেমন্ত বৰুৱা, চিৰাজ আহমেদ, অনন্ত শইকীয়া, যাদৱ শৰ্মা, মুচফিক হুছেইন, ফাৰুক বৰা, শ্যামল মহন্ত, দীপ্তি দেউৰী আদিয়ে অনুষ্ঠানটিৰ গুৰি পূৰ্ণাঙ্গ নাটকো মঞ্চস্থ কৰিছিল।

**ৰূপালী ভ্ৰাম্যমাণ নাট্যদল ঃ**

১৯৭৯ চনত গঠন হোৱা ৰঙালীৰ ভৱ দত্ত প্ৰয়োজিত আৰু ৰামকৃষ্ণ মহন্ত পৰিচালিত ৰূপালী ভ্ৰাম্যমাণ নাট্যদলে উজনি অসমত বিভিন্ন অঞ্চলত নাটক মঞ্চস্থ কৰি নাট্যচৰ্চাৰ এটি পৰিবেশ গঢ়ি তুলিছিল।

**অঙ্গীকাৰ নাট্যগোষ্ঠী ঃ**

১৯৮০ চনত জন্ম লাভ কৰা 'প্ৰগতি নাট্যসমাজ' ১৯৮৪ চনত 'অঙ্গীকাৰ নাট্যগোষ্ঠী হিচাপে নামকৰণ কৰা হয়। ১৯৮৪ চনত জ্ঞানেন্দ্ৰ চুতীয়াৰ নাটক 'বিপ্লৱে' গুৱাহাটীত অনুষ্ঠত একাংকিকা নাটক প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে, ধৰণী হাজৰিকা আৰু মীনাক্ষী চুতীয়া ক্ৰমে শ্ৰেষ্ঠ অভিনেতা আৰু অভিনেত্ৰী নিৰ্বাচিত হয়। অনুষ্ঠানটিৰ গুৰি ধৰিছে চন্দ্ৰ চুতীয়া, পূৰ্ণানন্দ চুতীয়া, জিতু চুতীয়া, লোকনাথ শৰ্মা, খগেন চুতীয়া আদি শিল্পীসকলে।

**চাহ-মজদুৰ সাংস্কৃতিক পৰিষদ ঃ**

১৯৮১ চনত আছাৰুদ্দিন আহমেদ আৰু লক্ষেশ্বৰ তাঁতীৰ প্ৰযত্নত আৰম্ভ হৈছিল 'চাহ মজদুৰ সাংস্কৃতিক পৰিষদ'। ১৯৮৪ চনত মৰাণ শাখা অসম চাহ মজদুৰ সংঘই চাহ মজদুৰ সাংস্কৃতি পৰিষদক শাখাৰ এটি অংশ হিতাপে স্বীকৃতি দি "চাহ মজদুৰ কলাকৃষ্ঠি বিকাশ কেন্দ্ৰ" নামকৰণেৰে চৰকাৰৰ ঘৰত পঞ্জীভূক্ত কৰে। এই কেন্দ্ৰৰ প্ৰধান উদ্দেশ্য আছিল 'কৰম পৰৱ'ক জনমুখী কৰা। মঞ্চত পৰৱটিৰ পূজা-

পাতল, বিধি-বিধান প্ৰদৰ্শন কৰা আৰু ইয়াৰ লগত জড়িত ঝুমইৰ ৰং, ভিনচিৰিয়া আদি প্ৰদৰ্শন কৰা।

মৰাণ খটখটিৰ দিলবদন দাস, চেপনৰ ইন্দ্ৰ তাঁতি, বিকাশ চাওৰা, খোৱাঙৰ দামোদৰ কালান্দি, হিৰিংজানৰ মনোজ তাঁতি, চতুৰ সিং তাঁতি, মিনু মুণ্ডা, মৰাণৰ ধনু কৰ্মাকৰ, মৃত্যুঞ্জয় কৰ্মকাৰ আদি শিল্পীসকলে চাহ জনগোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰা বিকাশত যথেষ্ট অৰিহণা যোগাইছে। গ্ৰেবিয়েল এল পিৰ নাটক 'ৰতন চৰ্দাৰেৰ স্বপন' ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰযোগে মৰাণৰ চাহ জনগোষ্ঠীৰ শিল্পীসকলে পৰিৱেশন কৰিছে। ইতিমধ্যে নাটকখনি ভিডিঅ' কেছেটত চিত্ৰবদ্ধ হৈছে।

**বটামৰা যুৱ-সংঘ ঃ**

১৯৮৮ চনৰ ৰচ জুনৰ বটামৰাত 'জোনালী সংঘ'ৰ জন্ম হয়। ১৯৯২ চনত এই সংঘক 'বটামৰা যুৱসংঘ' নামকৰণ কৰা হয়। যুৱসংঘৰ সকলো কাৰ্যসূচীৰ ভিতৰত উল্লেখযোগ্য কাৰ্যসূচী হৈছে চাহ জনগোষ্ঠী শ্ৰমিকৰ যোগেদি ভাওনা অনুষ্ঠানটিয়ে বিভিন্ন সময়ত মুকলি মঞ্চ, আলোচনা চক্ৰ, কবিসভা আদি অনুষ্ঠিত কৰি আহিছে। মুক্তি গগৈ, লেখক গগৈ, ত্ৰৈলোক্য চেতিয়া, দ্বিজেন দত্ত, অনিমা চুতীয়াৰ প্ৰচেষ্টাত সংঘটি ঠন ধৰি উঠিছিল।

**শান্তিপুৰ সংঘ ঃ**

১৯৭৩ চনত কালিপ্ৰসাদ গোহাঁই, নিৰঞ্জন গগৈ, প্ৰসেনজিত গগৈ, প্ৰফুল্ল কলিতা আদিৰ প্ৰচেষ্টাত মৰাণ শান্তিপুৰত বিহু সন্মিলন আৰম্ভ হয়। শান্তিপুৰৰ উদ্যোগী যুৱকসকলৰ প্ৰচেষ্টাত ১৯৮১ চনত শান্তিপুৰ সংঘ স্থাপন হয়। ১৯৭১ চনত আৰম্ভ হোৱা বিহু সন্মিলন এতিয়ালৈকে পূৰ্ণ উদ্যেমে উদযাপন কৰি আহিছে। এই বিহু সন্মিলনত মঞ্চস্থ হোৱা ভাওনাও এক উল্লেখযোগ্য কাৰ্যসূচীৰূপে চিহ্নিত হৈ আছে। উল্লেখযোগ্য যে, শান্তিপুৰ সংঘই মৰাণ ৰেল ষ্টেচনৰ কাষৰ মুকলি খেলপথাৰখনিত বিহু সন্মিলন উদ্‌যাপন কৰি আহিছিল। কিন্তু মৰাণৰ মাজেদি ব্ৰডগজ ৰেলৰে লাইন ডিব্ৰুগড়লৈ সম্প্ৰসাৰিত হোৱাত উক্ত ফিল্ডখনি ৰেলৰে কৰ্তৃপক্ষই পকী দেৱালেৰে আবদ্ধ কৰে। সেই অৱস্থাৰ পৰিপ্ৰেক্ষিততো শান্তিপুৰ সংঘই আজি প্ৰায় তিনি বছৰমানৰ আগৰ পৰা ৰেলষ্টেচনৰ সংযোগী পথটোৰ ওপৰতে বিহু সন্মিলন অনুষ্ঠিত কৰি পৰম্পৰা ৰক্ষা কৰাৰ সাহসী পদক্ষেপ গ্ৰহণ কৰিছে। ১৯৯০-৯১চনত শান্তিপুৰ সংঘৰ মহিলা দলটিয়ে মৰাণ নাট্যসমাজৰ সদৌ অসম নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। নিভা আৰন্ধৰা শ্ৰেষ্ঠা অভিনেত্ৰী নিৰ্বাচিত হয়।

**সমন্বয় শিল্পী সমাজ ঃ**

কুৰি শতিকাৰ শেষ দশকত শোভিত কুমাৰ ছেত্ৰীকে প্ৰমুখ্য কৰি মৰাণৰ



কেইবাজনো ব্যক্তিক উপদেষ্টামণ্ডলীত অধিষ্ঠিত কৰি উমানন্দ দুৱৰা, কমল মিত্ৰ, মুচফিক হুছেইন, ত্ৰিদিব শৰ্মা প্ৰভৃতি যুৱকৰ উদ্যোগত গঢ়ি উঠে 'সমন্বয় শিল্পী সমাজ'। অনুষ্ঠানটিয়ে কেইবাখনো বাটৰ নাটক প্ৰদৰ্শন কৰি মৰাণ অঞ্চলত সজাগতাৰ সৃষ্টিকৰিছিল। অনুষ্ঠানটিৰ গুৰি ধৰিছিল কলিকতাত থকা গৌতম বেনাৰ্জীয়ে। তেখেতৰ প্ৰচেষ্টাতে ছফদৰ হাজমীৰ 'হত্যাকাৰী' ৰ দৰে নাটক মৰাণত অসমীয়া ভাষাত মঞ্চস্থ হৈছিল। অনুষ্ঠানটিয়ে 'শাৰী শাৰী মৃতদেহ', মহাভাৰতৰ যুদ্ধ' আদি একাংকিকা নাটকেৰে অসমৰ বহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মৰাণলৈ শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই আনিছিল। নাটকসমূহত ৰাজলক্ষী বৰুৱা, প্ৰেৰণা চেতিয়া, ভাৰতী গগৈয়ে নাৰীৰ চৰিত্ৰত অভিনয় কৰিছিল। কোনোবা এখন নাটকত শোভিত কুমাৰ ছেত্ৰীয়েও অভিনয় কৰিছিল।

**সংঘমিত্ৰা ঃ**

১৯৯২ চনৰ ৮ নৱেম্বৰত সুখ বৰুৱা, অঞ্জনা দত্ত ভৌমিকৰ প্ৰচেষ্টাত মৰাণ আঞ্চলিক মহিলা মঞ্চ সংঘমিত্ৰা স্থাপন হয়। মহিলাসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰি একনি সমৃদ্ধিশালী সমাজ গঢ়াই এই সংগঠনটোৰ মূল উদ্দেশ্য। সংঘমিত্ৰা, মহিলাসকলৰ দ্বাৰা মঞ্চস্থ কৰা 'জয়মতী' নাটকৰ অভিনয় উল্লেখযোগ্য (সবিশেষ সংঘমিত্ৰাৰ বাৰ্ষিক মুখ পত্ৰ 'সংঘমিত্ৰা', ২০০৬ দ্ৰষ্টব্য।)

**মুখা ঃ**

১৯৯৭ চনৰ ২৭ মে'ত মৰাণৰ কেইজনমান উদ্যোগী যুৱক প্ৰচেষ্টাত জন্ম হোৱা সাংস্কৃতিক গোষ্ঠীটিৰ নাম 'মুখা'। অমৰদ্বীপ ভাগৱতী আৰু ৰাজীৱ বৰঠাকুৰৰ পৰিচালনাত মুখাই কেইবাখনো নাটক মৰাণত মঞ্চস্থ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য নাটকসমূহ হ'ল- 'জোনাকে ধোৱা অৰণ্যত', 'আৰ্তনাদ', (দুয়োখন একাংকিকা), 'মই এটা সাপ', 'কলাজত আমি' ইত্যাদি। অনুষ্ঠানটিৰ নাট্যকৰ্মৰ লগত জড়িত যুৱক-যুৱতীকেইগৰাকী-নবদীপ শৰ্মা, মৃদুল চুতীয়া, দেৱ দুৱৰা,শোভিত কুমাৰ ছেত্ৰী, অতনু বৰগোহাঁই, মনদীপ ভাগৱতী, তিলক কোঁৱৰ, ত্ৰিদীপ গোস্বামী, প্ৰণামী ফুকন, ৰশ্মি বৰুৱা, ননী দুৱৰা, ডায়েনা দুৱৰা, তৰালী গগৈ প্ৰভৃতি।

**মৰাণ অইল ইণ্ডিয়া ঃ**

বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে মৰাণ অইল ইণ্ডিয়া প্ৰায়ে ৰজনজনাই তাকে। অইল ইণ্ডিয়া ক্লাবে প্ৰতি বছৰত এখনকৈ হ'লেও নাটক মঞ্চস্থ কৰি আহিছে। ১৯৭৮ চনতঅইল ইণ্ডিয়াত প্ৰতিষ্ঠা হয় এখন সংগীত বিদ্যালয়, ভাওনা আৰু ৰাসলীলা আৱাসীসকলৰ কৰ্তব্যত পৰিণত হৈছে। ১৯৯৪ চনৰ ২৬ মে'ত অইল ইণ্ডিয়া ক্লাবে 'অন্ধ নায়ক' নাটক মঞ্চস্থ কৰে। অনুস্থানটিৰ গুৰি ধৰোতা ব্যক্তিসকল হ'ল নৱজ্যোতি

ভূঞা (জ্যেষ্ঠ প্ৰবন্ধক), অক্ষয় ঠাকুৰীয়া, শৰৎ হাজৰিকা, কৃষ্ণ বৰা, হেম শৰ্মা, মাণিক কলিতা, কুসুম্বৰ চৌধুৰী, চন্দ্ৰ ওজা, ৰেব শৰ্মা, দ্ৰোণ গগৈ, বিমান দত্ত, জগন্নাথ চেতিয়া, ব্ৰজেন ফুকন, সুৰজিৎ সিং, পদুম বৰা, থানেশ্বৰ শইকীয়া, দীপালী গগৈ, ৰিণি ফুকনস আৰতি গগৈ, অৱলা দিহিঙীয়া ফুকন, ৰাণু ফুকন আদি। এসময়ত (১৯৭২) জয়া শইকীয়া দুৱৰা আৰু বসন্ত দুৱৰায়ো অইল ইণ্ডিয়াৰ নাটক পৰিচালনা কৰিছিল। সাম্প্ৰতিক সময়ত মৰাণ ইণ্ডিয়াই প্ৰতি বছৰে ৰঙালী বিহু সন্মিলন উদ্‌যাপন কৰি এক সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰি আহিছে।

**ৰূপকোঁৱৰ সংঘ ঃ**

'ফুৰকি মোৱাচিন' নাটকৰে আত্মপ্ৰকাশ কৰা ৰূপকোঁৱৰ সংঘ ১৯৮৫ চনত আৰম্ভ হৈছিল। সংঘটিয়ে অসমৰ বিভিন্ন মঞ্চত একাংকিকা নাটক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ডুমডুমাত অনুষ্ঠিত একাংক নাটত প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ অভিনেতা আৰু অভিনেত্ৰীৰ সন্মানো লাভ কৰিছে। সংঘটিয়ে অজিত বৰটাকুৰৰ 'মৃগয়া' নাটকখনিও সফলতাৰে মঞ্চস্থ কৰে।

**মৰাণৰ পৰা নিলগত ঃ**

মৰাণৰ পৰা প্ৰায় দহ-পোন্ধৰ কিলোমিটাৰ নিলগত এনে কিছুমান নাট্য দল আছে যিবোৰে অতি সফলতাৰে বহুতো নাটক মঞ্চস্থ কৰি আহিছে। তেনে কিছুমান উল্লেখযোগ্য নাট্যদলৰ সামান্য আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

**কচুমাৰী যুৱক সংঘ ঃ**

১৯৬৮ চনত প্ৰতিষ্ঠিত কচুমাৰী যুৱক সংঘ আৰু পুথিভঁৰালে এতিয়ালৈক বাৰখনতকৈ অধিক নাটক মঞ্চস্থ কৰিছে। 'ৰাসলীলা' এই অনুষ্ঠানৰ উল্লেখযোগ্য অনুষ্ঠান। মঞ্চত অভিনেতা- অভিনেত্ৰীসকলৰ ভিতৰত জগত শইকীয়া (নাট পৰিচালক আৰু সুদক্ষ সংগঠক), চিত্ৰ বৰুৱা, দুলাল বৰা, প্ৰবাত বৰা বকুল কাকতী, যদুমণি শৰ্মা, দুৰ্লভ বৰুৱা, অনুপম লুখুৰাখন, তুলাৰাম শইকীয়া, তনু বৰা, দিব্যলতা মৰাণ, মিচমা চুতীয়া পুষ্পা হাজৰিকা, কল্পনা হাজৰিকা, তাৰিণী শইকীয়া, দীপু গগৈ, ভাৰতী ভূঞা ইত্যাদি। কচুমাৰী অঞ্চলত কেইবাবাৰো নাটক কৰ্মশালা অনুষ্ঠিত হৈছে আৰু অঞ্চলটি এক নাট্যকৰ্মৰ স্থলীলৈ পৰগণিত হৈছে।

**বিশ্ৰামপুৰ ঃ**

বিশ্ৰামপুৰ 'জ্ঞানোদয় মিলিত শিল্পী সমাজ', 'লেচাই হাবি যুৱসংঘ', 'দিচাও বটুৱা সপ্তৰথী শিল্পী সমাজ' আদি অনুষ্ঠানে মাজে মাজে নাটক আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰি অঞ্চলটো মুখৰ কৰি আহিছে। দিব্যজ্যোতি চাংমাই, হীৰেনে চেতিয়া,



প্ৰবীণ বৰুৱা, বেসুৰাম বৰুৱা ক্ষীৰোদ বৰুৱা, ধৰণী লুখুৰাখন আদি অগ্ৰণী যুৱকসকলে অঞ্চলটোত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী হাতত লৈছে।

গদাপাণি থিয়েটাৰ ঃ

**বকতা খালৈঘোগুৱা ঃ**

বকতা খালৈঘোগুৱা আঞ্চলিক নাট্যগোষ্ঠিয়ে 'গদাপাণি থিয়েটাৰ' নামেৰে এটি ভ্ৰাম্যমাণ নাট্যদলৰ জন্ম দি ১৯৯৪ চনৰ ১৪ ডিচেম্বৰৰ পৰা পবিত্ৰ মহনৰ পৰিচালনাত বিভিন্ন অঞ্চলত চাৰিখন নাটক প্ৰদৰ্শন কৰে। ক্ৰমে নাট্যদলটি অসমৰ এক অগ্ৰণী ভ্ৰাম্যমাণ নাট্যগোষ্ঠীত পৰিণত হয়।দলটিৰ প্ৰযোজনা দায়িত্ব লয় মৃগেন মহনে।

**মোহিনী নাট্যসমাজ ঃ**

১৯৩০-৫০ সময়চোৱাত কচুমাৰী মোহিনী নাট্যসমাজে উজনি অসমৰ বিভিন্ন মঞ্চত বা অস্থায়ী মঞ্চত 'চম্পাৱতী', মেৱাৰ সন্ধ্যা, 'কাশ্মীৰ কুমাৰী', 'মনোমতী', আদি নাটত মঞ্চস্থ কৰি মৰাণৰ কাষৰীয়া সাংস্কৃতিক ক্ষেত্ৰখন পোহৰাই আছিল। প্ৰতিষ্ঠাপক সভাপতি বলোৰাম শইকীয়া, সম্পাদক ভৱপুৰ দত্ত আছিল, সেই সময়ৰ অগ্ৰণী নাট্যকৰ্মী। যথাক্ৰমে অনুষ্ঠানটোৰ নাট্যকৰ্মৰ গুৰি ধৰিছিল ৰুদাই দত্ত, পূৰ্ণ কাকতী, গোপাল ভূঞা, মানভোগ শইকীয়া, হৰিকান্ত দত্ত, খৰ্গেশ্বৰ বৰুৱা, আদিয়ে। এই অনুষ্ঠানৰ অন্যতম শিল্পী মিনাৰাম হাজৰিকাক অসম নাট্যসন্মিলনে ১৯৮৯চনত সম্বৰ্ধনা জনায়।

**লেঙেৰী অঞ্চল ঃ**

'বৰ্ণালী সংঘ', সমন্বিত ক্ৰীড়া আৰু সাংস্কৃতিক সংঘ, 'কিৰণ সংঘ', 'কেন্দুগুৰি পূৰ্বাঞ্চল সাংস্কৃতিক গোষ্ঠী', 'লেঙেৰী আঞ্চলীক বিহু সন্মিলন', 'অগ্ৰগামী সংঘ', 'এপল' সংঘ', 'জোনাকী সংঘ', ভাস্কৰ জ্যোতি সংঘ', 'অৱনী সংঘ', ইঞ্জুমণি সংঘ' আদি নানান অনুষ্ঠানৰ আৱদানেৰে লেঙেৰী অঞ্চল ৰজনজনাই আছে।

লেঙেৰী অঞ্চলৰ উল্লেখযোগ্য অৱদানসমূহৰ ভিতৰত ইয়াতে গঠন হোৱা ভ্ৰাম্যমাণ থিয়েটাৰসমূহ। ইয়াৰ ভিতৰত উল্লেখযোগ্য থিয়েটাৰ দল হ'ল - বীৰেণ গগৈ প্ৰযোজিত 'ইন্দুমণি' ললিত খনিকৰ প্ৰযোজিত 'সুৰুযমণি' আৰু ৰোহিণী চাংমাইৰ 'সমন্বয়' থিয়েটাৰ। ইতিমধ্যে সমন্বয় থিয়েটাৰে ১৯৯৭ চনলৈকে অসমৰ বিভিন্ন স্থানত নাটক মঞ্চস্থ কৰিবলৈ আমন্ত্ৰিত হৈছিল আৰু অঞ্চলটোৰ এচাম শিল্পীক জীৱিকাৰ পথো মুকলি কৰি দিছিল। অৱশ্যে বিভিন্ন কাৰণত ১৯৯৮ চনত সমন্বয় থিয়েটাৰ কাৰ্যসূচী স্থগিত আছে। এই অঞ্চলৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাটকটীয়া ভোগেশ্বৰ সন্দিকৈ এটি স্মৰণীয় নাম।

**মৰাণ জনমঙ্গল অন্ধ বিদ্যালয় ঃ**

ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা 'মৰাণ জনমঙ্গল অন্ধ বিদ্যালয়'

মৰাণৰ ৰাইজৰ উদ্যোগত গুৰি দৰিছিল মেজৰ সমৰেন্দ্ৰ নাৰায়ণ বেনাৰ্জী (অৱসৰপ্ৰাপ্ত) আৰু প্ৰভু দয়াল চামাদ প্ৰভৃতি সদাশয় ব্যক্তিসকলে। বিদ্যালয়খনি থন ধৰি উঠিছি। মেজৰ সমৰৰেন্দ্ৰ নাৰায়ণ বেনাৰ্জী, চুচন ৰঞ্জন চুতীয়া, নিশাৰাম ফুকন আৰু মৰাণৰ ৰাইজৰ প্ৰচেষ্টাত। অলপ দিনৰ বাবে অধ্যক্ষৰ আসনত উপৱিষ্ট হৈছিল প্ৰিন্স মহোদয়। তাৰ পাছত সুদীৰ্ঘ দিন অধ্যক্ষক দায়িত্ব দক্ষতাৰে পালন কৰিছিল খগেন গগৈয়ে। বৰ্তমান বিদ্যালয়কনি গুৰি ধৰিছে ভিক্টৰ বেনাৰ্জীয়ে। মুখ্য পৃষ্ঠপোষকৰ দায়িত্ব বহন কৰিছে পৱন সিং ঘাটোৱাৰে আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছে প্ৰদীপ ভট্টই। বিদ্যালয়খনিৰ সংগীতৰ প্ৰশিক্ষণ দি অঞ্চলটিত এক সংগীতৰ পৰিৱেশ সৃষ্টি কৰিছিল।

মৰাণ জনমংগল অন্ধ বিদ্যালয় মূলতঃ যদিও শিক্ষানুষ্ঠানত তথাপিও বিদ্যালয়খনিত বিস্তৰভাৱে চৰ্চা হৈছে সংগীত আৰু নাটক। আজিৰ পৰা চাৰি বছৰৰ আগৰ পৰা অন্ধ বিদ্যালয়ৰ বিদ্যাৰ্থীসকলে প্ৰতিবছৰে একোখনকৈ নাটক অভিনয় কৰি আহিছে। ভিক্টৰ বেনাৰ্জীৰ প্ৰচেষ্টাত এচিয়াৰ ভিতৰতে প্ৰথম -Blind Opera Group- ৰ তত্ত্বাৱধানত বিদ্যাৰ্থীসকলে প্ৰশিক্ষণ লৈ যি ধৰণে নাটক অভিনয় কৰিছে সি অবৰ্ণনীয়। এই বিদ্যালয়ৰ ছাত্ৰ অৰবিন্দ দিহিঙ্গীয়া এজন সুগায়ক হিচাপে ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে আৰু দৃষ্টিৱান ছাত্ৰৰ বিদ্যালয়ত শিক্ষক নিযুক্তি লাভ কৰিছে। অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মৰাণ অঞ্চলৰ যিকোনো অনুষ্ঠানতে গীত পৰিৱেশন কৰি শ্ৰোতা-দৰ্শকক মুগ্ধ কৰি আহিছে।

অন্ধ ছাত্ৰ-ছাত্ৰীয়ে নাটক মঞ্চস্থ কৰি যি বিৰল প্ৰতিভাৰ উমান দিছে, সি মৰাণ নাট্য পৰম্পৰাৰ আন এক দিগন্ত উন্মোচিত কৰিছে।

**মৰাণ শিশু নাট ঃ**

আমি জনাত ১৯৯৭ চনৰ ২০ ডিচেম্বৰৰ পৰা মৰাণত পূৰ্ণাঙ্গ শিশু নাটৰ ইতিহাস আৰম্ভ হয়। শিৱসাগৰৰ প্ৰশান্ত শৰ্মাৰ পৰিচালনাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মৰাণ শাখা আৰু প্ৰগতি মহিলা সমিতিৰ প্ৰযোজনাত হৰেন্দ্ৰে নাথ বৰঠাকুৰৰ নাটক 'ৰজাৰ দেউল' মঞ্চস্থ কৰা হয়। ইয়াৰ জনপ্ৰিয়তা ইমান বৃদ্ধি হৈছিল যে পুনৰ ফেব্ৰুৱাৰী (১৯৯৮) মাহত মঞ্চস্থ হৈছিল এই লেখকৰে শিশু পূৰ্ণাংগ নাট 'মহামিলন' (ৰং আহে পাহি মেলি), পৰিচালনা সমীৰণ শৰ্মা। ১৯৯৯ চনত মৰাণৰ মহিলাসকলে 'আলোক-সন্ধানী' শিশু চ'ৰা পুনৰ উজ্জীৱিত কৰি ফেব্ৰুৱাৰী মাহৰ ৬, ৭, আৰু ৮তাৰিখে এটি নাট সমাৰোহৰ আয়োজন কৰে। সমাৰোহত শিশুসকলে প্ৰশান্ত শৰ্মাৰ পৰিচালনাত হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ 'অমাতৰ মাত' নাটকখনি মঞ্চস্থ কৰে। নাট সমাৰোহত প্ৰশান্ত শৰ্মাৰ পৰিচালনাত শিৱসাগৰৰ নাট্যপীঠে 'কহয় চণ্ডী দাস' (নাট্যকাৰ ড ঃ সীতানাথ লহকৰ) আৰু প্ৰসন্ন বৰঠাকুৰৰ পৰিচালনাত আমগুৰিৰ থিয়েটাৰ একাডেমীয়ে 'ঈশ্বৰৰ



সন্ধানত হামিদ গ্ৰেবিয়েল' ইত্যাদি (নাট্যকাৰ- এই প্ৰবন্ধ লেখক) মঞ্চস্থ কৰে। মৰাণৰ শিশু নাটসমূহত অভিনয় কৰা প্ৰায় ষাঠিজন শিশুৰ ভিতৰত উল্লেখযোগ্য দীপকমল গগৈ, তেজস্বী দুৱৰা, মৃদুপৱন মহন্ত, অনুৰাগ শইকীয়া, পাৰ্বণ কাশ্যপ, কৃষ্ণ শংকৰ বৰা, নৱদীপ শৰ্মা, অনন্যা বৰা, অনন্যা বনজ্যোস্না, মিতালী শইকীয়া, গীতা দুৱৰা, গীতাক্ষি ডেকা, প্ৰিয়া মুদৈ, নৱনীতা বুঢ়াগোহাঁই আদি বহুতৰ নাম উল্লেখযোগ্য। শিশু নাট আৰু নাট সমাৰোহৰ আলোক সম্পাদনাৰ দায়িত্বত আছিল আমগুৰিৰ প্ৰসন্ন বৰঠাকুৰ আৰু উদয় দত্ত ডিব্ৰুগড় পবিত্ৰ চেতিয়া আৰু শিৱসাগৰৰ সুখেন লাহন। সংগীত এই লেখকৰ।

ইয়াৰ পিছত মৰাণত কেইবাখনো শিশু নাটক অনুষ্ঠিত হয়। ইয়াৰ ভিতৰত- 'সৃষ্টি'ৰ উদ্যোগত 'বালিমাহীৰ কথা' (পৰিচালনা -ৰাণা মহন্ত), 'আমি' ৰ উদ্যোগত ৰাণা মহন্ত আৰু ত্ৰিদীব শৰ্মাৰ পৰিচালনাত 'অন্তৰীণ শৈশৱ' নাটক মঞ্চস্থ হয়।

**নাট্যালয় ঃ**

চিনু শৰ্মা, ৰাজ কুমাৰ বৰুৱা প্ৰচেষ্টাত ২০০৬ চনৰ ২২ নৱেম্বৰত আৰম্ভ হয় 'নাট্যালয়' নামৰ নাট্য চৰ্চাৰ অনুষ্ঠান। অনুষ্ঠানটিয়ে 'উলংগ ৰজা', 'শকুনিৰ প্ৰতিশোধ', নিলিখা কবিতাৰ সাৰংশ', 'প্ৰগতি' আদি কেইবাখনিও পূৰ্ণাঙ্গ নাটক মঞ্চস্থ কৰি মৰাণৰ নাট্যজগত মুখৰিত কৰিছে। এই অনুষ্ঠানৰ লগত জড়িত শিল্পীসকল হৈছে - ৰিজু শৰ্মা, শৰৎ চন্দ্ৰ কায়স্থ, দিলীপ চেতিয়া, দীপকমল গগৈ, তেজস্বী দুৱৰা, বিজয় বৰুৱা, অংকুৰ বৰঠাকুৰ, অঞ্জন শৰ্মা, জাহিৰ হুছেইন, সুজিৎ ভাগৱতী, ভৰতী গগৈ, সম্প্ৰীতি গগৈ প্ৰভৃতি।

**আমি ঃ**

ৰাণা মহন্ত, ত্ৰিদীব শৰ্মা আৰু কেইবাজনো যুৱকৰ প্ৰচেষ্টাত গঢ়ি উঠা 'আমি' নাট্যগোষ্ঠীয়ে অসমৰ বহু ঠাইত 'আশংকাৰ আবেলি' নামৰ নাটকেৰে, একাংকিকা নাটক প্ৰতিযেগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ দলৰ সন্মান মৰাণলৈ কঢ়িয়াই আনিছে। অনুষ্ঠানটিয়ে 'অন্তৰীণ শৈশৱ' নামৰ শিশু নাটক অনুষ্ঠিত কৰি মৰাণত শিশু নাট অভিনয়ৰ পৰম্পৰা অব্যাহত ৰাখিছে। নতুনকৈ ওলাই অহা মৰাণৰ প্ৰতিভাৱান শিশুশিল্পীসকল হৈছে - সম্প্ৰীতি গগৈ, ঋতুৰাজ গগৈ, ভাৰ্গৱ গগৈ, হিমাংশুশিখৰ বৰুৱা, স্মৰণিকা গগৈ, চয়নিকা গগৈ, ঋত্বিক বৰুৱা, বেদবিপ্লৱ ৰাজখোৱা, বাৰ্বি ৰাজখোৱা উন্মেখা দত্ত প্ৰভৃতি।

**আঁৰকাপোৰৰ আঁৰত ঃ**[১৩]

নাটক এক বহুমাত্ৰিক কলা। নাটক এখন মঞ্চস্থ কৰোতে নেপথ্যত বহুতৰ সহযোগিতা বহুধৰণে আৱশ্যক। সহযোগীসকলৰ একান্ত ধৈৰ্য আৰু ত্যাগৰ বিনিময়ত মঞ্চস্থ হয় নাটক। আঁৰক আলোক সংগীত, মঞ্চসজ্জা, ৰূপসজ্জা, আঁৰকাপোক টানোতা

আৰু বহুতৰে বহুতো কষ্ট স্বীকাৰ। তেওঁলোক ধ্যানমগ্নভাৱে নিৰ্দিষ্ট মুহূৰ্ত বোৰলৈ ৰৈ থাকে। নাটক এখন নষ্ট কৰিবলৈ আঁৰকাপোৰৰ আঁৰৰ ব্যক্তি এজনৰ এটা মুহূৰ্তই যথেষ্ট, এটা ইংগিতেই। এনে দৃষ্টিৰে অনুভৱ কৰি মাৰণৰ আঁৰকাপোৰৰ আঁৰৰ কেইজনমান ব্যক্তিৰ নাম উল্লেখ কৰিব খুজিছো -

**নাটক পৰিচালনা ঃ**

১৯৬৭ চনৰ পৰা মৰাণ নাট্য- সমাজৰ হৈ সমূহ নাটক পৰিচালনা কৰি আহিছে খগেন্দ্ৰ নাথ ভাগৱতী আৰু মোজাম্মল বৰাই। ১৯৭৮ চনৰ পৰা মিলিত শিল্পী সমাজৰ নাটকসমূহ পৰিচালনা কৰিছে ক্ৰমে প্ৰেমানন্দ বৰুৱা, ডাঃ প্ৰতাপ শৰ্মা, হাদি মোস্তাক হুছেইন, সুজয় ৰায় আৰু বিষ্ণু খাৰঘৰীয়া। মিলিত শিল্পী সমাজৰ সমূহ ভাওনা, ৰাস পৰিচালনা কৰিছে লক্ষী চুতীয়া আৰু ৰামচন্দ্ৰ মহন্তই। নতুন চামৰ ভিতৰত গৌতম বেনাৰ্জী, চন্দ্ৰ চুতীয়া কমল মিত্ৰ, ৰাজীৱ বৰঠাকুৰ, অমৰদ্বীপ ভাগৱতী আৰু দীপ্তি দেউৰীয়ে ভালেকেইখন নাটক পৰিচালনা কৰিছে। আৰু শেহতীয়া ৰাণা মহন্ত, ত্ৰিদীব শৰ্মা, চিনু শৰ্মা প্ৰভৃতি শিল্পীসকলেও নাটক পৰিচালনা কৰিছে।

**সংগীত পৰিচালনা ঃ**

ত্ৰিশ আৰু চল্লিশৰ দশক দুটাত মৰাণত ৰিপুনাথ গোহাঁই (ডিব্ৰুগড়ৰ) আৰু লক্ষী সন্দিকৈয়ে সংগীত পৰিচালনা কৰিছিল। ক্ৰমে ৰাজকুমাৰ কুমুদ গোহাঁই, আৰুণ চৰণ ফুকন (শিৱসাগৰৰ) আৰু এই প্ৰবন্ধৰ লেখকে লাটকৰ লংগীত পৰিচালনা কৰি আহিছে। নেপথ্য কণ্ঠশিল্পী হিচাপে ১৯৮৩ চনৰ পৰা মঞ্চত লগ পোৱা শিল্পীসকল হ'ল নীনা গোহাঁই, উমানন্দ দুৱৰা, শ্যামল মহন্ত, ৰাসনন্দ গগৈ, ব্ৰজেন ফুকন, দীপালী দত্ত শইকীয়া, জয়ালক্ষী দত্ত দুৱৰা, মনোৰমা দত্ত আৰু সুৰভি চুতীয়া। নাটক নৃত্য নিৰ্দেশনাত যোৱা দশত দুটাত মনিমা শৰ্মা, নবেন মোহন, মনশ্ৰী শইকীয়া আৰু ভাৰতী গগৈৰ নাম উল্লেখযোগ্য। সত্ৰীয়া নৃত্য পৰিচালনাত ৰামকৃষ্ণ মহন্তৰ অৱদান অনস্বীকাৰ্য। নাটকত সংগীত সংযোজন কৰোতে সাধাৰণতে লগ পোৱা সংগীত শিল্পীসকল হ'ল লক্ষী চুতীয়া, সুৰেন গগৈ, উত্তম দেউৰী, তৰুণ বকলিয়াল (দিৰৈ), বিপুল দিহিঙীয়া (পথালিবাম), ভৰত শইকীয়া, হেমন্ত বৰা (ডিমৌ), ভদৰাম দাস, উজ্জ্বল চুতীয়া প্ৰভৃতি।

**আলোকসম্পাত ঃ**

শেষৰ দশক দুটাত ডাঃ প্ৰতাপ শৰ্মা, ফুনু বৰুৱা, (শিৱসাগৰ), সুখেন লাহন (শিৱসাগৰ), উদয় দত্ত আৰু প্ৰসন্ন বৰঠাকুৰ (আমগুৰি), চন্দ্ৰ চুতীয়া, আৰু সুজিৎ ভাগৱতীয়ে আলোক সম্পাতৰ দায়িত্ব বহন কৰিছে।

**ৰূপসজ্জা ঃ**

যোৱা দশক দুটাত খগেন্দ্ৰ নাথ ভাগৱতী, হাৰুদা (তিনিচুকীয়া), সুৰেন গগৈ,



কৃষ্ণ বৰ, ৰামকৃষ্ণ মহন্ত, ৰঞ্জিত বৰুৱা (ডিব্ৰুগড়), মৃদুল শৰ্মা, কুলদা শইকীয়া আদিয়ে ৰূপসজ্জাত অংশগ্ৰহণ কৰিছে।

তদুপৰি আছে স্মাৰক, আঁৰকাপোৰ টানোতা আৰু বহু ব্যক্তি, যি সকলে অক্লান্ত পৰিশ্ৰম আৰু বিপুল ত্যাগৰ ফলস্বৰূপেহে মৰাণত মঞ্চস্থ হোৱা নাটকলমূহ সফল হৈছে। এটা সময়লৈকে ৰমেন বৰপাত্ৰগোহাঁয়ে (ৰুবা) বৰ নিষ্ঠাৰে মঞ্চৰ আঁৰকাপোৰ টনা দায়িত্ব সম্পাদন কৰিছিল।

এই চুটি প্ৰৱন্ধটিত মৰাণত নাট্যকৰ্মৰ এটি আভাস মাথোঁ দিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াক কৰিবলৈ যাওঁতে যে বহু গুণীব্যক্তিৰ নাম অজ্ঞাতে যে বাদ পৰি যাব পাৰে, সেয়াও ধুৰুপ। সেই অক্ষমতাকে ভৱিষ্যৎ তথা সংগ্ৰহৰ ভেটি হিচাপে লোৱাৰ প্ৰতিশ্ৰুতিয়ে এই লিখাৰ উদ্দেশ্য হৈ ৰ'ব।

**লেখকৰ টোকা ঃ**

[১]১৯৮৯ চনত মৰাণৰ নাট্যকৰ্মৰএটি চমু প্ৰবন্ধ লিখিবলৈ তথ্য সংগ্ৰহ কৰা হৈছিল। প্ৰবন্ধটো মিলিত শিল্পী সমাজৰ মুখপত্ৰ 'সমলয়ত' (১৯৮৬) সম্পাদকীয় হিচাপে প্ৰকাশ হৈছে। সেই সময়ত আমি তথ্য সংগ্ৰহ কৰোতে লগ পোৱা ব্যক্তিসমূহ আছিল জীৱকান্ত গগৈ, হৰেশ চন্দ্ৰ ফুকন, উপেন শৰ্মা, মাণিক গোস্বামী, মোজাম্মল বৰা, ফাৰুক বৰা, চন্দ্ৰ চুতীয়া, দুলাল বৰা, অনুপ ফুনক আৰু যতীন চুতীয়া।

[২]১৯৯৪ চনত পুনৰ মৰাণৰ পৰা প্ৰকাশিত 'আমাৰ বাতৰি' মাহেকীয়া কাকত (দশম সংখ্যা ১৫ জুন, ১৯৯৬) ত প্ৰকাশ কৰিবলৈ মৰাণৰ নাট্যকৰ্মৰ তথ্য সংগ্ৰহ কৰিছিলো। সেই তথ্যৰ সহায়তে কাকতখনত প্ৰকাশ প্ৰবন্ধটো আছিল, 'মৰাণ অতীত আৰু বৰ্তমানঃ এটি সমীক্ষা'। ইয়াৰ বাবে মৰাণ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহৰ বিভিন্ন ব্যক্তি, সংঘ আৰু অনুষ্ঠানৰ লগত যোগাযোগ কৰিছিলোঁ। তাৰ ভিতৰত লেঙেৰীৰ ভোলা চাংমাই, বকতাৰ পবিত্ৰ মহন,খটখটিৰ দিলবদন দাস, কচুমাৰী ডঃ প্ৰদীপ হাজৰিকা আৰু জগত শইকীয়াৰ নাম উল্লেখযোগ্য।

[৩]এই প্ৰবন্ধটিত ১ নং আৰু ২ নং টোকাত লিখা প্ৰবন্ধৰ পৰা বহু তথ্য হুবহু লোৱা হৈছে আৰু পৰিবৰ্ধন কৰা হৈছে।

***সহায়ক প্ৰবন্ধ ঃ***


১। অন্নদাপ্ৰসাদ বৰঠাকুৰ, 'অতীতৰ দৃষ্টিৰে আজিৰ মৰাণ', সমলয়, ১৯৯৮, পৃঃ১।

২। জীৱকান্ত গগৈ, 'বুৰঞ্জীৰ লাম-লাকটু', আমাৰ প্ৰতিনিধি, ১৯৭৮, পৃঃ ২৩৯।

৩। অন্নদা প্ৰসাদ বৰঠাকুৰ,উল্লিখিত প্ৰবন্ধ' পৃঃ ২।

৪। খগেন্দ্ৰনাথ ভাগৱতী, মৰাণ নাট্য আন্দোলনঅতীত আৰু বৰ্তমান ', ৰঙ্গমঞ্চ, অসম নাট্য সন্মিলন, ১৯৮৯, পৃ ঃ ৩৬।

৫। খগেন্দ্ৰনাথ ভাগৱতী, উল্লিখিত প্ৰবন্ধ আৰু মোজাম্মল বৰা, 'মৰাণত নাট্য পৰম্পৰা, ' গগনা- সদৌ অসম কলা কৃষ্টি সন্মিলনৰ পৰা দ্বিতীয় অভিৱৰ্তন, স্মৃতিগ্ৰন্থ, পৃঃ ১৮।

৬। মোজাম্মল বৰা, উপৰোক্ত প্ৰবন্ধ, পৃঃ ১৮।

৭। ঐ, পৃ ঃ ১৮।

৮। ঐ, পৃ ঃ ১৯ আৰু খগেন্দ্ৰনাথ ভাগৱতী 'ৰঙ্গমঞ্চত'ৰ উল্লিখিত প্ৰবন্ধ, পৃঃ ৩৬।

৯। ঐ

১০। ১৯৮৬ চনত শ্ৰীজীৱকান্ত গগৈৰ লগত এই লেখকৰ সাক্ষাৎকাৰ। ১৯৮৬ চনৰ মিলিত শিল্পী সমাজৰ মুখপত্ৰ 'সমলয়' ৰ সম্পাদকীয়ত উল্লেখ কৰা হৈছে। পৃঃ (ঘ)

১১। ডঃ দীপ্তি শৰ্মা, 'মুক্তি যুঁজত লুইতপৰীয়া নাৰী, ' ষ্টুডেন্টছ ষ্ট'ৰচ, ১৯৯৫, পৃঃ ৫২

১২। মোজাম্মল বৰা, উল্লিখিত প্ৰবন্ধ, পৃঃ২১।

১৩। সবিশেষ এই লেখকৰে 'আঁৰ কাপোৰৰ আঁৰত' (সমলয়, ১৭ জানুৱাৰী ১৯৯৬, পৃঃ ২৯-৩৩)।

❖❖



# মৰাণৰ সমস্যা আৰু সমাধানৰ পথ ঃ এটি পৰ্য্যালোচনা

**অমৰজ্যোতি মহন**
মৰাণ, খট্‌খটী

মৰাণ, উজনি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সীমাত অৱস্থিত এখন ক্ৰমবৰ্দ্ধমান চহৰ। অসমৰ কেইবাখনো আগশাৰীৰ চাহ বাগিচা তথা মৰাণ তৈলক্ষেত্ৰৰ অৱস্থিতিয়ে মৰাণ চহৰৰ গুৰুত্ব বৃদ্ধি কৰি আহিছে। কিন্তু নগৰখনৰ জনসংখ্যা তথা গুৰুত্বৰ অনুপাতে চৰকাৰৰ উন্নয়নৰ আঁচনিয়ে মৰাণক এতিয়াও সফল ৰূপে স্পৰ্শ কৰিব পৰা নাই। দিনক দিনে বিভিন্ন সমস্যাই মৰাণক ভাৰাক্ৰান্তহে কৰি তোলা পৰিলক্ষিত হৈছে। ১৯৬২ চনতে নগৰ ঘোষণা কৰা মৰাণ নগৰ সমিতিয়ে চলিত বৰ্ষত সোণালী জয়ন্তী বৰ্ষ সম্পূৰ্ণ কৰিলে যদিও পঞ্চাছ বছৰীয়া নগৰখনক আধুনিক সা-সুবিধাৰ এখন আদৰ্শ নগৰৰূপে গঢ়ি তোলাত স্থানীয় জনপ্ৰতিনিধি তথা চৰকাৰৰ কোনো সদিচ্ছা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। পঞ্চাছ বছৰীয়া সুদীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰা মৰাণ নগৰৰ মূল সমস্যাসমূহ তথা এইবোৰৰ সমাধানৰ উপায়সমূহ তলত আলোচনা কৰা হ'ল।

**প্ৰশাসনিক বিশৃঙ্খলতা ঃ** ৩৭ নং ৰাষ্ট্ৰীয় পথ আৰু মৰাণ-নাহৰকটীয়া পথে সমানে দুভাগ কৰা মৰাণ নগৰৰ প্ৰধান সমস্যাটো হৈছে প্ৰশাসনিক বিশৃঙ্খলতা। একেখন নগৰকে শিৱসাগৰ জিলাৰ অন্তৰ্গত অংশটোত মৰাণ নগৰ সমিতি আৰু ডিব্ৰুগড় জিলাৰ অংশটিক দিখাৰী গাওঁ পঞ্চায়তৰ অন্তৰ্গত মৰাণ ৰাজহ নগৰ। এক সম্পূৰ্ণ বিশৃঙ্খল প্ৰশাসনিক ব্যৱস্থা। শিৱসাগৰ জিলাৰ অংশক লৈ ছটা ৱাৰ্ডৰে গঠিত হোৱা মৰাণ নগৰ সমিতিৰ অধীনস্থ এলেকাতকৈ ডিব্ৰুগড় জিলাৰ দিখাৰী গাওঁ পঞ্চায়তৰ অন্তৰ্গত মৰাণ

ৰাজহ নগৰৰ পৰিসৰ আৰু জনসংখ্যা দুয়োটাই বেছি। সম্পূৰ্ণ মৰাণ নগৰক একেলগ কৰিলে মৰাণ নগৰ সমিতিখন অন্ততঃ চৈধ্যটা ৱাৰ্ডৰ এখন ডাঙৰ চহৰৰূপে স্বীকৃতি পাই পৌৰসভালৈ উন্নীত হ'লহেঁতেন। পৌৰসভা গঠন হ'লে উন্নয়নৰ বাবে চৰকাৰী ধনৰ আবন্টনো বাঢ়িলহেঁতেন। ইয়াৰ সমান্তৰালভাৱে নগৰখনৰ উন্নয়নো অৱধাৰিত আছিল। পিছে চৰকাৰৰ হেমাহি তথা জনপ্ৰতিনিধিসকলৰ অমনোযোগিতাৰ বাবেই পঞ্চাছ বছৰীয়া পুৰণি নগৰখনত এতিয়াও গাওঁ পঞ্চায়ত আৰু নগৰ সমিতিৰ এক বিশৃঙ্খল প্ৰশাসনিক ব্যৱস্থা অব্যাহত আছে। ইয়াৰ পৰিণতিত নগৰখনৰ উন্নয়নত স্থবিৰতা এতিয়াও বিদ্যমান। দুখন জিলাৰ সীমাত অৱস্থিতিৰ বাবেই ১৯৫৪ চনৰ পৰা জনাই অহা মৰাণ মহকুমাৰ দাবীও অদ্যপৰিমিত কাৰ্য্যকৰী হোৱা নাই।

মৰাণৰ অৱস্থিতিক চাই মৰাণ নগৰখন সদৰৰূপে লৈ মাৰণ এখন জিলাই গঠন হ'ব লাগিছিল। কিয়নো মৰাণৰ পৰা ডিব্ৰুগড় আৰু শিৱসাগৰ উভয় জিলা সদৰলৈ চল্লিছ কিল'মিটাৰকৈ দূৰত্ব। ইমানখিনি দূৰত্বত উজনিতে ইতিমধ্যে কেইবাখনো জিলা সদৰ গঠন হৈছে। উদাহৰণস্বৰূপে ডিব্ৰুগড় আৰু তিনিচুকীয়া সদৰৰ দূৰত্ব ৪৭ কিল'মিটাৰ, যোৰহাট আৰু গোলাঘাটৰ দূৰত্ব ৪৩ কিল'মিটাৰ, শিৱসাগৰ আৰু যোৰহাটৰ দূৰত্ব ৫৫ কিল'মিটাৰ। তেন্তে ৮০ কিল'মিটাৰ সুদীৰ্ঘ দূৰত্বত থকা শিৱসাগৰ আৰু ডিব্ৰুগড় সদৰৰ মধ্যস্থল মাৰাণক সদৰৰূপে লৈ প্ৰশাসনক ৰাইজৰ ওচৰ চপোৱাৰ স্বাৰ্থতে মৰাণ জিলা প্ৰতিষ্ঠা কৰি দুটা প্ৰশাসনৰ বিশৃঙ্খলত থকা মৰাণ নগৰক একগোট কৰি মৰাণ পৌৰসভা চৰকাৰে শীঘ্ৰে গঠন কৰিব লাগে।

**বেচৰকাৰী বাচ আস্থানৰ সমস্যা ঃ** বেচৰকাৰী যাত্ৰীবাহী যানবাহনৰ আস্থানৰ সমস্যাটো মৰাণ নগৰৰ বাবে এক গুৰুত্বৰ সমস্যাৰূপে গা-কৰি উঠিছে। তাতে ভূতৰ ওপৰত দানহ পৰাদি মৰাণ নগৰ সমিতি আৰু দিখাৰী গাওঁ পঞ্চায়তে সম্পূৰ্ণ নীতি বহিৰ্ভূতভাৱে মৰাণ নগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় পথ, মৰাণ নাহৰকটীয়া পথ আৰু মাৰণ সোণাৰি পথত পথৰ ওপৰতে প্ৰায় পোন্ধৰটাকৈ অবৈধ বাচ, ক্ৰুইজাৰ, উইঙ্গাৰ, মেজিক, টেম্পু (অট'ৰিক্সা) আদি যাত্ৰীবাহী বাহনৰ আস্থান পাতি নগৰ খনত এক বিশৃঙ্খল পৰিস্থিতিৰ লগতে ব্যাপক যান যঁটৰ সৃষ্টি কৰাইছে। এই বিশৃঙ্খল অবৈধ্য আস্থান কেইটাৰ বাবে ইতিমধ্যে নগৰখনত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈ বহুলোক হতাহতো হ'ব লগা হৈছে। কিন্তু তৎসত্বেও আৰক্ষী প্ৰশাসনে পথৰ ওপৰত থকা অবৈধ আস্থানসমূহ স্থানান্তৰিত কৰিব পৰা নাই।

অসম ৰাজ্যিক পৰিবহন নিগমৰ মৰাণ আস্থানলৈ লক্ষ্য কৰিলে দেখা যায় আস্থান চৌহদত যথেষ্ট মাটি আছে। যিখিনি ঠাই এতিয়াও ব্যৱহাৰ নহৈ পৰি আছে। পৰিবহন বিভাগে অসম ৰাজ্যিক পৰিবহন নিগমৰ মৰাণ আস্থানৰ এই বৃহৎ ভূমিক সদ



ব্যৱহাৰ কৰি মৰাণ আস্থানটোক আন্তঃৰাজ্যিক বাচ টাৰ্মিনাচৰূপে উন্নীত কৰি গঢ়ি তুলি এই বাচ আস্থানতে কেন্দ্ৰীয়ভাৱে সকলো যাত্ৰীবাহী বাচ, উইঙ্গাৰ মেজিক, টেম্পু, গ্ৰাম্য টেক্সী আদিৰ আস্থানৰূপে গঢ়ি তুলিলে ৰাইজৰ লগতে যান-বাহনসমূহৰো সুবিধা হোৱাৰ সম্পুৰ্ণ থল আছে।

**দৈনিক বজাৰৰ সমস্যা ঃ** মৰাণ দৈনিক বজাৰখনৰ অৱস্থা অতি শোচনীয়। বজাৰৰ পেলনীয়া আবৰ্জনা তথা বন্ধ পানী ওলোৱাৰ সুব্যৱস্থাৰ অভাৱত নাগৰিকে দৈনিক বজাৰত বজাৰ সমাৰ কৰা অতি কষ্টকৰ। অন্যহাতে শাক-পাছনি, মাছ-মাংস তথা অন্যান্য বস্তুৰ ব্যৱসায়ী সকলে সামগ্ৰী বিক্ৰী কৰিবলৈ মৰাণ দৈনিক বজাৰত ঠাইৰ নাটনি। এনেবোৰ সমস্যাৰ বাবেই একাংশ ব্যৱসায়ীয়ে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিতে নগৰখনত সততে অন্য এখন বিশৃঙ্খল বজাৰ স্থাপন কৰে। প্ৰশাসনে উচ্ছেদ কৰিলেও কেইদিনমানৰ মূৰত পুনৰ পথৰ দাঁতিত বজাৰ পাতি ৰাষ্ট্ৰীয় পথত যান-বাহন চলাচলত সমস্যাৰ সৃষ্টি কৰে। অন্যহাতে দেওবৰীয়া সাপ্তাহিক বজাৰখনো দিখাৰী গাঁও পঞ্চায়তে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিতে অবৈধভাৱে আবন্টন দি ভীষণ সমস্যাৰ সৃষ্টি কৰি আহিছে।

দেওবৰীয়া সাপ্তাহিক বজাৰখন তিলৈ নগৰৰ সমীপৰ মৰাণ গ্ৰাম্য বজাৰলৈ স্থানান্তৰিত কৰিলে নগৰখনত যান যঁটৰ সমস্যা লাঘৱ হ'ব। তিলৈ নগৰস্থিত মৰাণ গ্ৰাম্য বজাৰ চৌহদৰ ঠাইখিনিত যধে মধে যিকোনা কাৰ্য্যালয় প্ৰতিষ্ঠান নিৰ্মাণ নকৰি সম্পূৰ্ণৰূপে সংৰক্ষণ কৰি সাপ্তাহিক দেওবাৰবজাৰখন বহুৱাব পাৰে। এই বজাৰ যথেষ্ট আহল বহল হোৱা বাবে সাপ্তাহিক বজাৰখন সুকলমে বহিব পাৰিব। অন্যহাতে মৰাণ দৈনিক বজাৰখনত এক অত্যাধুনিক বহু মহলীয়া বজাৰ গৃহ (Multi Storied bazar Complex) নিৰ্মাণ কৰি সেইদৰে প্ৰতি মহলাত পৃথক পৃথককৈ মাছ-মাংস, শাক-পাছলি, ফল-মূল, গেলামালৰ দোকান আদি স্থাপন কৰিলে দৈনিক বজাৰৰ সমস্যা সমাধান হোৱাৰ লগতে বজাৰখন এক আদৰ্শ বজাৰৰূপে গঢ়ি তুলিব পাৰি।

**মৰাণ নগৰ উন্নয়ন প্ৰাধিকৰণ গঠনৰ প্ৰয়োজন ঃ** মৰাণ ৰাজহ নগৰৰ অন্তৰ্গত অঞ্চলটো কোনো উন্নয়নমূলক আঁচনিৰ অভাৱত অতি বিশৃংখলভাৱে বাট পথসমূহ নিৰ্মাণ কৰা হ'ল। বিজ্ঞানসন্মতভাৱে নিৰ্মাণ নকৰি যধে মধে বাট-পথ, ঘৰ আদি নিৰ্মাণ হোৱাত বাট পথসমূহ বেকা বেকি তথা অতি ঠেককৈ নিৰ্মাণ হ'ল। সম্প্ৰতি যানবাহন বৃদ্ধি পাই অহাত পিয়লি নগৰ, জয়া নগৰ, চুকাফা নগৰ, কুশল নগৰ, নতুন নগৰ মিলনপুৰ, লাচিত নগৰ আদিত ভীষণ সমস্যাৰ সৃষ্টি হয়। পথবোৰ বিজ্ঞানসন্মতভাৱে পোন আৰু বহল নোহোৱাৰ পৰিণতিত পথৰ দাঁতিৰ নলা নৰ্দমাসমূহো প্ৰয়োজন অনুসাৰে নিৰ্মাণ নহ'ল। ক্ৰমবৰ্দ্ধমান মৰাণ নগৰৰ এই সমস্যা ভৱিষ্যতে অধিক ভয়াবহ নহ'বলৈ মৰাণ

নগৰ উন্নয়ন প্ৰাধিকৰণ গঠন কৰি এই প্ৰাদিকৰণৰ অন্তৰ্গত বাট পথ আৰু ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। লগতে সমগ্ৰ নগৰখনক লৈ এক মাষ্টাৰ প্লেন এতিয়াই প্ৰস্তুত কৰা বাঞ্চনীয়।

**কৃত্ৰিম বানপানী আৰু পানী নিষ্কাষণৰ সমস্যা ঃ** মৰাণ নগৰত বাট পথৰ পানী ওলাই যাবলৈ সময়ে সময়ে অনেক আঁচনি হাতত লয়। পথৰ দাঁতিত নলা নৰ্দমাও নিৰ্মাণ হয়। কিন্তু নগৰখনৰ পানী ওলাই যোৱাৰ ক্ষেত্ৰত এনে নলা নৰ্দমাই কোনো অৰিহণা যোগাব নোৱাৰে। কিছু কিছু ক্ষেত্ৰত লাখ লাখৰ পৰা কোটি কোটি টকা শৰাধ কৰি নিৰ্মাণ কৰা এনে নলা নৰ্দমাই বৰঞ্চ সমস্যাটো অধিক জটিলহে কৰি তোলে। মাৰণত পানী নিষ্কাষণৰ বাবে নিৰ্মাণ কৰা নলা নৰ্দমাবোৰ পিছলৈ বন্ধ গেলা পানী সংৰক্ষণৰ ভঁৰালতহে পৰিণত হয়। প্ৰকৃতপক্ষে পানী কোনফালে কেনেকৈ উলিয়াই নিব তাৰ কোনো বিজ্ঞানসন্মত প্ৰাক্কলন প্ৰস্তুত নকৰাকৈ কেৱল ঠিকাদাৰৰ লাভালাভৰ স্বাৰ্থতে মৰাণত পথৰ দাঁতিৰ নলা নৰ্দমাবোৰ সময়ে সময়ে নিৰ্মাণ কৰি থকা দেখা যায়। এনে নলা নৰ্দমাবোৰৰ নিৰ্মাণৰ প্ৰকৃত উপকাৰ সাধন নোহোৱাত মৰাণত কৃত্ৰিম বানপানীৰ সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। চৰকাৰে মৰাণৰ নলা নৰ্দমাৰ পানী ওলাইযোৱা আঁচনি নিৰ্মাণ কৰাৰ পূৰ্বে সমগ্ৰ নগৰখনৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চলক সামৰি এক জৰীপ চলাই এখন বিজ্ঞানসন্মত পানী নিষ্কাষণৰ আঁচনি যুগুত কৰি সেই আঁচনিখনৰ অনুযায়ী বিজ্ঞানসন্মতভাৱে নলা নৰ্দমা নিৰ্মাণ কৰিলেহে নগৰখনৰ কৃত্ৰিম বানপানীৰ সমস্যা সমাধান কৰিব পাৰিব। মৰাণ নগৰৰ পানী মূলত পেটুৱাজান, মৰাণ জান আদিলৈ বোৱাই নপঠালে সমস্যাটোৰ সমাধান হোৱাৰ আশা ক্ষীণ।

**অন্যান্য হাতত ল'ব লগা আঁচনি ঃ** মৰাণৰ জনসংখ্যালৈ চাই নগৰখনত এখন এশখন বিচনাযুক্ত আধুনিক সা-সুবিধাযুক্ত চিকিৎসালয়ৰ প্ৰয়োজন। মৰাণ ফটিকাচোৱা অভয়পুৰত থকা গ্ৰেজিং ভুমিত এনে এখন চিকিৎসালয় শীঘ্ৰে নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। লগতে ৩৭ নং ৰাষ্ট্ৰীয় পথৰ পৰা অভয়পুৰ ফটিকাচোৱালৈ যোৱা পথটো আহল-বহল কৰি টু লেন পথলৈ উন্নীত কৰিব লাগে। কাৰিকৰী শিক্ষাৰ গুৰুত্বলৈ লক্ষ্য কৰি চিকিৎসালয়খনৰ কাষতে এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰিব লাগে। অন্যহাতে গুৱাহাটীৰ শঙ্কৰদেৱ কলাক্ষেত্ৰৰ আৰ্হিত এখন কলাক্ষেত্ৰ আৰু উদ্যোন উক্ত স্থানতে স্থাপন কৰিলে নগৰখনৰ পৰিসৰ ফটিকাচোৱা অঞ্চললৈ বৃদ্ধি হ'ব।

অন্যহাতে মৰাণত খেলাধূলাৰ বিকাশৰ বাবে আধুনিক খেলপথাৰ তথা ষ্টেডিয়ামৰ অভাৱ। মৰাণ অভয়পুৰৰ গ্ৰাম্য ষ্টেডিয়ামখন পূৰ্ণ পৰ্যায়ৰ ষ্টেডিয়ামৰূপে গঢ়ি তুলিব লাগে। তদুপৰি বৃটিছৰ আমোলন নিৰ্মিত মৰাণ প'লো গ্ৰাউণ্ডক সম্পূৰ্ণ সংৰক্ষণ কৰি এই খেলপথাৰখনক এক বৃহৎ স্পষ্টচ্ কমপ্লেক্সৰূপে গঢ়ি তুলি একেলগে,



ক্ৰিকেট, হকী তথা এটা বৃহৎ ইনড'ৰ ষ্টেডিয়াম,চুইমিং পুল আদি নিৰ্মাণ কৰিব লাগে।

মৰাণ খট্‌খটিৰ পৰা তিলৈ নগৰলৈ মৰাণ নগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ ফ'ৰ লেনৰ বাইপাচ নিৰ্মাণ কৰাৰ লগতে মৰাণ খট্‌খটিৰ পৰা মাৰণ নগৰ হৈ তিলৈ নগৰলৈ ২৭ নং ৰাষ্ট্ৰীয় পথৰ এই পথচোৱাও ফ'ৰলেন যুক্ত পথলৈ উন্নীত কৰিব লাগে। অন্যহাতে মৰাণ খট্‌খটিৰ পৰা তিলৈ নগৰলৈ ৰাষ্ট্ৰীয় পথৰ লগতে বাইপাচৰ মাজৰ সম্পূৰ্ণ অংশ মৰাণ নগৰ উন্নয়ন প্ৰাধিকৰণৰ অন্তৰ্গত কৰি পৰিকল্পিতভাৱে নগৰখনক উন্নয়নৰ দিশে আগবঢ়াই নিব লাগে।

মৰাণ নগৰৰ সমস্যা অনেক। অৱশ্যে সমাধানৰ বাটো নথকা নহয়। চৰকাৰৰ সদিচ্ছাহে মূল কথা। মৰাণৰ বাবে শুভ সংবাদ যে সাম্প্ৰতিক উত্তৰ পূৱ উন্নয়ন দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী পৱন সিং ঘাটোৱাৰ মৰাণৰে বাসিন্দা। গতিকে মৰাণৰ উন্নয়নৰ অৰ্থে চৰকাৰী ধনৰ নাটনিৰ প্ৰশ্নই উঠিব নোৱাৰে। মৰাণবাসীৰ মাৰণৰ সন্তান ঘাটোৱাৰদেৱৰ পৰা মাৰণৰ উন্নয়ন সাদন কৰি লোৱাটোহে এতিয়া মূল কথা। কেইবাবাৰো সাংসদ তথা দুবাৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ আসন শুৱনি কৰা পৱন সিং ঘাটোৱাৰদেৱে এইবাৰ মৰাণৰ উন্নয়নৰ বাবে তেওঁলৈ অহা সুযোগৰ সদব্যৱহাৰ কৰিব পাৰিব বুলিয়ে আমাৰ বিশ্বাস।

❖❖

# মৰাণ অঞ্চলৰ কেইটামান জনগোষ্ঠীৰ সাংস্কৃতিক আভাস

জয়া কলিতা
সহকাৰী অধ্যাপিকা
মৰাণ মহাবিদ্যালয়

অসম হ'ল বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি। এই অসমৰে ডিব্ৰুগড় আৰু শিৱসাগৰ দুখন জিলাই চুই যোৱা সংগমস্থান হল মৰাণ। মৰাণ আশে-পাশে বিভিন্ন জাতি জনজাতি লোক বসবাস কৰি আছে। এওঁলোক হ'ল বিভিন্ন জাতি-জনজাতিৰ সমন্বয়ৰ সৃষ্টি অৰ্থাৎ মৰাণৰ সাংস্কৃতিক ইতিহাস এক সমন্বয়ৰ ইতিহাস। বিভিন্ন সময়ত মৰাণ অঞ্চললৈ বহুলোকৰ আগমন ঘটিল। এই আগমণৰ কাৰণ হিচাপে ব্যৱসায়ী বাণিজ্যৰ সন্ধান, যাত্ৰায়তৰ সু-ব্যৱস্থা, বৈবাহিক সম্বন্ধ, চাকৰিজীৱি আদিৰ দিশকে আঙুলিয়াব পাৰি। মৰাণ অঞ্চলত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীবোৰ হ'ল, ব্ৰাহ্মণ, কোঁচ, কলিতা, চুতীয়া, আহোম, মিছিং, ৰাভা, দেউৰী, সোণোৱাল কছাৰী, নেপালী, মাৰোৱাৰী, বিহাৰী, বেঙ্গালী, চাহ জনজাতি, মুছলমান আদি এই আটাইবোৰ জাতি জনগোষ্ঠীৰ মাজৰপৰা এই আলোচনাত চুতীয়া, মিছিং, সোণোৱাল কছাৰী, নেপালী আদি জনগোষ্ঠীৰ সম্পৰ্কেহে আলোকপাত কৰা হ'ল।

**চুতীয়া ঃ** চুতীয়াসকল অসমৰ এটা আদিম জনগোষ্ঠী। পুবে দিক্ৰমৰ পৰা পশ্চিমে বুৰৈ নদী পৰ্যন্ত এওঁলোকৰ বিস্তৃতি আছিল। বৰ্তমান সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জিলাতে চুতীয়াসকল বসবাস কৰি আছে। সেই অনুক্ৰমে মৰাণৰো জ্যোতিপুৰ, বৰডবা, চুতীয়া গাওঁ, ৰাইদাং, হেলোগাওঁ, মৰাণ মহাবিদ্যালয়ৰ কাষৰ স্থান আদিবোৰত পৰিব্যাপ্ত হৈ আছে।



চুতীয়াসকল সাংস্কৃতিক জীৱনত চহকী। তেওঁলোকৰ পৰম্পৰাসমৃদ্ধ সাংস্কৃতিক জীৱনপ্ৰবাহে জাতিটোৰ প্ৰকৃত ছবিখন দাঙি ধৰে। সেই অনুক্ৰমে চুতীয়াসকলৰ নিজস্বভাৱে লোকসংগীত, লোকবাদ্য, খাদ্যাভাস, উৎসৱ-পাৰ্বণ আদিৰ লগতে জীৱন বৃত্তৰ লগত জড়িত জন্ম-বিবাহ-মৃত্যু সকলোবোৰ নিজস্বতা অক্ষুণ্ণ ৰাখি পালন কৰে।

**লোকগীত, লোকবাদ্য ঃ** লোকসাহিত্যৰ ভঁৰাল চুতীয়াসকল চহকী। এওঁলোকৰ নাৰীকেন্দ্ৰীকভাৱে কিছুমান লোকসংগীতে প্ৰাধান্য লাভ কৰিছে। ইবিলাকৰ ভিতৰত বিহুগীত, বিয়ানাম, আইনাম, জনাগাভৰু গীত, ফুলকোঁৱৰ-মণিকোঁৱৰ গীত আদিয়ে প্ৰধান। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত বিভিন্ন অনুষ্ঠানত প্ৰয়োজনীয় সকলোবোৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। যেনে - ঢোল, টকা, পেঁপা, সুতুলী, গগণা, খোল, নাগাৰা, তাল ইত্যাদি।

**খাদ্যাভাস ঃ** চুতীয়াসকলৰ প্ৰধান খাদ্য ভাত। ভাতৰ ক্ষেত্ৰত কৰ্কৰা পঁইতা ভাতৰ উপৰিও বৰা ভাতৰ লগত মাটি মাহৰ শাক (আঞ্জা),কোমোৰা হাঁহৰ মাংসৰ সৈতে তৈয়াৰী ব্যঞ্জন আচ্ছাদনপূৰ্ণ। যিকোনো বস্তু পুৰি খোৱা, পাতত দি খোৱাৰ লগতে ভাপত দি সিজোৱা বস্তুও আদৰণীয়।

**উৎসৱ পাৰ্বণ ঃ** চুতীয়াসকলে প্ৰধানতঃ বহাগ বিহু, মাঘ বিহু আৰু কাতি বিহু পালন কৰে। তদুপৰি পানীতোল সবাহ, তেওঁলোকৰ মাজত প্ৰচলিত। পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান শংকৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি, জন্মাষ্ঠমী আদিৰো সময়মতে উদ্‌যাপন কৰে।

**জন্ম-বিবাহ-মৃত্যু ঃ** চুতীয়াসকলৰ সন্তান জন্মৰ লগে লগে কিছুমান সংস্কাৰমূলক কৰ্ম কৰা দেখা যায়। ইয়াৰে ঘৰৰ দুৱাৰমুখত বগৰী জেং, ফটা জাল আদি ওলমাই দিয়া পৰম্পৰা বিদ্যমান। কেঁচুৱাৰ জন্মৰ পাছত নাড়ী সৰাৰ লগে লগে বাজ ওলোৱা নিয়মৰ লগতে এমাহত শুদ্ধি পতা হয়।

বিবাহৰ ব্যৱস্থাপনাত চুতীয়াসকলে সামাজিকভাৱে মুখ্যত দুই প্ৰকাৰৰ বিবাহে স্থান লাভ কৰে। এচাম বৈদিক প্ৰথাৰ বিশ্বাসী, এওঁলোকে বৈদিক ৰীতি-নীতিৰে সম্পন্ন কৰে অন্য এচাম শংকৰদেৱ সংঘৰ ভিতৰুৱা হিচাপে শংকৰী পৰম্পৰা কাৰ্য সম্পাদন কৰে।

চুতীয়াসকলৰ মৃত্যুৰ পিছতেই মৃতকৰ শৱ দাহ কৰে। অৱশ্যে যোল্ল-সোতৰ বছৰ ল'ৰা-ছোৱালী মৰিলে পুতি থয় তদুপৰি আত্মহত্যা কৰা মানুহক পুতি থয়। তিনি দিনৰ দিনা তিলনী আৰু নিজৰ সুবিধা অনুসৰি এঘাৰ বা তেৰ দিনৰ দিনা শ্ৰাদ্ধ পাতে।

**সোণোৱাল কছাৰী ঃ**

মৰাণ অঞ্চলত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ লগতে সোণোৱাল

কছাৰীসকলৰো স্থান আছে। সোণোৱাল কছাৰীসকল কিৰাতসম্ভুত বড়ো জনগোষ্ঠীৰ লোক। মৰাণৰ সমীপৰ বিভিন্ন স্থানত কম বেছি পৰিমানে এওঁলোক বসতি কৰি আছে। প্ৰধানতঃ কুশলনগৰ, লাচিত নগৰ, অভয়পুৰ, মিৰিহোলা আদি স্থানবোৰত সিঁচৰতি হৈ আছে। সোণোৱাল কছাৰীসকলৰ সাংস্কৃতিক জীৱন প্ৰবাহত চহকী। এওঁলোকৰ নিজস্ব লোকগীত, ধৰ্ম আৰু লোকবিশ্বাস, উৎসৱ-পাৰ্বণ, খাদ্যাভাস, বাদ্যযন্ত্ৰ, জন্ম আৰু মৃত্যু সকলোবোৰ দিশতে পৰম্পৰাসমৃদ্ধ অক্ষুন্ন ৰাখিছে।

**লোকগীত ঃ** লোকগীতৰ ক্ষেত্ৰত সোণোৱাল কছাৰীসকলৰ মাজত বহুবোৰ লোকেগীতে প্ৰাধান্য লাভ কৰে। ইবোৰৰ ভিতৰত হুঁচৰি গীত, হাইদাং গীত, মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰ গীত, বহুৱা নৃত্যৰ গীত, হুগ্ৰা নৃত্যৰ গীত, জনাদৈ গাভৰুৰ গীত, আইনাম, ধাইনাম, অপশ্বেৰী সবাহৰ নাম নানাবিধ জুনাই প্ৰাধান্য লাভ কৰিছে।

**ধৰ্ম আৰু লোকবিশ্বাস ঃ** কৈৰাতজ ধৰ্মৰ সোণোৱাল কছাৰীসকল শিৱৰ উপাসক আছিল। তেওঁলোকৰ প্ৰধান দেৱতা বাইথ' বা শিৱ বা খিৰিং ৰজা। ধৰ্মৰ ক্ষেত্ৰত বেহাৰী আৰু হেন্দুৰীয়া দুটা পন্থা গ্ৰহণ কৰে। ইয়াৰে বেহাৰীসকলে পূৰ্বপুৰুষৰ ৰীতি-নীতি আচাৰ ব্যৱহা মানি কৰ্ম কৰে আৰু হেন্দুৰীয়াসকলে আউনীআটী সত্ৰাধিকাৰী কেশদেউ গোঁসাই ওচৰত শৰণ, ভজন লৈ দিক্ষিত হোৱা কথাক সুচাইছে। লোকবিশ্বাসৰ ক্ষেত্ৰতো কেঁচুৱা গৰ্ভস্থ হোৱাৰ পৰা ভূমিষ্ঠ হোৱালৈকে অপায় অমঙ্গল নহ'বৰ বাবে প্ৰসূতি গৃহত বচ, নহৰু, সৰিয়হ, জলকীয়া আদি দিয়ে। তদুপৰি কেঁচুৱা জন্মৰ পাছত কেঁচুৱাক এবাতি পানী আৰু জুইৰ ওপৰত তিনিবাৰ ঘূৰাই দি নিয়ম কৰিলে পানী আৰু জুইৰ পৰা কোনো বিপদ নাথাকে বুলি ভাবে।

**উৎসৱ পাৰ্বণ ঃ** অন্যান্য জনগোষ্ঠীৰ দৰে বিহু উৎসৱ সোণোৱাল কছাৰীসকলে পালন কৰে। উৎসৱ অনুষ্ঠান হিচাপে ঐতিহাসিক বাইথ' পূজা পাতে। এই বাইথ' পূজাত পৰম উপাস্য শিৱ বা বাইথ'ৰ উপাসনাৰ উদ্দেশ্যে আয়োজন কৰে। দেওবাৰে ৰাতি দেও নমোৱা লগতে সোমবাৰে বলি বিধান পূজা অৰ্চনা কৰি মঙ্গলবাৰে পুৱা হাইদাং গীত পৰিবেশন কৰে। অন্য এবিধ অনুষ্ঠান হ'ল বহুৱা নৃত্য। স্থানবিশেষে কোনোৱে বিহু উৰুকা দিনা আকৌ অন্য কিছুমানে বহাগ বিহুৰ পোন্ধৰ বিশ দিনৰ পাছত এই বহুৱা পাতে।

**খাদ্যাভাস ঃ** সোণোৱাল কছাৰীসকলৰ প্ৰধান খাদ্য ভাত। ভাতৰ উপৰিও বিভিন্ন ব্যঞ্জনৰ বাবে বাৰীত উৎপাদিত শাক-পাচলিৰ উপৰিও হাবি বননিৰ পৰাও বিভিন্ন খাদ্যবস্তু সংগ্ৰহ কৰে। ভাপত দিয়া চেৰা দিয়া বৰা ভাত, বাঁহৰ গাজ, জুইত শুকোৱা মাছ, খুন্দি গুড়ি কৰি বাঁহৰ চুঙাত থৈ কৰা শুকান মাছৰ শুকতি, কুমলীয়া বাঁহৰ চোঙাত সিজোৱা বৰা চাউল, মাটি মাহৰ জাৰৰি পুৰি তৈয়াৰ কৰা খাৰ, ভীম বা আঠিয়া কলৰ



পৰা প্ৰস্তুত কৰা খাৰৰ আঞ্জা, এড়ি মুগাৰ লেতা সিজোৱা ইত্যাদি।

**বাদ্যযন্ত্ৰ ঃ** বিভিন্ন গীতৰ লগত সংগত কৰি বিভিন্ন বাদ্যযন্ত্ৰ উৎসৱ-অনুষ্ঠানত পৰিবেশন কৰা হয়- ঢোল, পেঁপা, গগণা, টোকাৰী, সৰু বৰ তাল খোল মৃদংগ, ঘণ্টা আদি।

**জন্ম-মৃত্যু ঃ** জন্মৰ ক্ষেত্ৰত কেঁচুৱা জন্মৰ পাছত চুৱা হিচাপে অভিহিত কৰি ল'ৰা-সন্তান হ'লে কুৰি দিনত ছোৱালী সন্তানৰ এমাহত সুচি হোৱা নিয়ম। মৃত্যুৰ ক্ষেত্ৰত মৃতক শৰণ লোৱা লোক হলে শৱ দাহ কৰা হয় আৰু কম বয়সীয়া লোক হ'লে পুতি থয়। শৱ চাঙিত তোলাৰ লগে লগে পুৰুষৰ ক্ষেত্ৰত মৃতকৰ লগত এখন দা, এটা বাতি, মহিলা হ'লে এখন কাচি দিয়াৰ নিয়ম। শ্ৰাদ্ধনুষ্ঠান সাধাৰণতে তিনি দিনৰ দিনা তিলনী, দহ দিনৰ দিনা দহা আৰু এমাহত কাজ কৰা হয়।

**মিচিং ঃ**

মৰাণ অঞ্চলত বসবাস কৰা অন্য এটা জনগোষ্ঠী হল মিচিং। ভাষাতাত্বিক দৃষ্টিকোণৰ পৰা মিচিংসকল তিব্বত বৰ্মীৰ উত্তৰ অসম শাখাৰ অন্তৰ্গত। নদীকেন্দ্ৰীক এই মিচিংসকল মৰাণৰ বিভিন্ন স্থানতো সিঁচৰতি হৈ আছে। তেওঁলোক ব্যৱসায় বাণিজ্যৰ পৰা আৰম্ভ কৰি চাকৰিজীৱি হিচাপে মৰাণৰ সেউজপুৰ, খুমটাই, মিলিজুলি পাম, চিনাকী পথ, অইল ইণ্ডিয়া, বাণীখুটি, চকলীয়া, দেউঘৰীয়া, ৰামনগৰ আদি স্থানবোৰত বসতি কৰি আছে।

সাংস্কৃতিক জীৱন অন্বেষণত মিচিংসকল চহকী। সেই অনুক্ৰমে তেওঁলোকৰ নিজস্ব উৎসৱ-পাৰ্বণ, লোকবাদ্য, সাজপাৰ, আ-অলংকাৰ, খাদ্যাভাস, জন্ম-মৃত্যু আদি সকলোবোৰ নিজস্বভাবে পালন কৰে।

**উৎসৱ পাৰ্বন ঃ** মিচিংসকলে কৃষিভিত্তিকভাবে আলি-আয়াই-লৃগাং, আলৌ উয়ু, পঃৰাগ পালন কৰে। তদুপৰি বিভিন্ন বেমাৰ-আজাৰৰ পৰা উপশম পোৱাৰ মানসেৰে দাবুৰ, আচি উয়, বুমৰাংযু আদি পালন কৰে।

**লোকবাদ্য ঃ** লোকবাদ্যৰ ক্ষেত্ৰত মিচিংসকলে প্ৰধানত মুখেৰে আৰু হাতেৰে বজোৱা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। ইয়াৰে মুখেৰে বজোৱা বাদ্যৰ ক্ষেত্ৰত ঔজুপ তাপুং, দীৰকিঃ তাপুং তাপুং তুঃগত তাপুং তুমৰ তাপুং পুমচু তাপুং আদিয়ে প্ৰধান। হাতেৰে বজোৱা বাদ্যৰ ক্ষেত্ৰত দুমদুম (ঢোল) লীঃ নং মাৰবাং (বৰকাঁহ), দেনদুন (টোকাৰী), বুঃ বুং ইত্যাদি।

**সাজপাৰ ঃ** মিচিংসকলে সাজপাৰ তৈয়াৰ কৰি নিজস্বশৈলীৰে পৰিধান কৰে। এনে সাজ-পাৰবোৰ হ'ল গেৰ একে, ৰিবি গাচেং (বুকুৰ মেথনি) উগল (ধূতি), গাপা গালোক (চোলা) আদি।

**আ-অলংকাৰ ঃ** আ-অলংকাৰৰ ক্ষেত্ৰত সোণ, ৰূপ, তাম আদি ধাতুৰ পদাৰ্থৰ বাহিৰেও তেওঁলোকৰ নিজস্ব কিছুমান অলংকাৰ আছে- দগণে, তাগ পিচিকি, গাম-খাৰু, কংগে আনচালমৰা, কৰদনি, গলপতা, কেণ্টু, চন্দ্ৰৰতাৰ, ইকলি, তাকপাৰ, পোৱাল, নিঃতগ আদি। ইয়াৰে মণি মুক্তাজাতীয় তাদগ্-দগনে বৰ্তমান দুস্প্ৰাপ্য।

**খাদ্যাভাস ঃ** ভাত প্ৰধান আহাৰ হিচাপে গণ্য কৰা লগতে মদ, মাংস সকলো সময়তে প্ৰয়োজনীয় খাদ্য তদুপৰি শুকান মাছ বা মাংস, নামচিং (শুকতি) আমৃন অয়ুং (চাউলৰ খুদেৰে ৰন্ধা আঞ্জা) ৰাঃচৰ বা লাঃচৰ (সিদ্ধ শাক), হাঁহ আৰু বেতৰ গাঁজ তাঃপাৰ (কাঠফুলা) ধাঃ নাম (পাৰা পামলাৰ) আদি।

**জন্ম-মৃত্যু ঃ** জীৱনবৃত্তৰ লগত জড়িত জন্ম আৰু মৃত্যুৰ ক্ষেত্ৰত নিৰ্দিষ্ট কিছুমান নিয়ম পালন কৰে। কেঁচুৱা জন্ম পৰিঘটনাক অশুচি হিচাপে জ্ঞান কৰি এটা আচুতীয়া কোঠাত মহিলাগৰাকী ৰখা হয়। কেঁচুৱা জন্মৰ লগে লগে প্ৰসুতিগৰাকীক কুকুৰা মাৰি মালকাঠি বিহলঙনী আৰু জালুকেৰে পঃৰ আপগুৰ লগত প্ৰসুতিৰ জাল (আয়দনাম) দিয়া হয়। ইয়াৰ পাছত কন্যা সন্তান জন্ম হ'লে অযুগ্ম দিন আৰু ল'ৰা সন্তানৰ যুগ্ম সংখ্যাত বাজ ওলোৱা হয়। ইয়াৰ পাছত নামকৰণ প্ৰথা আয়োজন কৰে।

মৃত্যুৰ ক্ষেত্ৰত এজন ব্যক্তি মৃত হিচাপে ঘোষিত হোৱাৰ লগে লগে সকলো ব্যক্তিক জনাবৰ বাবে এটা ঢোল বা বৰকাঁহ কোবাই। গাঁৱৰ সকলো লোক গোটখাই মৃতকক গা-পা ধুৱাই নতুন কাপোৰ পিন্ধাই গাত খান্দি পোতে। সেই মৃতকৰ পোতা স্থানৰ কাষে কাষে তেওঁৰ ব্যৱহৃত সামগ্ৰীবোৰ থৈ আহে। ইয়াৰ পাছত পৰিয়ালৰ সুবিধা অনুসৰি (দদ্গা) আদ্যশ্ৰাদ্ধ পাতে।

**নেপালী ঃ**

মৰাণ অঞ্চলৰ অন্যান্য জাতি-জনগোষ্ঠীৰ দৰেই নেপালীসকল অন্যতম। নেপালী জনগোষ্ঠীৰ অন্তৰ্গত লোকসকলৰ প্ৰধানভাৱে ইন্দো-আৰ্য, তিৰ্ব্বত-মঙ্গোলীয় আৰু আৰ্য-মঙ্গোলীয় নামেৰে তিনিটা ভাগত ভাগ কৰিছে। এই প্ৰত্যেক ভাগৰে লোক মৰাণ অঞ্চলত সিঁচৰতি হৈ আছে। মৰাণৰ আশে-পাশে আহোম পথাৰ, পিয়লি নগৰ, মৰাণহাট, জ্যোতিপুৰ, ঝলম, ৰছীপথাৰ, বাজীপথুমৰা, সজোৱা বাগিছা আদি স্থানবোৰত সৰ্বাধিক পৰিমাণে নেপালী জনগোষ্ঠীৰ লোক পৰিব্যপ্ত হৈ আছে।

নেপালী জনগোষ্ঠীৰ সংস্কৃতি এক আদৰ্শবান ক্ৰিয়াকলাপ আৰু সভ্যতা-সংস্কৃতিৰে পূৰ্ণ সংস্কৃতি। স্থান কাল আৰু পৰিস্থিতি সাপেক্ষে অসমত বসবাস কৰা নেপালীসকলৰ সংস্কৃতি পৰিবৰ্তিত আৰু পৰিবৰ্দ্ধিত হৈ অসমৰ সংস্কৃতিৰ লগত মিলি গৈছে। ইয়াৰে সাংস্কৃতিক দিশত নেপালীসকলে নিজস্বভাৱে লোকগীত, লোকবাদ্য, লোকনৃত্য, আ-অলংকাৰ, সাজপাৰ, খাদ্যাভাস, উৎসৱ-পাৰ্বন আদি পালন কৰি আহিছে।



এই স্বকীয় বৈশিষ্ট্যসম্বলীত দিশসমূহে জাতিটোৰ প্ৰকৃত চবিখন দাঙি ধৰিছে।

**লোকগীত ঃ** নেপালীসকলৰ লোকগীতক 'ঝাউৰে' বুলি অভিহিত কৰা হয়। বিভিন্ন সময় ঋতু, উৎসৱ, পূজা-পাৰ্বন আদি বিভিন্ন ধৰণৰ লোকগীতত নিৰ্দিষ্ট বিষয়বস্তু আৰু উদ্দেশ্য অন্তনিৰ্হিত হৈ থাকে। সেই লোকগীতবোৰ হ'ল- ৰচিয়া গীত, মাংসিৰে, ফাৱৰ গীত, দাইগীত, মাঁগল, ৰতেউলী, মিলোক, তীজকো, সাঁগিনী, ভইলীগীত, দেউসীগীত, ফাও ইত্যাদি।

**লোকবাদ্য ঃ** বিভিন্ন সময়ত উৎসৱ, অনুষ্ঠান, পূজা পালন, বিবাহ অনুষ্ঠান আদিৰ লগত সংগতি কৰি পৰিবেশন কৰে। সেই লোকবাদ্য হ'ল মাদল, চহনাই, পাঞ্চবাজা, বাচুৰি, চাৰংগী, মুৰুলী, নৌমতীবাজা, ডম্মু, নৰসিংহ কৰ্ণৰ আদিয়ে প্ৰধান। বিবাহ অনুষ্ঠানত পঞ্চবাজাৰ ব্যৱহাৰ অপৰিহাৰ্য।

**লোকনৃত্য ঃ** নেপালীসকলৰ লোকনৃত্যৰ ধাৰাত চহকী। বিভিন্ন উৎসৱ অনুষ্ঠানৰ লগত সংগতি কৰি লোকনৃত্য পৰিবেশন কৰে। সেই লোকনৃত্যবোৰ হ'ল-দেউসী, ভৈইলী, মাৰুনী, সংগিনী, খুকুৰী নৃত্য, ঝাউৰে নৃত্য, তামং, চ্যাবুংনাচ।

**সাজপাৰ ঃ** সাজপাৰৰ ক্ষেত্ৰত নেপালী জনগোষ্ঠীয়ে যদিও বিভিন্ন সময়ত বেলেগ বেলেগ সাজ পৰিধান কৰে তথাপি নিজস্ব উৎসৱ অনুষ্ঠান, পূজা-পাতল, বিবাহ আদিবোৰ ক্ষেত্ৰত জাতীয় সাজপাৰ পিন্ধে। পুৰুষসকলৰ দৌৱা (দীঘল হাত থকা চোলা) চুৰুৱাল (কঁকালৰ পৰা ভৰিৰ সৰু গাঠিৰৈলেকে পৰা চোলা) জহৰ কট (হাফ্ চুৰেটাৰৰ দৰে দুডাল ফিটা বন্ধা চোলা) ট'পি (ত্ৰিভূজ আকৃতিৰ টুপি) আদিয়ে প্ৰধান।

নাৰীৰ ক্ষেত্ৰত গুণিত (শাড়ী) চৌবন্ধী চলো (ঢাকা কাপোৰ দ্বাৰা তৈয়াৰী চাৰিওটা চুক চাৰিটা ফিতাৰে বান্ধি দিয়া চোলা, মজেএ' (তিৰোতাসকলৰ গাত লোৱা কাপোৰ) ঘলেক (বুকুৰ অংশ ঢকা মেঠনি সদৃশ কাপোৰ), পটুকা (ককালৰ টঙালি)।

**আ-অলংকাৰ ঃ** আ-অলংকাৰে নেপালী জাতিৰ সংস্কৃতিৰ প্ৰকৃত পৰিচয় দিয়ে। এই অলংকাৰৰ ক্ষেত্ৰত শিৰফুল, তৰাফুল, কাণফুলি চুংগ্ৰী, বুলাৰী প'তে, কল্লী আদিয়ে প্ৰধান।

**খাদ্যাভাস ঃ** নেপালী জনগোষ্ঠীৰ খাদ্যই জাতিটোৰ প্ৰকৃত পৰিচয় দিয়ে। সেই খাদ্যৰ ক্ষেত্ৰত চেলৰুটি, গুন্দৰোক বা চিনকি চামৰে ভাত, তিলৰ আচাৰ আদিয়ে প্ৰধান।

**উৎসৱ-পাৰ্বন ঃ** নেপালী জাতিয়ে বিভিন্ন সময়ত পালন কৰা উৎসৱ পাৰ্বনবোৰে জাতিটোৰ জীৱনবোধ, ঐতিহ্য চেতনা, শিল্প চেতনা আৰু সৌন্দৰ্যবোধ প্ৰতিফলন ঘটায়। এওঁলোকৰ উৎসৱ-পাৰ্বনবোৰ আলোচনাৰ সুবিধাৰ্থে কৃষিভিত্তিক ঋতুকালীন পঞ্জিকা আশ্ৰয়ী, ধৰ্মীয় উৎসৱ নামেৰে ভাগ কৰি ইয়াৰে কৃষিভিত্তিকৰ

ক্ষেত্ৰত তিহাৰ আযাৰেপন্দ্ৰ নুৱাগী, গৈডু পূজা, পঞ্জিকা আশ্ৰয়ী উৎসৱৰ ক্ষেত্ৰত ঠুলী একাদশী, কুশে ঔসী, চণ্ডী পূৰ্ণিমা, বাল-চতুদ্দৰ্শী, নাগ পঞ্চমী আৰু ধৰ্মীয় উৎসৱৰ ক্ষেত্ৰত তীজ, ৰাম-নৱমী, ঋষি-পঞ্চমী, স্বস্থানী পূজা, সনসাৰী পূজা আদিয়ে স্থান লাভ কৰে।

এনেদৰে মৰাণ হ'ল বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ত সৃষ্ট বাৰেৰহনীয়া সংস্কৃতিৰ আবাহস্থলি। যি কাৰণতে প্ৰব্ৰজিত নহওঁক লাগিলে মৰাণত বাস কৰা আলোচিত প্ৰত্যেকটো জাতিয়ে সাংস্কৃতিক দিশত চহকী। সময়ৰ দূবাৰ গতিত অনান্য জাতিৰ সাংস্কৃতিক সমাহৰণৰ ফলশ্ৰুতিত প্ৰকৃত সাংস্কৃতিক অস্তিত্ব বহু সময়ত সংমিশ্ৰিত ৰূপ লাভ কৰা যেন বোধ হ'লেও প্ৰত্যেক জনগোষ্ঠীয়ে প্ৰয়োজন সপেক্ষে নিজস্ব সাংস্কৃতিক ধাৰাটোক চিৰপ্ৰবাহমান ৰূপত উদ্বেলিত কৰি তুলিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। অসমৰ জনগোষ্ঠী এটি পৰিচয় ঃ বসন্ত কুমাৰ দলে

২। অসমৰ নেপালী জনগোষ্ঠীৰ উৎসৱ পাৰ্বণ ঃ (এম ফিল ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণাগ্ৰন্থ) ঃ জয়া কলিতা

৩। এনাজৰী (চুতীয়া জনগোষ্ঠীৰ বিশেষ সংখ্যা) সম্পাদক ঃ অজিত চুতীয়া

৪। এনাজৰী (মিচিং জনগোষ্ঠীৰ বিশেষ সংখ্যা) সম্পাদক ঃ শোভিত কুমাৰ ছেত্ৰী

৫। জনজাতি সমাজ সংস্কৃতি ঃ সম্পাদক ঃ পদ্ম পাটৰ।

❖❖



# মৰাণহাটৰ শঙ্কৰী সংস্কৃতিৰ চৰ্চাত দৃষ্টিপাত

লক্ষী চুতীয়া
অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক
মৰাণ মহাবিদ্যালয়

মহাপুৰুষ দুজনাৰ মহান অৱদানসমূহেৰে অসমীয়া জাতীয় জীৱন সমৃদ্ধ। দুয়োজনাৰে প্ৰচাৰিত ধৰ্ম, জীৱন-দৰ্শন, কাৰ্যাৱলী তথা মহা মূল্যৱান সৃষ্টিসমূহ তেৰাসৱৰ তিৰোভাৱৰ ৫৫৯ বছৰৰ পিছতো চিৰশাশ্বতৰূপে চিৰবিনন্দীয়া হৈ শদিয়াৰ পৰা ধুবুৰীলৈকে বৰলুইতৰ দৰেই চিৰপ্ৰৱাহমান হৈ আছে। মানৱ অন্তৰত সংগীতৰ অফুৰন্ত প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি ধৰ্মৰ বাণী প্ৰচাৰত গুৰু দুজনাই সংগীত শাস্ত্ৰসন্মত ৰাগ-ৰাগিণীৰ আলমত সুৰ-সঞ্চাৰ উদ্ভাৱনেৰে তেৰাসৱৰ সৃষ্টিসমূহক নিৰ্দিষ্টৰূপত বান্ধি থৈ গৈছে। নিত্য নৈমিত্তিক প্ৰসঙ্গ, বৰগীত, অঙ্কীয়া ভাওনা, নৃত্য-গীত-বাদ্য আদিৰ লগতে কীৰ্ত্তন-ঘোষাৰ বিভিন্ন ছন্দৰ বিভিন্ন সুৰ-ৰাগ সম্বলিত ৰূপত তেৰাসৱে আমাক দি থৈ গৈছে।

মৰাণহাটৰ শংকৰী সংস্কৃতিৰ প্ৰবাহিত স্থিতি আৰু চৰ্চাৰ এয়া কোনো ইতিহাস নহয়। যিহেতুকে এই সম্পৰ্কত কোনো লেখা বা সম্বল বিচাৰি পাবলৈ নাই, সেয়েহে মৰাণহাটৰ একেবাৰে নিকটৱৰ্তী গাঁওসমূহত আমি ল'ৰালি কালৰে পৰা দেখি-শুনি অহা ১৯৫০ চনৰ পাছৰ এয়া এক চাক্ষুষ বিৱৰণহে মাত্ৰ। ইয়াত সন্নিৱিষ্ট কৰা কথাবোৰ আমি জনা আৰু আনৰ পৰাও সংগ্ৰহ কৰা তথ্যৰ ভিত্তিতহে লিপিবদ্ধ কৰিবলৈ যত্ন কৰা হৈছে। অন্যহাতে শংকৰী সংস্কৃতিৰ পৰিধি বৰ বিশাল। সেয়েহে সকলো বিষয় নাসামৰি তলত উল্লেখ কৰা বিষয়কেইটিকে আমাৰ লেখাত সন্নিৱিষ্ট কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**নাম-প্ৰসঙ্গ ঃ**

শ্ৰীমন্ত শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্ম প্ৰৱৰ্তন কৰি অতি বৈশিষ্ট্যপূৰ্ণ ঈশ্বৰ উপাসনাৰ পদ্ধতিও সমাজক দি থৈ গৈছে। গুৰুজনাৰ এই উপাসনা প্ৰণালী সাংস্কৃতিক সমাৱেশেৰে পৰিপূৰ্ণ সুৰ, তাল-মান-লয়যুক্ত নীতি-নিয়মেৰে বন্ধা এক ভক্তিপূৰ্ণ আধ্যাত্মিক অনুষ্ঠান। সময় অনুসাৰে প্ৰাতঃপ্ৰসঙ্গ আৰু দুপৰৰ বা ডেৰপৰৰ প্ৰসঙ্গ, বিয়লিৰ প্ৰসঙ্গ আৰু সন্ধ্যা প্ৰসঙ্গ নামে অভিহিত এই উপাসনা পদ্ধতি অতি সাত্বিকতাৰে একান্তচিত্তে ভগৱন্তৰ চৰণত আত্মনিয়োগ কৰি গুৰুস্মৰণ, বৰগীত, ভটিমা, কৃষ্ণ ডেকা, ঘোষণী ঘোষা, দিহা ঘোষা, কীৰ্ত্তন, অপৰাধ মাৰ্জ্জনাৰ ঘোষা, হৰিধ্বনি, উপদেশ প্ৰভূতি কাৰ্যক্ৰম অনুসৰি সমাপন কৰাৰ নিয়ম। সন্ধ্যা প্ৰসঙ্গৰ বেলিকা গুৰু ভতিমা, দেৱ ভটিমা, গুণমালা, টোটয়, চপয়, লীলামালা আদিৰ সংযোগ ঘটিব। নামাচাৰ্য বা মেধিৰ বিভিন্ন ৰাগৰ বৰগীত, ভটিমা, ঘোষা-কীৰ্ত্তন প্ৰভূতি নিৰ্দেশিত বিষয়বস্তু, সলসলীয়াকৈ কণ্ঠগত হ'ব লাগিব। দেখাতেই কাৰ্যভাগি অতিশয় কঠিন। তৎসত্বেও এনেহেন তাৎপৰ্যপূৰ্ণ নাম-প্ৰসঙ্গ সেই তাহানি কালৰে পৰা মৰাণ অঞ্চলৰ অনাখৰী মেধি বা নামাচাৰ্যসকলেও উল্লিখিত বিষয়বস্তুসমূহ কণ্ঠস্থ কৰি অতি সাত্বিকতাৰে সুললিত সুৰেৰে নাম-প্ৰসঙ্গ ভগৱন্তৰ চৰণত নিবেদন কৰি আহিছে। প্ৰায় প্ৰতিখন গাঁৱতেই একো একোজন মেধি আছিল বুলি ক'ব লাগিব, যিজনাই ভকতৰ সহযোগত নাম-প্ৰসঙ্গৰ সুৰৰ মূৰ্ছনা তুলি এক গভীৰ আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰি সমাজক ভগৱন্তমুখী কৰি তুলিছিল।

**কীৰ্ত্তন-ঘোষাৰ পাঠ আৰু সুৰ ঃ**

মৰাণ অঞ্চলৰ গাঁওসমূহতো অতীত কালৰে পৰাই ঘোষা-কীৰ্ত্তনৰ সুৰ পৰম্পৰাগতভাৱে লোকমুখে চৰ্চিত হৈ আহিছে। সাধাৰণতে নামঘৰ, শ্ৰাদ্ধ, ব্যক্তিগতভাৱে আয়োজিত নাম-কীৰ্ত্তন অনুষ্ঠান আদিয়েই কীৰ্ত্তন পাঠ আৰু চৰ্চাৰ স্থলী যদিও কেতিয়াবা দুই-এজন অথবা ততোধিক লোক লগ লাগি কীৰ্ত্তন পাঠ কৰা হয়। গাঁওসমূহৰ বহুতো বয়োজ্যেষ্ঠ লোকৰ পৰা জানিব পাৰিছিলো যে, কীৰ্ত্তনৰ সুৰো ৰাগ সম্বলিত। আমি নীৰৱে লক্ষ্য কৰিছিলো যে, কীৰ্ত্তন-ঘোষা পুথিৰ আৰম্ভণী শ্লোকৰে পৰা শেষ অধ্যায়লৈকে, ঘোষা, পদ, দুলড়ি, ছবি, লেচাৰী আদি ছন্দৰ কিছুমান নিৰ্দিষ্ট সুৰে কীৰ্ত্তন পাঠ অতি ভক্তিৰসসিক্ত মহীয়ান অনুষ্ঠানৰূপে জন-সমাজৰ হৃদয়ত স্থিতিমান হৈ আছে। প্ৰহৰ অনুযায়ী সুৰো সলনি হয়। কীৰ্ত্তন-ঘোষাত দশম, ভাগৱত শাস্ত্ৰাদিৰ এই সুৰবোৰ জনা লোক প্ৰতিখন গাঁৱতেই আছিল যদিও একোটা ছন্দৰে ইটোৰ পিছত সিটো সুৰ প্ৰয়োগ কৰি সলসলনিকৈ সাঁচিপতীয়া কীৰ্ত্তন পুথি গাব জনা আৰু কীৰ্ত্তন পাঠত অগাধ দখল থকা লোক অতি কমেই আছিল। কীৰ্ত্তন গাই শ্ৰোতা ভক্তক বিমুগ্ধ



কৰা মৰাণহাটৰ এইসকল ব্যক্তিৰ নাম উল্লেখযোগ্য। এখেতসকল হৈছে মৰাণহাটৰ প্ৰয়াত থূলেশ্বৰ গোস্বামী, স্বৰ্গীয় প্ৰেমানন্দ বৰুৱা, স্বৰ্গীয় লক্ষেশ্বৰ হাতীবৰুৱা, সৰ্বেশ্বৰ চুতীয়া, স্বৰ্গীয় ভদ্ৰেশ্ব শৰ্মা, ডোমৰ দলং গাঁৱৰ স্বৰ্গীয় পৃথু মেধি, ফটিকাছোৱা গাঁৱৰ স্বৰ্গীয় ধন পাঠেকী (চুতীয়া), স্বৰ্গীয় কাশীৰাম গগৈ, নলনী গাঁৱৰ শ্ৰীধৰ্মকান্ত শইকীয়া, লনলীবাম গাঁৱৰ স্বৰ্গীয় তিলেশ্বৰ চুতীয়া, মাজপথাৰ গাঁৱৰ স্বৰ্গীয় শশী নেওগ, শ'লমাৰী গাঁৱৰ প্ৰয়াত সোণাৰাম চুতীয়া, প্ৰয়াত তীৰ্থ চুতীয়া, কচুমাৰী সুন্দৰপুৰ গাঁৱৰ স্বৰ্গীয় সোমেশ্বৰ দত্ত, খোকামৰা গাঁৱৰ স্বৰ্গীয় তনুৰাম বৰা, বলোৰাম বৰা, মাণিক দত্ত আৰু মিনাৰাম হাজৰিকা।

**বৰগীত ঃ**

দুজনা গুৰুৰ এক অনবদ্য সৃষ্টি বৰগীত। শাস্ত্ৰসন্মত ৰাগ-ৰাগিনি আৰু বিভিন্ন জটিল তাল-মানেৰে সমৃদ্ধ এই বৰগীতসমূহ পৰিবেশন কৰা বৰ সহজ কাম নহয়। সকৰে পৰাই বৰগীত গোৱা আমি খুউব কমেইহে শুনিছো। আচলতে তেতিয়া মৰাণত বৰগীতৰ চৰ্চা নাছিল বুলিয়েই ক'ব লাগিব আৰু যদি কোনোবাই কৰিছিল সেয়া আমাৰ অজ্ঞাত। নৈমিত্তিক প্ৰসঙ্গ, নাম-প্ৰসঙ্গ আদিত গোৱাৰ নিয়ম। সেয়েহে নাম-প্ৰসঙ্গসমূহত এটি নিৰ্দিষ্ট সুৰতেই মেধিসকলে পৰম্পৰাগতভাৱে বৰগীত গোৱা আমি শুনি আহিছিলো। কেতিয়াবা কেতিয়াবা কাউৰীয়ে কা নৌ কৰোতেই বিছনাতে 'উঠৰে উঠ বাপ গোবিন্দ' আদি পুৱাৰ বৰগীত জনা-নজনাকৈ গোৱা আমাৰ শুনিবৰ পৰম সৌভাগ্য হৈছিল। লাহে লাহে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছত আৰু ঘৰে ঘৰে ৰেডিঅ' সহজলভ্য হোৱাত অনাতাঁৰযোগে প্ৰচাৰিত বৰগীতসমূহ অতি কমসংখ্যক লোক তথা ছাত্ৰ-ছাত্ৰীয়ে পৰিবেশন কৰা আমি দেখি আহিছিলো।

জাঁজীৰ শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ এটি পৰিয়াল আহি মৰাণৰ নিকটৱৰ্তী ৰাঙলীত আজি বহু বছৰৰ আগতে বসতি স্থাপন কৰিলেহি। শংকৰী সংস্কৃতিৰ প্ৰসাৰত এই পৰিয়ালটিৰ অৱদান উল্লেখনীয়ই নহয় অনস্বীকাৰ্যও। এই পৰিয়ালৰে ৰাম মহন্ত আৰু শ্ৰীমতী জ্যোৎস্না মহন্তই মৰাণহাটত বৰগীত, অংকীয়া ভাওনা, ৰাসলীলা আদি গুৰুজনাৰ অমূল্য সৃষ্টিসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি এই অনুষ্ঠানসমূহ অনুষ্ঠিত কৰাত বিশেষভাৱে অৰিহণা যোগোৱাৰ কথা নিশ্চয় সকলোৱে স্বীকাৰ কৰিব। সুমধুৰ কণ্ঠৰ অধিকাৰী শ্ৰীমতী মহন্তৰ বৰগীত পৰিবেশনে শ্ৰোতা মণ্ডলীক বিমুগ্ধ কৰাৰ লগতে অংকীয়া নাট আৰু ৰাসলীলাৰ শ্ৰুতিমধুৰ গীতসমূহ আমাক আয়ত্তাধীন কৰোৱাই অনুষ্ঠানসমূহৰ সফল ৰূপায়ণত পাহৰিব নোৱাৰা অৱদান আগবঢ়াই গৈছে।

মহাপুৰুষ দুজনাৰ এই মহান অৱদানসমূহৰ চৰ্চা আৰু বিকাশ সাধনত

মৰাণহাটৰ মিলিত শিল্পী সমাজৰ অৱদান অপৰিসীম। থলুৱা লোক-সংস্কৃতিৰ লগতে নাটক, ভাওনা, ৰাসলীলাকে প্ৰমুখ্য কৰি গুৰুজনাৰ সৃষ্ট নৃত্যশৈলীসমূহৰ চিন্তা-চৰ্চা তথা প্ৰচাৰ আৰু প্ৰসাৰতাৰ লগতে সাহিত্য-সংস্কৃতিৰো উন্নতিকল্পে মনোনিবেশ কৰি যথাসাধ্য অৰিহণা যোগাবলৈ মিলিত শিল্পী সমাজে অহোপুৰুষাৰ্থ কৰি আহিছে। মিলিত শিল্পী সমাজৰ প্ৰচেষ্টাতেই শংকৰী কৃষ্টিৰ নৃত্য-গীত-বাদ্যৰ শিক্ষা প্ৰদানৰ উদ্দেশ্যে 'সংগীত সত্ৰ' নামেৰে এখনি বিদ্যালয় ১৯৮৬ চনৰ পৰা মৰাণহাটত গঢ়ি উঠিছে। এই বিদ্যালয় আৰম্ভ হোৱাৰ পৰাহে মৰাণহাটত শুদ্ধৰূপত প্ৰণালীবদ্ধভাৱে ৰাগ সম্বলিত বৰগীতৰ শিক্ষা আৰম্ভ হয় বুলি ক'ব লাগিব। এই ক্ষেত্ৰত তিতাবৰস্থিত পুৰণি কমলাবাৰী সত্ৰৰ শ্ৰীভোলা ভূঞা, শ্ৰীনীৰেন বৰগায়ন, শ্ৰীৰমেন নেওগ আৰু উত্তৰ কমলাবাৰী সত্ৰৰ শ্ৰীনৰহৰি শইকীয়াৰ নাম উল্লেখযোগ্য। এইসকল শিক্ষকৰ প্ৰচেষ্টাতেই 'সংগীত সত্ৰ' গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত আৰু ইয়াৰ পাঁচবছৰীয়া পাঠ্যক্ৰম অনুযায়ী মিলিত শিল্পী সমাজৰ উপৰিউক্ত বিদ্যালয়ৰ পৰা বৰগীতত শিক্ষা আহৰণ কৰি পোনপ্ৰথমতে বন্দনা শৰ্মা, ইন্দ্ৰাণী বৰগোহাঁই, জয়ালক্ষ্মী দত্ত দুৱৰা, অৰুণিমা দত্ত আৰু লিপি বৰুৱাই গায়ন গুণীন উপাধিৰে বিভূষিত হৈ মৰাণহাটত আনুষ্ঠানিক বৰগীত চৰ্চাৰ বাট মুকলি কৰিলে। ফলস্বৰূপে বৰগীতৰ শিক্ষা নিৰৱচ্ছিন্নভাৱে অদ্যাপিও অব্যাহত আছে। অতিশয় আনন্দমিহলি আশাব্যঞ্জক কথা যে, ইতিমধ্যে ভাৰত চৰকাৰৰ পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ পূব-মাগুলিক সাংস্কৃতিক কেন্দ্ৰৰ আমন্ত্ৰণক্ৰমে সুৰভি চুতীয়াই সুদূৰ কলকাতাৰ শান্তি নিকেতনৰ সৃজনী আৰু চল্ট্ লেকৰ প্ৰেক্ষাগৃহত বৰগীত পৰিবেশন কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰাৰ লগতে মৰাণৰ সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

**গায়ন-বায়ন ঃ**

গায়ন-বায়ন অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অঙ্গ। অসমৰ সঙ্গীত জগতত ইয়াৰ এক সুকীয়া মৰ্যাদা আছে। দেৱবাদ্য বুলি খ্যাত খোল বাদ্যৰ গায়ন-বায়নেই হওক বা মৃদঙ্গ বাদ্যৰ গায়ন-বায়নেই হওক ইয়াৰ সাঙ্গীতিক ধ্বনি-প্ৰতিধ্বনিয়ে মানুহৰ মনত এক সৰগীয় ভাৱৰ উদ্ৰেক কৰে। ক্ষণিকৰ বাবে হ'লেও মানুহৰ হৃদয় নিমজ্জিত হয় এক বৈৰাগ্যমিশ্ৰিত ভাবত। সেয়েহে বোধ হয় আদ্যশ্ৰাদ্ধত গায়ন-বায়নৰ ঘাত পৰাৰ লগে লগেই পৰিয়ালবৰ্গৰ মাজত ক্ৰন্দনৰ ৰোল উঠে অথবা শোকে খুন্দা মাৰি ধৰে। ক্ষণিকৰ বাবে হ'লেও ক'ব নোৱাৰাকৈয়ে মানুহক ভবাই তোলে ক্ষণভঙ্গুৰ মানৱী জীৱনৰ কথা। এয়ে গায়ন-বায়নৰ মাহাত্ম্য। নামঘৰ, ভাওনা, বিয়া-সবাহ আদিত গায়ন-বায়ন নিতান্তই অপৰিহাৰ্য। পৰম্পৰাগতভাৱেই ইয়াৰ চৰ্চা অসমীয়া সমাজত চলি আহিছে তাহানিৰে পৰা। মৰাণহাটতো গায়ন-বায়নৰ চৰ্চা অতীতৰে পৰা চলি আহিছে। খুলীয়া গায়ন-বায়নৰ ক্ষেত্ৰত এইকেইটা যোৱাৰ অৱদান অতি উল্লেখনীয়। স্বৰ্গীয় চক্ৰধৰ বায়নে শিকোৱা হেলা গাঁৱৰ দল, আমগুৰিৰ স্বৰ্গীয় সোণাৰাম শৰ্মাই শিকোৱা ডোমৰ দলং গাঁৱৰ দল, লেটুগ্ৰাম সত্ৰৰ স্বৰ্গীয় ভদ্ৰকান্ত মহন্তই শিকোৱা হেলা গাঁৱৰ দল, স্বৰ্গীয় তনুৰাম বৰা আৰু স্বৰ্গীয় বলোৰাম বৰাই শিকোৱা সুন্দৰপুৰ গাঁৱৰ দল, ৰাঙলীৰ জৰাবাৰী সত্ৰৰ দল, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মৰাণ আঞ্চলিক দল, বটামৰা শ্ৰীনগেন দত্তৰ বায়নৰ দল, ফটিকাছোৱা গাঁৱৰ দলৰ লগতে খুলীয়া গায়ন-বায়ন দলৰ এইসকল বায়নৰ নাম উল্লেখযোগ্য- ফটিকাছোৱা গাঁৱৰ শ্ৰীহাকেন গগৈ, দলপা গাঁৱৰ শ্ৰীমাণিক বৰা, ডোমৰ দলং গাঁৱৰ শ্ৰীখগেন চুতীয়া, স্বৰ্গীয় বিমলা চুতীয়া, হেলা গাঁৱৰ শ্ৰীকুলধৰ চুতীয়া, শ'লমাৰী গাঁৱৰ শ্ৰীমুহি চুতীয়া গাঁওবুঢ়া।



মৃদঙ্গীয়া গায়ন-বায়ন দলৰ এইসকল বায়নৰ অৱদান উল্লেখযোগ্য- কচুমাৰীৰ স্বৰ্গীয় মুকুতা খনিকৰ, লোকুমাই গাঁৱৰ স্বৰ্গীয় নন্দ গাঁওবুঢ়া, ৰাইদঙ্গীয়া গাঁৱৰ স্বৰ্গীয় দুৰ্গা চুতীয়া, বৰডবা মাউত গাঁৱৰ স্বৰ্গীয় মোলনকান্ত বৰুৱা আৰু প্ৰয়াত বিহুৱা গগৈ, মৰাণ চাংমাই গাঁৱৰ স্বৰ্গীয় লিক্‌লাই চাংমাই, দিখাৰী আহোম গাঁৱৰ প্ৰয়াত থুল গগৈ, শ'লমাৰী গাঁৱৰ স্বৰ্গীয় তীৰ্থ চুতীয়া আৰু নলনী গাঁৱৰ প্ৰয়াত নেমু চুতীয়া। উল্লিখিত ব্যক্তিসমূহৰ উপৰিও যদি আৰু কোনোবা আছিল সেয়া আমাৰ অজ্ঞাত।

**নৃত্য চৰ্চা ঃ**

গুৰু দুজনাৰ অনুপম সৃষ্টি ঝুমুৰা, চালি, নাদুভঙ্গী, গোঁসাই নাচ, গোপী নাচ, সূত্ৰধাৰী প্ৰভৃতি নৃত্যসমূহৰ কথা কোনে নেজানে। এই অনুপম নৃত্য শৈলীসমূহৰ চিন্তা-চৰ্চা অতীতৰ মৰাণহাটত নাছিল বুলিয়েই অনুমান কৰিব পাৰি। বিজ্ঞসকলৰ পৰা জনা মতে ষাঠিৰ দশকতে যতীন গোস্বামী, কমলা গোস্বামী, প্ৰফুল্ল প্ৰাণ মহন্ত আৰু ভোলা হাজৰিকাই মৰাণত শংকৰী নৃত্য-গীতৰ শিক্ষা প্ৰদান কৰিছিল। জ্যোতিপুৰ নিবাসী শ্ৰীমতী ৰুমী ভাগৱতী আৰু ঊষাপুৰ নিবাসী শ্ৰীমতী দিপালী ফুকনে সূত্ৰধাৰী নৃত্য পৰিবেশন কৰি দৰ্শকক মুগ্ধ কৰা আমি লক্ষ্য কৰিছিলো।

আমি আগতেই উল্লেখ কৰিছো যে, মৰাণহাটত শংকৰী সংস্কৃতিৰ বিকাশত শ্ৰীৰাম মহন্তৰ অৱদান অপৰিসীম। মৰাণ সংগীতালয়ত আজি বহু বছৰ আগতে তেখেতে সত্ৰীয়া নৃত্য শিক্ষা আৰম্ভ কৰিছিল। তেখেতৰ লগত এই অভাজনো সহযোগীৰূপে থাকি খোলবাদ্য বজাই বহু অনুষ্ঠানত ঝুমুৰা, সূত্ৰধাৰী আদি নৃত্য ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশন কৰোৱাইছিলো। এই ক্ষেত্ৰত সৰ্বশ্ৰীমতী- অনিমা চুতীয়া, ৰঞ্জিতা শৰ্মা, মানসী গগৈ, ৰূপালী খনিকৰ, ঊষা ফুকন আদি নৃত্যশিল্পীসকলৰ নাম উল্লেখযোগ্য। ইয়াৰ ভিতৰত শ্ৰীমতী ৰঞ্জিতা শৰ্মাই পোন প্ৰথমবাৰৰ বাবে মৰাণ মহাবিদ্যালয়ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় সংগীত প্ৰতিযোগিতাত সূত্ৰধাৰী নৃত্যত অংশগ্ৰহণ কৰি মৰাণত শংকৰী নৃত্যৰ চৰ্চা আৰু স্থিতি প্ৰতিপন্ন কৰিছিলে।

আমি আগতে উল্লেখ কৰি অহা মিলিত শিল্পী সমাজৰ 'সংগীত সত্ৰ' বিদ্যালয়ৰ শিক্ষকসকলৰ চৰম ত্যাগ আৰু কষ্টৰ বিনিময়ত মাটি আখৰাকে আৰম্ভ কৰি নাদুভংগী, গোসাঁই নাচ, গোপী নাচ, ঝুমুৰা, চালি, ৰজাঘৰীয়া চালি সূত্ৰধাৰী নৃত্যকে প্ৰমুখ্য কৰি গুৰু দুজনাৰ নৃত্যশাস্ত্ৰসন্মত এই মহান মনোমোহা নৃত্যকলাৰ শিক্ষাৰে আজি মৰাণহাট সমৃদ্ধ। উক্ত বিদ্যালয়ৰ এইসকল ছাত্ৰীৰ নাম উল্লেখযোগ্য। এওঁলোক হৈছে- সৰ্বশ্ৰী- দিপ্তী দেউৰী, ৰীণা শইকীয়া, কৰবী হাজৰিকা, মনশ্ৰী শইকীয়া, ভাৰতী গগৈ, ৰাজলক্ষ্মী বৰুৱা, ডেইজী গগৈ, মেঘালী বৰগোহাঁই, সুনীতা বৰগোহাঁই, শুভলক্ষ্মী বৰগোহাঁই, সান্ত্বনা চেতিয়া, সুৰভি চুতীয়া, মীনাক্ষী চুতীয়া, আনমনা শৰ্মা, ইন্দিৰা বৰা, কৰবী চুতীয়া, মন্দিৰা বৰা, হিমাক্ষী চুতীয়া, মম্মী ভট্টাচাৰ্য, অনন্যা বৰা, অনন্যা বনজ্যোৎস্না, গীতাক্ষী ডেকা, কবিতা চুতীয়া আৰু অজন্তা গগৈ আদি। এই সকলৰ ভিতৰত কেইবাগৰাকীয়ে ইতিমধ্যে নৰ্ত্তন গুনীন উপাধি লাভ কৰি মৰাণত শংকৰী নৃত্য চৰ্চা পথ অধিক সুগম কৰি তুলিছে। ইয়াৰ উপৰিও ভাৰত চৰকাৰৰ সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰতিভা সন্ধানী বৃত্তি পৰীক্ষাত অনন্যা বৰা, অনন্যা বনজ্যোৎস্না, গীতাক্ষী ডেকা আৰু ঋতুনিশা কাশ্যপ অৱতীৰ্ণ হৈ সফলতাৰে বৃত্তি লাভ কৰি নিজ পাৰদৰ্শিতা প্ৰতিপন্ন কৰাৰ লগতে বিদ্যালয়খনিলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই বিদ্যালয়ৰে ছাত্ৰী ৰীণা শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুব মহোৎসৱত মৰাণ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি সূত্ৰধাৰী নৃত্যত তৃতীয়, মনশ্ৰী শইকীয়াই প্ৰথম আৰু অনন্যা বৰাই ৰজাঘৰীয়া চালিনৃত্যত প্ৰথম স্থান অধিকাৰ কৰি মৰাণত শংকৰী নৃত্য চৰ্চাৰ স্থিতি সবল কৰাৰ লগতে মৰাণক গৌৰৱান্বিত কৰি তুলিছে।

অতি আনন্দ আৰু গৌৰৱৰ কথা যে মনশ্ৰী শইকীয়াই দিল্লীত অনুষ্ঠিত 'ইউনাইটেড স্কুল অৰ্গেনাইজেচন'ত সৰ্বভাৰতীয় শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত সূত্ৰধাৰী নৃত্যত পঞ্চম স্থান অধিকাৰ কৰি মৰাণক গৌৰান্বিত কৰাৰ লগতে নিজকে এগৰাকী প্ৰতিভাসম্পন্ন নৃত্যশিল্পী ৰূপে প্ৰতিষ্ঠিত কৰিছে। ইয়াৰ উপৰিও আমি পূৰ্বতে উল্লেখ কৰি অহা ভাতৰ চৰকাৰৰ পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ পুব মাগুলিক সাংস্কৃতিক কেন্দ্ৰৰ আমন্ত্ৰণক্ৰমে অনন্যা বৰা, গীতাক্ষী ডেকা আৰু সুস্মিতা শৰ্ম্মাই কলকাতাৰ শান্তি নিকেতন আৰু চল্ট লেক প্ৰেক্ষাগৃহত ৰজাঘৰীয়া চালি নাচ প্ৰদৰ্শন কৰি সত্ৰীয়া নৃত্যৰ অপৰূপ ৰূপশোভা প্ৰতিভাত কৰাৰ লগতে কলকতাবাসী দৰ্শকক বাৰুকৈয়ে বিমুগ্ধ কৰে। বৰ্তমানেও বহু সম্পন্ন ছাত্ৰীয়ে উক্ত বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছে।

মৰাণ অইল ইণ্ডিয়া লিমিটেডৰ কৰ্মচাৰীসকলৰ প্ৰচেষ্টাও এই প্ৰসংগত সমানেই উল্লেখনীয়। অইল ইণ্ডিয়াৰ কৰ্ম্মচাৰীসকলৰ শংকৰী সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ পৰিলক্ষিত হয় তেখেতসকলে প্ৰতিষ্ঠা কৰা সংগীত বিদ্যালয়ৰ যোগেদি।



তেখেতসকলেও উক্ত বিদ্যালয়ত সত্ৰীয়া নৃত্যৰ শিক্ষা ব্যৱস্থা কৰাৰ উপৰিও গুৰু দুজনাৰ মহান অৱদানসমূহৰ বিকাশ সাধনত বহুখিনি অৱদান আগবঢ়াইছে।

অতি সম্প্ৰতি বটামৰাতো সত্ৰীয়া নৃত্য-গীতৰ শিক্ষা প্ৰদানৰ হকে এখনি বিদ্যালয় গঢ়ি উঠিছে। গুৰুজনাৰ সৃষ্ট নৃত্যৰাজি অথবা গীত-বাদ্যৰ প্ৰচাৰ আৰু প্ৰসাৰত ইও নিশ্চয় উল্লেখযোগ্য বৰঙণি আগবঢ়াব।

খোলবাদ্যৰ শিক্ষা ঃ

মৰাণত পৰম্পৰাগতভাৱে খোলবাদ্য অথবা গায়ন-বায়ন বজোৱা লোক বা বায়ন ওলাইছে যদিও প্ৰণালীবদ্ধভাৱে বিজ্ঞানসন্মত খোল-বাদ্য জনা লোক একেবাৰে বিৰল বুলিয়ে ক'ব লাগিব। খোল-বাদ্যৰ বিচাৰ-বিশ্লেষণ, বিভিন্ন বাজনা, তালৰ মাত্ৰা বিভাজন, গতি, স্বৰ নিৰূপণ, বাদ্য ছন্দৰ আঁৰি, কুৰাৰি প্ৰভৃতিৰ সম্যক জ্ঞান তথা লয়ৰ লগত সঙ্গতি ৰাখি ইখনৰ পিছত সিখন তাল বগৰাই গীত-নৃত্যক শ্ৰুতিমধুৰ কৰি খোল বজাব জনা বায়নৰ অভাৱ বাৰুকৈয়ে অনুভূত হৈছে। অৱশ্যে খোলবাদ্য শিক্ষাৰ ব্যৱস্থা "সঙ্গীত সত্ৰ" বিদ্যালয়ৰ যোগেদি মিলিত শিল্পী সমাজে কাহনিবাই কৰি থৈছে। কেইজনমানে শিক্ষা আৰম্ভ কৰিছিল যদিও আধৰুৱাকৈ এৰি গুচি গ'ল। ই অতি পৰিতাপৰ কথা। বাদ্যকলাৰ ধ্বনিয়ে হৃদয়ক বিমুগ্ধ কৰে। তৎসত্বেও খোল-বাদ্য শিক্ষাৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰী ওলাই নহাটো এক চিন্তনীয় বিষয়। গতিকে বাতাৱৰণ সৃষ্টি কৰিব লাগিব। খোল-বাদ্যৰ সাঙ্গীতিক ধ্বনিৰে নব প্ৰজন্মক আকৰ্ষিত কৰাৰ দিহা কৰিব লাগিব। নৃত্য-গীত-বাদ্য বাজনা তথা অঙ্কীয়া নাটৰ সামগ্ৰীক কলা মাধুৰ্য নৱ প্ৰজন্মৰ বুকুত সহজ-সৰলভাৱে সুমুৱাই দিয়াৰ ব্যৱস্থা কৰিব লাগিব। নোহোৱাৰ কোনো কাৰণ নাই।

ভাওনা ঃ

অসমৰ অপূৰ্ব সংস্কৃতি ভাওনাৰ ইতিহাস আৰু ইয়াৰ অনিন্দ্য সুন্দৰ ৰূপ তথা ইয়াত সন্নিবিষ্ট বাৰেৰহণীয়া সংগীত মাধুৰ্যৰ কথা কোনে নেজানে? ভাওনা অসমীয়া সমাজৰ এটি জাতীয় ধৰ্মানুষ্ঠান। এনেদেন আপুৰুগীয়া মহান সংস্কৃতি ভাওনা মৰাণহাটতো বহুকালৰ পৰাই অনুষ্ঠিত হৈ আহিছে। চন, তাৰিখ একো জনা নেযায় যদিও প্ৰথমেই বৰডবা চুতীয়া গাঁৱত (বৰ্তমান জ্যোতিপুৰ) স্বৰ্গীয় ভাস্কৰ শৰ্ম্মা বায়নৰ পৰিচালনাত তেখেতৰ ঘৰৰ সন্মুখৰ পথাৰতে ভাওনা পতা হৈছিল বুলি আমি জানিব পাৰিছো। সেই ভাওনা গুৰুজনা বিৰচিত অঙ্কীয়া ভাওনা আছিল নে নাই জানিব পৰা নগ'ল, যদিও তাৰ ভাষা ব্ৰজাৱলী আছিল বুলি জানিব পৰা গৈছে। ইয়াৰ পিছতে আমি সংগ্ৰহ কৰা তথ্য অনুযায়ী প্ৰথমতে মৰাণহাটৰ নিকটৱৰ্তী ডোমৰ দলং গাঁৱত ভাওনা অনুষ্ঠিত হৈছিল আৰু সম্ভৱ ১৯২৮ চন মানতে আজিৰ পৰা প্ৰায় ৮৪ বছৰ আগতে মৰাণহাটৰ একেবাৰে গাতে লাগি থকা ফটিকাছোৱা গাঁৱৰ নামঘৰত ভাওনা অনুষ্ঠিত

হৈছিল। ভাওনাৰ নাম আছিল 'দণ্ডি পৰ্ব' আৰু বায়ন আছিল কালশিলা সত্ৰৰ স্বৰ্গীয় দেৱকান্ত মহন্ত। মৰাণহাটৰ প্ৰয়াত থুলেশ্বৰ গোস্বামীদেৱৰ পৰিচালনাতো বহু ভাওনা প্ৰদৰ্শিত হৈছিল বুলি আমি জানিব পাৰিছো।

গাওঁসমূহত লোকবিশ্বাস আছিল যে এবাৰ ভাওনা পাতিলে সেই গাঁৱত ভাওনা পাতি থাকিবই লাগিব। নহ'লে গাঁৱত না না অপায়-অমঙ্গল হ'ব। সেয়েহে সম্পূৰ্ণ নীতি-নিয়মৰ মাজেদি অতি শ্ৰদ্ধা আৰু ভক্তিপূৰ্ণভাৱে ভাওনা অনুষ্ঠিত হৈছিল।

ভাওনাৰ দোষ লাগে বুলি মানুহে বৰ ভয় কৰিছিল আৰু পাতিবলৈ সাহসো নকৰিছিল। লাহে লাহে মানুহৰ ভয় ভগাত দলপা, নলনী, শ'লমাৰী, বৰপথাৰ, দক্ষিণ বৰপথাৰ, মাজপথাৰ, মাজবিল, ৰাইদঙীয়া, আমগুৰি, গজপুৰীয়া, হেলাগাঁও, বৰডবা নগাঁও, মাউত গাঁও, মৰাণ অইল ইণ্ডিয়া, মৰাণ বিজুলী নগৰ, জ্যোতিপুৰ, ঊষাপুৰ, কচুমাৰী কনিকৰ গাঁও, সুন্দৰপুৰ, খোকামৰা, নেমুপথাৰ আদি মৰাণহাটৰ বিভিন্ন ঠাইসমূহত ভাওনা প্ৰদৰ্শন হ'বলৈ ধৰিলে।

এই ক্ষেত্ৰত মৰাণহাটৰ এইকেইজনা মেধাসম্পন্ন অতিপ্ৰবীণ বায়নৰ আশাশুধীয়া প্ৰচেষ্টা আৰু ভাওনাৰ উত্তৰোত্তৰ বিকাশ সাধনত তেৰাসবৰ অৱদান উল্লেখনীয়ই নহয়, স্মৰণীও। এখেতসকল হৈছে আমগুৰি গাঁৱৰ সোণাৰাম শৰ্মা, নলিনী গাঁৱৰ বসু শৰ্মা, ফটিকাছোৰা গাঁৱৰ শ্ৰীহাকেন গগৈ আৰু মৰাণহাটৰ নাতিদূৰৰ কাছমাৰী গাঁৱৰ স্বৰ্গীয় সোমেশ্বৰ দত্ত।

ইয়াৰোপৰি মৰাণহাটত ভাওনাৰ চৰ্চা আৰু প্ৰসাৰতাত এইসকল বায়নৰ নামো উল্লেখযোগ্য। দলপা গাঁৱৰ শ্ৰীমাণিক বৰা, শ'লমাৰী গাঁৱৰ শ্ৰীমুহি চুতীয়া গাওঁবুঢ়া, ডোমৰ দলং গাঁৱৰ শ্ৰীখগেন চুতীয়া, স্বৰ্গীয় বিমলা চুতীয়া, বটামৰাৰ শ্ৰীনগেন দত্ত, মৰাণ অইল ইণ্ডিয়াৰ ভুবন চুতীয়া আদি। এইসকল বায়নৰ বহু কষ্ট আৰু ত্যাগৰ ফলত মৰাণ অঞ্চলত এতিয়া বহু ভাওনা অনুষ্ঠিত হৈ আছে।

মৰাণহাটত ফৌজীয়া ভাওনাই বেচিকৈ প্ৰাধান্য লাভ কৰি আহিছে। দেখা পোৱাৰ সৌভাগ্য নহ'ল যদিও নলনী গাঁৱত বহুদিনৰ আগতে এবাৰ গুৰুজনাৰ অঙ্কীয়া নাট 'ৰুক্মিনী হৰণ' ভাওনা অভিনীত হৈছিল বুলি আমি লোকমুখে জানিব পাৰিছোঁ।

অঙ্কীয়া নাট পৰিৱেশন কৰা অতি জটিল আৰু কঠিন কাম বুলি ক'লে নিশ্চিয় অত্যুক্তি কৰা নহয়। নৃত্য-গীত-বাদ্য, অভিনয়ৰ অপূৰ্ব সমাহাৰেৰে সমৃদ্ধ অংকীয়া নাটসমূহ অনুষ্ঠিত কৰিবলৈ যাওঁতে বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হয়। তথাপিতো মৰাণৰ মিলিত শিল্পী সমাজে অংকীয়া নাট পৰিৱেশনত অধিক গুৰুত্ব আৰোপ কৰিলে। ফলস্বৰূপে শ্ৰীৰাম মহন্তৰ পৰিচালনা, শ্ৰীজ্যোৎস্না মহন্ত গায়িকা, ডঃ অনিল শইকীয়া সঙ্গীতৰ সহযোগী আৰু এই অভাজনৰ বায়নৰ দায়িত্বত ১৯৮২ চনৰ ২৪ ছেপ্তেম্বৰ



তাৰিখে 'ৰুক্মিণী হৰণ' নাটকখনি প্ৰথমতে ৰাঙলীৰ জৰাবাৰী সত্ৰত আৰু ১৯৮২ চনৰ ২ অক্টোবৰ তাৰিখে মৰাণ ঠাকুৰবাৰী মন্দিৰ প্ৰাঙ্গণত দ্বিতীয়বাৰৰ বাবে অতি কৃতকাৰ্যতাৰে অভিনীত হয়। ঠিক এনেদৰেই গুৰুজনাৰ 'পাৰিজাত হৰণ' অংকীয়া ভাওনাও ১৯৮৩ চনৰ ১৭ অক্টোবৰত মাৰণহাটৰ ঊষাপুৰ নামঘৰত আৰু ১১ ডিচেম্বৰত ৰাঙলীৰ জৰাবাৰী সত্ৰত সফলতাৰে মঞ্চস্থ কৰা হয়। ইয়াৰ উপৰিও মিলিত শিল্পী সমাজে কেইবাখনো ফৌজীয়া ভাওনা অতি দক্ষতাৰে পৰিৱেশন কৰি দৰ্শকৰ সমাদৰ লাভ কৰিছে।

ভগৱন্তৰ অপাৰ কৰুণা আৰু দুজনা গুৰুৰ কৃপাত মিলিত শিল্পী সমাজে ভাৰত চৰকাৰৰ পৰ্যটন আৰু সাংস্কৃতিক কেন্দ্ৰৰ আমন্ত্ৰণক্ৰমে সুদূৰ কলকাতাৰ শান্তি নিকেতন আৰু চল্টলেক প্ৰেক্ষাগৃহত এলানি সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ন কৰিবলৈ সুযোগ লাভ কৰে। এই সুযোগকে প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰি মিলিত শিল্পী সমাজে অন্যান্য কাৰ্যসূচীৰ লগতে "সংগীত সত্ৰ" বিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা গুৰুজনা বিৰচিত 'পাৰিজাত হৰণ' অঙ্কীয়া নাটখনি নিখুঁতভাৱে প্ৰদৰ্শন কৰাৰ দৃঢ় সংকল্পৰে অবিৰাম প্ৰচেষ্টা চলায় আৰু যথা সময়ত দুয়ো ঠাইতে নাটখনি অতি সফলতাৰে মঞ্চস্থ কৰে। ব্ৰজাৱলী ভাষা, বাদ্য-গীত-নৃত্য আৰু অভিনয় কলাৰ অপূৰ্ব সমাবেশেৰে পৰিপূৰ্ণ 'পাৰিজাত হৰণ' নাটে কলকাতাৰ দৰ্শকক বাৰুকৈয়ে বিমুগ্ধ কৰে আৰু কেন্দ্ৰৰ কৰ্মকৰ্তাসকলে নাটকখনিক ভুৰি ভুৰি প্ৰশংসা কৰিলে।

ইয়াৰ পিচতে ডিব্ৰুগড় জিলা পুথিভঁৰালত 'চয়নিকা' ই আয়োজন কৰা 'নটসূৰ্য ফণী শৰ্ম্মা' সোঁৱৰণী নাট সমাৰোহ, ২০০৫ তো নাটখনি প্ৰদৰ্শন কৰা হয় আৰু ইয়াতো দৰ্শক মণ্ডলীয়ে অতি আন্তৰিকতাৰে নাটকখনি গ্ৰহণ কৰে।

আদৰ্শৰ বিৰল চানেকী ঃ

ভাওনা ধৰ্ম্মীয় অনুষ্ঠান। বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰে মানৱ প্ৰেমেৰে জগতখনকে একাকাৰ কৰাৰ প্ৰয়াসেৰে গুৰুজনাই ধৰ্ম্মৰো পৰিধি ভাঙি বিভিন্ন জাতিৰ লগতে মুছলমান সম্প্ৰদায়ৰ লোককো শৰণ দিয়াৰ কথা কোনে নেজানে। সকলো সম্প্ৰদায়ৰ সভ্যৰে গঠিত মিলিত শিল্পী সমাজে গুৰুজনাৰ এই মহান আদৰ্শক আঁকোৱালি ল'বৰৈ পাই ধন্য মানিছে। জন্মলগ্নৰ পৰাই মিলিত শিল্পী সমাজৰ গুৰি ধৰোতা অধ্যাপক হাদি মোস্তাক হুছেইন, প্ৰাক্তন সম্পাদক দবিৰ আহমেদ আৰু জেহিৰুদ্দিন খানে মিলিত শিল্পী সমাজে মঞ্চস্থ কৰা ভাওনাত ঐকান্তিক প্ৰচেষ্টাআৰু সহৃদয়তাৰে মন পৰশা অভিনয়ৰে দৰ্শকক বিমুগ্ধ কৰি মৰাণহাটত সম্প্ৰীতিৰ এনাজৰীডাল অধিক কট্কটীয়া কৰি তুলিলে। অন্যহাতে মিলিত শিল্পী সমাজৰ অগ্ৰগতিত অপাৰ অৰিহণা যোগোৱা দক্ষ অভিনেতা, পৰিচালক, উপ-সভাপতি শ্ৰীসুজয় ৰয় আৰু একনিষ্ঠ কৰ্মী সদস্য তথা প্ৰতিভাৱান অভিনেতা শ্ৰী বিকাশ দেৱেও অতি শ্ৰদ্ধা-ভক্তি সহকাৰে ভাওনা শিকি

সাৱলীল অভিনয়ৰ যোগেদি দৰ্শকক অভিভূত কৰিলে। ভাওনা কৰাৰ বেলিকাত উপৰিউক্ত ব্যক্তিসকলে ধৰ্ম্মৰ কথা কেতিয়াও ভৰা আমাৰ পৰিলক্ষিত নহ'ল। আমি ধন্য মানি কৃতজ্ঞহৈ ৰ'লো। কেৱল এয়াই নহয়। এই ক্ষেত্ৰত প্ৰয়াত ৰহ চুতীয়াৰ অৱদানো কম নহয়। তেখেতৰ প্ৰচেষ্টাত আৰু এই অভাজনৰ পৰিচালনাত মৰাণহাটৰ খুমটাই চাহ বাগিচাত পোন প্ৰথমবাৰৰ বাবে চাহ বনুৱা সম্প্ৰদায়ৰ লোকক সামৰি ভাওনা অনুষ্ঠিত হয়। ভাওনাৰ নাম আছিল 'তৰণীসেন বধ'। মজদুৰ সম্প্ৰদায়ৰ এইসকল ভাৱৰীয়াৰ নাম উল্লেখযোগ্য। এখেতসকলহৈছে- বিধায়ক স্বৰ্গীয় নাৰদ কুমাৰ, শ্ৰী সাদৰ দাস প্ৰমুখ্যে আৰু বহুকেইজন।

ভাওনাত মহিলা ভাৱৰীয়াৰ স্থান নাছিল। স্বৰ্গীয় ৰহ চুতীয়াৰ উদ্যোগত শ্ৰীৰাম মহন্ত আৰু এই লেখকৰ পৰিচালনাত উষাপুৰ নামঘৰত অভিনীত হোৱা "মান্ধাতা ৰজাৰ ধৰ্ম্ম পৰীক্ষা" নামৰ ভাওনাখনতেই প্ৰথম শ্ৰীমতী অনিমা চুতীয়া আৰু শ্ৰীমতীবিচিত্ৰা চুতীয়াই সুন্দৰ অভিনয় কৰি দৰ্শকক মুগ্ধ কৰাৰ লগতে মৰাণহাটত ভাওনাৰ প্ৰথম মহিলা ভাৱৰীয়াৰূপে পৰিগণিত হ'ল। পৰৱৰ্তী কালৰ মহিলা ভাৱৰীয়া গায়ত্ৰী গগৈ, লিলী বৰুৱা, মামণি বৰুৱা, ইন্দ্ৰাণী বৰগোঁহাই, দীপ্তি দেউৰী আৰু মনশ্ৰী শইকীয়া আদিৰ নাম এই প্ৰসঙ্গতে উল্লেখযোগ্য।

আমি আগতেই উল্লেখ কৰিছো যে শংকৰী সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰতাত শ্ৰী ৰাম মহন্তৰ অৱদানো অপৰিসীম। এইজনা শ্ৰীৰাম মহন্তই কচুমাৰীৰ চাহ মজদুৰ সম্প্ৰদায়ৰ লোকক হতুৱাই অঙ্কীয়া ভাওনা পৰ্যন্ত অনুষ্ঠিত কৰোৱাৰ উপৰিও শঙ্কৰী নৃত্য-গীতো শিকাই -বুজাই মজদুৰ সম্প্ৰদায়ৰ মাজলৈ শঙ্কৰী কৃষ্টি প্ৰসাৰিত কৰিছে।

সেইদৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মৰাণ আঞ্চলিক তথা চৰাইদেউ জিলাৰ সদস্য, সংঘৰ একনিষ্ঠ সেৱক আৰু অক্লান্ত কৰ্মী ৰাঙলী নিৱাসী শ্ৰী কমল বৰুৱা বায়নৰ বৰঙণিও এই ক্ষেত্ৰত কম নহয়। তেখেতেও মজদুৰ সম্প্ৰদায়ৰ মাজত শংকৰী নৃত্য-গীতকে আদি কৰি ৰাঙলীৰ কুৰ্মী গাঁৱত মজদুৰ সম্প্ৰদায়ৰ লোকৰ হতুৱাই ভাওনা কৰোৱাই শংকৰী কৃষ্টিৰ উত্তৰোত্তৰ বিকাশ সাধনত সফল অৰিহণা যোগাইছে।

শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা ঃ

অসমৰ অন্য এক আধ্যাত্মিক অনুষ্ঠান শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা মৰাণহাটতো এটা সময়ত আৰম্ভ হ'ল। উৎপত্তি আৰু ইতিবৃত্তিৰ কথা বাহল্যতাৰ খাতিৰতে উল্লেখ নকৰি কওঁ যে বিগত ১৯৮১ চনত ৰাইদঙ্গীয়াকে প্ৰমুখ্য কৰি শিল্পীসকলৰ প্ৰচেষ্টাত প্ৰথমতে ৰাইদঙ্গীয়া চাৰিআলিতে ৰাসলীলা অনুষ্ঠানত অতি উলহ-মালহ তথা কৃতকাৰ্যতাৰে অনুষ্ঠিত হয়। তেতিয়াৰে পৰা আজিলৈকে ৰাইদঙ্গীয়া চাৰিআলিত ৰাসলীলা অনুষ্ঠান উদযাপিত হৈ আহিছে। তাৰ পিছত ১৯৮৪ চনৰে পৰা মিলিত শিল্পী



সমাজেও মৰাণ নগৰত ৰাসলীলা অনুষ্ঠিত কৰি আহিছে। মৰাণ অইল ইণ্ডিয়া, কচুমাৰি, ৰাঙলী জৰাবাৰী সত্ৰ, বিশ্ৰামপুৰ আদি গাঁৱতো ৰাসলীলা অনুষ্ঠান উদযাপিত হৈ অহাৰ ফলত ইয়াৰ প্ৰতি ৰাইজৰ মৰম আৰু অনুৰাগ বৃদ্ধি হৈ মৰাণত ই এক গভীৰ আকৰ্ষণীয় আধ্যাত্মিক অনুষ্ঠানৰূপে পৰিগণিত হৈছে।

এক উল্লেখযোগ্য বৰঙণি ঃ

অসমৰ সত্ৰীয়া নৃত্যই ভাৰতীয় শাস্ত্ৰীয় (প্ৰধান) নৃত্যৰূপে স্বীকৃতি লাভ কৰাৰ পিচত সঙ্গীত নাটক একাডেমীয়ে প্ৰতি বছৰে নৱেম্বৰ মাহত গুৱাহাটীত 'নৃত্য পৰ্ব' অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। ২০০৩ চনৰ ১৫,১৬ আৰু ১৭ নৱেম্বৰ তাৰিখে 'নৃত্য পৰ্ব-সত্ৰীয়া নৃত্য মহোৎসৱ' সঙ্গীত নাটক একাডেমীয়ে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত আয়োজন কৰিছিল। এই মহোৎসৱত, আমন্ত্ৰক্ৰমে ড° অনিল শইকীয়াই 'সত্ৰীয়া সঙ্গীতৰ খোল-বাদ্যৰ কেইখনমান তালৰ ছন্দ'ৰ (A Few Rhythmic Pattern of Satriya Music ) ওপৰত প্ৰদৰ্শন আৰু বিৱৰণ দাঙি ধৰি নিজ প্ৰতিভাৰ পৰিচয় দিয়াৰ লগতে মাৰণত শঙ্কৰী সংগীতচৰ্চা দিশ উন্মোচিত কৰিলে। প্ৰসঙ্গতে প্ৰনিধানযোগ্য যে প্ৰয়াত ৰামেশ্বৰ শইকীয়া বৰবায়ন আৰু পৰমানন্দ কাকতীয়ে খোলবাদ্যৰে তেখেতৰ বিৱৰণক অধিক প্ৰাণৱন্ত কৰি তুলিছিল।

ঠিক সেইদৰেই ২০০৪ চনতো গুৱাহাটীৰ মাছখোৱা সাংস্কৃতিক প্ৰকল্প সঙ্গীত নাটক একাডেমীয়ে আয়োজন কৰা 'নৃত্য পৰ্ব' অনুষ্ঠানত অসমৰ খ্যাতনামা সত্ৰীয়া সংস্কৃতিক পণ্ডিত আৰু গৱেষক ড° কেশৱানন্দ দেৱগোস্বামী, প্ৰভাত শৰ্ম্মা, পুণ্যব্ৰত দেৱগোস্বামী আৰু অনন্ত ওজাই পৰিৱেশন কৰা সত্ৰীয়া নৃত্য পৰ্বৰ ড° অনিল শইকীয়া আঁত ধৰি নিজ কৃতিত্বক প্ৰতিভাত কৰি মৰাণৰ সুনাম অক্ষুণ্ণ ৰাখিছে। এয়া মৰাণৰ বাবে এক গৌৰৱৰ বিষয় বুলিয়েই ক'ব লাগিব।

শঙ্কৰী সংস্কৃতিৰ সুবিশাল ক্ষেত্ৰখনৰ মৰাণত পৰম্পৰাগতভাৱে আৰু পিছলৈ প্ৰণালীবদ্ধভাৱে চৰ্চিত হৈ অহা এইকেইটি বিষয়ৰ কথাকে আমি লিপিবদ্ধ কৰিলো। পুৰুষ ভাৱৰীয়া আৰু নামাচাৰ্যসকলৰ নামো উল্লেখ কৰিব লাগিছিল। যথেষ্টসংখ্যক হোৱাৰ বাবে বাহুল্যতাৰ খাতিৰতে আমি লিপিবদ্ধ কৰাৰ পৰা বিৰত থাকিলো। পৰিশেষত আমি পুনৰবাৰ দোহাৰিছো যে একো নথকাতকৈ কিবা এটা থাকি যোৱাৰ আপাহতে আমি এই লেখা যুগুতাইছো। ভুল-ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক আৰু তাৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

❖❖

# মৰাণৰ সংবাদ সাহিত্য

অজিত চুতীয়া
সম্পাদক, মৰাণ প্ৰেছ ক্লাব

সংবাদসেৱা যথাৰ্থতে এটা গধুৰ অথচ পবিত্ৰ দায়িত্ব। ইয়াৰ লগত জড়িত হৈ থাকে ভাল আৰু বেয়া দুটা দিশ। সুস্থ সাংবাদিকতাই মানুহৰ মনৰ যিদৰে অনুসন্ধিৎসা পূৰণ কৰে, তেনেদৰে মানুহৰ মনত মংগলৰ হকে প্ৰয়োজনীয় শক্তিৰ জাগৰণো ঘটায়। জীৱনৰ চৌপাশৰ ক্ষুদ্ৰ বৃত্তটোৰ পৰা, আৰম্ভ কৰি বিশ্বব্ৰহ্মাণ্ডৰ বিশাল বৃত্তৰ মাজত ঘটা নিত্য-নতুন ঘটনা প্ৰবাহৰ লগত মানুহক পৰিচয় কৰাই দিয়া মংগল, অমংগল, ভাল-বেয়া, উচিত-অনুচিত ঘটনাৱলীৰ জ্ঞানেৰে মানুহক সহায় কৰা আৰু সতৰ্ক কৰি দিয়া, মানুহৰ মত আৰু ৰুচি গঢ়ি তোলাত সংবাদ মাধ্যম যোগে প্ৰচাৰিত সংবাদ আধুনিক নাগৰিকৰ জীৱনৰ এটি অত্যাৱশ্যকীয় দৈনিক মানসিক খাদ্যলৈ ৰূপান্তৰিত হোৱাৰ লগে লগে সংবাদসেৱাৰ দায়িত্বও বাঢ়িল। ইংলেণ্ডৰ এড়মাণ্ড বাৰ্কে 'চতুৰ্থ স্তম্ভ' (Fourth estate) বুলি মৰ্যদা সহকাৰে চিনাকি কৰি দিয়া সাংবাদিকসকলৰ দায়িত্ব বাঢ়িল।

ছপাশাল আৰু ইলেক্ট্ৰনিক মাধ্যমৰ সংবাদ সেৱাই এতিয়া সমগ্ৰ বিশ্ব এনেদৰে চানি পেলাইছে যে, ই আধুনিক জীৱনৰ অন্যতম নিয়ন্ত্ৰক শক্তিলৈ ৰূপান্তৰিত হোৱাৰ উপৰি সংবাদসেৱা হৈ পৰিছে এটা সন্মানজনক জীৱিকাৰ বৃত্তি। আনহাতে সংবাদ সেৱাৰ সমগ্ৰ প্ৰতিষ্ঠানটো ব্যৱসায়লৈ ৰূপান্তৰিত হোৱাৰ লগে লগে সংবাদপত্ৰ তথা সংবাদ মাধ্যমৰ জগতত তুমুল প্ৰতিদ্বন্দ্বিতা আৰম্ভ হ'ল। অনুসন্ধানমূলক বাতৰিৰে পাঠকক আকৰ্ষণ কৰাৰ প্ৰতিযোগিতা চলিল। পাছলৈ অৱশ্যে আদৰ্শহীন কাকতে ব্যৱসায়িক লাভৰ বাবে সস্তীয়া সহজ পথ-বাতৰিৰ আঁৰৰ বাতৰিৰ নামত চাঞ্চল্যকৰ লোমহৰ্ষক আৰু মুখৰোচকভাৱে সজোৱা বাতৰি প্ৰচাৰেৰে পাঠকক আকৰ্ষণ কৰাৰ চমু পথ গ্ৰহণ কৰিবলৈ ধৰিলে।



বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই সামুহৰ সভ্যতাৰ আৰু মানুহৰ জীৱন-যাপনৰ পদ্ধতি ইমান দ্ৰুতভাৱে পৰিৱৰ্তন সাধন কৰিবলৈ আৰম্ভ কৰিলে যে, এই পৰিবৰ্তনৰ শেষ ক'ত হব মানুহে আজি নিজেই কব নোৱাৰে। কেক্সটনে যোল্ল শতিকাত আৱিস্কাৰ কৰা ছপাযন্ত্ৰই বাতৰি কাকতক যিদৰে এক মাত্ৰা দান কৰিলে সেইদৰে টেলিভিছন, ইন্টাৰনেট, ফেক্স আদিৰ প্ৰয়োগে সংবাদ সেৱাক দিলে বহুমাত্ৰিক আয়তন। ইলেক্ট্ৰনিক মাধ্যমে সমগ্ৰ বিশ্বক ওচৰ চপাই দিলে।

বৰ্তমান সংবেদনশীল সমাজত সংবাদ মাধ্যমৰ ওপৰত আৰম্ভ হৈছে সমালোচনাৰ। নানা ধৰণৰ বিজ্ঞাপনকে ধৰি মুখৰোচক আৰু চাঞ্চল্যকৰ লোমহৰ্ষক বাতৰি প্ৰচাৰ কৰি ব্যৱসায় কৰা বুলি সততে বদনাম উঠিছে। সঁচা অৰ্থত কবলৈ হ'লে ব্যৱসায়িক দৃষ্টিকোণৰ পৰা সাময়িকভাৱে লাভ কৰিলেও এনে কাকতে বিশ্বাসযোগ্যতা লাভ কৰিব নোৱাৰে আৰু এসময়ত নিজে নিজেই পৰি আছে। অনুসন্ধানমূলক সংবাদসেৱাৰ নামত কুৎসা ৰটনা, অকৰ্ম আৰু অপৰাধে পুংখানুপুংখ আৰু ৰঙীণ বিৱৰণ দিয়া, ক'লগাৰ্লৰ প্ৰায় নগ্ন ছবি প্ৰকাশ কৰা আদি সকলো প্ৰকাৰৰ পদ্ধতি অৱলম্বন কৰি এনেবোৰ কাকতে কৰা অপৰাধৰ মাত্ৰা আৰু পৰিসৰ মূল অপৰাধীয়ে কৰা অপৰাধতকৈ অনেক গুণে বেছি হয়।

এনেবোৰ আলোচনা কৰাৰ অন্তত আমি কেনেধৰণৰ সংবাদ বিচাৰো?

দেশ আৰু জাতিৰ ক্ষতি সাধন কৰিব পৰা সামাজিক-সাংস্কৃতিক আৰু নৈতিক মূল্যবোধ নষ্ট কৰিব পৰা আৰু মানুহৰ-সুৰুচি আৰু সুকুমাৰ মনোভাৱ নষ্ট কৰিব পৰা ঘটনাবোৰৰ সম্পৰ্কে জনসাধাৰণক সতৰ্ক কৰি তোলাটো বিচাৰো। আমি বিচাৰো প্ৰয়োজনবোধে জনপ্ৰতিৰোধ গঢ়িব পৰাকৈ জনমত গঠনত সহায় কৰাটো, ঘৰৰ চৌহদৰ পৰা বিশ্ব-ব্ৰহ্মাণ্ডলৈকে ঘটা বিভিন্ন ঘটনা বা বিষয়ৰ খবৰ পাবলৈ আমাৰ সমাজ জীৱনৰ সৰু-বৰ ভাল কামবোৰ প্ৰচাৰ হোৱাটো। যাতে তাৰ প্ৰভাৱত মানুহে ভাল হোৱাৰ অনুপ্ৰেৰণা লাভ কৰে।

এইখিনিত প্ৰশ্ন উঠিব পাৰে, নিৰ্মম, নিষ্ঠুৰ, অমানৱীয়, অসামাজিক ঘটনাবোৰৰ বা দুৰ্নীতি আৰু অন্যান্য অপৰাধবোৰ ঢাকি ৰাখিব লাগিব নেকি? জঘন্য ঘটনা সংঘটিত কৰি সমাজত বীৰদৰ্পে ঘূৰি ফুৰিব অথচ এনে অপৰাধ আৰু অপৰাধীৰ বিষয়ে প্ৰচাৰ কৰিলে সমাজৰ ক্ষতি হ'ব পাৰে নেকি? যিবিলাক লোকে এনেধৰণৰ সত্য ঘটনা ঢাকি ৰাখিবলৈ পৰামৰ্শ দিবলৈ বিচাৰে তেখেতলোকে ন্যস্তস্বাৰ্থ জড়িত লোক আৰু অপৰাধীৰ ৰক্ষক। স্বাধীনতা লাভৰ পাছৰ সময়ছোৱাত সংখ্যাগত আৰু গুণগত দুয়োপ্ৰকাৰেই ভাৰতীয় সংবাদ পত্ৰৰ পৰিৱৰ্তন সাধিত হ'ল। লগে লগে সংবাদপত্ৰৰ স্বাধীনতাৰ পৰিধিও বাঢ়ি গ'ল। ১৯৫০ চনত গৃহীত ভাৰতৰ সংবিধানত অন্তৰ্ভূক্ত নাগৰিকৰ মৌলিক

অধিকাৰত সংবাদ পত্ৰৰ স্বাধীনতাও সামৰিব বুলি দিয়া উচ্চতম ন্যায়ালয়ৰ ৰায়ে এই স্বাধীনতা শক্তিশালী কৰি তোলে। ১৯৫৫-৫৬ চনৰ সংসদৰ কাৰ্যসূচী সম্পৰ্কীয় আইনে সংসদত উত্থাপন কৰা বিভিন্ন সমিতিসমূহৰ প্ৰতিবেদন সংবাদ পত্ৰই প্ৰকাশ কৰাৰ আৰু আলোচনা কৰাৰ বাবে অধিকাৰ দি প্ৰয়োগ কৰা আইনে চৰকাৰে তথা বিভিন্ন বিভাগ বা প্ৰতিষ্ঠানৰ ভিতৰুৱা বিষয় মুকলি কৰাৰ আৰু জনসাধাৰণৰ স্বাৰ্থৰ বাবে আলোচনা কৰাৰ অধিকাৰ দান কৰি সংবাদ পত্ৰক শক্তিশালী কৰি তুলিছে। ফলত সংবাদ পত্ৰই নতুন মাত্ৰা লাভ কৰাই নহয়, সংবাদৰ নতুন ধাৰাও প্ৰৱৰ্তিত হ'বলৈ ধৰিলে। প্ৰথম অৱস্থাত স্থানীয় ভাৰতৰ সংবাদ পত্ৰই সংবাদদাতাৰ পৰিচয় প্ৰকাশ কৰাৰ আমেৰিকান পদ্ধতি অনুসৰণ কৰে।

ভাৰতৰ প্ৰাক-স্বাধীন কালৰ পৰাই মৰাণতো সংবাদসেৱাই আত্মপ্ৰকাশ কৰে। সংবাদ জগতত তথা উদ্যোগটোৰ লাভ-লোকচানৰ বিষয়ে নাজানিলেও মৰাণৰ সংবাদ যে, দেশৰ আন আন প্ৰান্তৰলৈ প্ৰেৰণ কৰিব লাগে অৰ্থাৎ জনাব লাগে এই কথা একাংশ সংবেদনশীল লোকে উপলব্ধি কৰিছিল। এইসকলৰ ভিতৰত বাটকটীয়া আছিল জননেতা কেদাৰনাথ গোস্বামীদেৱ। জীৱনৰ এটা কাল মৰাণত পাৰ কৰা স্বাধীনতা সংগ্ৰামী, কেদাৰনাথ গোস্বামীদেৱে ১৯৪৬ চনৰ পৰা অঞ্চটোত সংবাদ মাধ্যমৰ প্ৰভাৱ পেলাবলৈ প্ৰচেষ্টা হাতত লৈছিল। ডিব্ৰুগড়ৰৰ পৰা প্ৰকাশিত 'টাইমচ অৱ আসাম' কাকতৰ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰাৰ লগতে 'দ্যা হিন্দুস্তান ষ্টেণ্ডাৰ্ড, 'সাপ্তাহিক জনমভূমি', 'ৰামধেনু', 'অসমবাণী' আদি কাকত আলোচনীৰ সতেও জড়িত আছিল।

দৰদী শ্ৰমিক নেতা কেদাৰনাথ গোস্বামীদেৱৰ প্ৰত্যৰ্ক্ষ হওক বা প্ৰৰোক্ষই হওক মৰাণ অঞ্চলৰ কেইবাগৰাকীও যুৱক আগবাঢ়ি আহিল সংবাদ সেৱা কৰিবলৈ। মানিকচন্দ্ৰ বৰপাত্ৰগোঁহাই, দেৱী চুতীয়া, বিনোদ ফুকন, জগন্নাথ শৰ্মা, উমাকান্ত মহন আদিৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। বিনোদ ফুকনদেৱে ১৯৫৮ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে সংবাদসেৱাৰ লগত জড়িত থাকি মৰাণৰ সংবাদ ক্ষেত্ৰত এক পূৰ্ণতা দান কৰিলে বুলি কলেও অত্যুক্তি কৰা নহ'ব। মাত্ৰ ৩৪ বছৰ বয়সতে ১৯৫৭ চনত মৃত্যু হোৱা মানিকচন্দ্ৰ বৰপাত্ৰগোঁহাই সংবাদদাতাই নহয় অঞ্চলটোৰ সংবাদ পত্ৰ ব্যৱসায়ৰ বাটকটীয়াও আছিল। ১৯৪৮ চনতে মৰাণত সংবাদ পত্ৰৰ ব্যৱসায় আৰম্ভ কৰা মানিকচন্দ্ৰ বৰপাত্ৰগোহাঁয় 'নতুনঅসমীয়া' 'আসাম ট্ৰিবিউন' আৰু 'জনমভূমি' কাকতত সংবাদ পৰিবেশন কৰিছিল। আন এগৰাকী সংবাদকৰ্মী হ'ল অৱসৰপ্ৰাপ্ত শিক্ষক, সাহিত্যকৰ্মী দেৱী চুতীয়াদেৱ। অসমবাণী কাকত জন্মলগ্নৰে পৰা জড়িত চুতীয়াদেৱে দৈনিক অসম কাকততো সংবাদদাতা ৰূপে নিয়োজিত হৈছিল। ১৯৫৭ চনত মৰাণ শাখা সাহিত্য সভা গঠন কৰা চুতীয়াদেৱে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ জৰিয়তে



এলানি কৃষি বিষয়ক কথিকা প্ৰচাৰ কৰে। শিক্ষক উমাকান্ত মহনদেৱেও 'সাপ্তাহিক জনমভূমি'ত স্থানীয় সংবাদদাতা ৰূপে সংবাদ আগবঢ়াইছিল। তদ্ৰুপ ৰূপে শ্ৰমিক নেতা ৰূপনাথ শৰ্মাইও 'নতুন অসমীয়া' আৰু 'শান্তিদুত' নামৰ দুখন কাকতৰ সাংবাদিক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। এইপনে মৰাণ অঞ্চলত সংবাদসেৱাৰ প্ৰতি নৱ-প্ৰজন্মক আকৃষ্ট কৰাত বিশেষ অৱদান আগবঢ়োৱাসকলৰ অন্যতম আছিল বিনোদ ফুকনদেৱ। ছাত্ৰাৱস্থাৰে পৰা সাহিত্য চৰ্চা আৰম্ভ কৰা ফুকনদেৱে ১৯৫৮ চনৰ পৰা সংবাদসেৱাত মনেনিবেশ কৰি দৈনিক জনমভূমিত মৰাণৰ স্থানীয় সংবাদাতা ৰূপে দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰাৰ লগতে 'নতুন অসমীয়া', অসম বাতৰি', তিনিদিনীয়া বাতৰি', 'অসমবাণী', 'সাপ্তাহিক জনমভূমি' আদি বিভিন্ন কাকতত বৃহত্তৰ মৰাণ অঞ্চলৰ সমস্যামূলক বাতৰি প্ৰচাৰ কৰি সমাধানৰ বাবে জনসাধাৰণৰ মাজত জনমত গঠন কৰাত অৰিহণা যোগাইছিল। অঞ্চলটোৰ বিভিন্ন সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃত্ব বহন কৰা ফুকনদেৱক ডিব্ৰুগড় ৰাধা গোবিন্দ বৰুৱা স্মৃতি ৰক্ষা সমিতি, জনমভূমি প্ৰতিষ্ঠান, আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টচ্ ইউনিয়ন (আপ্‌কু), সদৌ অসম ছাত্ৰ সন্থা, চৰাইদেউ জিলা সাংবাদিক সন্থা আদিয়ে সম্বৰ্ধনা জনায়। ১৯৯২ চনৰ ২৪ জুনত গঠন কৰা মৰাণ প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতি ফুকনদেৱে ক্লাৱক এক সক্ৰিয়তা প্ৰদান কৰি যায়। শিক্ষকৰ দৰে মহান আৰু পবিত্ৰ বৃত্তিত জড়িত সংবেদনশীল ব্যক্তি ৰূপে সমাজৰ দুৰ্দসা তথা অন্যায় অবিচাৰৰ বিৰুদ্ধে জনমত গঠন কৰিবলৈ চাগে হাতত কলম তুলি বিভিন্ন কাকতৰ স'তে ষাঠী দশকত জড়িত হৈ পৰিছিল মোজাম্মল বৰা, তোলন গগৈ, বীৰেন্দ্ৰ কুমাৰ গগৈ, দ্বীজেন গোহাঁই, হেৰম্ব গগৈৰ আদিয়ে। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধক্ষ্যৰূপে অৱসৰ গ্ৰহণ কৰা বীৰেন্দ্ৰ কুমাৰ গগৈ আৰু দ্বীজেন গোহাঁইদেৱে 'নতুন অসমীয়া' আৰু 'দ্যা আসাম ট্ৰিবিউন' কাকতলৈ সংবাদ প্ৰেৰণ কৰি অঞ্চলটোৰ সমস্যাবোৰ সজোৰে উত্থাপন কৰাৰ লগতে আন আন খবৰবিলাকো প্ৰকাশ কৰিছিল। কবি সাহিত্যিক, মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত তোলন গগৈদেৱে 'মহাজাতি' আৰু 'শান্তিদূত' কাকতত মৰাণৰ পৰা বাতৰি প্ৰেৰণ কৰিছিল। সমসাময়িক ভাৱে খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ হেৰম্ব গগৈদেৱেও 'দ্যা আসাম ট্ৰিবিউন' কাকতত মৰাণৰ প্ৰতিনিধি নিযুক্ত হৈছিল। এই সময়চোৱাত এগৰাকী সক্ৰিয় সাংবাদিক আছিল উষাৰঞ্জন পুৰকায়স্থ। বাতৰি কাকতৰ ব্যৱসায়ত জড়িত থাকি কলিকতাৰ পৰা প্ৰকাশিত 'আনন্দ বজাৰ পত্ৰিকা'ত মৰাণৰ বাতৰি পৰিবেশন কৰিছিল। পুৰকায়স্থদেৱে বিনোদ ফুকনদেৱৰ সহযোগত ১৯৭৩ চনত 'মৰাণ আঞ্চলিক সাংবাদিক সন্থা' নামৰ সাংবাদিক মঞ্চ এটিও গাঠন কৰিছিল। একে সময়তে বিদ্যালয় সমূহৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক তথা একালৰ শিক্ষক বিনন্দ বৰুৱাদেৱেও

'সাপ্তাহিক জনমভূমি'লৈ মৰাণ বাতৰি প্ৰেৰণ কৰিছিল।

ইয়াৰ পাছতে মৰাণৰ সংবাদ ক্ষেত্ৰত আৰম্ভ হয় আধুনিক যুগ। মৰাণ মাহবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বৰ্তমান ৰাজগড় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ হাজৰিকাই 'দৈনিক জনমভূমি' কাকতৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰে। পাছলৈ এইখন কাকতৰে উপ-সম্পাদকৰ পদত নিয়োজিতও হৈছিল। 'দৈনিক অসম' কাকতত মৰাণৰ সাংবাদদাতা ৰূপে সেৱা আগবঢ়োৱা ড° হাজৰিকাদেৱৰ সম্পাদনাত মৰাণৰে পৰা 'অসমীয়া ৰাইজৰ খবৰ' নামেৰে এখন পষেকীয়া বাতৰি কাকতো প্ৰকাশ হৈছিল। মৰাণ শাখা সাহিত্য সভা আৰু মৰাণ প্ৰেছ ক্লাবৰ সভাপতিৰ দায়িত্বও পালন কৰা ড° হাজৰিকাদেৱ এগৰাকী সু-সাহিত্যিক। মৰাণ চাহ বাগিছাৰ বিদ্যালয়ত শিক্ষক ৰূপে নিয়োজিত দেৱ দুৱৰাই সত্তৰ দশকতে 'দৈনিক জনমভূমি' কাকতৰ উপ-সম্পাদক ৰূপে নিয়োজিত আছিল। বৃহত্তৰ মৰাণ অঞ্চলৰ আন এগৰাকী সাংবাদিক মুকুট সিংহ ফুকন। 'দৈনিক জনমভূমি' কাকতত সংবাদসেৱা আৰম্ভ কৰা ফুকনদেৱ 'নতুন দৈনিক' আৰু 'দৈনিক অসম' কাকতৰ সতেও জড়িত আছিল। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা ফুকনদেৱ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ স্বীকৃতি প্ৰাপ্ত গীতিকাৰ। মৰাণ পিয়লি নগৰৰ খগেন ভৰালীয়ে 'তিনিদিনীয়া অগ্ৰদূত' কাকতৰ উপ-সম্পাদক পদত কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। 'অসমবাণী', 'ৰূপকাৰ' আদিত জড়িত হৈ বৰ্তমান 'অসমীয়া প্ৰতিদিন' আৰু 'সাদিন' কাকতৰ সম্পাদনা কক্ষত জড়িত চিত্ৰশিল্পী চন্দন চুতীয়া আৰু চন্দনজ্যোতি চুতীয়া মৰাণৰে।

ধাৰাবাহিকতা ৰক্ষা কৰি মৰাণ অঞ্চলৰ পৰা আত্ম প্ৰকাশ কৰিছে ন- ন সাংবাদিকে। আশীৰ দশকত নাট্যকাৰ ধ্ৰুৱজ্যোতি মহনে 'অনুভূতি' আলোচনীৰ সহযোগী সম্পাদক, 'ৰূপকাৰ' আৰু 'অৱকাশ' নামৰ আলোচনী দুখনৰ উজনি অসমৰ প্ৰতিনিধি আছিল। চিত্ৰসাংবাদিক অমৃত বৰুৱাই 'ৰূপকাৰ' আলোচনীৰ বিশেষ প্ৰতিনিধি আছিল। সাংস্কৃতিক প্ৰতিনিধি ৰূপে বিভিন্ন কাকত-আলোচনীত সেৱা আগবঢ়োৱা শান্তনু বৰগোঁহাই 'অগ্ৰদূত' কাকতৰ সম্পাদকৰ স'তে জড়িত আছিল। 'তিনিদিনীয়া অগ্ৰদূত' কাকতৰ জৰিয়তে সাংবাদিকতা ক্ষেত্ৰত ভৰি দিয়া চৈয়দ মজিদুৰ ৰহমান একে কাকতৰে নিয়মীয়া নিৰন্ধকাৰ।

মুক্ত সাংবাদিকৰূপে ১৯৮৫-৮৬ চনৰ পৰা 'সাদিনীয়া প্ৰহৰী' আৰু 'সাপ্তাহিক জনমভূমি'ৰ যোগেদি সামাজিক আৰু ক্ৰীড়া সম্পৰ্কীয় বাতৰিয়ে জীৱন আৰম্ভ কৰা শোভিত কুমাৰ ছেত্ৰীয়ে ১৯৯১ চনত 'আজিৰ বাতৰি', ১৯৯২ চনৰ পৰা 'পূৰ্বাঞ্চল' আৰু ১৮৯৮ চনৰ পৰা 'দৈনিক জনমভূমি' কাকতৰ মৰাণৰ প্ৰতিনিধি ৰূপে সংবাদ সেৱা আগবঢ়াই আছে। 'দৈনিক অগ্ৰদূত' 'অভিৰুচি' আদি কাকতত প্ৰবন্ধ প্ৰকাশ কৰাৰ



লগতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যোগেদি বিভিন্ন বিষয়ৰ প্ৰবন্ধৰ লগতে ক্ৰীড়া সম্পৰ্কীয় লেখা নিয়মিত প্ৰকাশৰ স্বীকৃত নিৰন্ধকাৰ। মৰাণ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক, সভাপতি, আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন (আপকু'ৰ) সম্পাদক, সভাপতি আদি গধুৰ দায়িত্ব পালনেৰে ৰাজ্যখনৰে এগৰাকী পৰিচিত ব্যক্তি ছেত্ৰীদেৱক ১৯৯৩, ১৯৯৯ চনত 'আপকু'ৱে শ্ৰেষ্ঠ অনুসন্ধানমূলক সাংবাদিকতা বঁটা, ২০০০ চনত শিৱসাগৰ প্ৰেছ ক্লাবে শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতা বঁটাৰে সন্মানিত কৰিছে। দীৰ্ঘদিন 'দৈনিক জনমভূমি' কাকতৰ স'তে জড়িত ছেত্ৰীদেৱক জনমভূমি গোষ্ঠীয়ে প্ৰৱৰ্তন কৰা সাংবাদিক ৰবীন মৰাণ স্মৃতি বঁটা প্ৰথমবাৰলৈ প্ৰদান কৰে। শতাধিক স্মৃতিগ্ৰন্থ, আলোচনী সম্পাদনা কৰা ছেত্ৰীদেৱ অসম সাহিত্য সভাৰো লগত জড়িত আৰু মাৰণ শাখা সাহিত্য সভাৰ সম্পাদক ৰূপেও কাৰ্যনিৰ্বাহ কৰি গৈছে। সমসাময়িকভাৱে শিক্ষক দয়ানন্দ সিং, দীননাথ পাংগিং আৰু উত্তৰ-পূৰ্ব সীমান্ত ৰেল'ৱে কৰ্মচাৰী অমৰজ্যোতি মহনেও মৰাণৰ সংবাদ ক্ষেত্ৰত খোজ পেলায়। দয়ানন্দ সিঙে ১৯৯০ চনৰ পৰা 'পূৰ্বাঞ্চল প্ৰহৰী' আৰু 'হিন্দী চেণ্টিনেল' 'হিন্দী খবৰ' কাকতত মৰাণৰ পৰা বা-বাতৰি পৰিৱেশন কৰি আহিছে। সাংবাদিক সন্থাৰ স'তে জড়িত সিংদেৱে মৰাণ প্ৰেছ ক্লাবৰ সম্পাদক আৰু কাৰ্যকৰী সভাপতিৰো দায়িত্ব বহন কৰিছে। অমৰজ্যোতি মহনদেৱে ১৯৯১ চনত 'দ্যা ইষ্টাৰ্ণ ক্লেৰিয়ন' আৰু 'আজিৰ অসম' কাকতত সাংবাদসেৱা আৰম্ভ কৰি 'নতুন দৈনিক' আৰু 'আমাৰ অসম' কাকতত মৰাণৰ সংবাদদাতা ৰূপে নিযুক্ত হৈছিল। শেষত 'অসমীয়া প্ৰতিদিন' কাকতত মৰাণৰ পৰা সেৱা আগবঢ়াইছিল। মৰাণ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক অমৰজ্যোতি মহনদেৱে 'অভিৰুচি' আৰু 'খেল সংবাদ' নামৰ দুখন আলোচনীতো ক্ৰীড়াৰ সংবাদ পৰিৱেশন কৰিছিল। একে সময়তে শিক্ষক দীননাথ পাংগিঙে উত্তৰ মাহমৰাৰ পৰা 'কলম' আৰু 'দৈনিক অগ্ৰদূত' কাকতত সংবাদ পৰিৱেশন কৰিছিল। 'আমাৰ অসম' কাকতত উত্তৰ মাহমৰাৰ পৰা পাংগিংদেৱে বাতৰি পৰিৱেশন কৰিছিল যদিও সদ্যহতে সংবাদসেৱাৰ পৰা আঁতৰি আছে। মৰাণ প্ৰেছ ক্লাবৰ সম্পাদক, উপ-সভাপতিৰ পদ অলংকৃত কৰা পাংগিঙে বহুকেইখন স্মৃতিগ্ৰন্থ সম্পাদনাও কৰিছে। মৰাণৰ পৰা প্ৰকাশিত 'অসমীয়া ৰাইজৰ খবৰ' কাকতৰ প্ৰতিষ্ঠাপক কাৰ্যবাহী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা পাংগিঙে সম্পাদকৰ দায়িত্বও পালন কৰিছিল। অসম চাহ মজদুৰ সংঘৰ মৰাণ শাখাৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে 'চাহ মজদুৰ' কাকতখনৰ জৰিয়তে সংবাদসেৱাত জড়িত হৈ পৰে।

১৯৯৩ চনত খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তোষেশ্বৰ গগৈয়ে 'দ্যা নৰ্থ-ইষ্ট টাইমচ', কাকতৰ জৰিয়তে সংবাদ সেৱা আৰম্ভ কৰি 'দ্যা আসাম ট্ৰিবিউন' কাকতত কিছুকাল মাৰণৰ পৰা সংবাদ সেৱা কৰে। উদীয়মান

সংবাদকৰ্মী বিজয় শংকৰ শইকীয়া 'দ্যা চেণ্টিনেল' কাকতত মৰাণৰ প্ৰতিনিধি ৰূপে জড়িত হৈ কাকতখনৰ সম্পাদনা কক্ষতো উপ-সম্পাদকৰূপে নিযুক্ত হয়। পাছলৈ 'দ্যা শ্বিলং টাইমচ' কাকতৰ ক্ৰমে শ্বিলং, গুৱাহাটী আৰু নতুন দিল্লীতসহকাৰী সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰে। সম্প্ৰতি CNN(1BN) নামৰ নিউজ চেনেলত বাৰ্তা সম্পাদক ৰূপে জড়িত মৰাণ প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠাপক সদস্য আছিল। এয়াই যেন মৰাণৰ সংবাদ ক্ষেত্ৰত নৱ-প্ৰজন্মৰ জয় যাত্ৰা আৰম্ভ। মনোৰম গগৈয়ে 'সাপ্তাহিক বুধবাৰ' নামৰ সাপ্তাহিক কাকতৰ উপ-সম্পাদক পদত অধিষ্ঠিত হৈ সংবাদ ক্ষেত্ৰত প্ৰৱেশ কৰে। 'আগান', 'পষেক', 'সাদিন' আদি কাকত আলোচনীত জড়িত হৈ পৰা গগৈয়ে 'অসমীয়া প্ৰতিদিন' কাকতৰ উপ- সম্পাদক আৰু বাৰ্তা সম্পাদকৰো কাৰ্য সমাধা কৰিছিল। বৰ্তমান DY-365 ৰ মুখ্য বাৰ্তা সম্পাদক মনোৰম গগৈ এগৰাকী সু-সাহিত্যিকো। 'প্ৰয়োভৰা' নামৰ কৃষি বিষয়ক আলোচনীখনো কিছুদিন সম্পাদনা গগৈয়ে কৰিছিল। মূলত ঃ ক্ৰীড়া সাংবাদিক ৰূপে আত্মনিয়োগ কৰা পূৰ্বজ্যোতি চুতীয়াই 'আজিৰ বাতৰি' কাকতৰ ক্ৰীড়া পৃষ্ঠাৰ উপ-সম্পদক ৰূপে সেৱা আগবঢ়োৱাৰ পাছত 'আমাৰ অসম' আৰু 'দৈনিক বাতৰি' কাকততো কিছুদিন জড়িত হৈছিল। 'দৈনিক জনসাধাৰণ' কাকতৰ জ্যেষ্ঠ ক্ৰীড়া সম্পাদক ৰূপে চুতীয়াই কাৰ্যনিৰ্বাহ কৰি আছে। এগৰাকী সুদক্ষ খেলুৱৈ চুতীয়াৰ ক্ৰীড়া বিষয়ক প্ৰৱন্ধ 'দ্যা আসাম ট্ৰিবিউন' কাকততো প্ৰকাশ হৈছিল। সৌৰভ দুৱৰাই চিত্ৰ সাংবাদিকৰূপে 'অসমীয়া প্ৰতিদিন' কাকতত আত্মপ্ৰকাশ কৰি সম্প্ৰতি একে কাকতৰে ডিব্ৰুগড় সংস্কৰণৰ ষ্টাফ ফটো সাংবাদিক পদত কৰ্মৰত। অনমিত্ৰ গগৈয়ে 'আমাৰ অসম' কাকতৰ উপ-সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে 'দৈনিক বাতৰি' আৰু 'সাতসৰী' নামৰ বাতৰি-আলোচনী দুখনত জড়িত হৈ পৰে। সম্প্ৰতি NEWS LIVE ৰ সাংবাদিক গগৈ। গৌতম বুঢ়াগোঁহাই সাংবাদিক ৰূপে প্ৰতিষ্ঠিত। মুম্বাইৰ পৰা প্ৰকাশিত 'বোম্বাই আইলেণ্ড' আৰু তাৰপাছত সাংস্কৃতিক আলোচনী 'ষ্টাৰ ডাষ্ট'ত উপ-সম্পাদকৰূপে থাকি বৰ্তমান ভাৰতৰ সৰ্বাধিক প্ৰচাৰিত দৈনিক কাকত 'দ্যা টাইমচ অৱ ইণ্ডিয়াৰ মুম্বাই-সংস্কৰণত সহকাৰী সম্পাদকৰূপে জড়িত হৈ আছে।

নৱৈ দশকটো মৰাণৰ সংবাদক্ষেত্ৰৰ এক সোণালী অধ্যায় বুলিব পাৰি। কুৰিজনৰোধিক সাংবাদিক বিভিন্ন কাকতৰ সাংবাদিকৰূপে ওলাই আহে। 'আজিৰ সংবাদ' নামৰ কাকতত সংবাদ সেৱা আৰম্ভ কৰা ত্ৰৈলোক্য চেতিয়াই পাছত 'আজিৰ অসম' আৰু 'নতুন দৈনিক' কাকতত সংবাদ পৰিবেশন কৰাৰ লগতে 'এদিন' কাকতত বৰ্তমান মৰাণৰ সংবাদদাতা ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে ১৯৯৮ চনৰ পৰা 'অৰুণোদয় সংবাদ' নামৰ সাদিনীয়া কাকতৰ সম্পাদনাৰে অঞ্চলটোত এক সংবাদসেৱাৰ বাতাবৰণ সৃষ্টি কৰিছে। মৰাণ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° যতীন চুতীয়াই 'দ্যা ইষ্টাৰ্ণ ক্লেৰিয়ন'



আৰু 'চেণ্টিনেল' কাকতত সংবাদ পৰিবেশন কৰি সংবাদসেৱাৰ সোৱাদ লৈছিল। মৰাণপ্ৰেছ ক্লাৱৰো উপদেষ্টা ড° চুতীয়াদেৱে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ নেতৃত্ব বহন কৰাৰ উপৰি প্ৰবন্ধ গ্ৰন্থও প্ৰকাশ কৰিছে। মাৰণ শাখা সাহিত্য সভাৰ সভাপতিৰ দায়িত্বও তেখেতে পালন কৰিছিল। এই দশকতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° ৰুদ্ৰমান থাপাই 'দ্যা নৰ্থ ইষ্ট দেইলি'ৰ জৰিয়তে সংবাদসেৱাত আত্মপ্ৰকাশ কৰি 'আমাৰ অসম' 'দৈনিক জনমভূমি', 'সাদিন' আদি কাকতত প্ৰৱন্ধ প্ৰকাশ কৰে। অৱশ্যে ড° চুতীয়া আৰু ড° থাপাদেৱে বৰ্তমান সংবাদ পৰিবেশনৰ পৰা আঁতৰি আছে। বৃহত্তৰ মৰাণ অঞ্চলৰে অন্যতম প্ৰৱীন লোক-সংস্কৃতিৰ গৱেষক, সু-সাহিত্যিক প্ৰয়াত হেম বুঢ়াগোঁহাইদেৱে 'নতুন দৈনিক' কাকতত চেপনৰ সংবাদদাতা ৰূপে সেৱা আগবঢ়াইছিল। ইয়াৰ পাছত অঞ্চলটোৰ পৰা 'দৈনিক জনমভূমি' কাকতত সংবাদ পৰিবেশন কৰে শিক্ষক নিৰূপ বৰুৱাই। সংবাদৰ উপৰি বৰুৱাদেৱে 'সাপ্তাহিক জনমভূমি' 'প্ৰান্তিক' আদি কাকত-আলোচনীত লেখা প্ৰকাশ কৰি আহিছে। মৰাণ প্ৰেছ ক্লাৱৰ উপ-সভাপতি জীতেন ডেকাই চেপনৰ পৰা 'অসমীয়া প্ৰতিদিন' কাকতত সংবাদ পৰিবেশন কৰি আহিছে। চৰাইদেউ জিলা সাংবাদিক সন্থাৰো সম্পাদকৰ দায়িত্ব বহন কৰা ডেকাই 'আপকু'ৱে প্ৰদান কৰা যুৱ সাংবাদিকতা বঁটা লাভ কৰিবলৈ সক্ষম হয়। নিউজ চেনেল 'এন ই টি ভি' ৰ মৰাণৰ সংবাদদাতা ৰূপে নিয়োজিত ডেকাৰ বা-বাতৰিয়ে অঞ্চলটোত জনমত গঠন কৰিবলৈ সক্ষম হয়। যুৱ সাংবাদিক জিতু কুমাৰ লেখাৰুৱে 'আমাৰ অসম' কাকতত চেপনৰ পৰা সংবাদ আগবঢ়োৱাৰ লগতে বিভিন্ন তত্বগধুৰ গ্ৰন্থ প্ৰকাশ কৰিছে আৰু কেইবাখনো স্মৃতিগ্ৰন্থ সম্পাদনা কৰিছে। এই দশকতে 'পূৰ্বদেশ' আৰু 'সাদিনীয়া অসমীয়া' কাকতৰ জৰিয়তে সংবাদ জগতত প্ৰৱেশ কৰা ভীমবৰ পাতিৰিয়ে 'আজিৰ অসম', 'আজিৰ বাতৰি', 'দৈনিক ভূমিপুত্ৰ' আৰু 'নতুন অসম' কাকততো বাতৰি পৰিবেশন কৰে। মৰাণ প্ৰেছ ক্লাৱৰ সহকাৰী সম্পাদক ভীমবৰ পাতিৰি শিশু প্ৰতিভা বিকাশ 'মৌ-কোঁ'ৰো কাৰ্যবাহী সভাপতি। তেওঁ মৰাণ নাট্য সমাজৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও মৰাণ শাখা সাহিত্য সভাৰো সহকাৰী সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। বৰ্তমান 'দৈনিক বাতৰি' কাকতৰ মৰাণহাটৰ সংবাদদাতা ভীমবৰ পাতিৰিয়ে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। আনহাতে দিতুল চেতিয়াই 'অসমীয়া প্ৰতিদিন' কাকতত দিবৈ ৰাঙলীৰ পৰা বাতৰি প্ৰেৰণ কৰি সংবাদসেৱাত মনোনিৱেশ কৰে । দিবৈ সাহিত্য সবাৰ সম্পাদক ৰূপেও কাৰ্য্যনিৰ্বাহ কৰা চেতিয়াই বহু স্মৃতিগ্ৰন্থ সম্পাদনা কৰাৰ লগৰে 'অংগনা' নামৰ আলোচনীখনৰ কাৰ্যবাহী সম্পদকৰ দায়িত্ব পালন কৰিছিল। ১৯৪৬ চনতে আৰম্ভ হোৱা মৰাণৰ সাংবাদিকতাৰ ইতিহাসত মহিলা সাংবাদিকতাৰ ভূমিকাও কম নহয়। 'দা নৰ্থ ইষ্ট অৱৰ্জাভাৰ' নামৰ ইংৰাজী কাকতখনৰ জৰিয়তে

সংবাদদাতাৰূপে নিযুক্ত প্ৰান্তা বৰফুকন মৰাণ অঞ্চলৰ প্ৰথম মহিলা সংবাদদাতা। অৱশ্যে প্ৰান্তা বৰফুকনে সংবাদসেৱা পাছলৈ বাদ দিয়ে। ইয়াৰ পাছতে অনিমা চুতীয়াই 'আমাৰ অসম' কাকতৰ জৰিয়তে সংবাদ ক্ষেত্ৰত খোজ পেলায়। অঞ্চলটোৰ সংবাদসেৱাত দীৰ্ঘদিন জড়িত অনিমা চুতীয়াই 'শিশু' নামৰ এখন শিশু আলোচনী সম্পাদনা কৰাৰ লগতে শিশুকৰ্মীৰূপেও খ্যাত। অসম লেখিকা সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদিকাৰূপে কাৰ্যনিৰ্বাহ কৰা চুতীয়াক অসম লেখিকা সন্থাই 'মণিষা বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ মহিলা সাংবাদিকতাৰ বঁটা' প্ৰদান কৰে। মৰাণ অঞ্চলৰ মহিলা সাংবাদিকতাৰ প্ৰথম ৰাজ্যিক বঁটাপ্ৰাপ্ত চুতীয়া 'অৰুণোদয় সংবাদ' কাকতৰ কাৰ্যবাহী সম্পাদক। একেসময়তে আত্মপ্ৰকাশ কৰা ৰশ্মিৰেখা গগৈয়ে 'দ্যা নৰ্থ ইষ্ট টাইম' কাকতত সাংবাদিকতা আৰম্ভ কৰে। কেইবাবছৰো সংবাদসেৱা আগবঢ়োৱা ৰশ্মিৰেখাই সংবাদসেৱা ত্যাগ কৰি বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গৱেষণা সহায়কৰূপে নিয়োজিত হৈ আছে। ৰশ্মিৰেখাই 'দ্যা চেন্টিনেল', 'দ্যা আসাম ট্ৰিবিউন' আদি কাকতত নিয়মিতভাৱে লেখা প্ৰকাশ কৰি আহিছে। 'টাইমচ অৱ ইণ্ডিয়া' আৰু 'হিন্দুস্তান টাইমচ'ত মুক্ত সাংবাদিকৰূপে কাৰ্যনিৰ্বাহিক কৰা অঞ্জনা বৰপাত্ৰ গোঁহাই অঞ্চলটোৰ অন্যতম মহিলা সাংবাদিক। বৰ্তমান 'ইন্টাৰটেইনমেন্ট ইণ্ডিয়া' নামৰ আলোচনীখনৰ 'মেজ তত্বাবধায়ক' ৰূপে কৰ্মৰত বৰপাত্ৰ গোঁহায়ে বিশ্বৰ জনপ্ৰিয় কুৰিটাৰো অধিক টি ভি চেনেলৰ বাবে শতাধিক তথ্যচিত্ৰ আৰু চুটি ছবি নিৰ্মান কৰিছে। তেখেতে ইংৰাজী সাহিত্যত উপন্যাস লিখি প্ৰকাশো কৰিছে। দিতিমণি গগৈ, ৰশ্মিৰেখা চেতিয়া গগৈ, ধৰিত্ৰী গগৈ আদিয়ে ইংৰাজী আৰু অসমীয়া কাতত-আলোচনীৰ স'তে জড়িত হৈ সংবাদ পৰিৱেশন আৰু সম্পাদনা কক্ষত সেৱা আগবঢ়াইছে। এইসকলৰ পাছত দীপমণি শইকীয়া আৰু প্ৰীতিৰূপা শইকীয়াই সংবাদ সেৱাত আত্মনিয়োগ কৰিছিল। 'দৈনিক যুগশংখ' কাকতৰ জড়িয়তে দীপমণি আৰু 'অসমীয়া খবৰ' কাকতৰ জড়িয়তে প্ৰীতিৰূপাই সাংবাদিকতা আৰম্ভ কৰিছিল যদিও সম্প্ৰতি দুয়োগৰাকী নিস্প্ৰভ হৈ পৰিছে।

একবিংশ শতিকাৰ আৰম্ভণীতে মৰাণ অঞ্চলত অৰ্ধশতাধিক যুৱক জড়িত হৈ পৰে ৰাজ্যখনৰ সংবাদ ক্ষেত্ৰত। সাংবাদিকতাত জড়িত হৈ পৰাসকল সাহিত্যৰ ক্ষেত্ৰতো সক্ৰিয়ভাৱে জড়িত। অসমীয়া সাহিত্যত তেওঁলোকৰ অৱদান উলাই কৰিব পৰা বিধৰ নহয়। 'অসমীয়া প্ৰতিদিন' কাকতৰ জড়িয়তে আত্মপ্ৰকাশ কৰা শিক্ষক যদু চুতীয়াই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ 'যুৱবাণী' অনুষ্ঠানত কেইবাটাও কথিকা পাঠ কৰাৰ লগতে 'প্ৰান্তিক'ৰ লগতে কেইবাখনো কাকত-আলোচনীত লেখা প্ৰকাশ কৰিছে। তদুপৰি তেওঁ কেইবাখনো গ্ৰন্থও প্ৰকাশ কৰিছে। বিশেষকৈ ছাত্ৰাৱস্থাতেই কবিতা লিখিবলৈ আৰম্ভ কৰা চুতীয়াই বহুতো স্মৃতিগ্ৰন্থ সম্পাদনা কৰিছে। বৰ্তমান মৰাণৰ পৰা 'অসমীয়া প্ৰতিদিন'ত চুতীয়াই সেৱা আগবঢ়াই আছে। ব্যঙ্গ লেখকৰূপে পৰিচিত



সাহিত্যকৰ্মী বাচা বৰাই মৰাণৰ পৰা 'দৈনিক অগ্ৰদূত' কাকতত সেৱা আগবঢ়াই আছে। কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰা বৰাই মৰাণ সাহিত্য সভা আৰু মৰাণ প্ৰেছ ক্লাবৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ লগতে সম্প্ৰতি 'জোনাকী মেল' নামৰ সাহিত্য চৰ্চাৰ অনুষ্ঠানটোৰ নেতৃত্ব বহন কৰি আছে। মৰাণ সাহিত্য সভাৰ সম্পাদকৰ লগতে মৰাণ প্ৰেছ ক্লাবৰো দুটাকৈ কাৰ্যকালৰ সম্পাদকৰ কাৰ্য সমাধা কৰা অজিত চুতীয়াই 'অসমীয়া প্ৰতিদিন' কাকতৰ জৰিয়তে সংবাদ ক্ষেত্ৰত প্ৰৱেশ কৰে। 'অসমীয়া খবৰ'ত নিয়মীয়া সংবাদদাতা ৰূপে নিয়োজিত চুতীয়াই বৰ্তমান 'নিয়মীয়া বাৰ্তা'ত মৰাণৰ পৰা সেৱা আগবঢ়াই আছে। অৰ্ধশতাধিক স্মৃতিগ্ৰন্থ সম্পাদনা কৰা চুতীয়াৰ লেখা 'প্ৰান্তিক'ৰ লগতে কেইবাখনো কাকত-আলোচনীত প্ৰকাশ হৈছে। তেওঁ মৰাণৰ পৰা প্ৰকাশিত অধুনালুপ্ত মাহেকীয়া আলোচনী 'আৰোহণ'ও সম্পাদনা কৰিছিল। সাহিত্যকৰ্মী সুনীল গগৈও 'অসমীয়া খবৰ'লৈ মাহমৰাৰ পৰা সংবাদ প্ৰেৰণ কৰিছিল। বৰ্তমান 'মৌ-কোঁহ' নামৰ শিশু অনুষ্ঠানটোৰ সম্পাদক গগৈয়ে মৰাণ সাহিত্য সভাৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। কেইবাখনো গ্ৰন্থৰ প্ৰণেতা গগৈৰ নেতৃত্বত মৰাণত যোৱা পাঁচ বছৰে শিশু চুটি নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈ আহিছে। সমৰ ভৌমিকে মৰাণৰ পৰা 'সময় প্ৰবাহ'ত বাতৰি পৰিৱেশন কৰিছিল যদিও সম্প্ৰতি নিৰৱ। শিক্ষক মৃদুল কুমাৰ চাহুৰে 'এদিন' কাকতত বাতৰি পৰিৱেশন কৰাৰ লগতে 'চৰাইদেউ বাতৰি' নামৰ পযেকীয়া কাকতখন সম্পাদনা কৰি আছে। ৰূপজ্যোতি বৰগোঁহায়ে 'বাতাবৰণ' কাকতত মৰাণৰ পৰা একালত সংবাদ পৰিৱেশন কৰিছিল। শিক্ষক তথা কবি নৰ কুমাৰ গগৈয়ে 'দৈনিক জনমভূমি' কাকতত সংবাদ সেৱা আৰম্ভ কৰি পাছলৈ 'অসমীয়া প্ৰতিদিন কাকত'ত লেঙেৰীৰ পৰা স্থানীয় সংবাদদাতা ৰূপে সেৱা আগবঢ়াইছিল যদিও বৰ্তমান সংবাদ সেৱাৰ পৰা আঁতৰি আছে। লেঙেৰীৰ শিক্ষক মুকুট গগৈয়ে 'আমাৰ অসম' আৰু বিশিষ্ট সমাজকৰ্মী ভোলা চাংমায়ে 'দৈনিক অগ্ৰদূত' কাকতত নিয়মীয়াকৈ সংবাদ সেৱা আগবঢ়াইছিল যদিও বৰ্তমান দুয়োগৰাকী নিস্ক্ৰিয়প্ৰায়। লেঙেৰীৰ দিলীপ বৰুৱাই 'দৈনিক জনমভূমি' আৰু সঞ্জীৱ মলিয়াই 'অসমীয়া প্ৰতিদিন'ত সংবাদ পৰিৱেশন কৰি আছে। বামুণবাৰীৰ পৰা লৱৰাম মাহাত্বই 'দৈনিক জনমভূমি' কাকতলৈ বা-বাতৰি প্ৰেৰণ কৰিছিল যদিও সম্প্ৰতি আঁতৰি আছে। আনহাতে দণ্ডিনাথ বড়াই ৰাজগড়ৰ পৰা 'অসমীয়া খবৰ' আৰু 'নিয়মীয়া বাৰ্তা'ত সেৱা আগবঢ়াই আহিছে। শিক্ষক দিবাকৰ শেনছোৱাই 'দ্যা নৰ্থ ইষ্ট টাইমচ', 'দৈনিক অগ্ৰদূত' আৰু প্ৰবক্তা নিৰোদ গোঁহায়ে 'আজিৰ দৈনিক বাতৰি'ত মৰাণৰ পৰা সেৱা প্ৰদান কৰিছিল যদিও সম্প্ৰতি দুয়ো সংবাদ সেৱাৰ পৰা আঁতৰি আছে। গোঁহাই এগৰাকী জনপ্ৰিয় কবি ৰূপেও পৰিচিত। ৰাজু মিশ্ৰই 'দৈনিক পূৰ্বোদয়', 'হিন্দী খবৰ' আৰু 'ফ্ৰন্টিয়াৰ টি ভি'ত, ক্ষীৰোদ শইকীয়াই 'দৈনিক জনসাধাৰণ'ত, তপোব্ৰত গগৈয়ে

'দৈনিক অসম', 'আজিৰ দৈনিক বাতৰি', 'অসমীয়া খবৰ' আৰু 'ডি ৱাই-৩৬৫'ত, প্ৰকাশ কুৰ্মিয়ে 'দৈনিক অসম' কাকতত সংবাদসেৱা চলাই আহিছে। ২০০১ চনৰ পৰাই 'আমাৰ অসম' 'আজিৰ দৈনিক বাতৰি', 'আজিৰ বাতৰি', 'অসমীয়া খবৰ' আদি কাকতত মুক্তভাৱে সংবাদ পৰিবেশন কৰা যদু নাথ পুৰীয়ে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অধুনালুপ্ত কাকত 'দৈনিক ভূমিপুত্ৰ'ত সংবাদ পৰিৱেশন কৰাৰ পাছত সম্প্ৰতি 'অসমীয়া প্ৰতিদিন' কাকতত মৰাণৰ পৰা স্থায়ীভাৱে বিশেষ সংবাদদাতা ৰূপে সেৱা অব্যাহত ৰাখিছে। সংবাদ সেৱাৰ লগতে সাহিত্যকৰ্মী হিচাপেও পৰিচিত পুৰীৰ বিভিন্ন কাকত-আলোচনীত বহুতো লেখা ইতিমধ্যে প্ৰকাশিত হৈছে। তেওঁ ইতিমধ্যে কেইবাখনো স্মৃতিগ্ৰন্থ সম্পাদনা কৰাৰ উপৰিও মৰাণৰ পৰা প্ৰকাশিত 'আৰোহণ' নামৰ অধুনালুপ্ত আলোচনীৰ সহযোগী সম্পাদক আছিল। তেওঁ ২০১১ চনৰ ডিচেম্বৰ মাহত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় হিন্দী সঞ্চালকালয়ৰ অধীনত মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে পঞ্জাৱৰ পাটিয়ালাত অনুষ্ঠিত কৰা 'হিন্দীতৰ ভাষী হিন্দী নৱ-লেখক শিবিৰ'ত চৰকাৰী সাহাৰ্যত অংশগ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিছিল। আনহাতে মৰাণ প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক কৰুণা ফুকনে 'দৈনিক জনসাধাৰণ' কাকতত মৰাণৰ পৰা সেৱা অব্যাহত ৰাখিছে। ফুকনেও কেইবাখনো স্মৃতিগ্ৰন্থ ইতিমধ্যে সম্পাদনা কৰিছে। খোৱাঙৰ পৰা ফণী বৰগোঁহায়ে 'আমাৰ অসম', শিক্ষক দামোদৰ কালিন্দীয়ে 'দৈনিক জনমভূমি', শিক্ষক বিপিন শৰ্মাই 'অসমীয়া প্ৰতিদিন' আৰু 'দৈনিক বাতৰি', কমল লাচিতে 'দৈনিক অগ্ৰদূত', বাবুল সোণোৱালে 'দৈনিক জনসাধাৰণ', প্ৰাঞ্জল প্ৰাণ কোঁৱৰে 'অসমীয়া প্ৰতিদিন' আৰু সঞ্জীৱ কোঁৱৰে 'নিয়মীয়া বাৰ্তা'ত সংবাদদাতাৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। মৰাণ প্ৰেছ ক্লাবৰ সাংগঠনিক সম্পাদক শৰৎ শেনছোৱাই 'দৈনিক অগ্ৰদূত', 'অসমীয়া খবৰ' আৰু 'নিয়মীয়া বাৰ্তা'ত, শিক্ষক ৰঞ্জিত দিহিঙীয়াই 'দৈনিক জনসাধাৰণ'ত, সীমান্ত কুমাৰ লেখাৰুৱে 'আমাৰ অসম'ত, সুভাষ পাচাৰীয়ে 'পূৰ্বোদয়' কাকতত চেপনৰ পৰা সংবাদ পৰিবেশন কৰি সেৱা আগবঢ়াই আছে। সুজিৎ কুমাৰ চাহুৰে দিঁৰৈ ৰাঙলীৰ পৰা 'অসমীয়া খবৰ'ত সংবাদ প্ৰেৰণ কৰিছিল যদিও বৰ্তমান আঁতৰি আহিছে। আনহাতে প্ৰদীপ বৰুৱাই 'দৈনিক জনসাধাৰণ', শৰৎ ভুঞাই 'অসমীয়া খবৰ' আৰু 'নিয়মীয়া বাৰ্তা'ত, দিঁৰৈ ৰাঙলীৰ প্ৰতিনিধি ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। শিক্ষক অনন্ত কৃষ্ণ মহন্তই দিঁৰৈ ৰাঙলীৰ পৰা দীৰ্ঘদিন 'এদিন' আৰু 'দৈনিক বাতৰি' কাকতত সংবাদ পৰিবেশন কৰিছিল। আনহাতে নুৰুজ চাবুকধৰাই 'দৈনিক জনমভূমি', যোগেন ৰাইদঙীয়াই 'দৈনিক অগ্ৰদূত', জ্যোতি প্ৰসাদ চাবুকধৰাই 'নিয়মীয়া বাৰ্তা', দেৱজিৎ বৰুৱাই 'দৈনিক অসম', সত্যনাৰায়ণ বৰুৱাই 'দৈনিক বাতৰি', নিৰঞ্জন শইকীয়াই 'আমাৰ অসম'ত সংবাদ পৰিবেশন কৰি আছে। প্ৰয়াত গোবিন ওজাই মাহমৰাৰ পৰা 'অসমীয়া প্ৰতিদিন'ত সংবাদ সেৱা আগবঢ়াইছিল। দীপমজ্যোতি বৰুৱাই 'এদিন'



কাকতত মৰাণৰ পৰা সংবাদ পৰিবেশন কৰাৰ লগতে 'পূৰ্বাঞ্চল প্ৰহৰী'ত ভৰত শ্বাহ আৰু প্ৰমোদ আগৰৱালাই চেপনৰ পৰা সংবাদ প্ৰেৰণ কৰিছিল।

আনহাতে অৱসৰপ্ৰাপ্ত শিক্ষক হেম মহনে মৰাণৰ পৰা 'দ্যা নৰ্থ ইষ্ট টাইম'লৈ সংবাদ প্ৰেৰণ কৰিছিল যদিও বৰ্তমান আঁতৰি আছে। অধ্যাপক ড° অসীমাভ দত্ত 'দ্যা আসাম ট্ৰিবিউন'ত মৰাণৰ প্ৰতিনিধি ৰূপে জড়িত হৈ আছে।

শেহতীয়াকৈ মৰাণ অঞ্চলৰ কেইবাগৰাকীও যুৱকে ইলেক্ট্ৰ'নিক মিডিয়া (বৈদ্যুতিন)ত জড়িত হৈ পৰিছে। মণ্টু গগৈয়ে NE TV-ত মাৰণৰ সংবাদদাতা ৰূপে নিযুক্তি লাভ কৰি দীৰ্ঘদিন সংবাদসেৱা কৰি আছিল। সম্প্ৰতি মণ্টুৱে NE TV-ৰ পৰা আঁতৰি আহিছে। আনহাতে News Live-টিভি চেনেলটোত অমিত চৌধুৰীয়ে দীৰ্ঘদিন মৰাণৰ পৰা বা-বাতৰি পৰিবেশন কৰি আছে। প্ৰমোদ চাহু ZEE TV-ৰ লগত জড়িত হৈ আছে। অৰুণ নাগে News Time Assam, পলাশ গগৈয়ে Prime News, দেৱজিৎ গগৈয়ে Prag News আৰু বিকি সিঙে News Live ত মৰাণৰ পৰা সংবাদ পৰিবেশন কৰি আছে। দিঁৰৈ ৰাঙলীৰ যুৱক পাৰ্থজ্যোতি বৰুৱাইও কিছুদিন মৰাণৰ পৰা News Live ত সংবাদ পৰিবেশন কৰাৰ লগতে বিভিন্ন কাকত-আলোচনীত ইতিমধ্যেই বৰুৱাৰ বহু লেখা প্ৰকাশ পাইছে।

মৰাণত হোৱা সংবাদ প্ৰসাৰতা আৰু প্ৰচাৰতাৰ বাবেই ১৯৭৩ চনত মৰাণ আঞ্চলিক সংবাদিক সংস্থা, ১৯৯২ চনত, মৰাণ প্ৰেছ ক্লাব, আৰু ১৯৯৯ চনত মৰাণহাট প্ৰেছ ক্লাৱ গঠন কৰা কৰা হয়।

অতি খৰখেদাকৈ লেখাটি প্ৰস্তুত কৰোতে অজ্ঞাত বশতঃ তথা অনিচ্ছাকৃতভাৱে বহুলোকৰ নাম আৰু জড়িত কাকতৰ বা চেনেলৰ নাম বাদ পৰি যাব পাৰে। তাৰবাবে আমি সেইসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনালো।

❖❖

# অসমৰ ৰাজনৈতিক মানচিত্ৰত মৰাণ

**অৰুণ বৰুৱা**
সহকাৰী অধ্যাপক
মৰাণ মহিলা মহাবিদ্যালয়

পৰিভ্ৰমী জীৱন সামৰি মানৱ গোষ্ঠীয়ে যেতিয়াৰ পৰাই স্থায়ীভাৱে সামাজিক জীৱন আৰম্ভ কৰিলে তেতিয়াৰ পৰাই শৃংখলিতভাৱে সমাজক পৰিচালিত কৰিবলৈ নেতৃত্বৰ আৱশ্যকতা আহি পৰিল। এই নেতৃত্বৰ পৰাই এদিন ৰজা-মহাৰজা, ৰাজ্য-ব্যৱস্থাৰ সৃষ্টি হ'ল। এই গোটেই বিলাক সামৰি বিস্তৃত অৰ্থত ব্যৱহৃত হ'বলৈ ধৰিলে 'ৰাজনীতি' শব্দটো।

বৈদিক যুগৰ আৰম্ভণিৰে পৰাই অসমৰ ৰাজনৈতিক অৱস্থাৰ টুকুৰা-টুকুৰ ছবি মহাকাব্য, ইতিহাস আৰু শিলালিপিসমূহত বৰ্ণিত আছে। প্ৰাচীন কামৰূপৰ পৰা আহোমৰ ৬০০ বছৰীয়া শাসনলৈকে অসমৰ ৰাজনৈতিক বাতাবৰণৰ সবল স্থিতি ইতিহাসে ধৰি ৰাখিছে।

১২০০ খ্ৰীষ্টাব্দৰ পৰা ১৮০০ খ্ৰীষ্টাব্দলৈ চলোৱা আহোমৰ শাসন ব্যৱস্থাৰ ৰাজনৈতিক মঞ্চখন আছিল দিখৌ, দিহিং নদীয়ে বিটৌত কৰি ৰখা শিৱসাগৰত। আহোমৰ গৌৰবোজ্বল ৰাজনৈতিক শাসনৰ ইতিহাসক কোলাত লৈ অসমৰ মানচিত্ৰত সুকীয়া আসন দখল কৰি আছে শিৱসাগৰ জিলাই। সেই শিৱসাগৰ জিলাৰ আচলত ধৰি সীমামূৰত যোৱা কেইটামান দশকত এখন ঔদ্যোগিক নগৰী হিচাপে গঢ়ি উঠা মৰাণ নগৰখন



ৰাজনৈতিক দিশতো পিছপৰা নহয়।

ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সঙ্গমস্থল মৰাণে অসম তথা আৰতবৰ্ষৰ মানচিত্ৰত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথে মৰাণক দুখন জিলাত ভাগ কৰিছে আৰু পথৰ দুয়োকাষে নগৰখন গঢ়ি উঠিছে। ক্ৰমান্বয়ে ভৌগোলিক সুচলতাৰ সুযোগ লৈ বিভিন্ন কৰ্মক্ষেত্ৰৰ মানুহে নগৰখন ভৰি পৰিছে।

মৰাণে অসমৰ ৰাজনৈতিক মানচিত্ৰত ডিব্ৰুগড় জিলাৰ ১১৫ নং মৰাণ বিধান সভা সমষ্টি আৰু শিৱসাগৰ জিলাৰ ১০৫ নং মাহমৰা বিধান সভা সমষ্টিক সামৰি লৈছে।

আধুনিক সমাজ এখনৰ উন্নয়নৰ মূল আধাৰ হৈছে 'ৰাজনীতি'। সমাজৰ সামগ্ৰিক বিকাশৰ মূল চাবি-কাঠি হৈছে ৰানীতি। ৰাজনৈতিক প্ৰেক্ষাপটত মৰাণক তুলি ধৰিবলৈ যাওঁতে স্বাধীনতাৰ পৰৱৰ্তী সময়ত যিসকল ব্যক্তিয়ে ৰাজনৈতিকভাৱে আধুনিক মৰাণ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তেওঁলোকৰ বহুমূলীয়া অৱদানক স্বীকাৰ কৰিবই লাগিব। যিসকল ব্যক্তিৰ আশাসুধীয়া নিষ্ঠাৱান প্ৰচেষ্টাত আমি বৰ্তমানৰ মৰাণখন লাভ কৰিছো তেওঁলোকৰ ভিতৰত প্ৰথমে নাম ল'ব লাগিব প্ৰয়াত পূৰ্ণানন্দ চেতিয়া। তেওঁ স্বাধীনতাৰ পাছত থাওৱা সমষ্টিক প্ৰতিনিধিত্ব কৰা প্ৰথমজন বিধায়ক আছিল। তেওঁ ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে প্ৰতিনিধিত্ব কৰিছিল। উল্লেখ্য যে, সেই সময়ত বৰ্তমানৰ মাহমৰা বিধান সভা সমষ্টিৰ বহু অঞ্চল থাওৱা সমষ্টিৰ অৰ্ন্তগত আছিল। বৰ্তমানৰ বিধায়কসকলে উপভোগ কৰা সুবিধাসমূহ তেতিয়া উপলব্ধ নাছিল। তেওঁলোকে সীমিত সুবিধাৰে দায়িত্ব পালন কৰিব লগা হোৱাৰ কাৰণে সফলতা আশানুৰূপধৰণে পাব পৰা নাছিল। ইয়াৰ পাছত আহিল প্ৰয়াত দুৰ্গেশ্বৰ শইকীয়া। শইকীয়া আছিল আধুনিক মৰাণৰ অন্যতম খনিকৰ। ১৯৫৭ চনত শিৱসাগৰ জিলাৰ থাওৱা বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে তেখেতে প্ৰথম বাৰৰ কাৰণে অসম বিধান সভালৈ নিৰ্বচিত হয় আৰু ১৯৭২ চন পৰ্যন্ত একেৰাহে তিনিটা কাৰ্যকাল উক্ত সমষ্টিৰ পৰা বিধান সভাত প্ৰতিনিধিত্ব কৰে। শইকীয়াদেৱে ১৯৭০ চনত মুখ্যমন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীৰ মন্ত্ৰী সভাত গড়কাপ্তানি বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ পদ অলংকৃত কৰিবলৈ সক্ষম হৈছিল কৰ্মদক্ষতাৰে সফলতাৰ পৰিচয় দিব পাৰিছিল। ১৯৬৭ চনত সমষ্টি পুনৰ গঠন হোৱাত থাওৱা সমষ্টি ভাগ হৈ মাহমৰা আৰু থাওৱা দুটা সমষ্টিৰ সৃষ্টি হয়। নৱগঠিত মাহমৰা বিধান সভা সমষ্টিৰ প্ৰথমজন বিধায়ক আছিল প্ৰয়াত ৰত্নেশ্বৰ কোঁৱৰ ডাঙৰীয়া। তেওঁ ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈকে প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰ পাছত ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ মাহমৰা বিধান সভা সমষ্টিৰ দ্বিতীয়জন

বিধায়ক আছিল শ্ৰীযুত খগেন গঁগে। গঁগে ডাঙৰীয়াৰ দিনত মাহমৰা সমষ্টিত যথেষ্ট উন্নয়নমূলক কাম-কাজ হৈছিল। সেই কথা সমষ্টিবাসী বহু মানুহৰ মুখত শুনিবলৈ পোৱা যায়। বুদ্ধ বৰুৱাই (আৰ. চি. পি. আই.) ১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈকে এই সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। বৰুৱা ডাঙৰীয়া কামৰ মানুহ আছিল যদিও সেই সময়ত সামাজিক তথা ৰাজনৈতিক বাতাবৰণ কাম কৰাৰ কাৰণে অনুকূল নাছিল বাবে তেওঁ বিশেষ তৎপৰতা দেখুৱাব নোৱাৰিলে। একেদৰে ১৯৮৩ চনৰ অবৈধ নিৰ্বাচনত কংগ্ৰেছ দলৰ নাৰদ কমাৰ নিৰ্বাচিত হৈও ৰাইজৰ কাৰণে দায়বদ্ধতাৰে কাম কৰিব নোৱাৰিছিল। ১৯৮৫ চনত অ গ প দলৰ প্ৰয়াত চন্দ্ৰ আৰন্ধৰাই পোন প্ৰথম বাৰৰ বাবে মাহমৰা সমষ্টিৰ পৰা নিৰ্বাচনত জয়ী হৈ ৰাইজক সেৱা কৰাৰ সুবিধা পাইছিল। নৱগঠিত আঞ্চলিক দলটোৰ প্ৰতিনিধিজনে সমস্যাৰ অনুপাতে মাহমৰাবাসী ৰাইজক সন্তুষ্ট কৰিব পৰা নাছিল। যাৰ বাবে ১৯৯১ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰয়াত লক্ষীপ্ৰসাদ বৰগোঁহাইৰ হাতত পৰাজয় হয়। বৰগোঁহাই ডাঙৰীয়া মৰাণ অঞ্চলৰ স্থায়ী বাসিন্দা আছিল আৰু তেওঁ মৰাণ বাসীৰ সপোন বাস্তবায়িত কৰাত পাৰ্যমানে চেষ্টা কৰিছিল। অৱশ্যে তেওঁ ১৯৯৬ চনৰ নিৰ্বাচনত অ গ প দলৰ হিৰণ্য কোঁৱৰৰ হাতত পৰাজিত হৈছিল। সেই সময়ৰ মুখ্য মন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তৰ মন্ত্ৰী সভাত হিৰণ্য কোঁৱৰে পশু পালন বিভাগৰ ৰাজ্যিক মন্ত্ৰীত্বও লাভ কৰিছিল। সেই সময়ত আঞ্চলিক চৰকাৰখন অনাকাংক্ষিত কিছুমান সমস্যাৰ সৈতে সাঙোৰ খাই পৰাত ৰাইজৰ আস্থা উদ্বেগজনকভাৱে কমি আহিছিল। যাৰ বাবে হিৰণ্য কোঁৱৰ ডাঙৰীয়াই পাছৰ তিনিটা নিৰ্বাচনত পৰাজয় বৰণ কৰিছে। ২০০১ চনৰ পৰা ধাৰাবাহিকভাৱে প্ৰয়াত দুৰ্গেশ্বৰ শইকীয়াৰ সুযোগ্য পুত্ৰ শৰৎ শইকীয়াই তিনিটা নিৰ্বাচনত জয়ী হৈ মাহমৰা সমষ্টিক প্ৰতিনিধিত্ব কৰিছে। তেওঁ বৰ্তমান অসম চৰকাৰৰ বিত্ত বিভাগৰ সংসদীয় সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰিছে। শইকীয়াৰ নেতৃত্বত মৰাণ অন্তৰ্ভূক্ত মাহমৰা সমষ্টিয়ে অনেক সফলতা বুটলিবলৈ সক্ষম হৈছে। অনাগত দিনত মৰাণবাসী ৰাইজে তেওঁৰ পৰা মৰাণ নগৰখন অসমৰ ভিতৰতে এখন আদৰ্শ নগৰ হিচাপে প্ৰতিষ্ঠা হোৱাটো কামনা কৰিছে।

বৰ্তমান মৰাণৰ শিৱসাগৰ জিলাৰ অংশটো যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত। উল্লেখ্য যে, স্বাধীনতাৰ পাছত শিৱসাগৰৰ এটা অংশই লক্ষীমপুৰ লোকসভা সমষ্টিত ভোট দিব লগা হৈছিল। ১৯৭১ চনত বৰ্তমানৰ মুখ্য মন্ত্ৰী শ্ৰীযুত তৰুণ গগৈয়ে এই সমষ্টিৰ পৰাই তেওঁৰ ৰাজনৈতিক জীৱনৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। তিনিবাৰকৈ মু খ্যমন্ত্ৰী হোৱা গগৈ ডাঙৰীয়াই দুবাৰ যোৰহাট লোক সভা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। অসমৰ আন এজন সুযোগ্য সন্তান শ্ৰীযুত পৰাগধৰ চলিহাই ১৯৮৫ চনৰ পৰা ১৯৯১ চনলৈকে যোৰহাট লোক সভা সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। তেওঁৰ দক্ষতা আৰু



ব্যক্তিত্ব সৰ্ম্পকে অসমবাসীক নতুনকৈ চিনাকী কৰি দিয়াৰ কোনো প্ৰয়োজন নাই। কৃষ্ণ কান্ত সন্দিকৈ আছিল এগৰাকী বিখ্যাত বিদগ্ধ পণ্ডিত। তেওঁ আছিল পৃথিৱীৰ ১২/১৩ টা ভাষা জনা এজন ব্যক্তি। তেওঁৰেই এক মাত্ৰ সুযোগ্য পুত্ৰ শ্ৰীযুত বিজয় কৃষ্ণ সন্দিকৈয়ে ১৯৯১ চনৰ পৰা বৰ্তমানলৈকে একেৰাহে যোৰহাট লোক সভা সমষ্টিক প্ৰতিনিধিত্ব কৰি আহিছে। তেওঁ ইতিমধ্যে দুবাৰকৈ কেন্দ্ৰীয় মন্ত্ৰীও হৈছে।

আনহাতে মৰাণৰ বৰ্ণিল ৰাজনৈতিক ইতিহাসত বৰ্তমানৰ ১১৫ নং মৰাণ বিধান সভা সমষ্টিক যিসকলে প্ৰতিনিধিত্ব কৰাৰ সৌভাগ্য হৈছিল তেওঁলোকৰ ভিতৰত প্ৰথমজন কংগ্ৰেছ দলৰ বিজয় শইকীয়া। তেওঁ ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈকে প্ৰতিনিধিত্ব কৰিছিল। পাঁচ বছৰীয়া কাৰ্যকালৰ কাৰণে সৰ্বদলৰ হৈ প্ৰয়াত ঘনকান্ত গগৈ ডাঙৰীয়াই ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে মৰাণ সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল। গগৈ ডাঙৰীয়াৰ পাছত আহিল পদ্ম কুমাৰী গোঁহাঞি ডাঙৰীয়ানী। প্ৰয়াত গোঁহাঞি কংগ্ৰেছ দলৰ সদস্য হিচাপে ১৯৫৭ চনৰ পৰা ১৯৭২ চনলৈকে একেৰাহে তিনিটা কাৰ্যকালৰ কাৰণে নিৰ্বাচিত হৈছিল। তেওঁ একান্ত নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰাইজৰ কাৰণে সেৱা আগবঢ়াব পাৰিছিল আৰু যাৰ বাবে মৰাণ সমষ্টিৰ ৰাইজেও তেওঁক আস্থাত ল'ব পাৰিছিল। মৰাণবাসীয়ে কাহানিও পাহৰিব নোৱাৰা প্ৰয়াত তৰুণ চুতীয়া আছিল আধুনিক মৰাণ নিৰ্মাণৰ অন্যতম খনিকৰ। তেওঁ ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈকে মৰাণ সমষ্টিক কংগ্ৰেছ দলৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। উল্লেখ্য যে, সেই সময়ত জৰুৰী অৱস্থাৰ দোহাই দি বিধান সভাৰ এবছৰ কাৰ্যকাল বৃদ্ধি কৰা হৈছিল। মৰাণৰ বহুবোৰ সামাজিক অনুষ্ঠানত চুতীয়া ডাঙৰীয়াৰ স্বাক্ষৰ আজিও বিদ্যমান হৈ আছে। ১৯৭৮ চনৰ বিধান সভা নিৰ্বাচনত মৰাণবাসীয়ে কংগ্ৰেছ দলৰ প্ৰাৰ্থী শ্ৰীযুত জয়চন্দ্ৰ নাগবংশীক নিৰ্বাচিত কৰে। তেওঁ পুনৰ ১৯৮৩ চনত অবৈধ নিৰ্বাচনতো বিজয়ী হয়। ইতিমধ্যে অসম আন্দোলনে ভৰপক ৰূপ ধাৰণ কৰিছে। 'আছু'ৰ নেতৃত্বত হোৱা অসম আন্দোলনৰ প্ৰভাৱ মৰাণতো পৰিছিল। আন্দোলনৰ পৰিসমাপ্তিত অসম চুক্তি স্বাক্ষৰ হ'ল আৰু নেতৃত্ব বহনকাৰীসকলে অ গ প নামৰ আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দি নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবৰ কাৰণে মন মেলিলে। ১৯৮৫ ৰ নিৰ্বাচনী বতাহ সমগ্ৰ অসমৰ লগতে মৰাণতো অ গ পৰ সমৰ্থনত বলিছিল আৰু অ গ প দলৰ প্ৰাৰ্থী লেজাই কলাখোৱাৰ শ্ৰীযুত কিৰণ কুমাৰ গগৈয়ে বিপুল ভোটত বিজয়ী হৈছিল। অৱশ্যে অ গ পৰ এই বতাহ দীৰ্ঘদিনৰ কাৰণে বলা নাছিল। ১৯৯১ চনত হোৱা বিধান সভাৰ সাধাৰণ নিৰ্বাচনত অ গ পৰ কিৰণ কুমাৰ গগৈক হৰুৱাই কংগ্ৰেছ দলৰ প্ৰাক্তন বিধায়ক জয়চন্দ্ৰ নাগবংশীয়ে পুনৰ বিজয় সাব্যস্ত কৰিবলৈ সমৰ্থ হ'ল। নাগবংশী ১৯৯৬ চনৰ নিৰ্বাচনতো জয়ী হৈ সৰ্বাধিক সময়ৰ কাৰণে মৰাণ সমষ্টিক প্ৰতিনিধিত্ব কৰা বিধায়ক

হিচাপে পৰিগণিত হ'ল। তেওঁ নিজৰ সমষ্টিটো উন্নয়নৰ কাৰণে যথেষ্ট অৰিহণা যোগাইছিল। ২০০১ চনত হোৱা বিধান সভা নিৰ্বাচন মৰাণ সমষ্টিৰ কাৰণে বৰ গুৰুত্বপূৰ্ণ আছিল। সেইবাৰ নিৰ্বাচনত 'আছু'ৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালে অ গ প দলৰ হৈ প্ৰতিদ্বন্দিতা কৰি ৰাজনৈতিক জীৱনৰ প্ৰথমটো বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। এজন উপযুক্ত প্ৰাৰ্থীক বিধায়ক হিচাপে পাই মৰাণবাসীয়েও গৌৰৱ অনুভৱ কৰিছিল। অৱশ্যে সেণোৱালে বিধায়ক জীৱনৰ পাঁচ বছৰ কাৰ্যকাল পূৰণ কৰিবলৈ নাপালে। ২০০৪ চনৰ লোক সভা নিৰ্বাচনত ডিব্ৰুগড় সমষ্টিৰ পৰা জয়ী হৈ বিধায়ক পদ ত্যাগ কৰিবলৈ বাধ্য হয়। যাৰ পৰিণতিত ২০০৪ চনত মৰাণ বিধান সভা সমষ্টিত উপ নিৰ্বাচন অনুষ্ঠিত কৰিব লগা হৈছিল। সেই সময়ত দিছপুৰৰ কংগ্ৰেছ চৰকাৰখনে এই উপ নিৰ্বাচনটোক আত্ম সন্মানৰ প্ৰশ্ন হিচাপে বিবেচনা কৰি গোটেই মন্ত্ৰী সভাখনেই আহি মৰাণত থাহৰ পাতিছিল আৰু পৱনসিং ঘাটোৱাৰৰ সুযোগ্য পত্নী জীৱনতাৰা ঘাটোৱাৰক জয়ী কৰাত সহায় কৰিছিল। শ্ৰীমতী ঘাটোৱাৰে বিজয়ৰ ধাৰা ধাৰাবাহিকভাৱে অক্ষুন্ন ৰাখিছে। তেওঁ বৰ্তমান অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ সংসদীয় সচিবৰ দায়িত্বও বহন কৰি আছে।

আনহতে মৰাণ অন্তৰ্গত ডিব্ৰুগড় লোক সভা সমষ্টিৰ পৰা বৰ্তমানলৈকে যি কেইজন সাংসদে প্ৰতিনিধিত্ব কৰিছে তেওঁলোকৰ ভিতৰত প্ৰথমজন আছিল প্ৰয়াত যোগেন্দ্ৰ নাথ হাজৰিকা। হাজৰিকাই ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈকে একেৰাহে চাৰিবাৰ কংগ্ৰেছ দলৰ হৈ এই সমষ্টিটোক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ এজন সমাজ হিতৈষী ব্যক্তি আছিল। ১৯৭১ চনত কংগ্ৰেছ দলৰ ৰবিন্দ্ৰ নাথ কাকতি ডিব্ৰুগড় লোক সভা সমষ্টিৰ সাংসদ হিচাপে নিৰ্বাচিত হয়। প্ৰয়াত কাকতি ডাঙৰীয়াৰ অৱদানৰ সম্পৰ্কেও সমষ্টিবাসী ৰাইজৰ মুখত শুনিবলৈ পোৱা যায়। ইয়াৰ পাছৰজন সাংসদ আছিল শিক্ষাবিদ হৰেণ ভূমিজ। তেওঁ ১৯৮৫ চনৰ পৰা ১৯৯১ চনলৈ প্ৰতিনিধিত্ব কৰিছিল। ভূমিজ ডাঙৰীয়া বৰ তীক্ষ্ণ বুদ্ধিৰ ব্যক্তি আছিল। ১৯৯১ চনৰ পৰা শ্ৰমিক নেতা পৱনসিং ঘাটোৱাৰে ডিব্ৰুগড় লোক সভা সমষ্টিৰ পৰা নিজৰ ৰাজনৈতিক জীৱনৰ সফলতা অপ্ৰতিৰোধ্য কৰি ৰাখিছে। অৱশ্যে ২০০৪ চনৰ নিৰ্বাচনত অ গ পৰ সৰ্বানন্দ সোণোৱালৰ হাতত প্ৰথম বাৰৰ কাৰণে ধাৰাশায়ী হ'বলৈ বাধ্য হৈছিল। পিছে ২০০৯ চনৰ নিৰ্বাচনত ঘাটোৱাৰ পুনৰ নিৰ্বাচিত হয়। মৰাণৰ ৰাজনৈতিক ইতিহাস ড° দয়ানন্দ বৰগোঁহাইৰ নাম ন'ললে নিশ্চয় সম্পূৰ্ণ নহয়। মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক গৰাকীয়ে ইতিমধ্যে দুবাৰকৈ মৰাণ বিধান সভা সমষ্টি আৰু এবাৰ যোৰহাট লোক সভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰি পৰাজয় বৰণ কৰিছে। মৰাণৰ ৰাজনৈতিক জগতৰ এই ট্ৰেজিক ব্যক্তি গৰাকীযে সুযোগ পালে এতিয়াও মৰাণক



প্ৰতিনিধিত্ব কৰাৰ আশা পুঁহি ৰাখিছে। নিশ্চয় মৰাণবাসীয়ে তেওঁৰ আশা এদিন পূৰণ কৰিব।

অসমৰ ৰাজনৈতিক মানচিত্ৰত মৰাণে কেতবোৰ ব্যতিক্ৰমী চৰিত্ৰ বহন কৰিছে। এই সৰু মফচলীয়া চহৰখনত বৰ্তমান চাৰিজন বিধায়কৰ স্থায়ী বাসস্থান। তেও লোক হ'ল মাহমৰা সমষ্টিৰ শৰৎ শইকীয়া, থাওৰা সমষ্টিৰ সুশান্ত বৰগোঁহাই, মৰাণ সমষ্টিৰ জীৱনতাৰা ঘাটোৱাৰ আৰু টিংখাং সমষ্টিৰ এতুৱা মুণ্ডা। ইয়াৰে দুজন আকৌ সংসদীয় সচিবো। সেই সূত্ৰে মৰাণক মিনি দিছপুৰ আখ্যা দিয়া হয়। তাৰোপৰি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ শক্তিশালী মন্ত্ৰীজনৰ ঘৰো মৰাণৰ মাজ-মজিয়াতে। তেওঁ উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী। ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদজনে ইয়াৰ আগতেও মন্ত্ৰী হৈছিল কিন্তু ডিব্ৰুগড় বা মৰাণবাসীৰ ৰাজনৈতিক আশা-আকাংক্ষা বিশেষ পূৰণ কৰিব পাৰিছে বুলি একে আষাৰতে ক'ব নোৱাৰি। বিজয় কৃষ্ণ সন্দিকৈও একে দপ্তৰৰে প্ৰতাপী মন্ত্ৰী আছিল। তেওঁ মৰাণবাসীকো প্ৰতিনিধিত্ব কৰে। পিছে মৰাণবাসী ৰাইজৰে দুৰ্ভাগ্য যে, তেওঁক বছৰ বছৰ ধৰি দেখাই নাপায়। পৰিশেষত ইয়াকে ক'ব বিচাৰো যে, মৰাণক সময় থাকোতেই এখন মডেল টাউন হিচাপে গঢ়ি তোলক। এইয়াই মৰাণবাসীৰ চিৰ আকাংক্ষা। ৰাইজৰ আকাংক্ষাক আমাৰ জনপ্ৰনিধিসকলে গুৰুত্ব দিয়ক। তেতিয়াহে অসম তথা ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত মৰাণ সদায় উজ্বলি থাকিব।

*বিঃ দ্ৰঃ - লেখাটো প্ৰস্তুত কৰোতে কেইবাজনো জ্যেষ্ঠ ব্যক্তিৰ সহায় লোৱা হৈছিল। তেওঁলোকৰ ওচৰত কৃতজ্ঞ। অনিচ্ছাকৃত ভুলৰ বাবে দুঃখিত।*

❖❖

# মৰাণৰ সঙ্গীত জগত ঃ এক অৱলোকন

**জয়ালক্ষ্মী দত্ত দুৱৰা**
বিষয় শিক্ষয়িত্ৰী
মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়

(এক)

মানৱ প্ৰাণৰ উৎকৃষ্টতম সৃষ্টি হৈছে সঙ্গীত। চৌষষ্টি কলাৰ ভিতৰত এই কলাই মানৱ জীৱন কৰি তোলে মধুময়, আৱেগময়, শান্তিময় আৰু প্ৰাণময়। প্ৰাণত সঞ্চাৰ কৰে নৱপ্ৰেৰণা। মৰাণৰ সঙ্গীতৰ পথাৰখনো সময়ে সময়ে ন ন কঠীয়াই প্ৰাণৱন্ত আৰু সঁজাল কৰি আহিছে।

মৰাণ এখনি সীমিত সুবিধা থকা নগৰ। সঙ্গীতৰ প্ৰতিভাসমূহক বিকশাই বিশ্ব আকাশ জিলিকাই তুলিবলৈ যিমানখিনি সুবিধা আৰু উপাদানৰ প্ৰয়োজন সেইখিনিৰ অভাৱ অতীজতে মৰাণত অতি বেছিকৈ পৰিলক্ষিত হৈছিল। তথাপি নিজস্ব সংস্কৃতিৰ প্ৰতি আগ্ৰহী, স্বকীয় পৰম্পৰাক ৰক্ষা কৰিবলৈ তৎপৰ, মৰাণবাসীয়ে সঙ্গীতৰ উন্নতি আৰু বিকাশৰ বাবে যথেষ্ট কষ্টসাধ্য চেষ্টা কৰি আহিছে।

(দুই)

**মৰাণত সঙ্গীত চৰ্চাৰ ইতিহাস ঃ**

মৰাণত সঙ্গীত চৰ্চাৰ ইতিহাস ঐতিহ্যমণ্ডিত আৰু চিৰন্তন। মৰাণ অঞ্চলত প্ৰাচীন কালৰে পৰা কীৰ্ত্তন ঘোষাৰ সুৰ পৰম্পৰাগতভাৱে মৰাণবাসীৰ মুখে মুখে চৰ্চিত হৈ আহিছে। কীৰ্ত্তন ঘোষা পুথিখিনিও আৰম্ভণিৰে পৰা শেষ পৰ্যন্ত ঘোষা, পদ, দুলড়ি, ছবি, লেচাৰী আদি বিভিন্ন ছন্দৰ অধ্যায়বোৰ নিৰ্দিষ্ট সুৰত বন্ধা হেতুকে এইবোৰেৰে কীৰ্ত্তন পাঠ অনুস্থানক এক বিশেষ সাংগীতিক মৰ্যাদা প্ৰদান কৰিছে। শাস্ত্ৰ পাঠ কৰি শ্ৰোতা-ভক্তক বিমল আনন্দ প্ৰকাশ কৰিব পৰা মৰাণ আৰু মৰাণৰ দাঁতিকাষৰীয়া গাওঁ অঞ্চলৰ উল্লেখযোগ্য ব্যক্তিসকল আছিল থুলেশ্বৰ গোস্বামী, লক্ষেশ্বৰ হাতীবৰুৱা, ভদ্ৰেশ্বৰ শৰ্মা, প্ৰেমানন্দ বৰুৱা, পৃথু মেধি, ধন চুতীয়া, কাশীৰাম গগৈ, ধৰ্মকান্ত শইকীয়া, শশী নেওগ, সোণাৰাম চুতীয়া, তীৰ্থ চুতীয়া, সোণেশ্বৰ দত্ত, তনুৰাম বৰা, বলোৰাম বৰা, মাণিক দত্ত আৰু মিনাৰাম হাজৰিকা আৰু বিশেষজন থাকিলেও বিদিত নহয়। প্ৰয়াত কুমুদ গোঁহাইৰ বাঁহীৰ সুৰেৰে ৰাইজৰ হৃদয় প্ৰশান্ত কৰিছিল। প্ৰয়াত চিত্ৰ ফুকনৰ হাৰমনিয়ামৰ সুৰেৰে তন্ময় কৰিছিল মানৱ মন, লগৰে তেওঁ নৱ প্ৰজন্মক দিয়া সঙ্গীতৰ শিক্ষা আছিল মৰাণ সঙ্গীত জগতৰ উল্লেখযোগ্য আৰু প্ৰেৰাণদায়ক স্মৃতি।



(তিনি)

**মৰাণৰ সঙ্গীত শিক্ষাৰ অনুষ্ঠান ঃ**

(১) মৰাণ সঙ্গীতালয় ঃ যোৱা চাৰি দশক জুৰি 'মৰাণ সঙ্গীতালয়' অনুষ্ঠানটিয়ে মৰাণত সঙ্গীত চৰ্চাৰ পৰিবেশ সৃষ্টি কৰি আহিছে। যিটি মৰাণৰ খগেন্দ্ৰনাথ ভাগৱতী, শ্ৰীযুত দ্বিজেন গোহাঁই, হৰেশ ফুকন, প্ৰয়াত কুমুদ গোহাঁই, প্ৰয়াত ৰাজকুমাৰ আগৰৱালা, ললিত হাজৰিকা ইত্যাদি সঙ্গীতপ্ৰেমী ব্যক্তিৰ কষ্ট আৰু প্ৰচেষ্টাত সঙ্গীত চৰ্চাৰ ভেটি হিচাপে গঢ়ি উঠিছিল। এই অনুষ্ঠানটিয়ে মৰাণৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীক প্ৰণালীবদ্ধভাৱে শাস্ত্ৰীয় সঙ্গীত আৰু তবলাৰ শিক্ষা দিয়াত অনবদ্য অৱদান আগবঢ়াই আহিছে। অসমৰ প্ৰতিষ্ঠিত সঙ্গীত সাধক প্ৰয়াত প্ৰহ্লাদ কুমাৰ দাসৰ প্ৰশিক্ষণেৰে গঢ়ি উঠিছিল মৰাণ সংগীতালয়। পিছৰ স্তৰত তেখেতৰ সহযোগী প্ৰশিক্ষক আছিল প্ৰয়াত বুধিন হাজৰিকাদেৱ। এই অনুষ্ঠানৰ যোগেদি শাস্ত্ৰীয় সংগীতত ক্ৰমান্বয়ে নীনা গোহাঁই, ৰূপাঞ্জলি শইকীয়া, ইন্দিৰা মজুমদাৰ, ঈষিতা মজুমদাৰ, হেপী শইকীয়া, দীপালীমা দুৱৰা, ৰূপানীমা দুৱৰা, সপোনদ্বীপ ভাগৱতী, স্বৰ্ণালী গগৈ, ৰঞ্জিতা দেৱী, ঝুমা ভাওয়াল, স্মৃতি ডেকা, শাশ্বতী দে আৰু তেজস্বী দুৱৰাই আৰু তবলাত ক্ৰমে ডৰথী শইকীয়া, মিনাকমল ফুকন আৰু বিপ্লৱ দুৱৰাই বিশাৰদ উপাধি গ্ৰহণ কৰে। বৰ্তমান এই বিদ্যালয়ৰ পৰিচালক হিচাবে সঙ্গীতপ্ৰেমী কেশৱানন্দ দুৱৰা অধিষ্ঠিত হৈ আছে আৰু শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষক হিচাপে ৰূপাঞ্জলি শইকীয়া আৰু দীপালীমা দুৱৰাই, তবলাত মিনাকমল ফুকন আৰু ডৰথী শইকীয়াই সেৱা আগবঢ়াইছে। মৰাণৰ সঙ্গীতৰ প্ৰশিক্ষকসকল দুৰণিৰ পৰা আহিলেও বৰ্তমান সঙ্গীতৰ শিক্ষাদানৰ বাবে মৰাণৰে সঙ্গীতৰ বিশাৰদ থকাটো মৰাণৰ বাবে গৌৰৱোজ্জ্বল দিশ।

(২) মৰাণত নৃত্যশিক্ষা ঃ ষাঠিৰ দশকৰ প্ৰথম ভাগত 'মৰাণ সংগীতালয়'ৰ প্ৰতিষ্ঠা হোৱাৰ পিছতহে মৰাণত আনুষ্ঠানিক নৃত্যশিক্ষা আৰম্ভ হয়। সৰ্বপ্ৰথমে ডিব্ৰুগড়ৰ অনিমা বৰুৱাক নৃত্যৰ শিক্ষয়িত্ৰী স্বৰূপে নিয়োগ কৰা হয়। এইগৰাকী শিক্ষয়িত্ৰীয়ে দশাৱতাৰ, বড়ো বাগৰুম্বা আৰু নগা নৃত্যৰ প্ৰশক্ষিণ দিয়ে। ইয়াৰ পিছত ৰঞ্জনা বৰদলৈয়ে পতাকা নৃত্যৰ আৰু নৰেণ দাসে বন্দনা নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰে। ছাত্ৰীসকল আছিল- নমিতা ভাগৱতী, শুভ্ৰা ভাগৱতী, ৰঞ্জিতা শৰ্মা, শান্তা ভাগৱতী, জ্যোতি শৰ্মা, ৰূপা শৰ্মা আৰু জয়া দাস। সঙ্গীতালয়ত এসময়ত ৰাখাল শৰ্মায়ো নৃত্যশিক্ষা প্ৰদান কৰিছিল। ষাঠিৰ দশকতেই স্বনামধন্য নৃত্যশিল্পী যতীন গোস্বামী আৰু কমলা গোস্বামীৰ পৰিচালনাত সত্ৰীয়া নৃত্য শিক্ষণৰ শুভাৰম্ভ হৈছিল। সত্ৰীয়া নৃত্যৰ শিক্ষণৰ লগতে 'উষা পৰিণয়' নামৰ নৃত্য-নাটিকাখনিৰ শিক্ষা এক প্ৰশংসনীয় পদক্ষেপ আছিল। প্ৰফুল্লপ্ৰাণ মহন্ত আৰু ভোলা হাজৰিকাই গোপী নাচৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও 'পাৰিজাত হৰণ' আৰু 'ৰুক্মিণী হৰণ' নৃত্য-নাটিকাৰ প্ৰশিক্ষণ দি সত্ৰীয়া নৃত্যৰ ধাৰাক সজীৱ আৰু সুন্দৰ কৰি তুলিছিল। উক্ত প্ৰশিক্ষকসকলৰ তত্বাৱধানত প্ৰশিক্ষণ লোৱা প্ৰশিক্ষাৰ্থীসকল আছিল- দীপালী চুতীয়া ফুকন, শিখা ভাগৱতী, প্ৰণতি ভাগৱতী, নমিতা ভাগৱতী, শান্তা ভাগৱতী, মিতা দেৱ, লীনা গোহাঁই, জয়া দাস, বিজয়া দাস, ৰূপা শৰ্মা, জ্যোতি শৰ্মা, ৰঞ্জিতা শৰ্মা, আনোৱাৰ কোম, ৰুণজোন ভাগৱতী, পূৰ্ণিমা দিহিঙ্গীয়া, ৰুবি দুৱৰা, অৰ্চনা ফুকন, সঙ্গীতা ফুকন, ৰাণু গগৈ, হোস্না বেগম, হাস্না বেগম, বিউটি বেগম, মীনা ফুকন, ভাৰতী ভাগৱতী ইত্যাদি। উল্লেখযোগ্য ইয়াৰে মৰাণত প্ৰথম মহিলাৰ সূত্ৰধাৰী নৃত্য দীপালী চুতীয়া ফুকনে প্ৰদৰ্শন কৰিছিল। হাস্না বেগমে তেতিয়াই জয়সাগৰ কলেজত প্ৰয়াত পৰাগধৰ চলিহাদেৱৰ তত্বাৱধানত বৰগীত শিকি পৰিবেশন কৰিছিল। সেই সময়তে মৰাণৰ সঙ্গীতা ফুকনেও গীত পৰিবেশন কৰি ৰাইজক মনোৰঞ্জিত কৰিছিল। এসময়ত মৰাণত নৃত্যৰ শিক্ষা বীণা বৰগোহাঁই আৰু নাজমা (কমু) বেগমে আগবঢ়াই নৃত্যৰ জগতক আগবঢ়াই নিছিল।

মৰাণৰ সঙ্গীত জগতক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুণসাগৰ দিহিঙ্গীয়াৰো অৱদান উল্লেখনীয়। তেখেতে নৃত্যত, খোলত বোল দিয়াৰ লগতে ঝুমুৰ নৃত্যৰ প্ৰশিক্ষণ দিছিল। শিক্ষাবিদ দ্বিজেন গোঁহাই আৰু তৰুণ ককাতীয়ে এসময়ত আলোক সন্ধানী মইনা পাৰিজাতৰ সমদল গীতৰ প্ৰশিক্ষণ দিছিল। দ্বিজেন গোঁহাইয়ে বেহেলাৰ সুৰেৰেও মানুহৰ মন আপ্লুত কৰিছিল। প্ৰয়াত চিত্ৰ ফুকনৰ লগতে ব্ৰজেন ফুকনে নৱ প্ৰজন্মক গীত-মাত শিকাইছিল, নিজেও সময়ে সময়ে গীত-মাত পৰিবেশন কৰি আহিছে। যাৰ নামৰ অবিহনে মৰাণৰ সংগীত জগত অসম্পূৰ্ণ। সুৰ, গীত, বাদ্যৰে যি নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে, সমদল গীতৰ শিক্ষা দিছে, নাটকতো সফল সঙ্গীত পৰিচালনা



কৰিছে- সেইজন হৈছে ড° অনিল শইকীয়া। তেখেতে সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত নাটকত সঙ্গীত পৰিচালনা কৰাৰ উপৰিও তেখেতৰ তত্বাৱধানত দিল্লীলৈ যোৱা বিহু নৃত্যৰ দলটিয়ে আৰু বিশেষভাৱে শিল্পী প্ৰদীপ গগৈয়ে কাঁহি ঘূৰোৱা নৃত্যৰ যোগেদি ভাৰতীয়ৰ সমাদৰ লভিবলৈ সক্ষম হৈছে। মৰাণৰ বৰ্তমান বৰবিহুৱতী, বিহুৱতী প্ৰতিযোগিতাত পুৰস্কাৰ লভিবলৈ সক্ষম হোৱাসকলৰ ভিতৰত ডেইজী গগৈ, পঞ্চমী দুৱৰা, সম্প্ৰীতি গগৈ, প্ৰণামী গগৈ, সম্প্ৰীতি কোঁৱৰৰ নাম উল্লেখযোগ্য। সভাই সমিতিয়ে সত্ৰীয়া নৃত্য আৰু সৃষ্টিমুলক নৃত্যৰে ৰাইজক মনোৰঞ্জন দিবলৈ সক্ষম হোৱা, বিভিন্ন প্ৰতিযোগিতাত পুৰস্কাৰ লভি মৰাণলৈ সুখ্যাতি কঢ়িয়াই অনাসকলৰ ভিতৰত সৰ্বশ্ৰী গীতাক্ষা ডেকা, সুস্মিতা শৰ্মা, অনন্যা বৰা, সম্প্ৰীতি গগৈ, মেঘালী চুতীয়া, কৰবী চুতীয়া, আৰাধিতা দত্ত, প্ৰিয়ংকা বৰুৱা আৰু বৈশালী বুঢ়াগোঁহাই অনন্য।

মৰাণহাটত শঙ্কৰী সংস্কৃতিৰ বিকাশত ৰাম মহন্তৰ অৱদান অপৰিসীম। তেখেতে আৰু লক্ষী চুতীয়াই সহযোগী হিচাপে খোলবাদ্য, জ্যোৎস্না মহন্তই গীতেৰে বহু অনুষ্ঠানত ঝুমুৰা, সুত্ৰধাৰী, ৰাসনৃত্য পৰিবেশন কৰাইছিল। মৰাণ 'অইল ইণ্ডিয়া লিমিটেড'ৰ কৰ্মচাৰীসকলেও তেখেতসকলে প্ৰতিষ্ঠা কৰা বিদ্যালয়ৰ যোগেদি শাস্ত্ৰীয় সংগীত, সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণৰ যোগেদি নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিছে। অসমৰ প্ৰখ্যাত সঙ্গীতজ্ঞসকলৰ গীতৰ ওপৰত অতি সংবেদনশীল আৰু সময়োপযোগী সৃষ্টিশীল নৃত্য ৰচনা আৰু প্ৰশিক্ষণ দিয়াত মৰাণৰ মণিমা শৰ্মাৰ নাম উল্লেখযোগ্য।

(৩) সঙ্গীত সত্ৰঃ ১৯৮৬ চনত শঙ্কৰী সংগীতৰ শিক্ষাদানৰ উদ্দেশ্যে 'সংগীত সত্ৰ' নামেৰে এখনি বিদ্যালয় প্ৰতিষ্ঠা হ'ল। মৰাণ মিলিত শিল্পী সমাজৰ গুণী কাৰ্যকৰ্তাসকলৰ অন্যতম অৰুণ শইকীয়া, ডাঃ প্ৰতাপ শৰ্মা, লক্ষী চুতীয়া, ড° অনিল শইকীয়া, হাদি মুস্তাক হুছেইন, হেম বৰা, সুৰেন গগৈ ইত্যাদি ব্যক্তিৰ কষ্টলব্ধ সাধনা আৰু সাহসৰ পৰিণতিস্বৰূপে আৰম্ভ হ'ল অসমীয়া সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ সত্ৰীয়া সংস্কৃতিৰ প্ৰণালীবদ্ধ শিক্ষা অনুষ্ঠান। এই বিদ্যালয়ৰ শিক্ষা আৰম্ভ হ'ল কমলাবাৰী সত্ৰৰ প্ৰশিক্ষক ভোলাৰাম ভূএগ, নৰেন গায়ন (খাটনিয়াৰ) বৰগায়ন, ৰমেন নেওগ, নৰহৰি শইকীয়া ইত্যাদি গুৰুসকলৰ পদধূলি শিৰত লৈ, তেখেতসকলৰ সফল প্ৰশিক্ষণ, চৰম ত্যাগ আৰু কষ্টৰ বিনিময়ত গুৰু দুজনাৰ বৰগীত নৃত্যৰে আজি মৰাণ সমৃদ্ধ। উক্ত বিদ্যালয়ৰ পৰা বৰগীতত প্ৰথম বিশাৰদ (গুণীন) ডিগ্ৰীধাৰী ছাত্ৰীসকল হৈছে ইন্দ্ৰানী বৰগোঁহাই, বন্দনা শৰ্মা, লিপি বৰুৱা, অৰুণিমা দত্ত আৰু জয়ালক্ষ্মী দত্ত দুৱৰা। ইয়াৰ ভিতৰত জয়ালক্ষ্মী দত্ত দুৱৰাই অসম সাহিত্য সভাৰ শিৱসাগৰ আৰু ডিব্ৰুগড় অধিৱেশনত আমন্ত্ৰিত শিল্পী হিচাপে অংশগ্ৰহণ কৰাৰ সু বিধা পোৱাৰ উপৰিও ডিব্ৰুগড় দূৰদৰ্শনৰ প্ৰথম বৰগীতৰ শিল্পী হিচাপে স্বীকৃত হ'বলৈ সক্ষম হৈছে। এই বিদ্যালয়ৰ

পৰা সত্ৰীয়া নৃত্যত প্ৰথম বিশাৰদ সৰ্বশ্ৰী ভাৰতী গগৈ, মনশ্ৰী শইকীয়া, ডেইজী গগৈ, শুভলক্ষ্মী বৰগোঁহাই, আনমনা শৰ্মা, কৰবী চুতীয়া, গীতাক্ষী ডেকা, সান্তনা চেতিয়াই লাভ কৰে। ইয়াৰ ভিতৰত মনশ্ৰী শইকীয়াই 'ইউনাটেড স্কুল অৰ্গেনাইজেচন'ত সৰ্বভাৰতীয় শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত সূত্ৰধাৰী নৃত্যত পঞ্চম স্থান অধিকাৰ কৰি মৰাণলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই বিদ্যালয়ত বৰ্তমানলৈকে বহু প্ৰশিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি সত্ৰীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি তুলিছে।

২০০৭ বৰ্ষৰ পৰা মৰাণ সংগীত সত্ৰৰ পৰা বৰগীতত মিনতি ৰাজখোৱা, পূৰ্ণিমা বৰা, বিমলা বৰুৱা, কংকণা বৰুৱা, মনীষা দত্ত আৰু নিতু বৰুৱাই বৰগীতত বিষাৰদ সন্মানেৰে বিভূষিত হৈছে। ডিব্ৰুগড়ত প্ৰতিষ্ঠিত কণ্ঠশিল্পী ৰামকৃষ্ণ মুখাৰ্জী আৰু তবলা বাদ্যৰ শিক্ষক মলয় দেৰ ওচৰতো ঘৰুৱা পৰিবেশত মৰাণৰ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে শাস্ত্ৰীয় সঙ্গীত আৰু তবলাৰ শিক্ষা গ্ৰহণ কৰি আছে আৰু সঙ্গীতত অগ্ৰগতি লভিবলৈ সক্ষম হৈছে। এই পৰিবেশত শাস্ত্ৰীয় সংগীতত বিশাৰদ উপাধি গ্ৰহণ কৰিবলৈ সক্ষম হোৱা ছাত্ৰীসকল হৈছে - অৰুণিমা গগৈ, লনী গোঁহাই, সুৰভি চুতীয়া ইত্যাদি। উল্লেখযোগ্য যে সুৰভি চুতীয়াই নাটকৰ গীতেৰে মন মোহাৰ উপৰিও বিভিন্ন ঠাইত অনুষ্ঠিত সঙ্গীত প্ৰতিযোগিতাতো শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ পুৰস্কাৰ লভিবলৈ সক্ষম হৈছে।

(৪) অন্যান্য সংগীত বিদ্যালয়ঃ সময় বাগৰিল। মৰাণত অনেক সঙ্গীত শিক্ষাৰ অনুষ্ঠানে বৰ্তমান গা কৰি উঠিছে। সেইবিলাকৰ ভিতৰত উৎপল গগৈ আৰু ত্ৰৈলোক্য লাহনৰ প্ৰযত্নত 'ৰেষ্টাৰ্ণ মিউজিক একাডেমী', ফৰিদ আহমেদৰ তত্বাৱধানত 'মিউজিক ডেন', মীৰা কোঁৱৰৰ তত্বাৱধানত 'সৰস্বতী কালচাৰেল চেণ্টাৰ', শুভ্ৰজ্যোতি মহনৰ প্ৰযত্নত 'ললিত একাডেমী', ৰঞ্জিতা শৰ্মাৰ তত্বাৱধানত 'গন্ধৰ্ব সঙ্গীত বিদ্যালয়', সপোনদ্বীপ ভাগৱতীৰ তত্বাৱধানত 'ভাতখাণ্ডে কলাকেন্দ্ৰ', অঞ্জলি চেতিয়াৰ তত্বাৱধানত 'অঞ্জলি ডেন্স একাডেমী' (যি অনুষ্ঠানৰ প্ৰশিক্ষাৰ্থীয়ে উৰিষ্যাত আমন্ত্ৰণক্ৰমে নৃত্য প্ৰদৰ্শন কৰি সমাদৰ লাভ কৰিছে), মেঘালী চুতীয়াৰ প্ৰচেষ্টাত 'পুষ্পাঞ্জলি নৃত্য একাডেমী' কবিতা গগৈৰ তত্বাৱধানত 'নুপুৰ নৃত্য অনুষ্ঠান' শৌভিক দাসৰ প্ৰযত্নত 'সৃষ্টি' আৰু ভাৰতী গগৈৰ তত্বাৱধানত 'সংগীত ভাৰতী' ইত্যাদিৰ নাম উল্লেখযোগ্য। যিবিলাক অনুষ্ঠানৰ যোগেদি গীত, নৃত্য, বাদ্যৰ প্ৰশিক্ষণেৰে নৱ প্ৰজন্মই সঙ্গীতৰ জোনাকী বাটেদি আগবাঢ়ি যাবলৈ সক্ষম হৈছে আৰু নতুন নতুন শিল্পীৰ সৃষ্টিৰে মৰাণ মুখৰিত হৈছে।

(চাৰি)

**মৰাণৰ কেইগৰাকীমান কণ্ঠশিল্পী ঃ**

১৯৩৬ চনতেই মেগাফোন কোম্পানীত প্ৰেমানন্দ বৰুৱাই কবি গণেশ গগৈৰ তিনিটি আৰু সাহিত্যিক নকুল ভূএগ্রৰ এটি গীত নিজে সুৰ দি নিজৰ কণ্ঠত বাণীবদ্ধ



কৰিছিল, সেইজনা ব্যক্তি জীৱনৰ শেষৰ ফালে মৰাণত বসবাস কৰিবলৈ লোৱাটো মৰাণৰ বাবে গৌৰৱৰ কথা। তেখেতৰ বাণীবদ্ধ কৰা গীতকেইটা হ'ল- (১) 'কৈ যোৱা কৈ যোৱা বাতৰি কলিয়াৰ.....' (ৰেকৰ্ড নং J.M.G. 5029 গীতৰ কথা - নকুল ভূএগ্রা, সুৰ -প্ৰেমানন্দ বৰুৱা), (২) 'মাধৱৰ শিৰতে ময়ুৰ কিৰীটি...... (কথা - গণেশ গগৈ, সুৰ - প্ৰেমানন্দ বৰুৱা), (৩) 'নিলাজী পদুমী ........' (৪) চ'তত নলগাবি নাও ......... (কথা - গণেশ গগৈ, সুৰ - প্ৰেমানন্দ বৰুৱা)।

প্ৰেমানন্দ বৰুৱাৰ পৰম বান্ধৱ লক্ষী সন্দিকৈয়ে ক্ল'ৰনেট আৰু বেহেলাৰ সুৰেৰে শ্ৰোতাক আপ্লুত কৰিছিল। কুমুদ গোহাঁইৰ বাঁহীৰ সুৰেৰে ৰাইজৰ হৃদয় প্ৰশান্ত কৰিছিল। চিত্ৰ ফুকনৰ হাৰমনিয়ামৰ সুৰেৰে তন্ময় কৰিছিল মানৱ মন, লগতে তেওঁৰ নৱ প্ৰজন্মক দিয়া সঙ্গীতৰ শিক্ষা আছিল মৰাণৰ সঙ্গীত জগতৰ উল্লেখযোগ্য আৰু প্ৰেৰণাদায়ক স্মৃতি।

শঙ্কৰে সিঁচে নামৰ কঠিয়া...... (ভুপেন হাজৰিকাই কণ্ঠদান কৰা) এই গীতটিৰে অসমৰ সঙ্গীত জগতত জনপ্ৰিয়তা লাভ কৰা শিল্পী ৰসানন্দ গগৈ মৰাণৰে সন্তান। মৰাণৰ জীয়ৰী আৰু বোৱাৰী মনোৰমা দত্ত বুঢ়াগোঁহাইয়ে অনাতাঁৰ যোগে বৰগীতৰ আৰু আধুনিক গীত প্ৰচাৰ কৰি সুখ্যাতি অৰ্জন কৰিছে। অনাতাঁৰযোগে গীত প্ৰচাৰ কৰি মৰাণৰ জীয়ৰী শ্ৰীযুতা নীনা গোঁহাইয়ে শ্ৰোতাক মনোৰঞ্জিত কৰিবলৈ সক্ষম হৈছে। শিল্পী জিতু বৰঠাকুৰে অনাতাঁৰ যোগে গীত প্ৰচাৰ কৰি সাফল্য আৰ্জন কৰিবলৈ সক্ষম হৈছে। মৰাণৰ সুপৰ্ণাদেৱে অনাতাঁৰযোগে ৰবীন্দ্ৰ সংগীত প্ৰচাৰ কৰি শ্ৰোতাক মুগ্ধ কৰিছে। অন্য এক অনাতাঁৰ শিল্পী নন্দিনী শৰ্মাৰ কণ্ঠ মাধুৰ্যই শ্ৰোতাক আপ্লুত কৰিছে। বিভিন্ন অনুষ্ঠানত গীতেৰে প্ৰশংসা লাভ কৰাসকলৰ ভিতৰত তুফান সিং তামাং, ৰাজেন সিং তামাং, প্ৰশান্ত চমুৱা, বিমল মিত্ৰ, পবিত্ৰ মহন ফুকন আৰু প্ৰয়াত ধৰণী হাজৰিকা অন্যতম।

নবীনসকলৰ ভিতৰত সঙ্গীতৰ মধুৰ সুধাই মন-প্ৰাণ আপ্লুত কৰিবলৈ সক্ষণ হোৱাসকল হ'ল-সমৰেশ বেনাজী, তেজস্বী দুৱৰা, কামিনীমোহন বৰপাত্ৰগোঁহাই, দীপশিখা বৰুৱা, ৰেইনী ৰাজখোৱা আদি।

শাস্ত্ৰীয়সন্মতভাৱে বাদ্যযন্ত্ৰ সাধকৰ নাম মনলৈ আহিলে মনোজ দুৱৰাৰ নাম উল্লেখ কৰিব পাৰি। তেখেতে চন্তৰ বাদ্যত বিশাৰদ ডিগ্ৰী গ্ৰহণ কৰি ডিব্ৰুগড়, শিৱসাগৰ, খোৱাং আদি ঠাইত প্ৰশিক্ষণ দিছে। আকৌ 'ৰেষ্টাৰ্ণ মিউজিক একাডেমী'ৰ উৎপল গগৈয়েও গীটাৰত বিশাৰদ হৈ মৰাণৰ বহুতো ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দি আছে। প্ৰদীপ দেউৰীয়ে সময়ে সময়ে গীটাৰৰ ঝঙ্কাৰেৰে ৰাইজৰ মন মুহিবলৈ সক্ষম হৈছে। মৰাণৰ ভদ্ৰৰাম দাস এজন সাধনালব্ধ বাঁহীবাদক। ফৰিদ আহমেদেও কী বৰ্ডৰ প্ৰশিক্ষণ দি

বহুতো প্ৰশিক্ষাৰ্থীক এই বাদ্যৰ সাধনাত অৰিহণা যোগাইছে। যাৰ তবলাৰ বোল নহ'লে মৰাণৰ সঙ্গীত জগত অসম্পূৰ্ণ সেইসকল হৈছে - উত্তম দেউৰী, সঞ্জীৱ ভাগৱতী, উজ্জ্বল চুতীয়া, বিপ্লৱ দুৱৰা, সুদীপ্ত নয়ন বৰুৱা ইত্যাদি আৰু অনেক বিভিন্ন বাদ্যৰ সাধক আছে, সকলোৰে নাম অবিদিত আৰু এই লিখনিত উল্লেখ কৰা সম্ভৱ নহয়।

মৰাণত সময়ে সময়ে অনুষ্ঠিত হোৱা গীতৰ কৰ্মশালাবিলাকে যেনে অসমৰ প্ৰথিতযশা গীতিকাৰ, সুৰকাৰ, গায়ক প্ৰণৱিৰাম বৰুৱা আৰু যজ্ঞ বেজবৰুৱাৰ প্ৰশিক্ষণেৰে পাৰ্বতি সংগীতৰ, অসমৰ স্বনামধন্য জ্যোতি সংগীতৰ সাধক, গায়ক, প্ৰয়াত দিলীপ চৌধুৰী আৰু অনাতাঁৰ শিল্পী জ্যোতি সংগীতৰ সাধক বিপুল ফুকনৰ প্ৰশিক্ষণেৰে জ্যোতি সংগীতৰ, অসমৰ পুৰণি গীতৰ সংগ্ৰহালয়ৰ প্ৰতিষ্ঠাপক মৰাণৰ উমানন্দ দুৱৰা আৰু কণ্ঠশিল্পী দীপালীমা দুৱৰাৰ প্ৰশিক্ষণেৰে অসমৰ পুৰণি গীত'ৰ কৰ্মশালাই মৰাণৰ সংগীত জগতৰ অগ্ৰগতিত অৰিহণা যোগাইছে। এই কৰ্মশালাবিলাকৰ দ্বাৰা বহুতো প্ৰশিক্ষাৰ্থীয়ে পাৰ্বতি প্ৰসাদ বৰুৱা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ গীতৰ নিভাঁজ আৰু নিৰ্ভুল সুৰ আয়ত্ব কৰিবলৈ আৰু পুৰণি গীতৰ সুৰৰ সাধনা কৰিবলৈ সক্ষম হয়। গতিকে কৰ্মশালাত সংগীতৰ প্ৰশিক্ষণ মৰাণৰ সংগীত জগতৰ এক উজ্জ্বল অধ্যায় আৰু সফল অগ্ৰগতি।

বৰ্তমানলৈকে অনেক শ্ৰব্য কেছেটত কণ্ঠদান কৰা মৰাণৰ শিল্পীসকল সফল হৈছে। ৰাজ্যিক পৰ্যায়ত খ্যাতি লভা শিল্পী ডলী ঘোষে তেখেতৰ 'সুৰৰ আলকানন্দা', 'এই বিহুৰে উৰুকা নিশা' ইত্যাদি কেছেটৰ যোগেদি অসমীয়া সংগীত জগতত কণ্ঠৰ মাধুৰ্যই মন মুহিবলৈ সক্ষম হৈছে। শিল্পী বিপিন চাউদাং বৰুৱা অসমৰ সঙ্গীত জগতৰ এটি খলকনি লগোৱা নাম। তেখেতৰ কেছেট 'দিহিং পাৰৰ পিৰিতি', 'আশাৰ বালিঘৰ' ইত্যাদি হৃদয়ত সাঁচ বহুওৱা গীতেৰে পৰিপূৰ্ণ। 'গাগৰি', 'আয়না' ইত্যাদি কেছেটত কণ্ঠদান কৰি ৰাইজৰ মন মুহিবলৈ সক্ষম হোৱা সুশান্ত কাশ্যপ মৰাণৰে সন্তান। সঙ্গীতৰ জগতত তেখেতৰ অগ্ৰগতি লক্ষণীয়। মৰাণৰ জীয়ৰী শুভ্ৰা বৰুৱা (ভাগৱতী) ই তেখেতৰ 'ধৰণীত বোৱক শান্তিৰ বান', 'পাপৰি' আৰু 'বকুলবনৰ গান' ইত্যাদি কেছেটত কণ্ঠদান কৰি শ্ৰোতাৰ মন মুহিবলৈ সক্ষম হৈছে। মৰাণৰ দীপালী দত্ত শইকীয়া ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ লোকগীতৰ শিল্পী হিচাপে প্ৰখ্যাত। তেখেতৰ কেছেট 'তোমালৈ মৰমেৰে' আৰু 'শিকোঁ আহাঁ অ আ ক খ'ই শ্ৰোতাক আপ্লুত কৰিছে। মৰাণৰ সংগীত জগতত তেখেতৰ অৱদান অনন্য। 'মোৰ ঠিকনা' আৰু 'তেনেকৈ নাচাবা' কেছেটেৰে আত্মপ্ৰকাশ কৰা শিল্পী কিশোৰ গগৈৰ সঙ্গীত জগতত যাত্ৰা অবিৰত। মৰাণৰ যশস্বী গায়িকা দীপালীমা দুৱৰাই 'শাৰদী নিশা', 'বালিমাহী কথা, আত্মা, বিৰিখৰ পখী, ব'হাগৰ গান ইত্যাদি কেছেটৰ যোগেদি শ্ৰোতাৰ মন মুহিবলৈ সক্ষম হৈছে। তেখেতে ৰাজ্যিক পৰ্যায়ৰ 'সুৰ



সন্ধান' প্ৰতিযোগিতাত শ্ৰেষ্ঠা গায়িকাৰ খ্যাতি লভি মৰাণলৈ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। শ্ৰব্য কেছেটৰ যোগেদি ৰাইজৰ মন মোহা মৰাণৰ অন্য এক শিল্পী মণিকা কলিতা। বৰ্তমান গুৱাহাটীস্থিত ভৰত বসুমতাৰীয়ে শ্ৰব্য কেছেটৰ যোগেদি আত্মপ্ৰকাশ কৰি খ্যাতি লাভ কৰিছে। তেখেতে এসময়ত মৰাণৰ নৱ প্ৰজন্মক সঙ্গীতৰ প্ৰশিক্ষণ দি মৰাণৰ সঙ্গীত জগতলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। 'চেতনা' কেছেটৰ শিল্পী অৰবিন্দ মিত্ৰ মৰাণৰ সঙ্গীত জগতৰ চিনাকী নাম। তেখেতৰ অন্য এটি কেছেট 'চেনেহী'য়ে ৰাইজৰ মন মুহিবলৈ সক্ষম হৈছে। তেখেতৰ 'চেনেহী' কেছেটৰ সহযোগী হিচাবে কণ্ঠদান কৰা শ্ৰীযুক্তা ৰূপাঞ্জলি শইকীয়া মৰাণৰ এগৰাকী গুণশিল্পী। মৰাণৰ মীৰা কোঁৱৰেও শিশু নৃত্য গীতৰ ভিচিডি কেছেট 'ৰংপুৰত ওমলা দিন'ৰ জৰিয়তে শিশুসকলক সাংগীতিক দিশৰ উন্নতিত অনবদ্য অৱদান আৰু প্ৰেৰণা যোগাইছে। তেখেত আৰু সহযোগী স্মৃতি ডেকা আৰু পুষ্পাঞ্জলি গগৈয়ে 'লাহী কপৌ ফুল' নামৰ অন্য এটি কেছেটৰ জৰিয়তে মানুহৰ মন মুহিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে অসমৰ স্বনামধন্য শিল্পী কৃষ্ণমণি নাথে মীৰা কোঁৱৰে ৰচনা কৰা আৰু সুৰ দিয়া এটি গীত এই কেছেটতে পৰিৱেশন কৰিছে। মৰাণৰ সঙ্গীত জগতত সুললিত কণ্ঠেৰে আপ্লুত কৰা অন্য দুটি নাম - ৰাণা মহন্ত আৰু মন্দিতা ভট্টাচাৰ্য। এই দুয়োগৰাকী শিল্পীয়ে 'মাথোঁ তুমি' নামৰ এটি কেছেটৰ জৰিয়তে মৰাণক সুৰেৰে মুগ্ধ কৰিছে। 'প্ৰিয়া মোৰ সঙ্গীতা', 'কাজিৰঙা' ইত্যাদি কেছেটেৰে আত্মপ্ৰকাশ কৰা সপোনদ্বীপ ভাগৱতীয়ে মৰাণক সঙ্গীত জগতক গীতেৰে জীপাল কৰিবলৈ সক্ষম হৈছে। অলপতে প্ৰচাৰ হোৱা উদীয়মান কণ্ঠশিল্পী শ্ৰীতৰুণ মাউত আৰু শশাঙ্ক শেখৰ শইকীয়াৰ কেছেট 'ৰংগিনী'য়েও শ্ৰোতাৰ মন চুই গৈছে। 'সেন্দুৰ' কেছেটৰে' আত্মপ্ৰকাশ কৰা মৰাণৰ উদীয়মান যুৱক কৈলাস কিশোৰ আৰু জিৎপল চুতীয়া মৰাণৰ সঙ্গীত জগত নৱ প্ৰজন্মৰ আশাৰ প্ৰতীক।

মৰাণৰ দুজন যুৱক ধ্ৰুৱজ্যোতি গগৈ আৰু ধ্ৰুৱজ্যোতি ফুকন ধ্ৰুৱতৰাৰ দৰে সঙ্গীত আকাশত জিলিকি পোহৰ দি আছে। দুয়োজনে সঙ্গীতৰ প্ৰাৰম্ভিক শিক্ষা মৰাণতে লৈ বৰ্তমান মুম্বাইত থিতাপি লাভ কৰি কেৱল সঙ্গীতকে মূলধন হিচাপে লৈ জীৱন নিৰ্বাহৰ সুযোগ লাভ কৰিছে, যি মৰাণৰ নাম ভাৰতত উজ্জ্বল কৰিছে। উল্লেখযোগ্য যে ধ্ৰুৱজ্যোতি ফুকন আৰু তেখেতৰ পৰিবাৰ সুকণ্ঠী গায়িকা শাশ্বতী ফুকনে বৰ্তমান কেইবাখনো কথাছবিত কণ্ঠদান কৰি সৰ্বভাৰতীয় খ্যাতি আৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে ধ্ৰুৱজ্যোতি ফুকনে গীতৰ অনেক এলবাম প্ৰকাশ কৰাৰ উপৰিও 'ৰাগ-বিৰাগ', 'সন্ধ্যা'কে ধৰি কেইবাখনো অসমীয়া কথাছবি আৰু 'জেকপট', 'মেমছাব'কে ধৰি কেইবাখনো হিন্দী ছবিৰ পৰিচালক হিচাপে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। অলপতে 'জব উই মেট' নামৰ কথাছবিখনৰ এটি গীতৰ এটা কলিও তেখেতে শিল্পী

প্ৰীতমৰ সৈতে কণ্ঠদান কৰিছে, যিটি কলিৰ সুৰ সম্পূৰ্ণ অসমীয়া গোন্ধ থকা সুৰ, যি প্ৰতিপন্ন কৰে যে অসমৰ পৰা দূৰত থাকিলেও ফুকন দম্পতীৰ হৃদয়ৰ শান্তিৰ ঠাই কেৱল অসম। শিল্পী কী-বৰ্ড বাদক অনুৰাগ শইকীয়াই যি অসমৰ কনিষ্ঠতম সঙ্গীত পৰিচালক হিচাপে স্বীকৃত হৈ গুৱাহাটীত 'এৰ্কষ্টিক' নামেৰে এটি কেছেট নিৰ্মাণৰ ষ্টুডিঅ' খুলি অতি কম বয়সতে অসমৰ নামী শিল্পীসকলৰ গীতৰ কেছেট পৰিচালনা কৰিবলৈ সক্ষম হৈছে, এয়া মৰাণৰ সংগীত জগতৰ এক গৌৰৱোজ্জ্বল দিশ।

মৰাণত সংগীত চৰ্চাৰ পয়োভৰ বাঢ়িছে। সচ্ছল অভিভাৱসকলে গুৰুত্ব দিছে সন্তানৰ সংগীত সাধনাত। এই লিখনিত যোগ্য যিসকলৰ কথা বিদিত, সেইসকল শিল্পীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ আৰু সকলোৰে নাম স্মৰণ কৰিবলৈ হয়তো অপৰাগ হ'লেও ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। বিশেষকৈ নৱপ্ৰজন্মৰ, যিসকলৰ নাম উল্লেখ হোৱা নাই, আশা ৰাখিছোঁ তেওঁলোকে সংগীতৰ সাধনাৰ গভীৰভাৱে আত্মনিয়োগ কৰিলে ভৱিষ্যৎ জীৱন উজ্জ্বল হ'ব।

মৰাণৰ সংগীত জগত বৰ্ণাঢ্য আৰু সুন্দৰ। সংগীতৰ পূজাৰীসকলৰ সাংগীতিক দিশসমূহ বিশ্লেষণ কৰি আমি ক'ব পাৰোঁ যে, তেওঁলোকৰ বৰ্তমান সাধনা আকৰ্ষণীয় আৰু মনোৰঞ্জক। নৱপ্ৰজন্মৰ ভৱিষ্যতৰ সংগীতৰ অগ্ৰগতি অবিৰত আৰু আশাব্যঞ্জক।

❖❖

## ২য় খণ্ড

# মৰাণ মহাবিদ্যালয়ৰ ৰূপৰেখা

# মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চা ঃ এটি চমু অৱলোকন

মৃদুলা দাস
সহকাৰী অধ্যাপিকা
মৰাণ মহাবিদ্যালয়।

**অৱতৰণিকা ঃ**

সাহিত্য একোখন সমাজৰ সাংস্কৃতিক মনৰ পৰিচায়ক। সমাজৰ অতীত, বৰ্তমান আৰু আহিবলগা দিনবোৰৰ সম্ভাব্য ছবি অংকন কৰিব পাৰে সাহিত্যই। ইয়াত সৰ্বজনৰ হৃদয়ৰ আবেদনৰ বৰ্হিঃ প্ৰকাশ হয়। যাৰ বাবে সাহিত্য অধ্যয়ণৰ যোগেদি কোনো এখন সমাজৰ আবেগ, অনুভূতি ভাৱ চিন্তা আদি সুন্দৰভাৱে অনুভৱ কৰিব পাৰি। প্ৰৱন্ধ, গল্প, কবিতা, নাটক, উপন্যাস, ব্যংগৰচনা, ভ্ৰমণ কাহিনী আদি যিয়েই ৰচনা নহওঁক কিয় সকলো সাহিত্য সৃষ্টিৰ বাবে লাগে এক সুস্থ বাতাবৰণ তথা উপযুক্ত পৰি বেশ। অন্যহাতে সাহিত্য চৰ্চাই পৰিবেশক সজীৱ কৰি তোলে।

**মৰাণ মহাবিদ্যালয় নামেই যাৰ পৰিচয় ঃ** শিৱসাগৰ জিলাৰ মৰাণ অঞ্চলত ১৯৬৪ চনত কেইজনমান শিক্ষানুৰাগী স্বনামধন্য লোকৰ প্ৰচেষ্টাত এটি জ্ঞানবৃক্ষৰ পুলি ৰোপিত হৈছিল। সোণালী জয়ন্তী বৰ্ষত ভৰি দিবলৈ ওলোৱা জ্ঞান বৃক্ষটিয়ে পত্ৰে পুষ্প সুশোভিত হৈ সৌৰভ বিলাইছে যাৰ বাবে অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ ভিতৰৰ মৰাণ মহাবিদ্যালয়ো অন্যতম হৈ পৰিছে। এই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশেই নহয় এটা সামাজিক সাংস্কৃতিক আৰু সাহিত্যিক পৰিবেশ সৃষ্টি আৰু সমৃদ্ধি কৰিবলৈ বহুজনে জন্মলগ্নৰে পৰাই কষ্ট কৰি আহিছে। সেয়ে বৰ্তমান শৈক্ষিক পৰিবেশৰ লগতে সাহিত্যৰ সুন্দৰ পৰিবেশ বৰ্তি আছে মহাবিদ্যালয়খনত।

**মৰাণ মহাবিদ্যালয়ৰ সাহিত্যৰ সৌৰভ ঃ** মৰাণ মহাবিদ্যালয়ে সাহিত্যৰ

সৌৰভ বিলাইছিল প্ৰতিস্থা কালৰে পৰাই। বহু কষ্ট কৰি কলেজ প্ৰতিস্থা তথা চলি থকা সময়তো সাহিত্য চৰ্চাৰ এটি সোঁত প্ৰবাহিত হৈ আহিছিল। পূৰ্বৰ সাহিত্য চৰ্চাৰ পৰিবেশৰ সম্যক আভাস লবলৈ আমি মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনীবোৰৰ সহায় লৈছো। মহাবিদ্যালয়ৰ এতিয়ালৈকে প্ৰায় ৪২ সংখ্যক আলোচনী প্ৰকাশ হৈছিল যদিও আটাইকেইখন আলোচনী আমি সংগ্ৰহ কৰিব নোৱাৰিলোঁ। সেয়ে আমি পঢ়িবলৈ পোৱা আলোচনীবোৰৰ যোগেদি মহাবিদ্যালয়ৰ অতীতৰ সাহিত্যৰ পৰিবেশৰ এটি চমু আভাসহে দিব পৰা যাব। অৱশ্যে মহাবিদ্যালয়ৰ পৰিবেশত লালিত পালিত হৈ বহুজনে বৰ্তমান সাহিত্যৰ জগতত নিজৰ আসন সুদৃঢ় কৰাও পৰিলক্ষিত হয়। মহাবিদ্যালয়ৰ নিয়মিয়া আলোচনী, প্ৰত্যেক বিভাগৰে প্ৰাচীৰ পত্ৰিকা, মুখপত্ৰ আদিৰ যোগেদি বহু ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাত মনোনিবেশ কৰিব পাৰিছিল। ইয়াৰ উপৰিও প্ৰায়বোৰ শিক্ষক শিক্ষয়িত্ৰীয়ে সাহিত্য চৰ্চা কৰি মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ ইতিহাসতো নিজৰ নাম ৰাখি থৈ গৈছে। এই সকলো বিষয় আমি ৰচনাত স্থান দিবলৈ যত্ন কৰিছো। আমাৰ অজ্ঞাতবশতঃ বহুতো সাহিত্যিকৰ নাম ৰৈ যাব পাৰে সেয়ে প্ৰথমতেই আমি সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

**মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ঃ** মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ কৰ্ষণস্থলী বুলিব পাৰি। প্ৰত্যেক বছৰতে সাহিত্যৰ বিভিন্ন শিতানেৰে সমৃদ্ধ বিভাগীয় প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীয়ে লিখি উলিওৱা দেখিবলৈ পোৱা যায়। বিভিন্ন অলংকৰণেৰে প্ৰস্তুত কৰি উলিওৱা আলোচনী বোৰে ছাত্ৰ-ছাত্ৰীৰ সুৰুচিপূৰ্ণ মনৰো পৰিচয় বহন কৰে। কিছুমান বিভাগত দুটা সংখ্যা প্ৰকাশ কৰাও দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত অসমীয়া বিভাগৰ 'অন্বেষা' নামৰ প্ৰাচীৰ পত্ৰিকাখন শাৰদীয় বিশেষ সংখ্যা আৰু প্ৰতিযোগিতাৰ বাবে এটা সংখ্যা প্ৰকাশ কৰে। অন্যান্য বিভাগবোৰত যেনে, ভূগোল বিভাগত OASIS , বুৰঞ্জী বিভাগত 'বুৰঞ্জী বীথিকা', ইংৰাজী বিভাগত 'CARNIVAL' ৰাজনীতি বিজ্ঞান বিভাগত *'প্ৰজ্ঞা',* দৰ্শন বিভাগত *'প্ৰত্যয়',* শিক্ষা বিভাগত 'EMILE' অৰ্থনীতি বিভাগত 'TABLEAU ECONOMIQUE' আলোচনী প্ৰত্যেক বছৰে উলিয়াই। মহাবিদ্যালয়ৰ এই আলোচনীবোৰৰ যোগেদিও সাহিত্য চৰ্চাৰ প্ৰাথমিক পৰিবেশ গঢ়ি উঠে। উচ্চমান বিষয় নথকা ছাত্ৰ-ছাত্ৰীৰ মাজতো *'ফেহুঁজালি'* নামৰ এখন দেৱাল আলোচনী প্ৰতি বছৰে প্ৰকাশ পায়। মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰো প্ৰত্যেক বিভাগতে দেৱাল আলোচনী আছে। এই আলোচনীবোৰ হ'ল প্ৰাণী বিজ্ঞান বিভাগত ZOONATION , পদাৰ্থ বিজ্ঞান বিভাগত SPECTRUM, ৰসায়ন বিজ্ঞান বিভাগত CHEMOLLA , উদ্ভিদ বিজ্ঞান বিভাগত NATURE আৰু গণিত বিভাগত ZENITH । বিজ্ঞান বিষয়ক ৰচনাৰ লগতে গল্প, প্ৰৱন্ধ, কবিতা



আদিয়ে সমৃদ্ধ প্ৰাচীৰ পত্ৰিকাবোৰত ছাত্ৰ-ছাত্ৰীৰ কলাসুলভ দক্ষতা বিজড়িত হৈ থাকে।

**ৰিভাগীয় মুখপত্ৰ ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীৰ উদ্যোগত বিভাগীয় মুখপত্ৰত প্ৰকাশ পায়। এনে মুখপত্ৰবোৰত বিভাগৰ এটা চিনাকী বিচাৰি পোৱা যায় লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ গল্প, কবিতা, তত্ত্বগধুৰ প্ৰৱন্ধ আদি প্ৰকাশ পায়। এনে মুখপত্ৰ কিছুমান হল - অসমীয়া বিভাগৰ *'সমলয়',* অৰ্থনীতি বিভঙাগৰ *'অৰ্থজেউতি',* শিক্ষাতত্ত্ব বিভাগৰ *'সৃষ্টি'* আদি উল্লেখযোগ্য। মৰাণ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ৰচনাৰে সমৃদ্ধ বছেৰেকীয়া মুখপত্ৰ হল MORCOLTEJ । এইখনেও মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাত স্থান লাভ কৰিছে। অসমীয়া বিভাগৰ সন্মুখত *'আজিৰ চিন্তা'* আৰু *'আজিৰ কবিতা'* শীৰ্ষক অনুস্থানটিয়ে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰি আহিছে।

**মৰাণ মহাবিদ্যালয়ৰ আলোচনী ঃ**

মৰাণ মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা অংকুৰণ আৰু বিকাশৰ বাবে উপযুক্ত পৰিবেশ সদায় দি আহিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ বছেৰেকীয়া আলোচনী 'অন্বেষণ' বিশেষভাবে উল্লেখযোগ্য। 'অন্বেষণ'ৰ যোগেদি বহুতো সুপ্ত প্ৰতিভাই প্ৰাণ পাই উঠিছে বুলি কব পাৰি। আলোচনীখনৰ মানদণ্ড উন্নত। ইয়াৰ উদাহৰণ হিচাপে আলোচনীখনে বিভিন্ন সময়ৰ প্ৰতিযোগিতাত স্থান লাভ কৰাৰ কথা ক'ব পাৰো। 'অন্বেষণ' ৰ ২৭তম নৃপেন বৰুৱা দ্বাৰা সম্পাদিত খণ্ডটোৱে সেইবছৰৰ অসম ভিত্তিত মহাবিদ্যালয়ৰ আলোচনী প্ৰতিযোগিতাত প্ৰথম হৈছিল। ২০০৯-১০ বৰ্ষৰ সুদক্ষণা গগৈৰ দ্বাৰা সম্পাদিত 'অন্বেষণে' আন্তঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আলোচনী প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে।

**সাহিত্য চৰ্চাৰ পথাৰত প্ৰৱন্ধ শিতান ঃ**

প্ৰৱন্ধ ৰচনাতে সাহিত্য প্ৰতিভাক সমৃদ্ধ কৰা বহুজন প্ৰৱন্ধকাৰৰ কৰ্ষণস্থলী হ'ল মহাবিদ্যালয়ৰ আলোচনীখন। বিভিন্ন তত্ত্বগধুৰ প্ৰৱন্ধ ছাত্ৰ-ছাত্ৰীসকলে বহুসময়ত ৰচনা কৰি গৈছে। এনে প্ৰৱন্ধ লিখকসকল হ'ল - চালেক আহমেদ, দীপলা ফুকন, জুলীয়া বেগম, নন্দ কুমাৰ ফুকন, যতীন গগৈ, ভানু লাহন, শান্তনু তুফান সিং তামান, শোভিত কুমাৰ ছেত্ৰী, প্ৰতাপ শৰ্মা, দিগন্ত পাংগিং, চন্দ্ৰজ্যোতি গগৈ, চৈয়দ মুছলেহীনা ৰহমান, আৰতি বৰুৱা, অনিল পাতিৰি, বিনু ফুকন, ভাৰতী ডেকা, পবিত্ৰ কুমাৰ চেতিয়া, অনিমা দুৱৰা, প্ৰদীপ গগৈ, বিনীতা দিহিঙ্গীয়া, জীতেন কুমাৰ গগৈ, সুৰেশ ভূঞা, লক্ষ্মীনাথ ফুকন, মনীষা গগৈ, ৰূপম বৰুৱা, ৰুবী ফুকন, অনু নেওগ, জীনাক্ষী শৰ্মা, হীৰেণ গোহাঁই, প্ৰদীপ বৰুৱা, ভৱানী চাংমাই, মনোবল নাগ, নৱকুমাৰ বৰুৱা, বীৰেণ কুমাৰ আহোম,

কুমকুম চেতিয়া, ৰূপম কুমাৰ বৰুৱা, অৱনী লাহন, বিজু য়েইন, জয়ৰাম কুৰ্মী, ভূপেন গগৈ, শৰৎ শেনছোৱা, লক্ষ্য চুতীয়া, যদুনাথ পুৰী, নৃপেন বৰুৱা, চঞ্চলা দেৱী বৰুৱা, অচিন্ত্য লুখুৰাখন, সঞ্জীৱ বৰুৱা, ইন্দ্ৰ খাৰঘৰীয়া, দিগন্ত বৰুৱা, হেমন্ত বৰা, মঞ্জুমণি বৰগোঁহাই, বিমান সন্দিকৈ, কৰবী বৰুৱা, পাৰ্থ প্ৰতীম নাথ, গণেশ পেগু, হেমন্ত ডেকা, ধ্ৰুৱজ্যোতি গগৈ, প্ৰাঞ্জল বড়া, সতীশ চুতীয়া, ৰণ্টু খনিকৰ, স্বৰ্গজ্যোতি শইকীয়া, বিদ্যুৎ বৰুৱা, খগেন্দ্ৰ কলিতা, চন্দন মহন্ত, অচ্যুৎ বড়া, মৃদুলা শৰ্মা, গৌতম চেতিয়া, হৃদয়জিৎ ফুকন, প্ৰিয়ংকা দাস, পৰিস্মিতা দুৱৰা, পঙ্কজ গগৈ, বিকাশ গগৈ, ৰুণু গগৈ, পুলক চেতিয়া, চিত্ৰলেখা বৰুৱা, কৰবী মহন, মুনমী গগৈ, পৰিস্মিতা গগৈ, নমি চেতিয়া, কাজল কুমাৰ সিন্ধ্যা, পাপৰি মহন, নৰুচেঙ মহন, পুলক চেতিয়া, মিন্টু নায়ক, ধৰ্মেশ্বৰ দত্ত, বিশ্বজিৎ মহন, সিদ্ধাৰ্থ কলিতা, চানুমণি ফুকন, দীপামণি চুতীয়া, ৰাজাক আলী, মুনমী দিহিঙ্গীয়া, বাৰ্বী বৰা, শান্তনু চুতীয়া, চিনময় মুণ্ডা, হিমাদ্ৰী লেখাৰু, অৰুণ বৰুৱা, সাগৰিকা চুতীয়া, শতাব্দী কোঁৱৰ, প্ৰাঞ্জল প্ৰতীম শইকীয়া, অনুদ্বীপ গগৈ, বিদ্যা ভাৰতী, অৱনী মহন, ইচা থাপ্পা, এলিচ চাংমাই আদি।

এই প্ৰবন্ধকাৰসকলৰ ভিতৰত বহুতে বৰ্তমান নিজকে সাহিত্যজগতত প্ৰতিষ্ঠা কৰিছে। এই ক্ষেত্ৰত শোভিত কুমাৰ ছেত্ৰীৰ নাম উল্লেখ কৰিব পাৰি। বিভিন্ন অনুষ্ঠানৰ লগত জড়িত সাংবাদিক ছেত্ৰী ডাঙৰীয়াই কবিতা অনুবাদ কৰাৰ লগতে যুটীয়া ভাৱে ড. ৰুদ্ৰমান থাপাৰ সৈতে "অসমৰ নেপালী সংস্কৃতি" শীৰ্ষক এখন গ্ৰন্থও সম্পাদনা কৰি উলিয়াই। ইয়াৰ উপৰিও 'মৰাণৰ এমুঠি গল্প' গ্ৰন্থখনো সম্পাদনা কৰে। অন্যহাতে যদুনাথ পুৰীৰ চিন্তাশীল প্ৰবন্ধ প্ৰায়েই প্ৰকাশ পায়। নৃপেন বৰুৱা, জয়ৰাম কুৰ্মী আদিয়েও মৰাণ মহাবিদ্যালয়তে আৰম্ভ হোৱা সাহিত্য চৰ্চা অব্যাহত ৰাখিছে।

**মৰাণ মহাবিদ্যালয়ৰ কবিতাৰ কৰণি ঃ**

মৰাণ মহাবিদ্যালয়ৰ কবিতাৰ ক্ষেত্ৰখন যথেষ্ট উৰ্বৰ। আলোচনীৰ পাতত কাব্য প্ৰতিভা বিকশাই তোলা কবি সাহিত্যিক সকল হ'ল- পদ্ম চুতীয়া, কুমাৰী মালা ফুকন, কুমাৰী ছায়া ভট্টাচাৰ্য, মাধুৰী দেউৰী, বুদ্ধেশ্বৰ বৰা, দীপিকা দেউৰী, বিজু দুৱৰা, উষা দত্ত, প্ৰাঞ্জল গগৈ, বিপুল কুমাৰ ফুকন, চিন্ময় জ্যোতি হাজৰিকা, দীপালি গগৈ, দেৱযানী মহন, ইন্দ্ৰানী কোঁৱৰ, প্ৰভাত কোঁৱৰ, লীনা বৰুৱা, মৃদস্মিতা গগৈ, নৃপেন বৰুৱা, দিপ্তী গগৈ, শৰৎ শেনছোৱা, মৃণালী দেউৰী, কাবেৰী সিন্ধ্যা, গায়ত্ৰী নেৱাৰ, মনচুন গগৈ, গায়ত্ৰী ফুকন, চম্পা দাস, ৰুমী গগৈ, ত্ৰৈলোক্য কোঁচ, দেৱজিৎ গগৈ, ৰিদীপ দিহিঙ্গীয়া, নিমিষা চেতিয়া, ৰতন শইকীয়া, টুটুমণি গগৈ, জেচমিন ৰহমান, ৰিতুল বৰুৱা, ৰাজীৱ কোঁচ, ৰাতুল কোঁৱৰ, বীৰেণ চুতীয়া, পাৰুল সোনোৱাল, মীৰা গগৈ, কুমাৰী ৰূপালী গগৈ, দেৱী হালদাৰ, পদ্ম শইকীয়া, চিনু গগৈ, অনামিকা শ্ৰুতকিৰ,



নবীন হাজৰিকা, বিপিন লেখাৰু, অঞ্জলী শইকীয়া, উৰ্মিমালা বৰুৱা, দীন বড়া, বিপুল শইকীয়া, অৰুণিমা নেওগ, ভদ্ৰেশ্বৰ চুতীয়া, নৱ কুমাৰ লিকচন, বীণাপাণি কলিতা, অৰুণ মেহেৰা, দেৱলতা গোঁহাই, লোকেশ্বৰ গগৈ, প্ৰিয়মা দিহিঙ্গীয়া ফুকন, যদুনাথ পুৰী, কেশৱ কাকতি, প্ৰশান্ত শইকীয়া, স্বাতী কিৰণ, নমি গগৈ, নিহাৰিকা চুতীয়া, পলাশজ্যোতি শেনছোৱা, ৰণ্টু চেতিয়া, পুষ্পা দাস, দীপা গগৈ, ললিত গগৈ, ঘনশ্যাম ফুকন, সুস্মিতা লেখাৰু, শেৱালি শইকীয়া, ৰঞ্জিত খনিকৰ, নমিতা চুতীয়া, চন্দ্ৰাৱতী মিলি, নীলকান্ত গগৈ, ৰণজিৎ দিহিঙ্গীয়া, দিজেন্দ্ৰ নাথ দত্ত, শিৱ শেনছোৱা, ত্ৰিবেণী চেতিয়া, ৰশ্মি সন্দিকৈ, মৃদুল চুতীয়া, অৰ্পনা গগৈ, ৰীতামণি ফুকন, স্নেহলতা গগৈ, ৰুমী চুতীয়া, গৌতম বেনাৰ্জী, অনিতা চুতীয়া, প্ৰদীপ হাজৰিকা, গজেন ফুকন, ইন্দ্ৰ খাৰঘৰীয়া, অজিত চুতীয়া, বন্তী ফুকন, অঞ্জলী ডেকা, ৰূপম কুমাৰ বৰুৱা, দীপিকা দেউৰী, ৰিদীপ গগৈ, প্ৰশান্ত হাজৰিকা, মেৰী চাংমাই, দেৱকান্ত ফুকন, গুণকান্ত খনিকৰ, দেৱকান্ত নাওশলীয়া, জয়ন্ত কুমাৰ শৰ্মা, কমল লাচিত, মিতালী পাটগিৰি, ৰিদীপ দিহিঙ্গীয়া, গায়ত্ৰী ফুকন, ভূপেন বৰুৱা, মীনাক্ষী ডেকা, জিতু কুমাৰ লেখাৰু, বীৰেণ শইকীয়া, দীপশিখা চুতীয়া, নবীন চাংমাই, জ্ঞানজ্যোতি হাজৰিকা, দেৱাঞ্জলী ফুকন, বীণাপাণি কলিতা, ও মপ্ৰকাশ নেৱাৰ, সুমিত্ৰা দেউৰী, মনালিছা বৰা, নৱ কুমাৰ লিকচন, দিলীপ দেউঘৰীয়া, অঞ্জলী ডেকা, হেমচন্দ্ৰ শেনছোৱা বৰুৱা, ৰাজীৱ ফুকন, বিতুপন গগৈ, গিৰিশ চন্দ্ৰ বৰা, ৰূপাঞ্জলী গগৈ, খগেন্দ্ৰ কলিতা, তিনতুচ বদ্ৰা, ময়ুৰী বৰগোঁহাই, দুলাল চন্দ্ৰ শৰ্মা, দিবাকৰ শেনছোৱা, ধৈৰ্যধৰ বৰুৱা, সুবন্তি গগৈ, অৰুণিমা দুৱৰা, ৰশ্মিৰেখা গগৈ, পল্লৱী বৰ্মন, নীলকান্ত গগৈ, চেনীমাই গগৈ, প্ৰসন্ন দিহিঙ্গীয়া, কুমাৰী ৰেখা, দ্বীপেন বড়া, অৰুণ বৰুৱা, চক্ৰধৰ শইকীয়া, দেৱজিৎ খনিকৰ, দীপনজ্যোতি বৰুৱা, দীপ্ত আলোক হাতিবৰুৱা, বিতোপন ভৰালী, উমাকান্ত কোঁৱৰ, পৰমানন্দ কোঁচ, পুলক চুতীয়া, অমল বৰুৱা, অৱনী মহন, দিলীপ বৰুৱা, জয়ৰাম কুৰ্মী, স্বাতী কিৰণ, কবিতা কৰ্মকাৰ, পুৰবী শেনছোৱা, নবীন চাংমাই, সুৰেশ ভূএগ্ৰা, বিজু য়েইন, প্ৰশান্ত শইকীয়া, নয়নজিৎ কোঁৱৰ, কেশৱ কাকতি, দৰ্পনজিৎ কোঁৱৰ, সুলক্ষণা গগৈ, সুদক্ষণা গগৈ, সাগৰিকা চুতীয়া, পল্লৱী বৰা আদি।

মৰাণ মহাবিদ্যালয়ৰ ইতিহাসত অনুদিত কবিতাৰ এটি ক্ষীণ ধাৰাও বৈ আহিছে। চন্দ্ৰজ্যোতি গগৈ, বাপুকন বৰা আদিৰ নাম উল্লেখ কৰিব পাৰি। অনুবাদ সাহিত্যৰ যোগেদি সাহিত্য জগতত প্ৰতিভা প্ৰকাশ কৰা স্বাতী কিৰণে মৰাণ মহাবিদ্যালয়ত অনুবাদ কবিতাৰ এক চৰ্চা আৰম্ভ কৰে। স্বাতী কিৰণ প্ৰচুৰ সম্ভাৱনাময় কবি। এই কবিসকলৰ ভিতৰত জুলিয়ানা বেগম, ভূপেন গগৈ, শোভন হাজৰিকা, স্বাতী কিৰণ, কবিতা কৰ্মকাৰ, সলক্ষণা গগৈ, সুদক্ষণা গগৈ আদি কবিয়ে অসমীয়া কাব্য জগতত প্ৰতিষ্ঠা লাভ কৰিছে।

**মৰাণ মহাবিদ্যালয়ৰ গল্প জগত ঃ**

গল্পৰ যোগেদি মহা বিদ্যালয়ৰ জগতখন সমৃদ্ধ কৰা বহুজন গল্পকাৰ আছে। মহাবিদ্যালয়ৰ আৰম্ভণিৰে পৰাই শিক্ষক-শিক্ষয়িত্ৰী প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীয়ে গল্প ৰচনা কৰি অহা দেখিবলৈ পোৱা যায়। গল্প লেখক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষভাৱে উল্লেখযোগ্য অৰ্চনা গোঁহাই, ফুলমাই বুঢ়াগোঁহাই, বিপিন শৰ্মা, আদিত্য চাংমাই, অঞ্জলি ডেকা, অৱন্তী গগৈ, দিগন্ত ফুকন, কবিতা দিহিঙ্গীয়া, বন্তি ফুকন, পদ্ম চাংমাই, চূড়ামণি সোনোৱাল, সমীৰণ গোঁহাই, বিজিত কুমাৰ নেওগ, পূৰ্ণিমা চাংমাই, পংকজ মণি চুতীয়া, জোনচন্দ্ৰ শৰ্মা, জেচমিন ৰহমান, অমিয়া চৌধুৰী, মনোজ মাউৎ, দীপা গগৈ, খৰ্গেশ্বৰ গগৈ, নিলোৎপল বকতিয়াল, সুস্মিতা লেখাৰু, পূণ্যজিৎ বৰা, ললিত গগৈ, তুলেশ্বৰ সোনোৱাল, ব্ৰজমণি ফুকন, পাপুল চন্দ্ৰ গগৈ, চক্ৰধৰ শইকীয়া, সুৰুজ দাস, শুভ লাহন, ৰণজিৎ খনিকৰ, গৌতম চাংমাই, সুশীল সোনোৱাল, ঝৰ্ণা বড়া, ৰাহুল কুমাৰ মেধি, শিখাশ্ৰী গগৈ, গৌৰী শংকৰ মহন, বিস্ময় চাংমাই, ৰণ্টু চেতিয়া, পুনম বড়া খামমুন ফুকন, উজ্জ্বল কুমাৰ, চুমি বৰুৱা, দ্বীপজ্যোতি দাস, এলিচ চাংমাই, বিতোপন দাস, পল্লৱী বৰা, মানসী চাংমাই, পংকজ গগৈ, মৌচুমী দত্ত, ৰিকুমণি চুতীয়া, অংকুৰ ৰঞ্জন ফুকন, অশ্লেষা ভৰলুৱা, উমাকান্ত চুতীয়া, শংকৰ দাস, ময়ুৰ কৃষ্ণ ফুকন, কাবেৰী গগৈ।

এই গল্পকাৰসকলৰ ভিতৰত বন্তী ফুকন, ৰূপম কুমাৰ বৰুৱা, নবীন চাংমাই, দিতুল চেতিয়া আদি কেইজনমান গল্পকাৰে গল্প লিখাত বৰ্তমানো নিৰবিচ্ছন্ন ভাৱে ব্যস্ত হৈ আছে। অনুবাদ গল্পৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী পিছপৰি থকা নাছিল। জীতেন কুমাৰ গগৈ, স্বাতী কিৰণ দুই এক গল্পকাৰে অনুবাদ গল্পৰ সৃষ্টিত আত্মনিয়োগ কৰিছিল।

ইয়াৰ উপৰিও দুই এজন ছাত্ৰ-ছাত্ৰীয়ে উপন্যাসিকা ৰচনা কৰাৰ তথ্যত পোৱাযায়। উপন্যাসিকা লেখকসকল হ'ল- গায়ত্ৰী ফুকন, দীপ্ত আলোক হাতীবৰুৱা, বিতোপন ভৰালী, অচ্যুৎ বড়া, প্ৰিয়ংকা বড়া, স্বপ্নীল জ্যোতি কোঁৱৰ আদি।

মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ ইতিহাসত ব্যঙ্গ ৰচনা তথা ৰসৰচনাৰ সংখ্যাতো কম নহয়। বিভিন্ন সময়ত ৰঞ্জিত সন্দিকৈ, ফণী বৰগোঁহাই, যোগেন্দ্ৰ নেওগ, ৰিদিপ গগৈ, প্ৰতীম শৰ্মা, সুৰেশ ভূঞা, মৃণাল মহন, নকুল দত্ত, প্ৰশান্ত শইকীয়া, পৰেশ বুঢ়াগোঁহাই, ললিত খনিকৰ, মনীষা বড়া, কবিতা চাংমাই, সুস্মিতা মুখাৰ্জী, দৰ্পন জিৎ কোঁৱৰ আদি লেখকসকলৰ ৰচনা বিশেষভাৱে উল্লেখযোগ্য।

একালৰ মৰাণ মহাবিদ্যালয়ৰ ছাত্ৰ ৰসানন্দ গগৈয়ে গীত ৰচনা কৰিছিল ছাত্ৰ অৱস্থাতে। বৰ্তমান তেখেত এজন সুপ্ৰতিস্থিত গীতিকাৰ। মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাত ভ্ৰমণ কাহিনীও সন্নিবিষ্ট হৈছে। ছাত্ৰ-ছাত্ৰীৰ লগতে গীতাশ্ৰী দেউৰীৰ ভ্ৰমণ কাহিনী,



ড° প্ৰদীপ হাজৰিকা, 'শীতৰ শেষত ওবামাৰ দেশত' আদি শিক্ষা গুৰুসকলৰ ভ্ৰমণ কাহিনী অতি আমোদজনক। অনুৰাধা গগৈ, মৃদুলা গগৈ, নৱনীতা কাকতি, ধ্ৰুৱজ্যোতি গগৈ, নাজমিন চুলতান, চন্দন মহন্ত, কমলজ্যোতি খনিকৰ, শৰৎ চন্দ্ৰ কাকতি, দ্বীপজ্যোতি দাস এইসকলেও ভ্ৰমণ কাহিনী লিখি আহিছে।

গ্ৰন্থ আলোনাৰ দৰে মহৎ কামো মৰাণ মহাবিদ্যালয়ত হৈ আহিছে। শৰৎ শেনছোৱা প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীৰ অৱদান বৰ বেছি নহলেও শিক্ষক শিক্ষয়িত্ৰী এই ক্ষেত্ৰত বহুতো অৱদান আছে।

বিজ্ঞানভিত্তিক ৰচনাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই প্ৰাচীৰ পত্ৰিকাৰ আৰু আলোচনীত প্ৰৱন্ধ পাতি লিখাৰ জৰিয়তে এটা গতিশীলতা দান দিছে। বিজ্ঞানভিত্তিক ৰচনা তথা বিজ্ঞান সাহিত্য সম্পৰ্কে মহাবিদ্যালয়ত গত বছৰত আলোচনা চক্ৰও ছাত্ৰ-ছাত্ৰীৰ মাজত অনুস্থিত হৈ যায়। সাহিত্য চৰ্চাৰ বহল ক্ষেত্ৰত মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত সৃষ্টিশীল লেখনিৰ এটি তিনিমহীয়া পাঠ্যক্ৰমো প্ৰচলিত হৈছে। গীতৰ কৰ্মশালা, কবি সন্মিলন, সাহিত্য বিষয়ক চেমিনাৰ আদি অনুস্থিত হোৱা মৰাণ মহাবিদ্যালয়খন, সাহিত্য চৰ্চাৰ উৰ্বৰ ভূমি বুলি একমুখে ক'ব পাৰি।

পূৰ্ণাঙ্গ নাটক আৰু একাংকিকা নাটক ৰচনা কৰা ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ত পোৱা যায়। এইক্ষেত্ৰত পল্লৱ গগৈ আৰু পৰাগ কটকীৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য।

মহাবিদ্যালয়ৰ আলোচনীবোৰত নিয়মিয়াকৈ ইংৰাজী ভাষাৰ শিতান এটা চলি আহিছে। এই শিতানটোত প্ৰৱন্ধ, গল্প আদিৰে সমৃদ্ধ কৰা ছাত্ৰ-ছাত্ৰীসকল হল গোবিন্দ দেউৰী, অঞ্জু গোৱালা, সমৰজিৎ বৰুৱা, চবনম জাহান আনচাৰি, মধুস্মিতা বৰুৱা, নয়নমণি গগৈ, নিশা ফুকন, সন্তোষ কুমাৰ ঘোষ, জীতেশ কুমাৰ চাহু, মৃদুপৱন কোঁৱৰ, ৰিংকিমণি ফুকন, নীলাক্ষী গগৈ, জয়ন্ত কুমাৰ গগৈ, বিজয়লক্ষ্মী গগৈ, কমলিনী গগৈ, গীতাশ্ৰী বৰঠাকুৰ, সত্যজিৎ চাহু, হৰ্ষজিৎ ভৰালী, ৰেহানা বেগম, পল্লৱী বৰুৱা, ভাস্কৰ বৰবৰুৱা, উদ্দীপ্ত বুঢ়াগোঁহাই, জীৱনজ্যোতি দেউৰী, ভাস্কৰজ্যোতি বৰুৱা, অঞ্জন চক্ৰৱৰ্তী, মানৱ ফুকন, এপি গগৈ, সুদীপ দে', দেৱজিৎ দাস, পাৰবীন বেগম, সৰবৰী গাংগুলী, আকাশী দাস, ৰুমা দাস, ধ্ৰুৱজ্যোতি ফুকন আদি।

৪২ টা সংখ্যা আলোচনী প্ৰকাশ হোৱাৰ আঁৰত সম্পাদনাৰ দৰে গধুৰ দায়িত্ব বহন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা উল্লেখনীয়। প্ৰথমৰ পৰা আলোচনী সম্পাদকসকল হ'ল- নবীন গোঁহাই, দেবেশ্বৰ চেতিয়া, থানেশ্বৰ কোঁৱৰ, জয়ন্ত বৰুৱা, নৃপেন্দ্ৰনাথ গগৈ, জ্যোতিময় বৰগোঁহাই, ভোলা চাংমাই, খৰ্গেশ্বৰ লাহন, পবিত্ৰ কুমাৰ চুতীয়া, বিদ্যা চুতীয়া, ধ্ৰুৱজ্যোতি মহন, প্ৰদীপ গগৈ, নৱ কুমাৰ বৰা, শোভিত কুমাৰ ছেত্ৰী,

শৰৎ ডেকা বৰুৱা, অৰ্পনা গগৈ, তোলন হাতীবৰুৱা, গোপাল কলিতা, বিনোদ গগৈ, পৰাগ ফুকন, জোনচন্দ্ৰ শৰ্মা, দেৱজিৎ গগৈ, নৃপেন বৰুৱা, বিজু দুৱৰা, শৰৎ শেনছোৱা, নবীন চাংমাই, বিজু য়েইন, দেৱজিৎ চেলেং, দ্বীপেন বড়া, জাহ্নু চাংমাই, মিলনজ্যোতি শইকীয়া, চেনিৰাম মিলি, ৰণ্টু চুতীয়া, সুলক্ষণা গগৈ, সুদক্ষণা গগৈ, অৱনী চুতীয়া, সঞ্জীৱ ছেত্ৰী। সম্পাদকসকলৰ চিন্তাশীল সম্পাদকীয়ই আলোচনীবোৰৰ মানদণ্ড উন্নত কৰি আহিছে।

**অধ্যাপক-অধ্যাপিকাসকলৰ সাহিত্য চৰ্চা ঃ**

মৰাণ মহাবিদ্যালয়ৰ প্ৰতিস্থাকালৰে পৰাই যিসকল শিক্ষাগুৰুৱে সেৱা আগবঢ়াই গল সেইসকলৰ প্ৰত্যেকেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে সাহিত্য চৰ্চা কৰি গৈছে বুলি ক'লে বোধহয় ভুল কোৱা নহ'ব। আলোচনাৰ সীমাবদ্ধতাৰ বাবে সকলোৰে সাহিত্য চৰ্চাৰ বিষয়ে সামান্য আভাসহে দিবলৈ চেষ্টা কৰিছো।

মৰাণ মহাবিদ্যালয়ৰ সাহিত্যৰ ক্ষেত্ৰখন পোনতে চহাইছিল কলেজ প্ৰতিস্থাৰ গুৰি ধৰোতা দুৰ্গেশ্বৰ শইকীয়া, তৰুণ চুতীয়া আদিৰ দৰে গুণী জ্ঞানীলোকে। এইসকলৰ সময়ৰে পৰাই অধ্যাপক অতুল গগৈ, পদ্ম চুতীয়া, উপেন্দ্ৰ নাথ মল্লিক, গ্ৰন্থাগাৰিক লক্ষী চুতীয়া, প্ৰমূখ্যে বহুজনে সাহিত্য সাধনাত মনোনিবেশ কৰিছিল।

মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাত বিশেষ বৰঙণি আগবঢ়াইছিল একালৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° কমলা বৰগোঁহাইয়ে। সুসাহিত্যিক ড° গোঁহাইদেৱৰ উপন্যাস হ'ল- 'বাহুবীহি' আৰু 'ইপাৰ-সিপাৰ'। তেখেতৰ গল্প সংকলন কেইটি হ'ল 'ইপাৰ সিপাৰ', 'মই এটা সাপ', 'আন্ধাৰত আমাৰ অস্তিত্ব', 'সৃষ্টি আৰু দৃষ্টি'। বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ড° কমলা বৰগোঁহাই মহাবিদ্যালয়ৰ গৌৰৱস্বৰূপ।

মৰাণ মহাবিদ্যালয়ৰ সাহিত্যজগতক বহু পৰিমাণে সমৃদ্ধ কৰি গল ইলা বৰগোহাঁয়ে। একান্ত সাহিত্য সাধনাৰে 'ৰমণী গাভৰু' সন্মানেৰে বিভূষিতা শ্ৰীবৰগোঁহাইয়ে মহাবিদ্যালয়ত নিজৰ ৰচনাৰে সুন্দৰ সাহিত্যৰ পৰিবেশ সৃষ্টি কৰিলে। তেখেতৰ প্ৰকাশিত গ্ৰন্থ তেৰখন। বৰগোঁহাইৰ বুৰঞ্জীৰ পটভূমিত লিখা উপন্যাস কেইখন হ'ল- 'ৰমণী গাভৰু', 'পিজৌ গাভৰু' আৰু 'কুৰঙ্গনয়নী'। সামাজিক উপন্যাস হ'ল- 'হে অৰণ্য হে মহানগৰ' আৰু 'হিৰন্ময় সময়'। শিশু উপন্যাস দুখন হ'ল- 'পুৰতি নগৰ সাধু' আৰু 'সোণালী বেলিৰ শৈশৱ'। 'শতিকাৰ গল্প' তেখেতৰ একমাত্ৰ গল্প পুথি। 'সময়ৰ সকিয়নি'- প্ৰৱন্ধ সংকলন আৰু 'অসম বুৰঞ্জীৰ নাৰী' চেমনীয়াৰ বাবে ৰচিত গ্ৰন্থ।

মৰাণ মহাবিদ্যালয়ৰ আন এজন সাহিত্যিক ড° দয়ানন্দ বৰগোঁহাই। তেখেতে বহুতো প্ৰৱন্ধ লিখাৰ উপৰিও কবিতা সংকলনো প্ৰকাশ কৰিছে। তেখেতৰ প্ৰকাশিত কবিতা পুথি হ'ল- 'প্ৰত্যয়' আৰু 'প্ৰত্যাশা'। 'অসম বুৰঞ্জীৰ পটভূমিত অতীত উপন্যাস'



শীৰ্ষক গৱেষণাৰ বাবে ড° বৰগোঁহায়ে ডক্টৰেট ডিগ্ৰী লাভ কৰে।

সত্তৰৰ দশকৰ পৰা সাহিত্য চৰ্চা কৰি অহা ড° প্ৰদীপ হাজৰিকা এজন সু-সাহিত্যিক। মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ গতিশীলতা দান দি অহা ড° হাজৰিকাৰ গল্প সংকলন দুটি হল- 'বাইদেউ' আৰু 'দৈনন্দিন'। প্ৰকাশিত উপন্যাস তিনিখন হ'ল- 'অৱগাহন', 'দোকমোকালি' আৰু 'আবেলিৰ ছবি'। আকাশ বাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা 'হেৰাল' নামৰ উপন্যাসখন প্ৰচাৰ কৰিছিল। তেখেতৰ সম্পাদিত গ্ৰন্থ হ'ল- 'অন্য আকাশৰ তৰা' আৰু 'শ্ৰীমন্ত শংকৰদেৱ আৰু উত্তৰ পূৰ্বাঞ্চল জনগোষ্ঠী'। সময়ে সময়ে বিভিন্ন বিষয়ক প্ৰৱন্ধ ৰচনা কৰা ড° হাজৰিকাই 'অসম বুৰঞ্জীৰ পটভূমিত ৰচিত অসমীয়া নাটক' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে।

মৰাণ মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° অনিল শইকীয়া সাহিত্য প্ৰতিভাৰ অন্যতম স্বাক্ষৰ। লোক সংস্কৃতিৰ গৱেষক ড° শইকীয়া ইতিমধ্যে 'প্ৰতিমা পাণ্ডে বৰুৱা' বঁটাৰেও সন্মানিত হৈছে। 'বনৰীয়া ফুল' ড° শইকীয়াৰ একমাত্ৰ গীতৰ পুথি। কাব্য উপন্যাস 'অভিসাৰ' তেখেতৰ মনোৰম গ্ৰন্থ। 'বিজুলী শক্তিৰ কাহিনী' নামৰ শিশু সাহিত্যও তেখেতে ৰচনা কৰিছে। 'মাটিৰ মানুহৰ মনৰ মানুহ হেম বুঢ়াগোহাঁই' তেখেতৰ সম্পাদিত গ্ৰন্থ। সংগীত আৰু নাটকত বিশেষ দখল থকা ড° অনিল শইকীয়াৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল 'সঙ্গীত আৰু নাটকত সঙ্গীত'। তেখেতে শিশু নাট, একাংকিকা আৰু নাটক ৰচনাৰে অসমৰ এজন বিশিষ্ট নাট্যকাৰ হিচাপেও চিনাকি দিছে। তেখেতৰ নাটকবোৰ হ'ল- 'ৰং আহে পাখি মেলি', 'তমোহৰ দেৱ', 'প্ৰস্তুতি', 'কিবা এটা সোমাইছে', 'নিলিখা কবিতাৰ সাৰাংশ', 'অথঃ শিক্ষক সংবাদ', 'বন্দিত্ব', 'Empty mind', 'ষ্টুডিঅ' ইমেজ প্ৰিণ্ট', 'বিষ্ণু ৰাভা' ইত্যাদি। 'Human Mortality in Assam' আৰু 'Population Growth in Assam 1951-1991' শীৰ্ষক দুখন ইংৰাজী গ্ৰন্থত প্ৰকাশ কৰে।

মৰাণ মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষ ড° যতীন চুতীয়ায়ো সাহিত্য চৰ্চা কৰা দেখিবলৈ পোৱা যায়। মৰাণ সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰা ড° চুতীয়াদেৱে বহুতো প্ৰৱন্ধ আৰু দুই এক কবিতা ৰচনা কৰা দেখিবলৈ পোৱা যায়। 'চিন্তা আৰু সংঘাত' তেখেতৰ প্ৰকাশিত প্ৰৱন্ধ সংকলন।

মহাবিদ্যালয়ৰ অধ্যাপিকা কল্পনা বৰাৰ 'প্ৰয়াস' নামৰ প্ৰৱন্ধ সংকলন আৰু 'নৱ কিশলয়' নামৰ কবিতা সংকলন প্ৰকাশ পাইছে। নাৰী বিষয়ক প্ৰৱন্ধ সংকলন হ'ল 'প্ৰীণম'। 'কৰ্মযোগী তৰুণ চুতীয়া- জীৱন আৰু কৰ্ম' বৰাৰ দ্বাৰা সম্পাদিত আন এখন বিশিষ্ট গ্ৰন্থ।

অন্য এগৰাকী অধ্যাপিকা আল্পনা গগৈ ভূএগই 'প্ৰবন্ধ বিচিত্ৰা' নামৰ সংকলন

এটা উলিয়াইছে। চিন্তাশীল প্ৰবন্ধ লেখিকাগৰাকীৰ তত্ত্বগধুৰ প্ৰবন্ধই মহাবিদ্যালয়ৰ আলোচনীখনকো মাত্ৰা দিয়াত সহায় কৰিছে।

ড° দেৱকান্ত ফুকন বৰ্তমান ডিমৌ মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঙৰীয়াই মৰাণ মহাবিদ্যালয়ত অধ্যাপনা কৰা দিনত বহুতো তত্ত্বগধুৰ প্ৰবন্ধ লিখি থৈ গৈছিল। ড° মিতালী কোঁৱৰ বৰ্তমান ডিগবৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ। তেখেতেও মৰাণ মহাবিদ্যালয়ত অধ্যাপনাৰ কালত বহুতো প্ৰবন্ধ লিখিছিল আৰু MORCOLTEJ ৰ সম্পাদনাৰ দায়িত্বও লৈছিল।

ড° ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰ নিৰৱ সাহিত্য চৰ্চাকাৰী। তেখেতৰ সাহিত্য আলোচনাৰ দিশত দক্ষতা আছে। 'প্ৰান্তিক' আলোচনীতো তেখেতৰ নিয়মীয়াকৈ প্ৰবন্ধ প্ৰকাশ হৈছিল।

ড° ভানুপ্ৰভা শইকীয়াৰ সাহিত্যকৰ্মৰ ক্ষেত্ৰত 'বিৱৰ্তন' গল্প পুথিখনৰ নাম উল্লেখযোগ্য। বিজ্ঞান বিষয়ক বিভিন্ন প্ৰবন্ধৰে এগৰাকী প্ৰবন্ধকাৰ হিচাপেও ড° শইকীয়াই পৰিচয় লাভ কৰে।

বিজ্ঞান বিষয়ক বিভিন্ন প্ৰবন্ধ ৰচনাৰ শিতানত অধ্যাপিকা ৰাণু বৰুৱা, নীলিমা তালুকদাৰ চক্ৰৱৰ্তী, মিনাক্ষী পাত্ৰ, ড° প্ৰীতি বৰা, মামনি ফুকন বৰগোহাঁইৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

মহাবিদ্যালয়ৰ অধ্যাপক বিশ্বজিৎ বৰাৰ দ্বাৰা কেইবাখনো নাটক আৰু আলেখ্য ৰচিত হৈছে। তেখেতৰ প্ৰতিভাৰ স্বাক্ষৰ নাটক কেইখন হ'ল- 'সোণপখিলি', 'সুবাস' আৰু 'আকৌ নতুন প্ৰভাত হ'ব'।

মৰাণ মহাবিদ্যালয়ৰ ড° বলীন সন্দিকৈ বিশেষকৈ প্ৰবন্ধকাৰ হিচাপে পৰিচিত। তেখেতৰ সম্পাদনাত কেইবাখনো আলোচনী প্ৰকাশিত হৈছে। 'ভাষা চিন্তা' তেখেতৰ উল্লেখযোগ্য প্ৰবন্ধৰ পুথি।

প্ৰবন্ধ ৰচনাৰে পল্লৱিত কৰা অধ্যাপক অধ্যাপিকাসকল হ'ল- মিনাৰাম ফুকন, মুনিন বৰা, যুতিমণি বৰদলৈ, তুলসী দাস, নবীন ফুকন, নিশি বৰগোহাঁই, ৰশ্মি বুঢ়াগোহাঁই, মনালিছা কোঁৱৰ, ড° অসীমাভ দত্ত, ৰোহিনী চেতিয়া, মেঘালী বৰা, নমিনীতা বৰবৰা, বসন্ত ফুকন, স্মৃতিৰেখা চেতিয়া, শান্তনা দুৱৰা সন্দিকৈ, মন্মি বৰুৱা, জয়া কলিতা, গ্ৰন্থাগাৰিক দ্বীপেন গগৈ আদি।

অধ্যাপিকা ড° মৌচুমী গগৈৰ সাহিত্য প্ৰতিভা প্ৰবন্ধ ৰচনা আৰু আলোচনী সম্পাদনাৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। মামণি বৰগোহাঁয়েও কেইবাখনো আলোচনী সম্পাদনা কৰি উলিয়াইছে। মৰাণ লেখিকা সমিতিৰ 'বন্দো কি ছন্দে' পুথিখন সম্পাদনা কৰি উলিয়াইছে- মামণি ফুকন বৰগোহাঁই আৰু নীলিমা তালুকদাৰে।



অধ্যাপক আত্মাৰাম কুমাৰ মৰাণ মহাবিদ্যালয়ৰ এজন সু-সাহিত্যিক। তেখেতৰ কথিকা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰ হয়। কবিতা আলোচনাৰ লগতে উপন্যাস ৰচনাতো তেখেতে হাত দিছে।

অধ্যাপিকা নন্দিতা গগৈৰ কবিতা আৰু গল্প কাকত আৰু আলোচনীত প্ৰকাশিত হৈছে। তেখেতৰ সাহিত্য সম্পৰ্কীয় গ্ৰন্থ হ'ল- 'সাহিত্যৰ চিন্তা প্ৰবাহ' আৰু স্বামী প্ৰসেনজিৎ মহনৰ লগত যুটীয়াকৈ ৰচনা কৰা 'বৰেণ্য ব্যক্তি ড° ভবেন্দ্ৰনাথ শইকীয়া' শীৰ্ষক এখনি অনুপম গ্ৰন্থ।

অধ্যাপক তুলসী সোণোৱালেও সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। প্ৰবন্ধ ৰচনাৰ উপৰিও ভালেকেইখন আলোচনীৰ সম্পাদনাৰ দায়িত্বও লৈছে।

দেৱযানী পাটগিৰি, মিনাক্ষী পাত্ৰ, আত্মৰাম কুমাৰ, স্ৰোতস্বিনী গগৈ, পূৰবী নাথ, মৃদুলা গগৈ, মৈত্ৰেয়ী ফুকন আদি অনেক সম্ভাৱনাময় কবি মৰাণ মহাবিদ্যালয়ত আছে।

মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক বনমালী দাসেও নিয়মিয়াকৈ কবিতা ৰচনা কৰি আহিছে। তেখেতৰ কবিতা মহাবিদ্যালয়ৰ আলোচনীতো প্ৰকাশিত হৈছে।

মৰাণ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ পৰিসৰ বহল। নতুন নতুন সাহিত্যিক সৃষ্টিৰ বাবে মহাবিদ্যালয়ে অহোপুৰুষাৰ্থ কৰি আহিছে। সৰ্বশেষত আমাৰ অজ্ঞতা আৰু ৰচনা সীমাবদ্ধতাৰ বাবে কাৰোবাৰ নাম আৰু ৰচনাৰ বিষয়ে যদি থাকি গৈছে সেইসকলৰ ওচৰত মাৰ্জনা বিচাৰিলোঁ।

❖❖

# মৰাণ মহাবিদ্যালয়ৰ দূৰসংযোগী আৰু বৃত্তিমুখী পাঠ্যক্ৰম

ড° ভানুপ্ৰভা শইকীয়া
সহযোগী অধ্যাপিকা,
মৰাণ মহাবিদ্যালয়

শিৱসাগৰ জিলাৰ মৰাণত অৱস্থিত মৰাণ মহাবিদ্যালয় বৰ্তমান অসমৰ এক অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান। কলা আৰু বিজ্ঞান দুয়োটা শাখাতে প্ৰায় তিনি হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা মৰাণ মহাবিদ্যালয়খনি ১৯৬৪ চনতে মৰাণৰ শিক্ষানুৰাগী ব্যক্তিসকলৰ একান্ত প্ৰচেষ্টাত শুভাৰম্ভ হৈছিল। প্ৰথমে কলা শাখাৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনিত ১৯৮৫ চনত বিজ্ঞান শাখা আৰম্ভ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত মহাবিদ্যালয়খন ৰাইজে অশেষ ত্যাগ স্বীকাৰ কৰি প্ৰতিষ্ঠা কৰাৰ পিছৰে পৰা দোপত দোপে উন্নতিৰ জখলাত আগুৱাবলৈ সক্ষম হৈছে। বৰ্তমান প্ৰায় সকলো বিষয়তে সন্মান পাঠ্যক্ৰম অন্তৰ্ভুক্ত হৈছে আৰু মহাবিদ্যালয়খনিৰ উন্নত শিক্ষাৰ জৰিয়তে বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰী ইয়াৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ দেশ-বিদেশৰ বিভিন্ন স্থানত আত্ম সংস্থাপিত হ'বলৈ সক্ষম হৈছে।

বৰ্তমান মহাবিদ্যালয়ৰ উন্নত শ্ৰেণীকক্ষ, পুথিভঁৰাল, পৰীক্ষাগাৰ, বিজুলী, পানী যোগান, ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰৰ সুবিধাসমূহে ইয়ালৈ বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিছে। সময়ৰ লগে লগে শিক্ষাৰ জগতত দ্ৰুত পৰিবৰ্তন হ'বলৈ ধৰিছে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচলিত পাঠ্যক্ৰমৰ পৰিবৰ্তে বৃত্তিমুখী পাঠ্যক্ৰমৰ দিশত ধাৱমান হৈছে। কাৰণ কৰ্ম সংস্থানৰ ক্ষেত্ৰত হোৱা প্ৰতিযোগিতাত সুবিধা পাবলৈ বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰয়োজন হৈছে। সেয়েহে ভাৰতবৰ্ষৰ অন্যান্য শিক্ষানুষ্ঠানৰ দৰে অসমতো এই অভাৱ দূৰ কৰিবলৈ বহুতো মহাবিদ্যালয়ত এনেধৰণৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। মৰাণ মহাবিদ্যালয়তো ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে



কেইবাটাও ভকেশ্যানেল পাঠ্যক্ৰম আৰু অন্যান্য পাঠ্যক্ৰম আৰম্ভ হৈছে।

ইয়াৰ ভিতৰত উদ্ভিদ আৰু প্ৰাণী বিজ্ঞান বিভাগৰ ক্ৰমে নীলিমা তালুকদাৰ আৰু মিনাক্ষী পাত্ৰৰ তত্বাৱধানত Sericulture ৰ ছমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম, ৰসায়ন বিভাগৰ ড° তাৰানাথ নাথৰ তত্বাৱধানত Hospital waste Management ৰ ছমহীয়া চাৰ্টিফিকেট, পদাৰ্থবিজ্ঞানৰ ড° ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰৰ তত্বাৱধানত Repairing of Domestic Appliance ৰ ছমহীয়া পাঠ্যক্ৰম অন্যতম। এই আটাইকেইটা পাঠ্যক্ৰম স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে যিকোনো এটা নিৰ্বাচন কৰি সমান্তৰালভাৱে সম্পূৰ্ণ কৰিব পাৰে। ২০০৯ বৰ্ষৰ পৰা আৰম্ভ হোৱা এই পাঠ্যক্ৰমসমূহ যিকোনো বিষয়ৰ স্নাতক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অধ্যয়নৰ সুবিধা আছে।

বৰ্তমান সময়ত প্ৰতিজন ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ জ্ঞান অতি প্ৰয়োজন। দেখা গৈছে বিভিন্ন বিভাগত নিয়োগৰ ক্ষেত্ৰত ইয়াৰ নুন্যতম জ্ঞান থকাটো অপৰিহাৰ্য। বৰ্তমান মৰাণ মহাবিদ্যালয়খনত থকা কম্পিউটাৰ বিজ্ঞান বিভাগৰ দ্বাৰা অতি কম খৰচতে চাৰ্টিফিকেট পাঠ্যক্ৰম গ্ৰহণৰ বিভিন্ন সুবিধা আছে। মাত্ৰ এমাহতে শিকা পাঠ্যক্ৰম CLP, তিনিমহীয়া Web Technology, CCA ছমহীয়া, DCA, CWT আদি ভকেশ্যনেল পাঠ্যক্ৰমসমূহত অধ্যয়ন কৰি প্ৰতি বছৰে বহুতো ছাত্ৰ-ছাত্ৰীয়ে চাৰ্টিফিকেট গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ২০১০-১১ বৰ্ষৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এবছৰীয়া PGDCA ডিপ্লমা পাঠ্যক্ৰম আৰম্ভ হয়। ইয়াত প্ৰথম বছৰ চল্লিশ জন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰি ইতিমধ্যে ডিপ্লমা গ্ৰহণ কৰিছে আৰু দ্বিতীয় বৰ্ষ বৰ্তমান চলি আছে।

মৰাণ মহাবিদ্যালয়ৰ বিদ্যায়তনিক ক্ষেত্ৰৰ অন্যতম সংযোজন কৃষ্ণকান্ত মুক্ত বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ। শিক্ষাৰ প্ৰতি অসীম ধাউতি থাকিলেও বহুতো ব্যক্তি কেতিয়াবা বিভিন্ন কাৰণত নিয়মীয়া শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয়। কিন্তু বৰ্তমান সময়ত সেইসকল ছাত্ৰ-ছাত্ৰী বা অন্যান্য সকলৰ সুবিধা বাবেই গোটেই বিশ্বতে জনপ্ৰিয় হৈছে - দূৰসংযোগী শিক্ষা ব্যৱস্থা। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আদিয়ে এনে শিক্ষাৰ সহায়ত দেশৰ সাক্ষৰতাৰ হাৰ উন্নত কৰিবলৈ সক্ষণ হোৱাৰ লগতে ন ন বিষয়ৰ পাঠ্যক্ৰম সংযোগৰ দ্বাৰা সংস্থাপনৰ ক্ষেত্ৰতো নৱপ্ৰেৰণা যোগাইছে।

মৰাণ মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ মুক্ত বশ্বিবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰত ড° অমীমাভ দত্তৰ তত্বাৱধানত BBP, BA,MA, PGDCA, PGDHRM, DCA, MBA, BBA, MMC, BMC, BCA, MCA আদি বিভিন্ন পাঠ্যক্ৰমত অধ্যয়নৰ

সুবিধা আছে। ২০০৮ বৰ্ষতে আৰম্ভ হোৱা এই কেন্দ্ৰত বৰ্তমান সকলো বিষয়ৰ এম এ পাঠ্যক্ৰম আৰম্ভ হৈছে। প্ৰায় বাৰশ ছাত্ৰ-ছাত্ৰীয়ে এই কেন্দ্ৰত বিভিন্ন পাঠ্যক্ৰমসমূহ গ্ৰহণ কৰি আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰশিক্ষা বিভাগৰ অধীনত অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী ২০১০ চনৰ পৰা ড° প্ৰদীপ হাজৰিকাৰ তত্বাৱধানত মৰাণ মহাবিদ্যালয়ত আৰম্ভ হ'ল আৰু বৰ্তমানৰ তত্বাৱধায়ক হৈছে ড° বলীন সন্দিকৈ। বৰ্তমান প্ৰায় ৩০ জন ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অধ্যয়ন কৰি আছে।

ঠিক তেনেদৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজ সমূহত চেমিষ্টাৰ পদ্ধতি আৰম্ভ হোৱাৰ লগে লগে পুৰণি স্নাতক পাঠ্যক্ৰম (১+১+১) দূৰ শিক্ষাৰ অধীনত ২০১১ বৰ্ষৰ পৰা আৰম্ভ হৈছে। মৰাণ মহাবিদ্যালয়তো একে বছৰৰ পৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ শিক্ষাৰ অধ্যয়ন কেন্দ্ৰ ড° ভানুপ্ৰভা শইকীয়াৰ তত্বাৱধানত স্থাপন কৰি স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি আৰম্ভ কৰা হয়। প্ৰথম বৰ্ষত ৭২ জন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে। ২০১২ বৰ্ষত বিশ্ববিদ্যালয়ে অসমীয়া, অৰ্থনীতি, সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান এই চাৰিটা বিষয়ৰ মেজৰ পাঠ্যক্ৰমো আৰম্ভ কৰে। মৰাণ মহাবিদ্যালয়ত ২০১২ চনত মেজৰসহ মুঠ ১২০ জন ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানলৈকে নামভৰ্তি কৰিছে আৰু দুয়োটা বৰ্ষৰে পাঠদান চলি আছে। এই অধ্যয়ন কেন্দ্ৰসমূহৰ জৰিয়তে নিবনুৱাৰ সংস্থাপন আৰু কৰ্মৰত সকলে উচ্চশিক্ষা ল'বৰ বাবে সহায় হৈছে।

মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল শইকীয়াৰ বিশেষ প্ৰচেষ্টাত সাহিত্য, লোক-সংস্কৃতি আদিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক অনুৰাগ বৃদ্ধি কৰিবলৈ অসমীয়া বিভাগৰ তত্বাৱধানত সৃষ্টিশীল লিখনি (Creativs Writing) ৰ তিনিমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম ২০০৯ বৰ্ষৰ পৰা আৰম্ভ কৰা হৈছে।

মৰাণ মহাবিদ্যালয়ত থকা এনে ধৰণৰ বৃত্তিমুখী তথা অন্যান্য পাঠ্যক্ৰমসমূহে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, নিবনুৱা যুৱক-যুৱতী আৰু কৰ্মৰত বিভিন্ন জনক নিজৰ পছন্দ অনযায়ী নানা বিষয়ৰ শিক্ষা আহৰণ কৰিবলৈ সুবিধা প্ৰদান কৰি আহিছে।

❖❖



# মৰাণ কলেজৰ কাব্যিক-যাত্ৰা

**অৱনী মহন**

প্ৰাক্তন ছাত্ৰ, মৰাণ মহাবিদ্যালয়

বৃহত্তৰ মৰাণ অঞ্চলৰ শিক্ষা-সংস্কৃতি তথা বৌদ্ধিক চিন্তা-চৰ্চাৰ অন্যতম কেন্দ্ৰ হ'ল মৰাণ মহাবিদ্যালয়। এই অঞ্চলটোৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ। মহাবিদ্যালয়খনিত শিক্ষা গ্ৰহণ কৰিয়েই বহু ব্যক্তি অঞ্চলটিৰ সাহিত্য সমাজ-সংস্কৃতি-শিক্ষা-ৰাজনীতি আদিৰ লগত জড়িত হৈ আছে। সাহিত্যৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনিৰ অৱদান নুই কৰিব নোৱাৰি। এই চমু লেখাটিত অসমীয়া কবিতাৰ ক্ষেত্ৰখনত মৰাণ মহাবিদ্যালয়ৰ খোজৰ পৰ্যালোচনা কৰিব খোজা হৈছে।

মৰাণ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ইতিমধ্যে ৪২ টি সংখ্যা প্ৰকাশ হৈছে। তথাপি আৰম্ভণিৰে পৰা শেষলৈকে আটাইকেইটা সংখ্যাৰ আলোচনী নোপোৱাৰ বাবে কিছু সীমাবদ্ধতাৰ মাজতে প্ৰৱন্ধটিত হাত দিব খোজা হৈছে। সেয়ে সংখ্যানুক্ৰমিকভাৱে আলোচনা নকৰি মৰাণ মহাবিদ্যালয়ৰ কাব্যিক যাত্ৰাৰ সামগ্ৰিক পৰ্যালোচনাহে ইয়াত দাঙি ধৰা হ'ল। অজ্ঞাতবসতঃ বাদ পৰি যোৱা সকলৰ ওচৰত লেখক ক্ষমাপ্ৰাৰ্থী।

মৰাণ মহাবিদ্যালয়ৰ আলোচনী পাততে কাব্য জীৱন আৰম্ভ কৰি সম্প্ৰতি বহুজনে অসমীয়া কবিতাৰ ক্ষেত্ৰখনত বিচৰণ কৰি আছে। এই ক্ষেত্ৰত মহাবিদ্যালয়খনিৰ সাহিত্যৰ পৰিৱেশটোৰ কথাও উল্লেখ কৰিব পাৰি। মহাবিদ্যালয়খনিত অধ্যাপনা কৰা বহুকেইজন অধ্যাপকে অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। এই ক্ষেত্ৰত ড° প্ৰদীপ হাজৰিকা (অৱসৰপ্ৰাপ্ত), ইলা বৰগোঁহাই (অৱসৰপ্ৰাপ্ত), ড° অনিল

শইকীয়া, ড° দয়ানন্দ বৰগোঁহাই (অৱসৰপ্ৰাপ্ত), ড° বলিন সন্দিকৈ আদিৰ নাম উল্লেখ কৰিব পাৰি। ড° প্ৰদীপ হাজৰিকা এগৰাকী আগশাৰীৰ গল্পকাৰ তথা ঔপন্যাসিক। 'দোকমোকালি' উপন্যাসৰ বাবে অসম সাহিত্য সভাৰ পুৰস্কাৰো পাইছিল।

মৰাণ মহাবিদ্যালয়ত অধ্যাপনা কৰি অৱসৰ লোৱা ইলা বৰগোঁহাই আৰু ড° দয়ানন্দ বৰগোঁহাই দুজন উল্লেখযোগ্য সাহিত্যকৰ্মী। ইলা বৰগোঁহাই প্ৰধানতঃ এগৰাকী ঔপন্যাসিক তথা শিশু সাহিত্যিক। 'হে অৰণ্য, হে মহাসাগৰ', 'পিজো গাভৰু' তেখেতৰ দুখন উল্লেখযোগ্য উপন্যাস। ড° অনিল শইকীয়া লোক-সংস্কৃতিৰ গৱেষক আৰু নাট্যকৰ্মী। তেখেতৰ কেইবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে। ড° দয়ানন্দ বৰগোঁহাইৰ 'প্ৰত্যাশা', 'প্ৰেৰণা' নামৰ দুখন কবিতাপুথি প্ৰকাশ পাইছে।

সম্প্ৰতি মৰাণৰ কবিতাৰ পথাৰখন যথেষ্ট উৰ্বৰ। মৰাণ মহাবিদ্যালয়ৰ আলোচনীৰ পাততে কাব্য জীৱনৰ সূচনা কৰা পুৰণি কবিকুলৰ ভিতৰত ভোলা চাংমাই, বিদ্যা চুতীয়া, সতীশ চুতীয়া, শোভিত কুমাৰ ছেত্ৰী, দিপ্তী দেউৰী, মৃদুল কুমাৰ গগৈ, প্ৰদীপ গগৈ, দিলীপ দেউৰীয়া, যদু চুতীয়া, দিব্যজ্যোতি গগৈ আদি কবিৰ নাম উল্লেখ কৰিব পাৰি। ভোলা চাংমাইদেৱে কলেজীয়া জীৱনৰ পৰা বৰ্তমানলৈকে কাব্য চৰ্চা কৰি আছে। কবি বিদ্যা চুতীয়াৰ তিনিখন কাব্য-সংকলন প্ৰকাশ পাইছে। 'লিমাৰিক', 'নিষিদ্ধ স্বপ্ন' (১৯৯৩), আৰু 'কাৰসতে বিনিময় কৰোঁ' (২০০৯) তেখেতৰ প্ৰকাশিত কবিতাপুথি। চুতীয়াদেৱৰ লিমাৰিকসমূহ সমাজ বাস্তৱৰ তীব্ৰ ব্যঙ্গ। কবি সতীশ চুতীয়াৰ কোনো কাব্য-সংকলন এতিয়ালৈকে প্ৰকাশ হোৱা নাই যদিও বহু কবিতা আলোচনী, বাতৰি কাকত আদিৰ পাতত সিচঁৰতি হৈ আছে। কবি দিপ্তী দেউৰী আৰু মৃদুল কুমাৰ গগৈৰ একোখনকৈ কাব্য-সংকলন প্ৰকাশ পাইছে। 'সপোনৰ ৰূপালী সীতা' কাব্য-সংকলনত দেউৰী সমাজৰ বাস্তৱতা প্ৰকাশক বহুকেইটা ভাল কবিতা সংকলিত হৈছে। কবি মৃদুল কুমাৰ গগৈৰ 'চহৰত লাহে লাহে বৰষুণ পৰে' সংকলনৰ কবিতাসমূহ ৰোমান্টিক চেতনা আৰু সমাজ-ভাৱনা সমৃদ্ধ। প্ৰভাৱশীলতাৰ ক্ষেত্ৰখনৰ পৰা আঁতৰি কবি গগৈয়ে স্ব-ৰীতি আয়ত্ব কৰিছে।

কবি প্ৰদীপ গগৈয়ে এসময়ত বহুকেইটা ভাল কবিতা ৰচনা কৰিছিল। তেখেত এজন ভাল আবৃত্তিকাৰো। তেখেতৰ আবৃত্তি কবি ৰাম গগৈৰ নিৰ্বাচিত কবিতাৰ 'পথাৰ' কেছেটটিত এই ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ। দিলীপ দেউৰীয়াইও এসময়ত ভাল কবিতা লিখিছিল। যদু চুতীয়াৰ এটি কাব্য-সংকলন 'মন নিজৰাৰ সোঁতে সোঁতে' প্ৰকাশ হৈছে। 'ৰাজ পথৰ কবিতা'ৰ কবি দিব্যজ্যোতি গগৈৰ কবিতাসমূহ প্ৰখৰ সমাজ চেতনা সমৃদ্ধ। সমসাময়িক পৰিস্থিতিৰ প্ৰকাশ তেওঁৰ কবিতাৰ মূল বিষয়বস্তু আছিল। অকালতে মৃত্যুক সাৱতি লোৱা কবি দিব্যজ্যোতি গগৈ মৰাণৰ এটি উজ্বল কবি প্ৰতিভা



আছিল। এই শাৰীতে থ'ব পৰা আৰু কেইজনমান কাব্য চৰ্চা কৰা ব্যক্তি হ'ল - নীলকান্ত গগৈ, ধ্ৰুৱজ্যোতি মহন, ৰসানন্দ গগৈ (গীতিকাৰ-গায়ক), নৱ কুমাৰ গগৈ আদি।

যোৱা শতিকাৰ শেষৰ দশকটো মৰাণ অঞ্চলৰ কাব্য চৰ্চাৰ এক উল্লেখযোগ্য সময় আছিল। এই সময়ছোৱাত বহুকেইজন কবিয়ে মহাবিদ্যালয়কে কেন্দ্ৰ কৰি কাব্য জীৱনৰ পাতনি মেলিছিল। ইয়াৰে বহুকেইজন ইতিমধ্যে কাব্য চৰ্চাৰ বাটৰ পৰা আঁতৰি আহিছে; কেইজনমান অসমৰ জনপ্ৰিয় কবিৰ শাৰীলৈ উত্তীৰ্ণ হৈছে। এই কবিকুলৰ ভিতৰত কেইজনমান উল্লেখযোগ্য কবি হ'ল -চিন্ময়জ্যোতি হাজৰিকা, নৃপেন বৰুৱা, বিপুল কুমাৰ ফুকন, ক্ষান্ত ফুকন, যদু নাথ পুৰী, ভূপেন গগৈ, শোভেন হাজৰিকা, দিতুল চেতিয়া, অৱনী মহন, জয়ৰাম কুৰ্মি, স্বাতী কিৰণ, কবিতা কৰ্মকাৰ, পূৰবী শেনছোৱা, নবীন চাংমাই, দিলীপ বৰুৱা, দিপালী গগৈ, দেৱযানী মহন আদি। কবি চিন্ময়জ্যোতি হাজৰিকাৰ ইতিমধ্যে দুখন কবিতাপুথি প্ৰকাশ পাইছে 'অক্টোবৰৰ কবিতা' (২০০৩) আৰু 'ৰঙা ঘোঁৰা আৰু অন্যান্য কবিতা' (২০০৫)। কবি হাজৰিকাৰ কবিতাৰ ভাষা মিতব্যয়ী। তেখেতৰ কবিতাত ৰোমান্টিকতা আছে (উদাহৰণ অক্টোবৰৰ কবিতা) যদিও পিছৰ কবিতাখিনি ইয়াৰ পৰা আঁতৰি জীৱন আৰু জগতৰ সতে সাঙোৰ খাই পৰিছে। জীৱনক চেকি চোৱাৰ প্ৰৱণতা তেখেতৰ বহুকেইটা কবিতাত পৰিস্ফুট হৈছে। কবি গৰাকীৰ এটা স্বকীয় কথনভঙ্গী আছে, ই অধিক পৰিপক্কতা লাভ কৰিলে অসমীয়া কাব্য জগত চহকী হ'ব বুলি আশা কৰিব পাৰি।

নৃপেন বৰুৱা মহাবিদ্যালয়খনৰ আলোচনীৰ ২৭ তম্ সংখ্যাৰ সম্পাদক আছিল। তেখেতৰ সম্পাদিত আলোচনীখনে সেই বছৰৰ সদৌ অসম ভিত্তিত আয়োজিত মহাবিদ্যালয়সমূহৰ আলোচনী প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। বৰুৱা এজন ভাল কবিও। তেখেতৰ বহুকেইটা কবিতা বিভিন্ন সাহিত্য পত্ৰিকা, আলোচনী আদিত প্ৰকাশ হৈছে। সম্প্ৰতি বৰুৱাই কাব্য চৰ্চা এৰা যেন লাগে। ই মৰাণৰ কাব্য জগতৰ বাবে দুঃখবৰ। একে কথা কবি বিপুল কুমাৰ ফুকনৰ ক্ষেত্ৰটো খাটে। এক স্বকীয় ভঙ্গীৰে সমাজ ভাৱনাৰ বহুকেইটা ভাল কবিতা ফুকনে ৰচনা কৰিছিল। প্ৰচুৰ সম্ভাৱনা বহন কৰা 'ৰিহা', 'অৱনী তই উভতি অহাৰ নাট কৰিলি' 'বু-বু-বা-বা' আদি কবিতাৰ কবি ফুকনৰ নতুন কবিতা সম্প্ৰতি চকুত পৰা নাই।

সাম্প্ৰতিক অসমৰ কবিসকলৰ মাজত দুজন জনপ্ৰিয় কবি হ'ল - ভূপেন গগৈ আৰু শোভেন হাজৰিকা। কবি ভূপেন গগৈৰ চাৰিখন কাব্য-সংকলন প্ৰকাশ পাইছে - 'গৈ থাকোতে জীৱনৰ ছাঁ গচকিলো' (২০০৫), 'তেওঁৰ ওচৰতে ৰাতি হয়' (২০০৫), কবি নিবেদিতা বুঢ়াগোঁহাইৰ সতে 'আমি সকলো মানুহ বদনামী' (২০০৮) আৰু 'ভোক, ৰুটি আৰু অন্যান্য বিষয়ক' (২০১১)। কবি গগৈ কবিতা কোৱাত সিদ্ধহস্ত।

সৰু সৰু একোটা কথা বা বিষয়ক তেওঁ নিজা কথন ভঙ্গীৰে সুন্দৰকৈ প্ৰকাশ কৰিব পাৰে। তেওঁৰ কবিতাৰ বিষয়বস্তু গঞা জীৱনৰ প্ৰেম, জীৱন আৰু সমাজ ভাৱনালৈকে বিস্তৃত। কবি গগৈয়ে সাহিত্য অকাডেমীৰ ভ্ৰমণ বৃত্তিও লাভ কৰিছে।

অন্য এজন জনপ্ৰিয় কবি শোভেন হাজৰিকাৰ জনপ্ৰিয় কবিতাপুথিখন হ'ল - 'চিকুন মাটিৰ কলহ' (২০০৫)। হাজৰিকাৰ এক নিজস্ব কথন ভঙ্গী আছে। প্ৰতীক, কল্পচিত্ৰ আদি নিৰ্মাণত নিপুন কবি হাজৰিকাৰ কবিতাত এহাতেদি জীৱন ভাৱনা প্ৰকাশ ঘটিছে। অন্যহাতেদি সাম্প্ৰতিক সমাজ জীৱনৰ ছবি পৰিস্ফুট হৈছে। হাজৰিকাৰ কবিতাৰ ভাষা শক্তিশালী।

কবি দিতুল চেতিয়াৰ প্ৰকাশিত কাব্য সংকলন হ'ল 'খোজ' (২০১০)। চেতিয়াৰ কবিতাসমূহৰ মূল পটভূমি প্ৰেম, জীৱন আৰু সাম্প্ৰতিক জন-জীৱন বিষয়ক অৱনী মহনৰ এখন কবিতাপুথি 'হাত এখন বাঢ়ি আহিছে' (২০০৮) প্ৰকাশ পাইছে। 'শিৰিশ তলত বিলাপ', 'তোমাৰ বিয়াৰ বাবে আঁঙুঠিৰ কথা যে কৈছা'- এই দুখন জয়ৰাম কুৰ্মিৰ প্ৰকাশিত কবিতা পুথি। কবি কুৰ্মিৰ কবিতাসমূহত চাহ শ্ৰমিকসকলৰ জীৱনৰ আৰ্তনাদ প্ৰকাশ ঘটিছে। প্ৰেম তেওঁৰ কবিতাৰ অন্য এটা সুঁতি। কবি দিপালী গগৈয়েও এসময়ত ভাল কবিতা লিখিছিল। যদিও সম্প্ৰতি নতুন কবিতা চকুত পৰা নাই।

স্বাতী কিৰণ এগৰাকী প্ৰচুৰ সম্ভাৱনাময় কবি। কবিতাৰ অনুবাদতো কিৰণৰ ভাল দখল আছে। কবি বনানী বুঢ়াগোঁহাইৰ 'এমুঠি সেউজ অনুভৱ' (২০০৮), দেৱযানী হাজৰিকাৰ 'শৈসৱৰ কবিতা', 'আত্মপাঠ', পূৰবী শেনছোৱাৰ 'কিমান কথা সাঁচি থলে ক'ব পাৰি বুকুৰ ভালপোৱা' (২০০৮) আদি কাব্য-সংকলন প্ৰকাশ পাইছে। মৰাণ মহাবিদ্যালয়ৰ আলোচনীৰ পাততে আত্ম প্ৰকাশ কৰি কবিতাৰ পথাৰত খোজ দিয়া আৰু কেইজনমান কবি হ'ল- সুৰেশ ভূঞা, বিজু য়েইন, প্ৰশান্ত শইকীয়া, নয়নজিৎ কোঁৱৰ, কেশৱ কাকতি, বিজু দুৱৰা, মৃদুস্মৃতি গগৈ, দৰ্শনা ফুকন, মেঘালী বৰুৱা, ধৰিত্ৰী গগৈ, নিহাৰীকা চুতীয়া, মনচুন গগৈ, ৰিতুল বৰুৱা, সুস্মিতা লেখাৰু, শেৱালী শইকীয়া, সুলক্ষণা গগৈ, সুদক্ষণা গগৈ, দৰ্পনজিৎ কোঁৱৰ আদি।

❖❖



# মৰাণ মহাবিদ্যালয়ৰ দুটিমান স্নেপশ্বট

**নন্দিতা গগৈ**
সহকাৰী অধ্যাপিকা, মৰাণ মহাবিদ্যালয়

১৯৬৪ চনতেই আৰম্ভ হৈছিল মহাবিদ্যালয়খনৰ শৈক্ষিক যাত্ৰা। কেইগৰাকীমান শিক্ষানুৰাগী আৰু উদ্যোগী সমাজকৰ্মী, শিক্ষাবিদৰ উদ্যোগত মৰাণ, খোৱাং, চেপন আৰু মাহমৰাৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ ৰাইজৰ অকুণ্ঠ সহযোগত আৰম্ভ হৈছিল মৰাণ মহাবিদ্যালয়। বোধিবৃক্ষৰ অমৃতফল খোৱাৰ আশাৰে আগবাঢ়ি আহিল স্বপ্নাতুৰ এদল যুৱক-যুৱতী, দুচকুৰে চাবলৈ সাতোৰঙী বৰ্ণিলতা। ঢাপে ঢাপে প্ৰগতিৰ জখলাৰে আগবাঢ়োঁতে চৌপাশৰ সমাজ, মৰাণ মহাবিদ্যালয়ও সাজ সলালে, পিন্ধি ল'লে নতুন নতুন সাজ, বাঁহৰ জলঙাৰে ৰ'দ আহি সোমোৱা কোঠাবোৰ কংক্ৰিটৰ হ'ল, অ'ত ত'ত মূৰ দাঙি উঠিল ওখ ওখ দালান। কৃষ্ণচূড়াৰ আবীৰ সানি সেউজী বাটেৰে আহিল, গ'ল বহুতো যৌৱন। চহাই-মৈয়ায় মনৰ পথাৰ, শইচ সুগন্ধি বুকুত সাৱটি। মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰতিগৰাকী নমস্য অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ হাতৰ পৰশলাগি এইটি বিদ্যামন্দিৰে ক্ৰমশ উত্তৰণৰ পথত অগ্ৰসৰ হ'ল আৰু অতিক্ৰম কৰিলে ৰূপালী জয়ন্তী বৰ্ষ। বৰ্তমানৰ অধ্যক্ষ ড° অনিল শইকীয়াৰ তৎপৰাতত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক অনুদানেৰে মহাবিদ্যালয়খন আৰু এঢাপ আগবাঢ়ি গ'ল। পৰিকাঠামোভিত্তিক বৌদ্ধিক আৰু সাংস্কৃতিক অনেক সম্ভাৰেৰে মহাবিদ্যালয়খনিয়ে ২০১৪ চনত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত উপনীত হৈছেহি। উল্লিখিত সময়ছোৱাৰ মহাবিদ্যালয়খনিৰ সৰ্বপ্ৰকাৰৰ উন্নয়নৰ কিছু খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিলোঁ।

**(ক) মহাবিদ্যালয়খনত উপলব্ধ বিভিন্ন পাঠ্যক্ৰম ঃ**

১। কলা শাখা ঃ ইংৰাজী, অসমীয়া, ঐশ্বিক অসমীয়া, শিক্ষা, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, তৰ্কবিজ্ঞান, বুৰঞ্জী, ভূগোল বিজ্ঞান, সত্ৰীয়া নৃত্য।

২। বিজ্ঞান শাখা ঃ অংকশাস্ত্ৰ, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান, প্ৰাণীবিজ্ঞান, কম্পিউটাৰ চাইন্স, বায়'টেকনলজি।

৩। মেজৰ পাঠ্যক্ৰম ঃ

কলা- ইংৰাজী, অসমীয়া, ঐচ্ছিক অসমীয়া, শিক্ষা, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, তৰ্কবিজ্ঞান, বুৰঞ্জী, ভূগোল বিজ্ঞান।

বিজ্ঞান- অংকশাস্ত্ৰ, পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান।

(খ) **বৃত্তিমুখী পাঠ্যক্ৰম ঃ** ঘৰুৱা মীনপালন, চেৰিকালচাৰ, মেইনটেনেন্স এণ্ড ৰিপেয়াৰিং, স্প'কেন ইংলিচ, এমহীয়া কম্পিউটাৰ শিক্ষা পাঠ্যক্ৰম, তিনিমহীয়া কম্পিউটাৰ প্ৰায়োগিক পাঠ্যক্ৰম, তিনিমহীয়া সৃষ্টিশীল লেখনিৰ পাঠ্যক্ৰম, অনুষ্ঠান প্ৰৰিচালনা পাঠ্যক্ৰম, যোগ, পেচাদাৰী সংগীত পাঠ্যক্ৰম।

(গ) দুৰৱৰ্ত্তী পাঠ্যক্ৰম ঃ কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত বেচেলৰ প্ৰিপেৰেটৰি প্ৰগ্ৰেম, বি.এ., বেচেলৰ অৱ বিজিনেচ এড্‌মিনিষ্ট্ৰেশ্যন, বেচেলৰ অৱ কম্পিউটাৰ এপ্লিকেশ্যন, জাৰ্নেলিজিম এণ্ড মাচ কমিউনিকেশ্যন।

সৰ্বোপৰি, ইংৰাজী, অসমীয়া, সমাজশাস্ত্ৰ, ৰাজনীতি বিজ্ঞান ইত্যাদি বিষয়ত এম. এ. পঢ়াৰ সুবিধা আছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুৰৱৰ্ত্তী শিক্ষাৰ অধীনত স্নাতক পাঠ্যক্ৰম আৰু অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ ব্যৱস্থা আছে।

(ঘ) সম্পদ আৰু অন্যান্য সা-সুবিধা ঃ মৰাণ মহাবিদ্যালয়ত পৰিকাঠামো ভিত্তিক বহু সা-সুবিধা উপলব্ধ হয়। ইলেক্ট্ৰনিক পুথিভঁড়াল, নেটৱৰ্ক ৰিচ'ট চেণ্টাৰ, বিভাগীয় বিজ্ঞানাগাৰ, কম্পিউটাৰ লেব'ৰেটৰি, ডিজিটেল শ্ৰেণীকোঠা, প্ৰেক্ষাগৃহ আৰু মঞ্চ, ছাত্ৰী জিৰণিকোঠা, ইউনিয়ন কোঠা, ব'টানিকেল গাৰ্ডেন, খোৱাপানী প্ৰকল্প, ইনড'ৰ অডিটেৰিয়াম (নিৰ্মাণৰত), মাল্টিপুল জিম, কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাস, ছাত্ৰীনিবাস, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ পৃথক কেণ্টিন, ছুইমিংপুল (নিৰ্মাণৰত), পুথিভঁৰাল আলোচনাকক্ষ, গ্ৰামোফোন ৰেকৰ্ড সংগ্ৰহালয়কক্ষ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুদানেৰে নিৰ্মিত ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নকক্ষ, বিভাগীয় কম্পিউটাৰ কক্ষ, বিভাগীয় শিক্ষক জিৰণি কোঠা, ফিচাৰি, কলবাৰী, ব'টানিকেল গাৰ্ডেন, চাইকেল ষ্টেণ্ড, অনাগত ২০১৪ বৰ্ষৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি, সম্পাদক, অধ্যক্ষৰ আবক্ষমূৰ্ত্তি স্থাপন, উচ্চ ক্ষমতাসম্পন্ন জেনেৰেটৰ, জেৰক্স, নিজা ট্ৰেন্সফৰ্মাৰ, যৌথ খেলপথাৰ, বিশ্বৰ ভিন্নপ্ৰান্তৰ গ্ৰামোফোন ৰেকৰ্ডৰ মিউজিয়াম, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে উন্নত অনাময় ব্যৱস্থা, কলাভৱন, বিজ্ঞানভৱন, কাৰ্যালয় ভৱন, শ্বহীদবেদী আদিয়ে মহাবিদ্যালয়খনৰ উন্নত সা-সম্পদৰ পৰিচয় দাঙি ধৰে। সৰ্বোপৰি ২০০২ বৰ্ষৰ



সম্প্ৰসাৰিত প্ৰেক্ষাগৃহ আৰু নিৰ্মাণৰত অৱস্থাত থকা গেষ্টহাউচ, তিনিমহলীয়া বিভাগীয় ভৱন, নতুনকৈ সংযোজিত মহাবিদ্যালয়ৰ সম্পদ।

(ঙ) **ছাত্ৰ-ছাত্ৰীৰ উপলব্ধ অন্যান্য সা-সুবিধাসমূহ ঃ** মৰাণ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা হয়। ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক নাটনি দূৰীকৰণৰ অৰ্থে বিভিন্ন চৰকাৰী জলপানীৰ উপৰিও মহাবিদ্যালয়ৰ তৰফৰপৰা বিভিন্নধৰণৰ আৰ্থিক সাহাৰ্য প্ৰদানৰ ব্যৱস্থা আছে। দৰিদ্ৰ আৰু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক ৰেহাইভিত্তিক নামভৰ্ত্তিৰ সুবিধা প্ৰদানৰ উপৰিও শিক্ষকগোটৰ তৰফৰপৰা এবছৰত দুগৰাকীকৈ মেধাবী ছাত্ৰীক ছাত্ৰীনিবাসত থকাৰ যাৱতীয় খৰচো বহন কৰা হয়। বুক বেংকৰপৰা পাঠ্যপুথিৰ যোগান ধৰা, দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে ৰিমেডিয়েল ক'চিঙৰ ব্যৱস্থা, শিক্ষামূলক ভ্ৰমণ, স্বাস্থ্য সম্পৰ্কীয় অধ্যয়ন আৰু পৰীক্ষা পাঠ্যক্ৰমৰ উন্নীতকৰণৰ কাৰণে গ্ৰুপ ডিচ্‌কাচন, চেমিনাৰ ৱৰ্কশ্বপ, সজাগতামূলক কাৰ্যসূচী, ফিড্‌বেকৰ ব্যৱস্থা ইত্যাদি কাৰ্যসূচীৰো ব্যৱস্থা আছে।

(চ) **ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ বৃত্তি ঃ** চৰকাৰী বিভিন্ন জলপানীৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ বৃত্তি প্ৰদানৰ ব্যৱস্থাও আছে। উল্লিখিত বৃত্তিসমূহ হ'ল-

১। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাত মহাবিদ্যালয়ৰ ভিতৰত কলা আৰু বিজ্ঞান শাখাত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয় চন্দ্ৰপ্ৰাজ্ঞী সোঁৱৰণী বঁটা।

২। বিজ্ঞান আৰু কলা শাখাতো বি. এ., বি.এচ.চি. পৰীক্ষাত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয় স্বৰ্ণলতা গোহাঁই সোঁৱৰণী বঁটা।

(৩) ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত সৰ্ব্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক সৰ্বেশ্বৰী দত্ত সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।

(ছ) **মৰাণ মহাবিদ্যালয়ৰ সৃষ্টিশীল যাত্ৰাৰ ৰেঙণি ঃ** মহাবিদ্যালয়তেই ৰোপন হয় অনাগত দিনৰ সাহিত্য আৰু সাংস্কৃতিক চেতনাৰ সৃষ্টিশীলতাৰ বীজ। কৈশোৰ অতিক্ৰমি যৌৱনত ভৰি দিয়া বহুতো সম্ভাৱনাই মহাবিদ্যালয়তেই হাতত কলম তুলি আৰম্ভ কৰে সাহিত্য-সংস্কৃতি কৰ্ষণৰ আখৰা। মৰাণ মহাবিদ্যালয়তো সাহিত্য-সংস্কৃতি চৰ্চাৰ এখন সাৰুৱা থলি আছে। আঢ়ৈকুৰিতকৈও অধিক ছাত্ৰ-ছাত্ৰীৰ প্ৰজ্ঞাৰথলী মৰাণ মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰকে প্ৰমুখ্য কৰি বিভাগীয় দেৱাল আলোচনী, বিভাগীয় অনু আলোচনী, অসমীয়া বিভাগৰ 'কৰ্ষণ সাংস্কৃতিক সমাজ'ৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান, অসমীয়া বিভাগৰ উদ্যোগত পৰিচালিত তিনিমহীয়া সৃষ্টিশীল পাঠ্যক্ৰমৰ অনুষ্ঠান আদিয়ে মহাবিদ্যালয়ত সাহিত্য, সংস্কৃতি

চৰ্চাৰ এটি সুন্দৰ আৰু সুস্থ পৰিবেশ সৃষ্টি কৰিছে। তদুপৰি বিজ্ঞান শাখাতো ড° ভানুপ্ৰভা শইকীয়াৰ উদ্যোগত সাহিত্য-চৰ্চাৰ এটি অনুষ্ঠানে মূৰদাঙি উঠিছে।

মৰাণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অন্বেষণে'ই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল চেতনাৰ উন্মেষৰ এক ভেঁটিস্বৰূপ। বৰ্তমানলৈকে সৰ্বমুঠ ৪২ টা সংখ্যা প্ৰকাশৰ মুখদেখা 'অন্বেষণ' আলোচনীত লিখিবলৈ আৰম্ভ কৰা মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে সময়ত আপোন সৃষ্টিশীলতাৰে উজ্বলি উঠিছে।

উল্লেখযোগ্য যে, ২০০৯-২০১০ বৰ্ষৰ সুদক্ষণা গগৈৰ সম্পাদনাত প্ৰকাশ পোৱা 'অন্বেষণে' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আলোচনী সমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আলোচনীৰূপে বঁটা পাবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ কলা আৰু বিজ্ঞান উভয় শাখাৰে দেৱাল আলোচনীসমূহেও ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আহিছে। অসমীয়া বিভাগৰ 'অন্বেষা', ইংৰাজী বিভাগৰ 'কাৰ্নিভেল', অৰ্থনীতি বিভাগৰ 'টেবলিউ ইকনমিকউ', ৰাজনীতি বিজ্ঞান বিভাগৰ 'প্ৰজ্ঞা', দৰ্শন বিভাগৰ 'প্ৰত্যয়', শিক্ষাতত্ব বিভাগৰ 'এমিল', বুৰঞ্জী বিভাগৰ 'বুৰঞ্জী বিথীকা', ভূগোল বিভাগৰ 'অৱেচিছ্', পদাৰ্থ বিজ্ঞান বিভাগৰ 'স্পেকত্ৰাম', ৰসায়ন বিজ্ঞান বিভাগৰ 'কেমোলা', গণিত বিভাগৰ 'জেনিথ্', উদ্ভিদ বিজ্ঞান বিভাগৰ 'নেচাৰ', প্ৰাণী বিজ্ঞান বিভাগৰ 'জুনেচন' আদি দেৱাল আলোচনীয়ে মহাবিদ্যালয়ৰ সাহিত্য-চৰ্চাৰ পৰিবেশ সজীৱ কৰি ৰাখিছে। তদুপৰি, বিভাগীয় অনু আলোচনী 'কৰ্ষণ', 'সৃষ্টি' আদিয়েও ছাত্ৰ-ছাত্ৰীৰ সাহিত্যচৰ্চাৰ লগতে বৌদ্ধিক বিকাশৰ লগতে সাহিত্য-চৰ্চাৰ এক সুন্দৰ পৰিবেশ নিৰ্মাণ কৰিছে।

তদুপৰি, অসমীয়া বিভাগৰ উদ্যোগত সৃষ্টিশীল লেখনিৰ তিনিমহীয়া পাঠ্যক্ৰমৰ জৰিয়তে সাহিত্য-সংস্কৃতি চৰ্চাৰ এক সুন্দৰ পৰিবেশ মহাবিদ্যালয়খনত বিৰাজমান হৈ আছে। তদুপৰি, মহাবিদ্যালয়খনত কলানুৰাগী অধ্যক্ষ ড° অনিল শইকীয়াৰ তৎপৰতাত এখনি কবিচক্ৰও গঠন হৈছে। অসমীয়া বিভাগে উদ্যোগ লৈ যোৱা ১১ আগষ্ট তাৰিখে অনুষ্ঠিত কৰা কবিসন্মিলনখনিয়েও ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল চেতনাৰ সক্ৰিয়তা বৃদ্ধিত কাৰকৰূপে সহায় কৰিছে। বিজ্ঞান শাখাতো সাহিত্য সংস্কৃতি চৰ্চাৰ এক অননুকৰণীয় পৰিবেশ বিৰাজমান হৈ আছে। বিজ্ঞান শাখাতো 'বিজ্ঞান সাহিত্য' সন্দৰ্ভত এখনি আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়।

(জ) **সংগীত আৰু অন্যান্য সুকুমাৰ কলা সমন্বীয় পৰিবেশ ঃ** মৰাণ মহাবিদ্যালয়ত সাহিত্য সৃষ্টিৰ পৰিবেশ সক্ৰিয় হৈ থকাৰ লগতে সংগীত আৰু অন্যান্য সুকুমাৰ কলা সাধনাইও মহাবিদ্যালয়ত এক সুন্দৰ সাংস্কৃতিক বাতাবৰণ সৃষ্টিত অৱিহণা যোগাইছে।

এক বিশেষ ব্যতিক্ৰমধৰ্মিতাৰে মৰাণ মহাবিদ্যালয়ত উজ্বলি আছে গ্ৰামোফোন ৰেকৰ্ডৰ এক সুন্দৰ সংগ্ৰহালয়। সৰ্বমুঠ তিনি হেজাৰ গ্ৰামোফোন ৰেকৰ্ড, আঠটা গ্ৰামোফোন, পাঁচটা ৰেকৰ্ড প্লেয়াৰ, এটা ৰেকৰ্ড চেইনজাৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল শইকীয়াৰ একক প্ৰচেষ্টাত সংগৃহীত হৈ আছে। ভাৰতীয় বিভিন্ন ভাষাৰ এই ৰেকৰ্ডসমূহৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ উপৰিও অন্যান্য শ্ৰুতাইও সোৱদ ল'ব পাৰে। বিথোফেন, মেজাৰ্ট আদি বিশ্বৰ বৰেণ্য সংগীতজ্ঞসকলৰ ৰেকৰ্ডেও সংগ্ৰহালয়টোৰ জেউটি বঢ়াইছে।



লগতে, অসমীয়া পৰম্পৰাগত সাংস্কৃতিক সম্পদ কিছুমানো সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। সংগীতানুৰাগী ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত বিশেষ বাদ্যযন্ত্ৰৰো ব্যৱস্থা কৰা হৈছে।

(ঝ) **মৰাণ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সমাজ সেৱাৰ কাৰ্যসূচী ঃ** মৰাণ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সমাজ সেৱাৰ কাৰ্যসূচীৰ উদ্যোগত প্ৰতিবছৰে বিভিন্ন প্ৰকাৰৰ সমাজ সেৱামূলক কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। বিগত বছৰটোত তিনিটা ৰক্ত পৰীক্ষা শিবিৰ, তিনিটা ৰক্তদান শিবিৰ, এটা নেত্ৰ পৰীক্ষা শিবিৰ, এটা বান সাহায্য শিবিৰ, এটা ক্ষেত্ৰভিত্তিক পৰিষ্কাৰ শিবিৰ কাৰ্যসূচী ইতিমধ্যে অনুষ্ঠিত হৈ গৈছে। ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক মুনিন বৰা আৰু অৰ্থনীতি বিভাগৰ ৰোহিনী চেতিয়াৰ তত্বাৱধানত ৰাষ্ট্ৰীয় সমাজ সেৱাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

সৰ্বোপৰি স্কাউট এণ্ড গাইডৰ অধীনত সোণাপুৰ চমতাপথাৰ স্কাউট গাইড ট্ৰেইনিং গ্ৰাউণ্ডত ২০১০ বৰ্ষৰ ৰ'ভাৰ ৰেনজাৰ মিটত দুটা পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। ডিচিপ্লিন এণ্ড ক্লিননেছ ত প্ৰথম পুৰস্কাৰ আৰু প্ৰদৰ্শনীত তিনিগৰাকী ৰেঞ্জাৰে দ্বিতীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, উল্লিখিত সময়ছোৱাত 'স্কাউট এণ্ড গাইড'ৰ তত্বাৱধায়ক আছিল প্ৰাণীবিজ্ঞান বিভাগৰ অধ্যাপিকা মিনাক্ষী পাত্ৰ।

(ঞ) **মহাবিদ্যালয়ৰ গৌৰৱ ঃ** লোকসংস্কৃতিৰ গৱেষক আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনিল শইকীয়াই ২০১১ বৰ্ষৰ ২৭ নবেম্বৰ তাৰিখে 'প্ৰতিমা বৰুৱা পাণ্ডে' বঁটা লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ কঢ়িয়াই আনে গৌৰৱৰ মেটমৰা সম্ভাৰ। আনহাতে, মহাবিদ্যালয়ৰ দুজনকৈ অধ্যাপকে অসমৰ দুখন মহাবিদ্যালয়ত অধ্যক্ষৰ আসন শুৱনি কৰা কথাটোও মহাবিদ্যালয়ৰ বাবে দুটি সুখবৰ। গণিত বিভাগৰ ড° দেৱ ফুকনে ডিমৌ মহাবিদ্যালয়ত আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ড° মিতালি কোঁৱৰে ডিগবৈ মহিলা মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰাটো আমাৰ মহাবিদ্যালয়ৰ গৌৰৱৰ বিষয়।

❖❖

# মৰাণ অঞ্চলৰ গৌৰৱ
# মৰাণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ

**দ্বীপেন গগৈ**
গ্ৰন্থাগাৰিক, মৰাণ মহাবিদ্যালয়

১৯৬৪ চনত মৰাণ মহাবিদ্যালয় প্ৰতিষ্ঠিত হোৱাৰ লগে লগে মৰাণ মহাবিদ্যালয় গ্ৰন্থাগাৰে ইয়াৰ ক্লান্তিবিহীন যাত্ৰাৰ শুভাৰম্ভণি ঘটায়। উজনি অসমৰ কলেজসমূহৰ গ্ৰন্থাগাৰবোৰৰ ভিতৰত মৰাণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো হৈছে পঢ়ুৱৈসকলক যোগানধৰা সুদক্ষ সেৱাৰ ক্ষেত্ৰত অন্যতম। ই হৈছে ছাত্ৰ সমাজৰ দৃষ্টি আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। ছাত্ৰসমাজে শিক্ষাগুৰুসকলৰ পৰা শ্ৰেণীকোঠাত আহৰণ কৰা জ্ঞানৰ মাত্ৰিক যোগানত ই আত্ম উৎসৰ্গিত। অধ্যাপক/অধ্যাপিকা, গৱেষক (ডি.বি), ছাত্ৰসমাজ, বিষয়া, কৰ্মচাৰীবৃন্দ আৰু স্থানীয় বাসিন্দাসকলৰ বিদ্যায়তনিক আৰু গৱেষণাৰ উত্তৰণৰ অৰ্থে গ্ৰন্থাগাৰটো হৈছে মহাবিদ্যালয়খনৰ হিয়াৰ আমঠু। বৰ্তমান গ্ৰন্থাগাৰটোৱে পূৰ্ণাংগ গ্ৰন্থাগাৰিক সহকৰ্মীবৃন্দৰ নিয়ন্ত্ৰণত পৰিবেষ্টিত আৰু পূৰামাত্ৰা কম্পিউটাৰ সেৱাৰ দ্বাৰা পৰিচালিত। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত এটা তিনিখলপীয়া অট্টালিকাত অধিস্থিত।

বৰ্তমান ৩২,৪০০ (বত্ৰিশ হাজাৰ চাৰিশ) ৰো অধিক বহু মূল্যবান গ্ৰন্থৰে গ্ৰন্থাগাৰটি সমৃদ্ধ। তদুপৰি ২৪ খন বিভিন্ন বিষয়ৰ আন্তৰ্জাতিক আৰু আন্তৰাষ্ট্ৰীয় পয্যায়ৰ পত্ৰিকা সংগ্ৰহ কৰা হয়। অন্যহাতে গৱেষণাৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ বিষয়ৰ লগত জড়িত শেহতীয়া তথ্য লাভৰ বাবে গ্ৰন্থাগাৰত ২১০০ (দুহেজাৰ এশ) খন E-Journal আৰু E-Book ৰ সুবিধা আছে। গ্ৰন্থাগাৰটোত মুঠ ১৪ খন দৈনিক ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকত ৰখা হৈছে। গ্ৰন্থাগাৰত বৰ্তমান ১২খন জনপ্ৰিয় আলোচনী আৰু ৩৪ খন Historical Map আৰু ভালেসংখ্যক CD/DVD আছে।



গৱেষণাৰ সুবিধাৰ্থে আৰু নতুন প্ৰজন্মক পুৰণি অসমীয়া সংস্কৃতিৰ সৈতে চিনাকি কৰি দিয়াৰ বাবে Gromophone Record Archive এটা স্থাপন কৰা হৈছে। য'ত ৩০১০ খন গ্ৰামোফোন ৰেৰ্কড, ৮টা গ্ৰামোফোন প্লেয়াৰ আৰু ৬টা ৰেৰ্কড প্লেয়াৰ বৰ্তমান চলন্ত অৱস্থাত আছে। তদুপৰি অসমীয়া সমাজ জীৱনৰ লগত জড়িত সকলোবিলাক বাদ্যযন্ত্ৰ আৰু গ্ৰাম্যজীৱনৰ নিত্য প্ৰয়োজনীয় সকলো সামগ্ৰীৰ এটা সংস্কৃতিক সংগ্ৰহালয় স্থাপন কৰা হৈছে।

গ্ৰন্থাগাৰত তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ আন্তৰ্ভুক্তিয়ে গ্ৰন্থাগাৰ সেৱাত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। ইয়াৰ অংশ হিচাবে বৰ্তমান গ্ৰন্থাগাৰটো কম্পিউটাৰৰ সহায়েৰে স্বয়ংক্ৰিয় কৰা হৈছে। পঢ়ুৱৈসকলে গ্ৰন্থৰ আদান-প্ৰদান (Automatic Circulation), OPAC ৰ জৰিয়তে গ্ৰন্থাগাৰত গ্ৰন্থৰ স্থান নিৰুপন কৰি কম সময়তে নিজৰ প্ৰয়োজনীয় গ্ৰন্থ বিচাৰি উলিয়াব পাৰে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ বাবে আমাৰ গ্ৰন্থাগাৰে বিভিন্ন Journal Consortium ৰ লগত সংলগ্ন কৰি E-Journal আৰু E-Book ৰ সুবিধা প্ৰদান কৰি আহিছে। ইয়াৰ ভিতৰত UGC N-List Programme অন্যতম।

আমাৰ গ্ৰন্থাগাৰে আৰ্থিক দিশত পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক বুক বেংকৰ পৰা বছৰটোৰ বাবে গ্ৰন্থ যোগান ধৰে। প্ৰয়োজন সাপেক্ষে গ্ৰন্থৰ ফটোকপি কৰাৰো ব্যৱস্থা গ্ৰন্থাগাৰত আছে। প্ৰতি বছৰে গ্ৰন্থাগাৰৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা, কবিতা, গল্প আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। তদুপৰি আমাৰ গ্ৰন্থাগাৰে প্ৰতিবছৰে এক মাহৰ বাবে গ্ৰন্থমেলা আয়োজন কৰি আহিছে। ইয়াত NBTয়ে কেইবাবাৰো অংশ গ্ৰহণ কৰিছে।

আমাৰ গ্ৰন্থাগাৰটো অনাগত দিনত অধিক কাৰ্যসূচীৰ সম্প্ৰসাৰণ ঘটোৱা আৰু অধিক ব্যৱহাৰ হৈ উঠাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। আপোনাসৱক মৰাণ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ সাদৰৰে আমন্ত্ৰণ জনালোঁ।

❖❖

# প্ৰতিষ্ঠা লগ্নৰে পৰা মৰাণ মহাবিদ্যালয়ত একনিষ্ঠভাৱে সেৱা আগবঢ়োৱা কৰ্মচাৰীসকল

**মণ্টু দাস ঃ** মণ্টু দাসৰ জন্ম হৈছিল ১৯৪১ চনৰ ১১ ফেব্ৰুৱাৰীত মৰাণহাটৰ ২নং ৱাৰ্ডত। ১৯৬০ চনত মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে কৰ্ম জীৱন আৰম্ভ কৰে চাহ মজদুৰ সংঘ, মৰাণ শাখাৰ কাৰ্যালয়ত। কিন্তু মৰাণত উচ্চশিক্ষাৰ অনুষ্ঠান 'মৰাণ কলেজ' আৰম্ভ হোৱাত ১৯৬৩ চনৰ ২১ ডিচেম্বৰত তেখেতে প্ৰতিষ্ঠাপক কাৰ্যালয় অধীক্ষকৰূপে যোগদান কৰে। তেতিয়াৰ সামান্য পাৰিশ্ৰমিকেৰে কাৰ্যালয় পৰিচালনাৰ দায়িত্ব বহন কৰা মণ্টু দাসে যথেষ্ট ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। তেখেতে ১৯৭১ চনত বিবাহ পাশত আৱদ্ধ হয় আৰু তিনিটি সন্তানৰ পিতৃ হয়। তেওঁ বিভিন্ন সামাজিক কামৰ সতেও জড়িত আছিল। ধনাত্মক চিন্তাধাৰাৰে কাৰ্যালয় পৰিচালনা কৰা মণ্টু দাস সদা কৰ্মঠ আছিল। কৰ্মজীৱনৰ আৰু তিনিটা বছৰ বাকী থাকোঁতেই তেখেত পৰলোকগামী হয় ১৯৯৭ চনৰ ১০ জুনত।

**নব বৰবৰা ঃ** ১৯৬৪ চনৰ ৩ অক্টোবৰত মৰাণ মহাবিদ্যালয়ত গ্ৰন্থাগাৰ সহায়ক হিচাপে কৰ্মত যোগদান কৰা শ্ৰীযুত নব বৰবৰাৰ জন্ম হৈছিল মৰাণহাটৰ উষাপুৰত ১৯৪৩ চনৰ ১ এপ্ৰিলত। কলা বিভাগৰ স্নাতক নৱ বৰবৰাই মাহে পঞ্চাশ টকাৰ পাৰিশ্ৰমিকেৰে কৰ্মজীৱন আৰম্ভ কৰি পিচত কাৰ্যালয় চুপাৰভাইজিং সহায়ক হিচাবে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যায়। তেখেত ১৯৭৫ চনৰ ৫ ডিচেম্বৰত বিবাহ পাশত আৱদ্ধ হয় আৰু চাৰিটি সু-সন্তানৰ পিতৃ। তেখেতে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে ২০০3 চনৰ ৩১ মাৰ্চত।

**কুলেন্দ্ৰ নাথ গগৈ ঃ** মৰাণহাট হাটখোলাৰ বাসিন্দা শ্ৰীযুত কুলেন্দ্ৰ নাথ গগৈৰ জন্ম হয় ১৯৪৪ চনৰ ১ ফেব্ৰুৱাৰীত। এই মহাবিদ্যালয়ৰ পৰাই প্ৰাক স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৬ চনৰ ৩ জুনত কাৰ্যালয়ত কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৮১ চনত তেখেত বিবাহ পাশত আৱদ্ধ হয় আৰু তিনিটি সন্তানৰ পিতৃ। একনিষ্ঠ সেৱাৰে মৰাণ



মহাবিদ্যালয়ৰ উন্নতিত অৰিহণা আগবঢ়োৱা কুলেন্দ্ৰনাথ গগৈ কাৰ্যালয়ৰ অধীক্ষক হিচাবে যোৱা ২০০৯ চনৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে।

**বিশ্বনাথ ধৰ ঃ** মৰাণহাটৰ ২নং ৱাৰ্ডৰ বাসিন্দা শ্ৰীযুত বিশ্বনাথ ধৰৰ জন্ম হয় ১৯৪৭ চনৰ ২৩ এপ্ৰিলত। প্ৰথমে গ্ৰন্থাগাৰ সহায়ক হিচাবে ১৯৭৫ চনৰ ১ মাৰ্চত কৰ্মজীৱন আৰম্ভ কৰে। ডিব্ৰুগড় কানৈ কমাৰ্চ কলেজৰ পৰা ১৯৭৩ চনত বানিজ্যৰ স্নাতক বিশ্বনাথ ধৰ পাছলৈ কাৰ্যালয়ৰ গাণনিক পদত নিযুক্ত হয়। মহাবিদ্যালয়ৰ প্ৰতি নিষ্ঠাসহকাৰে সেৱা আগবঢ়োৱা বিশ্বনাথ ধৰ সদা সচেতন আছিল নিয়মানুৱৰ্তিতাৰ প্ৰতি। তেখেত তিনিটা সু-সন্তানৰ পিতৃ। ২০০৭ চনৰ ৩০ এপ্ৰিলত এই মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে।

**তাৰাকান্ত চুতীয়া ঃ** ১৯৫২ চনৰ ২২ জুনত শ্ৰীযুত তাৰাকান্ত চুতীয়াৰ জন্ম হয় আমগুৰি গাঁৱত। তেখেতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ১৯৭৬ চনত যোগদান কৰে। তেওঁ দুটি সন্তানৰ পিতৃ। এই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ সেৱা আগবঢ়াই তেখেতে ২০১২ চনৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰে।

**চেকেন্দ্ৰ চুতীয়া ঃ** মৰাণ বৰডবা চুতীয়া গাঁৱৰ বাসিন্দা শ্ৰীযুত চেকেন্দ্ৰ চুতীয়াৰ জন্ম হয় ১৯৪২ চনৰ ২ ফেব্ৰুৱাৰীত। তেখেতে এই মহাবিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাবে ১৯৬৪ চনৰ ২৭ জুলাইত যোগদান কৰে। সামান্য পাৰিশ্ৰমিকেৰে কৰ্মজীৱন আৰম্ভ কৰা চেকেন্দ্ৰ চুতীয়া সদায় কৰ্মঠ আৰু নিষ্ঠাবান আছিল। তেখেত ছয়টি সন্তানৰ পিতৃ। জন্মলগ্নৰে পৰা মৰাণ মহাবিদ্যালয়ৰ লগত জড়িত হৈ ২০০2 চনৰ ফেব্ৰুৱাৰীত কৰ্মজীৱনৰ সামৰণি পেলায়।

**ইন্দুনীল গগৈ ঃ** ১৯৬২ চনৰ ৪ জুলাইত তিলৈজান চাহ বাগিছাত জন্ম হয় ইন্দুনীল গগৈৰ। ১৯৭১ চনতে প্ৰাথমিক বৃত্তি পোৱা মেধাবী ছাত্ৰ ইন্দুনীল গগৈয়ে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ পৰা ১৯৮২ চনত সুখ্যাতিৰে বিজ্ঞানৰ স্নাতক হয়। হাস্যমুখী এইজন ব্যক্তি মৰাণ মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক হিচাবে যোগদান কৰে ১৯৮৯ চনৰ ৪ আগষ্টত। সুন্দৰ হাতৰ আখৰৰ বাবে পৰিচিত ইন্দুনীল গগৈয়ে নিয়তিৰ কুটিল গতিত ২০০2 চনৰ ৮ মাৰ্চত অকালতে এই সংসাৰৰ পৰা বিদায় মাগে।

*তথ্য যুগুতালে ঃ নীলিমা তালুকদাৰ, সহযোগী অধ্যাপিকা, মৰাণ মহাবিদ্যালয়।*

❖❖

With Best Complements From-

✆ : 98640-48844



BHARTIA COMMERCIAL

A.T. ROAD, NEAR S. B. I.
Moranhat- 785670, Dibrugarh, Assam
e-mail : subhashbharta @ gmail.com

DEALS IN :

Computer, Laptop, Desktop, Computer Peripherals, Accessories, Digital Camera, Home Theatre, T.V., Refrigeretor, A.C., Office Stationeries, Office Furniture and all Home Applines Dell, H.P., Lenovo, Sony, Apple, Acer, Canon, Samsung, APC, Microtek.

SERVICE AVALLABLE :
DESKTOP, LEPTOP, PRINTER & PHOTO COPIER MACHINE.

৩য় খণ্ড

# কলেজ কৰ্মচাৰীৰ কলমেদি......

# কলেজ কৰ্মচাৰীৰ সমস্যা ঃ এক ইতিবাচক বিশ্লেষণ

ৰমনী ৰাজবংশী
ৰঙিয়া মহাবিদ্যালয়

'মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে'

ওপৰোক্ত চিৰসত্য সুধাকণ্ঠৰ গীতৰ কলিকে চমুকৈ বিশ্লেষণ কৰিব বিচাৰিছোঁ। অসমৰ ১৮৯ খন প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ ৩০১৬ জন কৰ্মৰত কলেজ কৰ্মচাৰীয়ে ভুগি অহা বিভিন্ন সময়ত কৰ্মসমূহৰ মৰ্মবেদনা তথা তিক্ততা। অসমৰ উচ্চশিক্ষাৰ অনুষ্ঠানসমূহত জন্মলগ্নৰে পৰা কাম কৰি থকা কৰ্মচাৰীসকলৰ সা-সুবিধাসমূহৰ দিশত বিভাগীয় কতৃপক্ষই বিশেষভাবে গুৰুত্ব দিয়া উচিত। কিন্তু বাস্তৱ অৰ্থত দেখা যায় এক ব্যতিক্ৰম। ভাৰত চৰকাৰৰ মানৱ সম্পদ মন্ত্ৰালয়ে ভৱিষ্যত প্ৰজন্মক উচ্চ শিক্ষা আহৰণৰ জৰিয়তে মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ শিক্ষাক, গ্ৰন্থাগাৰিক সকলক বিশ্ববিদ্যালয় অনুদান আয়োগৰ অন্তৰ্ভুক্ত কৰা হ'ল অথচ একেখন উচ্চ শিক্ষাৰ অনুষ্ঠানতৰ কৰ্মৰত অনাশিক্ষক কৰ্মচাৰীসকলক বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অধীনত অন্তৰ্ভক্ত কৰা ন'হল। ই এক নীতি বিহীন কাৰ্য নহয়নে ? যোগ্যতাৰ মাপকাঠিৰ ওপৰত ভিত্তি কৰিয়ে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে শিক্ষক, গ্ৰন্থাগাৰিক সকলক অন্তৰ্ভুক্ত কৰিলে সেই একে আৰ্হিত কৰ্মচাৰীসকলৰো যোগ্যতাৰ মাপকাঠি বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰস্তুত কৰি কোনো এক স্তৰত কলেজ কৰ্মচাৰীসকলক অন্তৰ্ভুক্ত কৰিব পাৰিলেহেতেন। কিন্তু তাক কৰা নহ'ল, কাৰণ বিভাগীয় কৰ্তৃপক্ষৰ

বৰমূৰীয়াসকলৰ কলেজ কৰ্মচাৰীসকলৰ কথা মনত নপৰিলে তথা উচ্চ শিক্ষাৰে শিক্ষানুষ্ঠানসমূহত কলেজ কৰ্মচাৰী থকা কথাতো পাহৰিলে। সৌ সিদিনালৈকে কলেজ কৰ্মচাৰীসকলৰ সমস্যাসম্পৰ্কে শিক্ষাবিভাগৰ উচ্চ পদস্থ বিষয়াক অৱগত কৰোতে আমাক তেখেতে প্ৰশ্ন কৰিলে যে কলেজ কৰ্মচাৰীসকল বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ বেতনভোগী কৰ্মচাৰী নহয় নেকি? আমি অবাক, আমাৰ মনত প্ৰশ্ন উদয় হৈছে যে কলেজ কৰ্মচাৰীসকলৰ বিভিন্ন দাবীসমূহৰ সমাধানৰ ক্ষেত্ৰত বিভাগীয় কৰ্তপক্ষ কিমান সচেতন। গতিকে বন্ধুসকল সময় সমাগত, জাগ্ৰত প্ৰহৰীৰ দৰে নীতি বিহীন কাৰ্য্যক প্ৰতিহত কৰাৰ সময় আহি পৰিছে, যিসকলে কলেজ কৰ্মচাৰীসকল পৰিচয় তথা কৰ্মৰাজিৰ খতিয়ান নেজানো, তেনেকুৱা বৰমূৰীয়াসকলক মনত পেলাই দিব লাগিব আমিয়ে, কাৰণ ওপৰত উল্লেখিত চিৰসত্য সুধাকণ্ঠৰ গীতকলিৰ অৰ্থ কৰ্মচাৰীসকলে বুজি পায় কিন্তু সেইসকল বৰমূৰীয়াই গীত কলিৰ অৰ্থ বুজি নেপায়। যাহওঁক বিশ্লেষণৰ শেষ নাই, কামৰ কোনো পৰিধি নাই। আজিৰ সময়ত উচ্চ শিক্ষাৰ আমূল পৰিৱৰ্তনৰ লগে লগে, পৰিবৰ্তন হব লাগিব কলেজ কৰ্মচাৰীসকলো। পৰিবৰ্তনৰ মাপকাঠিত পূৰণিকলীয়া, কৰ্মচাৰীসকলৰ যোগ্যতাৰ মাপকাঠিৰো পৰিবৰ্তন ঘটাব লাগিব। কলেজ কৰ্মচাৰীসকলৰ যোগ্যতা তথা শুদ্ধতা সুস্থিৰ মানসিকতাই পৰিচয় দিব "মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত কলেজ কৰ্মচাৰীসকলৰ ভূমিকা কিমান।" এই চিন্তাধাৰাৰে এক শুদ্ধনীতি আৰু নিৰ্দেশনাৰে আমি কলেজ কৰ্মচাৰীসকলো একত্ৰিত হোৱাৰ সময় আহি পৰিছে। আমাৰ বিশ্বাস পলমকৈ হ'লেও ভাৰত চৰকাৰৰ মানৱ সম্পদ মন্ত্ৰালয়, বিশ্ববিদ্যালয় অনুদান আয়োগ তথা অসম চৰকাৰৰ শিক্ষাবিভাগে কলেজ কৰ্মচাৰীসকলৰ সমস্যাসমূহৰ সমাধান সুত্ৰত অচিৰে দৃঢ় পদক্ষেপ ল'ব বুলি আমি আশাবাদী।

❖❖



# কলেজ কৰ্মচাৰীৰ অৱদান

**শৰৎ কুমাৰ কলিতা**
কাৰ্যকৰী সভাপতি
সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হিচাবে কলেজ এখনৰ অস্তিত্বৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ ভুমিকা যেনেকৈ গুৰুত্বপূৰ্ণ ঠিক তেনেকৈ কলেজখনৰ সমগ্ৰ প্ৰশাসনিক যন্ত্ৰটোক সুচল কৰি ৰখা কৰ্মচাৰীসকলৰ ভুমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ দৰে বিশাল পৰিসৰৰ সংগঠনৰ অধীনস্থ প্ৰতি গৰাকী সদস্যই এই কথা উপলব্ধি কাৰ উচিত যে কোনো এটা অনুষ্ঠান নিয়াৰিকৈ চলিবলৈ হ'লে অনুষ্ঠান বা পৰিয়ালৰ প্ৰতিজন সদস্যৰ সহায়-সহযোগিতা একান্তই প্ৰয়োজন আৰু অপৰিহাৰ্য। সকলোৰে আন্তৰিকতা পূৰ্ণ সহায় সহযোগিতাতহে অনুষ্ঠান এখন সুকলমে পৰিচালিত হয়। এই ক্ষেত্ৰত পৰিয়ালৰ মুৰব্বীজনে কোনো এজন বা এচাম সদস্যৰ পক্ষে নাথাকি সকলোৰে ওপৰত সমভাব আৰু সমদৃষ্টি ৰাখিলে পৰিয়ালত বেমেজালি নঘটে বুলি সকলোৰে মত পোষণ কৰি আহিছে।

কলেজৰ কৰ্মচাৰীসকলৰ কলেজ এখনৰ অবিচ্ছেদ্য অংগ। কলেজ এখনৰ উন্নতি, প্ৰগতি আৰু বিভিন্ন কামত কৰ্মচাৰীসকল জড়িত। কলেজ এখনৰ যাৱতীয় সকলো ধৰণৰ কামতে কৰ্মচাৰীসকলে মুখ্য ভুমিকা ল'বলগীয়া হয়।

অসমৰ বহুতো কলেজতে কলেজৰ জন্ম লগ্নৰে পৰা প্ৰতিষ্ঠিত কৰ্মী হিচাপে যথেষ্ট সংখ্যক কৰ্মচাৰীয়ে কাম কৰি আহিছে। বছৰে বছৰে নতুন নুতন ল'ৰা-ছোৱালীৰ আগমন হয় আৰু নিৰ্দিষ্ট সময়ৰ অন্তত ওলাই যায় আৰু কোনোবাই হয়তো পুনৰ

শিক্ষকৰ ৰূপত একেখন কলেজত পদাৰ্পণ কৰিছে। কিছুসংখ্যক শিক্ষকে সুবিধা পালে অইন মহাবিদ্যালয়লৈ গুচি গৈছে। শিক্ষকসকলৰ Sr. Scale, Selection grade ৰ ব্যৱস্থা আছে। কিন্তু কলেজৰ কৰ্মচাৰীসকলৰ এনেধৰণৰ কোনো ব্যৱস্থা নাই, তেওঁলোকে এবাৰ চাকৰিত যোগদান কৰাৰ পৰা অৱসৰৰ সময়লৈকে একে পদৰে একে দৰে সেৱা আগবঢ়াই যাব লাগে। অৱশ্যে বৰ্তমান চৰকাৰে ACPS প্ৰৱৰ্তন কৰিছে যদিও এতিয়ালৈ কাৰ্যকৰী হোৱা নাই। এখন কলেজ প্ৰতিষ্ঠাৰ পৰা পূৰ্ণতা প্ৰাপ্তিলৈকে বিভিন্ন পৰ্যায়ত আৰু বিভিন্ন স্তৰত কৰ্মচাৰীসকলে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। কলেজখনৰ শৈক্ষিক, প্ৰশাসনিক, বৈষয়িক, কায়িক আদি সকলো দিশতে কৰ্মচাৰীসকলৰ ত্যাগৰো অপৰিসীম বৰঙণি থাকে।

শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত অৱস্থান কৰি কৰ্মচাৰীসকলে উভয় পক্ষৰ সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰে। শিক্ষক শিক্ষাৰ্থী আৰু কৰ্মচাৰীৰ সমন্বয়ৰে গঢ় লোৱা মহাবিদ্যালয় একোটা সুখী পৰিয়াল। কিন্তু দেখা যায় যে বহুসময়ত কৰ্মচাৰীসকল নেপথ্যতে ৰৈ যায়। স্বীকৃতিৰ পৰাও বঞ্চিত হয়। তথাপিতো কৰ্মচাৰীসকলে নীৰৱে কৰি যায় কৰ্তব্য পালন- অকল অনুষ্ঠানটোৰ প্ৰতি থকা একান্ত আনুগত্যৰ বাবে। কলেজ এখনৰ সুপৰিচালনা আৰু উন্নয়ণত অধ্যক্ষ, শিক্ষক, গ্ৰন্থাগাৰিকৰ লগতে কৰ্মচাৰীসকলেও যে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বা কৰিবলগীয়া হয় সেই কথা সকলোৱে স্বীকাৰ কৰি আহিছে। শৰীৰৰ কোনো এটা অংগৰ ক্ষতি হলে যেনেকৈ শৰীৰটো পূৰ্ণাংগ নহয় ঠিক তেনেকৈ কৰ্মচাৰী অবিহনেও কলেজ এখন পূৰ্ণাংগ নহয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল পৰিয়ালৰ প্ৰতিজন সদস্যৰ আন্তৰিকতা কিমান? কিছুমানৰ আকৌ অকণনাম স্বাৰ্থত ব্যাঘাট ঘটিলে বহু আস্ফালন কৰা দেখা যায়। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল - আনৰ দোষ-গুণ খুচৰিবলৈ যোৱাজনে নিজৰ দায়িত্বখিনি ভালদৰে পালন কৰিছে নে নাই? ইত্যাদি। কলেজ কৰ্মচাৰীসকলৰ দায়িত্ব আৰু কামৰ বোজা আন কাৰ্যালয়ৰ কৰ্মচাৰীসকলতকৈ পৃথক।

এখন বৌদ্ধিক সমাজৰ মাজত থাকি কৰ্মচাৰীসকলৰ আচাৰ-ব্যৱহাৰ, কথা-বতৰা, কাম কৰাৰ পদ্ধতি, নৈতিকতাবোধ, সততা আৰু কৰ্মব্ৰতা অটুট আছে। বৰ্তমান আমি অধিকাৰ আৰু দাবীৰ প্ৰতি যিমান সজাগ-নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সিমান সচেতন নহয় যেন লাগে। কলেজৰ অধ্যক্ষ, শিক্ষক, গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীৰ কিমান শতাংশ আজি নিষ্ঠাবান? কলেজ পৰিয়ালৰ কিছুমান সদস্যই নীতি বহিৰ্ভুত কামত নিয়োজিত হৈ বাতৰিৰ শিৰোনামাও দখল কৰা দেখা গৈছে। এই ক্ষেত্ৰত কৰ্মচাৰীসকলে অতি সাৱধানে চলা উচিত।

কলেজসমূহত দৈনিক কাম ইমান বৃদ্ধি পাই আহিছে যে সকলো কাম যথা



সময়ত কৰাটো অসম্ভৱ হৈ পৰিছে। আন এটা সমস্যা হ'ল কলেজ এখনৰ ওপৰত বহুতৰে কতৃত্ব থকাটো। পৰিচালনা সমিতিৰ নিৰ্দেশবোৰ আখৰে আখৰে পালন কৰাৰ উপৰিও অসম চৰকাৰ, বিশ্ববিদ্যালয়, বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ, শিক্ষা সংসদ আদি বহুতৰে নিৰ্দেশ মানবি লগা হয়। তদুপৰি বিভিন্ন পৰিদৰ্শন আৰু 'নাক' ৰ মূল্যায়ণৰ বাবে প্ৰয়োজনীয় কাম কলেজসমূহত কম্পিউটাৰ কেন্দ্ৰ, পোষ্ট গ্ৰেজুৱেট কেন্দ্ৰ আৰু ভাবিব নোৱাৰা কিছুমান কামৰ বোজাইও সমুদায় কাম নিয়াৰিকৈ কৰাত কলেজ কৰ্মচাৰীসকল অসুবিধাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। ১৯৬৮ চনত কৰ্মচাৰী নিয়োগ নীতিতে আৱদ্ধ থাকি কলেজসমূহ কেনেকৈ চলিব এইটো এটা চিন্তনীয় বিষয়। অৱশ্যে সন্থাৰ জৰিয়তে বিভিন্ন দাবী সমাধানৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

কলেজসমূহত দৰমহাৰ ক্ষেত্ৰত UGC Scale আৰু State Scale দুটা ভাগত বৰ্তমানলৈকে চলি আছে। State Scale ৰ কৰ্মচাৰীসকলে বৰ্তমানৰ একেখন বজাৰত কেনেদৰে চলিছে সেইটো ভুক্তভোগীসকলৰ বাহিৰে অইনে অনুভৱ কৰিব নোৱাৰে আৰু চৰকাৰেও ইয়াক গুৰুত্ব সহকাৰে বিবেচনা কৰা নাই। কৰ্মচাৰীসকলেও UGC Scale ৰ বাবে AIUCEF ৰ দৰে সংগঠন কৰি নায্য দাবীসমূহ বিভাগীয় কতৃপক্ষৰ ওচৰতে দাখিল কৰিছে। ইয়াৰ বাবে নেতৃবৃন্দ অধিক শক্তিশালী হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত সংগঠন কৰিব লগা অৱস্থা বৰ্তমান আহি পৰিছে।

প্ৰতিটো সন্থাৰ নিজা নিজা সমস্যা আছে- সমস্যা বা দাবী আদি আদায় কৰিব লাগিলে সংগঠন মজবুত হ'বই লাগিব। কিছুমান সামূহিক দাবী পূৰণৰ বাবে বৰ্তমান অসম কলেজ অধ্যক্ষ পৰিষদ, অসম কলেজ শিক্ষক সন্থা, অসম কলেজ গ্ৰন্থাগাৰিক সংস্থা আৰু অসম কলেজ কৰ্মচাৰী সন্থাই "সমন্বয় ৰক্ষী সমিতি" গঠন কৰি ঐক্যবদ্ধ সংগ্ৰামৰ সূচনা কৰাৰ পুনৰ প্ৰস্তুতি কৰাৰ প্ৰয়োজন আৰু সময়োপযোগী।

কলেজ কৰ্মচাৰীসকলে নিচাত্মিক মনোভাৱ পৰিত্যাগ কৰি সমাজৰ এজন আৰু বৌদ্ধিক সমাজৰ লগত জড়িত ব্যক্তি হিচাবে সকলোস্তৰতে কাম কৰি যোৱাৰ দৃঢ় মানসিকতাক গঢ় দিব লাগিব। এয়ে আমাৰ কৰ্মচাৰীসকলৰ প্ৰতি গোহাৰি।

❖❖

সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অধিবেশনলৈ শুভেচ্ছাৰে-

কাৰেং

অফ্‌ছেট প্ৰেছ


।। ছপা কামৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।।

মৰাণ

জিলা ঃ ডিব্ৰুগড় (অসম)-৭৮৫৬৭০

দূৰভাষ ঃ ০৩৭৫৪-২২৯৪৩১

E-mail : kareng.offset@gmail.com



ফ্লেক্স (বেনাৰ), গ্ল-ছাইন বৰ্ড, ভিনাইল, ষ্টাম্প ইত্যাদিৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।

## ৪ৰ্থ খণ্ড

# শিক্ষা আৰু অন্যান্য

# অসমৰ উচ্চ শিক্ষাৰ ক্ৰমবিকাশ আৰু কিছু প্ৰাসঙ্গিক চিন্তা

**কল্পনা বৰা**
সহযোগী অধ্যাপিকা
মৰাণ মহাবিদ্যালয়

অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত যোগত্মক চিন্তাধাৰাৰে যোগসূত্ৰ স্থাপন কৰি উত্তৰ পুৰুষৰ উত্তৰণৰ বাবে সুস্থ চিন্তাধাৰাৰ প্ৰবাহমান গতি অব্যাহত ৰাখি ব্যক্তিৰ কল্যানৰ লগত এখন দেশ আৰু এটা জাতিৰ উন্নতি সাধন কৰাই উচ্চ শিক্ষাৰ প্ৰধান কাম।

ভাৰতৰ উচ্চ শিক্ষাৰ এক সুদীৰ্ঘ ইতিহাস আছে। প্ৰাচীন কালত উচ্চশিক্ষাৰ কেন্দ্ৰস্বৰূপে অতি বিখ্যাত আছিল নালন্দা, তক্ষশীলা আৰু বিক্ৰমশীলা। উনৈশ শতিকাৰ মাজভাগত উচ্চশিক্ষাৰ আধুনিক ধাৰাৰ সূত্ৰপাত হয় আৰু ১৯৫৪ চনৰ উদৰ ঘোষনা পত্ৰ (Wood Detchpatch) ৰ পৰামৰ্শ অনুযায়ী ১৯৫৭ চনত কলিকতা, মোম্বাই আৰু মাদ্ৰাজত তিনিখন বিশ্ববিদ্যালয় স্থাপন হয়।

উচ্চশিক্ষাই দেশৰ আৰ্থসামাজিক বিকাশ আৰু ৰাজনৈতিক ক্ষেত্ৰত এক বিশেষ অৰিহনা যোগাই আহিছে। মাধ্যমিক শিক্ষাৰ পৰৱৰ্তী পৰ্যায়ৰ শিক্ষাই হ'ল উচ্চশিক্ষা। স্বাধীনতাৰ আগলৈকে সমগ্ৰ ভাৰতত উচ্চশিক্ষাৰ গাথনি প্ৰায় একেধৰণৰ আছিল। কলা আৰু বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী দুবছৰীয়া আৰু ১০+২+৩ প্ৰৱৰ্তনৰ পাছত কলা আৰু বিজ্ঞানৰ স্নাতক ডিগ্ৰী তিনিবছৰলৈ বৃদ্ধি কৰা হয়। বৃত্তিগত (Professional) বিষয় বিলাকৰ স্নাতক ডিগ্ৰী চাৰি বা পাঁচ বছৰলৈ বৃদ্ধি কৰা হয়।

১৯০০ চনলৈকে উচ্চশিক্ষাৰ ক্ষেত্ৰত অসম বিশেষ আগবঢ়া নাছিল। সেই সময়ত উত্তৰ পূৰ্বাঞ্চলত কোনো বিশ্ববিদ্যালয় নথকাৰ বাবে অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে যাব লগা হৈছিল। সেই সময়ত কলিকতাত গৈ উচ্চশিক্ষা লাভ কৰাটো সকলোৰে বাবে সম্ভৱ নাছিল। উচ্চশিক্ষাৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ বাবে এটা অতি পৰিতাপৰ বিষয় আছিল যে স্বাভাৱিকতে

অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসনৰ সংখ্যা আছিল অতি সীমিত। সেই সময়ৰ অসমৰ মুখ্য আয়ুক্ত (Chief Commission ) Sir henry Gohn Stedman Cotton এ এই সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি গুৱাহাটীত এক উচ্চশিক্ষাৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ১৯০১ চনৰ ২৭ মে' তাৰিখে আনুষ্ঠানিকভাৱে অসমত উচ্চশিক্ষাৰ প্ৰথমখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি উচ্চশিক্ষাৰ জয়যাত্ৰা আৰম্ভ কৰে। প্ৰতিষ্ঠাপকৰ নামেৰে মহাবিদ্যালয়ৰ নামকৰণ কৰা হয় 'কটনকলেজ'।অসমৰ প্ৰথমখন মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষৰ নাম আছিল ফ্ৰেডৰিক উইলিয়াম চুডমাৰচন।

স্বাধীনতাৰ আগলৈকে কটন কলেজৰ উপৰিও ১৯৩১ চনত যোৰহাটত জগন্নাথ বৰুৱা মহাবিদ্যালয়, ১৯৩৫ চনত চিলঙত লেডীকীন কলেজ (সেই সময়ত চিলং অসমৰ অন্তৰ্ভূক্ত আছিল), ১৯৪১ চনত গুৱাহাটী আৰ্ল ল কলেজ প্ৰতিষ্ঠা হয়। স্বাধীনতাৰ পৰৱৰ্তী কালত বৰ্তমান যুগৰ প্ৰয়োজন পূৰণ কৰিবলৈ উচ্চশিক্ষাৰ বিকাশৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহন কৰে। ১৯৪৭ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আইনৰ অধীনত ১৯৪৮ চনৰ ২৬ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ আৰু প্ৰথম পঞ্জীয়ক ফনীধৰ দত্ত। এই বিশ্ববিদ্যালয়ত ৯ টা শিক্ষা বিভাগত (faculty ) মুঠ ৩৯ টা বিভাগ (department)। অধ্যাপক অধ্যাপিকাৰ সংখ্যা ২০১০ চনলৈকে পোৱা তথ্য অনুযায়ী ২৯৭ জনৰ উপৰিও অংশকালীন (part time) অধ্যাপক অধ্যাপিকাৰ সংখ্যা ১৩৪ জন। কলা, বিজ্ঞান বাণিজ্য, আইন, প্ৰযুক্তি, সুকুমাৰ কলা ব্যৱস্থাপনা আদি faculty ৰ অধীনত অসমীয়া, আৰবী, বাংলা, বড়ো, অৰ্থনীতি, শিক্ষাতত্ব, ইংৰাজী, বুৰঞ্জী, হিন্দী, গ্ৰন্থাগাৰ আৰু তথ্যবিজ্ঞান, পাৰ্চী, দৰ্শন, ৰাজনীতিবিজ্ঞান, মনোবিজ্ঞান, সংস্কৃত, আধুনিক ভাৰতীয় ভাষা (MIL), নৃতত্ব, Bio-technology, উদ্ভিদবিজ্ঞান, ৰসায়নবিজ্ঞান, Computer Science, পৰিবেশ বিজ্ঞান, ভূগোল, ভূতত্ব, অংক, পদাৰ্থবিজ্ঞান, জীৱবিজ্ঞান, পৰিসংখ্যা, বাণিজ্য, আইন, তথ্য প্ৰযুক্তি, সাংবাদিকতা, business administration আদি বিভিন্ন বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়োৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত নাৰী অধ্যয়নৰ Women studies স্নাতকোত্তৰ শ্ৰেণী বিশ্ববিদ্যালয়ৰ এক নৱসংযোজন। ২০১০ চনত লাভ কৰা তথ্যমতে বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কিতাপৰ সংখ্যা ৩ লাখৰ উপৰিও অসংখ্য Journal আছে। প্ৰতিটো বিজ্ঞান বিভাগত সুসজ্জিত পৰীক্ষাগাৰ (laboratory), বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু ফুলেৰে পৰিপূৰ্ণ এখন Botanical garden, বিভিন্ন বিষয়ৰ গৱেষণা কেন্দ্ৰ, নক্ষত্ৰ নিৰীক্ষণ কেন্দ্ৰ (Astronomical observatory), ল'ৰা আৰু ছোৱালীৰ বাবে মুঠ ২২ টা আবাস গৃহ, ২০০০ আসনেৰে সমৃদ্ধ এটা প্ৰেক্ষগৃহ, অতিথিশালা. চিকিৎসালয়, ফনীধৰ



দত্ত আলোচনা কক্ষ আদিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক সমৃদ্ধ কৰিছে। অসম চৰকাৰৰ পৰা লাভ কৰা আৰ্থিক অনুদান লাভ কৰা আৰ্থিক অনুদান আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা অনুদাৰেৰে বিশ্ববিদ্যালয়খনৰ কামকাজ পৰিচালিত হয়। ভৰাতীয় বিশ্ববিদ্যালয় সমিতি (Association of Indian University) আৰু কমনৱেল্থ বিশ্ববিদ্যালয় সমিতি (Association of Commonwealth University) ৰ সদস্য গুৱাহাটী বিশ্ববিদ্যালয়।

সুখ্যাতিৰে কাম কৰি অৱসৰ গ্ৰহণ কৰা অধ্যাপক (Professor of Emeritur) ভি.ভেংকট ৰাৱে জীৱনৰ সঞ্চিত ধন প্ৰায় পোন্ধৰ লাখ টকা বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাৰ উত্তৰণৰ বাবে দান দি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰ নাথ শৰ্মা. পৱন চন্দ্ৰ মহন্ত, হিতেন বৰুৱা, ৰোহিনী কান্ত বৰুৱাকে প্ৰমুখ্য কৰি সুধীবৃন্দই আগবঢ়োৱা অৱদানৰ বাবে বিশ্ববিদ্যালয় পৰিয়ালে সদায় স্মৰণ কৰিব।

উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষা গ্ৰহণৰ সুবিধাৰ্থে ডিব্ৰুগড় বিশ্ববিদ্যালয় আইন, ১৯৬৫ ৰ অধীনত, ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুঠ মাটি কালি ৫০০ একৰ আৰু ইয়াৰে ৬০ একৰ চাহখেতি কৰা হৈছে। ২০০৯ চনত নাকে ( NAAC ) বিশ্ববিদ্যালয় পুনৰ নীৰিক্ষণ কৰি B গ্ৰেড প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয় ভাৰতীয় বিশ্ববিদ্যালয় সমিতি (Association of Indian University) ৰ সদস্য। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য আছিল ড° বি. আৰ. শেঠ আৰু প্ৰথম পঞ্জীয়ক আছিল ড° এ. কে. বৰকটকী। এই বিশ্ববিদ্যালয়ৰ অদীনত বৰ্তমান ১৭ টা বিভাগ আৰু ১৭ টা অধ্যয়নকেন্দ্ৰ আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আগবঢ়োৱা পাঠ্যক্ৰম সমূহ হ'ল- কলা, বিজ্ঞান, প্ৰযুক্তি বাণিজ্য, ব্যৱস্থাপনা, আইন, Pharmaceutical Science আদি বিষয়ত M.A., M.Sc., M.Com, M.B.A, M.Pharm. M.Rd., M.L.I.S.C, B.Ed., B.Pharm. B.B.A.B.C.A ৫ বছৰীয়া B.A L.L.B (Hom). M.C.A, b.sC. (IT) B.L.I. Sc.ডিগ্ৰী। ইয়াৰ উপৰিও কিছুমান বিভাগে দুবছৰীয়া ডিপ্লমা ক'ৰ্চৰ শিক্ষা প্ৰদান কৰে। ইয়াৰ ভিতৰত টাই ভাষাৰ দুবছৰীয়া ডিপ্লমা ক'ৰ্চ, Post graduate Diploma Course in Computer application (PG DCA), Satistical Techniques and Computer (PGDSTC), Tea technology and Plantation Managment (PGDTTPM), Towrism Management (PGDTM) Journalism and Mass Communication (PGDJMC)

Electronic Prepation of Mathematical Language (PGDEPML) Diploma in oil-well Drilling Technologh (DOWDT), Advanced post graduate Diploma in Atmospherie Physics (APGDAP), Telecommunicalion (APGDT), petroleum Exploration Geophysics, Nano Science and Composite materials আদি প্ৰধান। ইয়াৰ উপৰিও ২০০৯-২০১০ শিক্ষাবৰ্ষৰ পৰা পাঁচবছৰীয়া Integrated M.Sc. in physics, Bavhelor of physical Education (B.P.Ed) Post graduate Diploma in Population Studies আৰু হিন্দী আৰু দৰ্শন বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হৈছে। বিশ্ববিদ্যালয়ে ২০১০-২০১১ শিক্ষাবৰ্ষৰ পৰা Master of Social Work (MSW) ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু Applied Psycholigy ত স্নাতকোত্তৰ ডিপ্লমা ক'ৰ্চ প্ৰৱৰ্তন কৰিছে। এই বিষয় সমূহৰ ভিতৰত দহোটা বিষয়ত এম. ফিল. আৰু প্ৰায় সকলো বিষয়তে গৱেষনাৰ সুবিধা প্ৰদান কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Dibrugarh University Institute of Eugineering and Technology বিভাগ ২০০৯ চনত প্ৰতিষ্ঠা হয়। এই প্ৰতিষ্ঠানৰ জৰিয়তে চাৰিবছৰীয়া B.Tech পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। Computer Sc. and Engineering, Electronie & Communication Engineering, Mechanical Engineering and Petroleum Engineering বিভাগ কেইটা সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদে (AICTE) অনুমোদন জনাইছে। অসমৰ প্ৰখ্যাত ব্যক্তিৰ নামেৰে নামকৰণ কৰা ল'ৰা আৰু ছোৱালীৰ বাবে মুঠ এঘাৰটা আবাসগৃহ বিশ্ববিদ্যালয় চৌহদত অৱস্থিত। বিশ্ববিদ্যালয় কল্যাণ আঁচনিৰ অধীনত বিশ্ববিদ্যালয় পৰিয়ালৰ বাবে দহখন বিচনাযুক্ত স্বাস্থ্যকেন্দ্ৰ আৰু ২৪ ঘন্টা এম্বুলেন্স সেৱা আগবঢ়োৱা হয়। বিশ্ববিদ্যালয় প্ৰেক্ষাগৃহ 'ৰংঘৰ'ত অত্যাধুনিক পোহৰ আৰু শব্দৰ ব্যৱস্থা আছে আৰু ইয়াৰ আসনৰ সংখ্যা ১২০০ খন। বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত কিতাপৰ সংখ্যা ১,৭৫,৮১৫ খন, ১৮৭১৮ খন Journal, ১৬১ খন current journal, ৩০৩০ খন থেচিচ আৰু ডিছাৰটেছন আৰু ৭৬০০ খন ইঞ্জিনিয়াৰিঙৰ পাঠ্যপুথি।

১৯৬৯ চনত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয়। সমগ্ৰ ৰাজ্যৰ কৃষি আৰু আনুষংগিক বিষয়ৰ শিক্ষা আৰু গৱেষণাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি প্ৰতিষ্ঠা কৰা এই বিশ্ববিদ্যালয়ত ৯ টা বিভাগ আছে। তেজপুৰ বিশ্ববিদ্যালয়ে Science and Technology, Hunanities and Social Science, School of Energy- Enviromental and Natural Resourees, Management



and Engineering আদি বিষয়ত স্নাতক, স্নাতকোত্তৰ আৰু গৱেষণাৰ সুবিধা প্ৰদান কৰি আহিছে। বৰাক উপত্যকাৰ পাঁচখন জিলা সামৰি ১৯৮৯ চনত প্ৰতিষ্ঠা লাভ কৰে অসম বিশ্ববিদ্যালয়ে। শিলচৰ স্থিত এই বিশ্ববিদ্যালয়ত মুঠ ৯টা বিষয়ৰ ব্যৱস্থা আছে। এই বিষয়সমূহ হ'ল - School of Environmental Science, Physical Education, Social Science, Humanities, Language, Technology, Information Science, Life Science আৰু Management Studies.

অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত পাঁচখন বিশ্ববিদ্যালয়ে বৰ্দ্ধিত জনসংখ্যা অনুপাতে ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত আসম প্ৰদান কৰিবলৈ অসমৰ্থ। সেয়ে সমগ্ৰ ভাৰতৰ লগতে বৰ্তমান অসমতো মুক্ত শিক্ষাৰ জৰিয়তে উচ্চ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ১৯৮৪ চনত ৰাজীৱ গান্ধী ভাৰতৰ প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়তে পাৰ্থসাৰথি কমিটিৰ পৰামৰ্শ ক্ৰমে ১৯৮৫ চনৰ ২০ চেপ্তেম্বৰত নতুন দিল্লীত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU) প্ৰতিষ্ঠা কৰা হয়। এই বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য আছিল জি. ৰাম. ৰেড্ডী। সমগ্ৰ ভাৰতৰ লগতে অসমতো IGNOU ৰ আঞ্চলিক কেন্দ্ৰৰ জৰিয়তে উচ্চশিক্ষাৰ সুবিধা আগবঢ়োৱা হৈছে।

বিভিন্ন বিশ্ববিদ্যালয়ত সময়মতে স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে ১৯৯৮ চনত Post graduate Corespondence School নামেৰে দূৰৱৰ্তী শিক্ষাৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা হয়। পৰৱৰ্তী কালত এই প্ৰতিষ্ঠানInstitute of Distance and open learning (IDOL) ৰ নামেৰে জনা যায়। ২০০৯ চনৰ ১৩ নৱেম্বৰত IDOL ৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো E-learning ৰ web-site www.bodhidroom. idogu.org খোলা হয় আৰু ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে আত্মশিক্ষনৰ বাবে শৈক্ষিক সমল লাভ কৰিব পাৰে। IDOL জৰিয়তে আগবঢ়োৱা পাঠ্যক্ৰমসমূহ হ'ল অসমীয়া, বড়ো, বঙালী, অৰ্থনীতি, ইংৰাজী, ইতিহাস, দৰ্শন, ৰাজনীতি বিজান, গণিত, বাণিজ্য আদি। তদুপৰি PGDCA/CCA, MCA, M.Sc, IT, BCA, BSc. IT, PGDJMC, MCT, PGDSMM, HRM, BMFM, BFS IM আদি বিষয়ৰ পাঠ্যক্ৰম প্ৰদান কৰা হয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত Directorate of Distance Education প্ৰতিষ্ঠা হয় ২০০১ চনত। বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দূৰৱৰ্তী পাঠ্যক্ৰম নিম্নলিখিত স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়োৱা হয় - অসমীয়া, ইংৰাজী, সমাজতত্ব, ৰাজনীতি বিজ্ঞান, গণিত, অৰ্থনীতি, বাণিজ্য। স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম সমূহ হ'ল- PG diploma in Marketting management (PGDMM), PG Diploma

in Journalism and Mass Communication (PGDJMC) আদি। ইয়াৰ উপৰিও BCA, BBA, PGDCA, BBA (Flying), BBA (Auiation, Hospitality and Tourism Management, MBA in Health Care management M.Sc. in clinical and Drug Development data Management, Diploma in Early child care and Education. B,Sc in Fashion Designing, BSc. in Interior designing, BBA (Executive development Programme) BBA, (Executive Development Programme and Acturial Science), MBA (Finance and Acturial Science) আদি বিষয়ত পাঠ্যক্ৰম আগবঢ়োৱা হয়। বিশ্ববিদ্যালয় চৌহদৰ বাহিৰত বিশ্ববিদ্যালয়ৰ কেইবাখনো মহাবিদ্যালয়ত দূৰৱৰ্তী শিক্ষাৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰচলন কৰা হৈছে। দূৰৱৰ্তী শিক্ষা উচ্চশিক্ষাৰ ক্ষেত্ৰত এক নৱতম সংযোজন। আনুষ্ঠানিক শিক্ষা পদ্ধতিৰে উচ্চশিক্ষাৰ সুবিধা গ্ৰহণ কৰিব নোৱাৰা ব্যক্তিসকলৰ বাবে জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে, বয়স আৰু ধনী দুখীয়াৰ মাজত কোনো ভেদাভেদ নৰখাকৈ দূৰৱৰ্তী শিক্ষাই সকলোৰে বাবে এক সুবিধা আগবঢ়াইছে। ২০০৫ চনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। এই বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ অসমৰ বিভিন্ন মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰা হৈছে আৰু ইয়াৰ জৰিয়তে BCA, BMC, BBA, B COM, B.A, BPP, PH.D in humanities, Social Science & professional Discipline, বিভিন্ন বিষয়ত ডিপ্লমা আৰু চাৰ্টিফিকেট কৰ্চ প্ৰদান কৰা হয়। এই নিবন্ধত চিকিৎসা, কাৰিকৰী শিক্ষা আদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হোৱা নাই।

অসমৰ উচ্চশিক্ষাৰ কিছুমান সমস্যা দৃষ্টিগোচৰ হয় প্ৰাপ্ত তথ্যমতে গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, অসম, বিশ্ববিদ্যালয়ত ভালেসংখ্যক খালী হৈ থকা অধ্যাপকৰ পদ অপূৰণীয় অৱস্থাত আছে। অসমৰ চৰকাৰী মহাবিদ্যালয় কটন, ডিফু, হাফলং আদি মহাবিদ্যালয়ত শিক্ষকৰ পদ খালী হৈ আছে। কটন মহাবিদ্যালয়ক চৰকাৰী মহাবিদ্যালয় হিচাপে ঘোষণা কৰাৰ পিচতো পৰ্য্যাপ্ত সংখ্যক শিক্ষক নিযুক্তি দিয়া নাই।

যাতায়াতৰ সা-সুবিধাৰ অভাৱৰ বাবে অসমৰ পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষা লাভৰ বাবে যথেষ্ট অসুবিধা হয় আৰু বহুতো মেধাবী ছাত্ৰ-ছাত্ৰী উচ্চশিক্ষাৰ পৰা বঞ্চিত হোৱাৰ উদাহৰণ আছে। অসমৰ জনসংখ্যা অনুপাতে উচ্চশিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা কম। সেইবাবে উচ্চশিক্ষাৰ আনুষ্ঠানিক পাঠ্যক্ৰমত স্নাতক মহলাত বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰি দিয়া সংখ্যাতকৈ বেছি ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰিবলৈ বাধ্য হয়। ষণ্মাসিক পদ্ধতিত বৰ্দ্ধিত সংখ্যক ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানত অসুবিধাৰ



সন্মুখীন হ'ব লগা হয়। স্নাতক শ্ৰেণীত শিক্ষা লাভ কৰা অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰহ সংখ্যক পিছপৰা অঞ্চলৰ আৰু এই ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী ভাষাৰ নূন্যতম জ্ঞানৰ অভাৱ। বহুসময়ত সেইবাবেই অপচয় আৰু অনুন্নয়নৰ সমস্যাই দেখা দিয়ে।

একৈশ শতিকাৰ বিশ্বায়নৰ প্ৰভাৱত শিক্ষাৰ দিশত এক ব্যাপক প্ৰসাৰ লাভ কৰিছে। টেলিভিছন, ইন্টাৰনেট, ফেক্স, ৰেডিঅ' আদিয়ে পৃথিৱীৰ চুকে কোনে বাস কৰা জনসাধাৰণক ওচৰ চপাই আনিছে। Video conference, video projection, online liberary আদিৰ আধুনিকতম সা-সুবিধাসমূহে উচ্চশিক্ষাৰ ক্ষেত্ৰত নৱতম সংযোজন ঘটাইছে। এনেবিলাক সা-সুবিধা উপলব্ধ হোৱাৰ বাবে পৃথিৱীৰ একেবাৰে ভিতৰুৱা অঞ্চলৰ লোকেও উচ্চশিক্ষাৰ সা-সুবিধাখিনি গ্ৰহণ কৰিব পাৰে যদিও ভাৰতবৰ্ষৰ কেইখনমান আগশাৰীৰ মহানগৰৰ উচ্চশিক্ষানুষ্ঠানৰ বাহিৰে এই সুবিধাসমূহ সকলোতে উপলব্ধ নহয়।

আমাৰ ৰাজ্যৰ বহুত মহাবিদ্যালয়ে তথ্য প্ৰযুক্তি ব্যৱহাৰৰ উপযোগী কম্পিউটাৰৰ লগতে ইন্টাৰনেটৰ সংযোগ কৰিছে যদিও ছাত্ৰ-ছাত্ৰীসকলৰ কিমান শতাংশই সেয়া ব্যৱহাৰ কৰে সেয়া বিচাৰ্যৰ বিষয়। উচ্চশিক্ষাৰ প্ৰতিটো শিক্ষানুষ্ঠানতে একোটা কেন্দ্ৰীয় পুথিভঁৰাল থকাৰ উপৰিও প্ৰায়বিলাক উচ্চশিক্ষানুষ্ঠানৰ একোটা বিভাগীয় পুথিভঁৰাল থকা দেখা যায় যদিও ছাত্ৰ-ছাত্ৰীসকলে যি পৰিমানে পুথিভঁৰালৰ সুবিধা গ্ৰহণ কৰে সেয়াও তেওঁলোকৰ উপযুক্ত নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আছে।

বৰ্তমান সময়ৰ প্ৰয়োজন কৰিব পৰাকৈ পাঠ্যক্ৰমৰ অভাৱ পৰিলক্ষিত হয়। অধিকাংশ মহাবিদ্যালয়ত বৰ্তমানেও আওপুৰণি বিষয়বিলাকৰ পাঠ্যক্ৰমৰ আধাৰতে শিক্ষা প্ৰদান কৰা হয়। উপযুক্ত পুঁজিৰ অভাৱত এনে মহাবিদ্যালয়ত বৃত্তিগত পাঠ্যক্ৰম (Professional Course) প্ৰৱৰ্তন কৰা হোৱা নাই। নগৰ অঞ্চলৰ কিছুসংখ্যক মহাবিদ্যালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুদান লাভ কৰিছে। বৃত্তিগত পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিব পৰাকৈ মহাবিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ অভাৱ পৰিলক্ষিত হয়। প্ৰচলিত পাঠ্যক্ৰম অধ্যয়ন কৰি বছৰে বছৰে নিবনুৱাৰ তালিকাখন বৃদ্ধি হৈছে। নিবনুৱা সমস্যাৰ ফলত হতাশাত ভুগি অনেক নিবনুৱা যুৱক-যুৱতী অসামাজিক কামত লিপ্ত হোৱাৰ উদাহৰণ আছে।

মহাবিদ্যালয় সমূহত পৰ্য্যাপ্ত সা-সুবিধাৰ অভাৱ, অভিভাৱকৰ অৰ্থনৈতিক দুৰৱস্থা, যাতায়াতৰ অসুবিধা, পৰ্যাপ্ত ছাত্ৰ-ছাত্ৰীনিবাসৰ অসুবিধা, মহাবিদ্যালয়সমূহৰ শিক্ষণ পদ্ধতিৰ গতানুগতিকতা, ছাত্ৰ-ছাত্ৰীৰ মাজত কৰ্ম সংস্কৃতিৰ অভাৱ, প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীবিলাক চহৰৰ নামথকা শিক্ষানুস্থানলৈ গতি (Brain drain), প্ৰয়োজনীয়

বন্ধৰ প্ৰভাৱ আদি অসমৰ পিচপৰা অঞ্চলৰ শিক্ষানুষ্ঠানৰ বিশেষ সমস্যাৰূপে চিনাক্ত কৰিব পাৰি।

উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ গুনগত মান বৃদ্ধি কৰাৰ প্ৰবনতা গঢ়ি তুলিবৰ বাবে National Assesment and Accreditation Council (NAAC) এ সাতটা মূল বিষয়ৰ (criteria) ওপৰত ভিত্তি কৰি উচ্চশিক্ষাৰ প্ৰতিষ্ঠান সমূহ মূল্যায়ন কৰি আহিছে। পাঠ্যক্ৰম, শিকন-শিক্ষন আৰু মূল্যায়ন, গৱেষণা, আন্তঃগাঁথনি, সম্প্ৰসাৰণ, ছাত্ৰ-ছাত্ৰীৰ উত্তৰণ, সংগঠন আৰু পৰিচালনাৰ ওপৰত ভিত্তি কৰি NAAC অহাৰ আগে আগে মহাবিদ্যালয় সমূহত শিক্ষক ছাত্ৰ কৰ্মচাৰী সকলোকে বিশেষ সক্ৰিয়তাৰে মহাবিদ্যালয়ৰ মানদণ্ড উন্নত কৰিবলৈ চেষ্টা কৰা দেখা যায়।

অসমত বিশ্ববিদ্যালয় 2f আৰু 12b অনুমোদন পোৱা মহাবিদ্যালয়ৰ সংখ্যা ১৬৪ খন আৰু ইয়াৰ ভিতৰত ১৪৫খন মহাবিদ্যালয়ে NAAC এ মূল্যায়ন কৰিছে। অসমৰ উচ্চশিক্ষাৰ উন্নতিৰ বাবে NAAC এ পৰিদৰ্শনৰ পাছত কিছু পৰামৰ্শ আগবঢ়ায়।

(১) প্ৰতিখন মহাবিদ্যালয়ে IQAC (Internal quslity Assurance Cell) গঠন কৰিব লাগে।

(২) UGC, CSIR, DST, DBT আৰু চৰকাৰৰ লগত যোগাযোগ ৰক্ষা কৰিবৰ বাবে সকলো মহাবিদ্যালয়ত একোজনকৈ সমন্বয়ক নিয়োগ কৰিব লাগে যাতে উন্নয়নমূলক বিভিন্ন কামকাজৰ বাবে এই প্ৰতিষ্ঠানসমূহৰ লগত যোগাযোগ ৰক্ষা কৰিব পাৰে।

(৩) প্ৰতিখন মহাবিদ্যালয়ত গৱেষণাৰ কামত শিক্ষক শিক্ষয়িত্ৰীসকলক সহায় কৰিব পৰাকৈ একোটা Research Promotion Cell স্থাপন কৰা অতি প্ৰয়োজন।

(৪) বৈদ্যুতিক সজুঁলি আৰু ইন্টাৰনেট ব্যৱহাৰৰ জৰিয়তে শিকন শিক্ষন প্ৰক্ৰিয়াটো অধিক আকৰ্ষণীয় কৰি তুলিব লাগে।

(৫) M. Phil., Ph. D. আদি উচ্চ প্ৰৰ্যায়ৰ ডিগ্ৰীসমূহ লাভ কৰিবৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰদান কৰা সুবিধাসমূহ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে গ্ৰহণ কৰা উচিত।

(৬) অঞ্চলটোৰ জাতীয় ঐতিহ্য ৰক্ষা আৰু জৈৱ বৈচিত্ৰ সংৰক্ষণৰ বাবেও মহাবিদ্যালয়সমূহে গুৰুত্ব দিব লাগে।

এইবিলাকৰ উপৰিও উচ্চ শিক্ষানুষ্ঠানৰ সমস্যাসমূহ আঁতৰ কৰিবৰ বাবে শিক্ষক-ছাত্ৰ-ছাত্ৰীসকল যাতে সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি থাকে তাৰ বাবে সজাগ হোৱা প্ৰয়োজন। শিক্ষকৰ আত্মমুল্যায়ন এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ বিষয়।

❖❖



# কোন দিশে সাম্প্ৰতিক অসমৰ শিক্ষা ব্যৱস্থা ?

যদুনাথ পুৰী
মৰাণ

'শিক্ষা কেৱল মানসিক বা বুদ্ধি-জ্ঞান চৰ্চাত আৱদ্ধ থাকিলে নহ'ব। শিক্ষা নৈতিক জীৱনৰ লাগতিয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্যবোৰৰ সহায়ক হ'ব লাগিব।' - সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ উল্লিখিত কথাফাঁকি অনুধাৱন কৰিলে আমি দেখা পাওঁ যে, শিক্ষা ইয়াকে ক'ব পাৰি যি শিক্ষাই ব্যক্তি এগৰাকীক মানসিক, শাৰীৰিক, আধ্যাত্মিক, সাংসাৰিক, আৰ্থিক, নৈতিক আদি সকলোবোৰ দিশত উপযুক্ত ৰূপত গঢ়ি তুলিব পাৰিব। কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাই আমাক এই প্ৰতিযোগিতামূলক বিশ্বৰ পৰিৱৰ্তিত পৰিৱেশৰ লগত খাপ খাব পৰাকৈ শিক্ষিত কৰি তুলিব পাৰিছেনে ? বিশেষকৈ আমাৰ ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাটোৱে সম্প্ৰতি ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগত ফেৰ মাৰিব নোৱাৰাটোহে দুখজনক। সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা ফলাফলে প্ৰমাণ কৰে যে প্ৰচলিত শিক্ষা ব্যৱস্থাটোৱে এইসকল ছাত্ৰ-ছাত্ৰীক সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতিত্ব অৰ্জন কৰিব পৰাকৈ গঢ়ি তুলিব পৰা নাই। তদুপৰি কাৰিকৰী শিক্ষাৰে ছাত্ৰ বা ছাত্ৰী এগৰাকীক স্বাৱলম্বী কৰি তোলাত ব্যৰ্থ হোৱা প্ৰচলিত শিক্ষা ব্যৱস্থাই আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে কেৱল মাত্ৰ ডিগ্ৰী বা ডিপ্ল'মা প্ৰদান কৰি শিক্ষিত নিবনুৱা সৃষ্টি কৰাতহে বেচি পৰিমাণে গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। এই প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ আমূল পৰিবৰ্তন ঘটাই সময়োপযোগী শিক্ষাৰ গাঁথনি প্ৰস্তুত নকৰিলে অসমৰ ভৱিষ্যত প্ৰজন্ম কেতিয়াও বিশ্বৰ দৰবাৰত মূৰ দাঙি থিয় হ'ব নোৱাৰিব।

এইখিনিতে উল্লেখনীয় যে, অসমৰ যি দুই-এক ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতিত্ব অৰ্জন কৰিছে তাৰ ভিতৰত গৰিষ্ঠসংখ্যকেই অসমৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ উৎপাদিত ফচল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে। কাৰণ বিগত কেইবছৰমানৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে আমি দেখা পাওঁ যে, শীৰ্ষ স্থান দখল কৰা গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰী ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ। যিসময়ত ভাৰতবৰ্ষৰ শিক্ষা প্ৰসাৰ আৰু প্ৰচাৰৰ নামত বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে বুজন পৰিমাণৰ অৰ্থ ব্যয় কৰিছে সেই সময়ত অসমৰ শাসনাধিষ্ঠ চৰকাৰখনে সেই আঁচনিসমূহ ফলপ্ৰসুভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা যেনহে অনুমান হয়। যাৰ পৰিণতিত বছৰি হাজাৰ হাজাৰ শিক্ষিত নিবনুৱা জন্ম

হৈ এক ভয়ঙ্কৰ সমস্যাৰ সৃষ্টি কৰিছে যদিও শাসনাধিষ্ঠ চৰকাৰে অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ আমূল পৰিবৰ্তন ঘটাই সময়োপযোগী শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিবৰ্তে শিক্ষা বিভাগটোক লৈ লেতেৰা ৰাজনীতি কৰাত ব্যস্ত থকাহে পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে, বিগত দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ বিভিন্ন মহলে শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিৰ পৰা ৰাজনৈতিক ব্যক্তিক সম্পূৰ্ণৰূপে আঁতৰ কৰি শিক্ষাবিদৰ হাতত বিদ্যালয় পৰিচালনাৰ দায়িত্ব তুলি দিবলৈ দাবী জনায় আহিছে যদিও অদ্যপৰিমিত শাসনাধিষ্ঠ চৰকাৰখনে ৰাজনৈতিক ব্যক্তিবিহীন বিদ্যালয় পৰিচালনা সমিতি গঠনৰ চাৰ্কোলাৰখন কিন্তু প্ৰস্তুত কৰিব পৰা নাই। আনহাতে যি সময়ত অসমৰেই ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ শিক্ষকসকলে মাহিলী মাত্ৰ হাজাৰ-বাৰশ টকা পাৰিশ্ৰমিক লাভ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত শীৰ্ষ স্থান দখল কৰা শিক্ষাৰ্থীৰ তালিকাত নিজে শিক্ষাদান কৰা ছাত্ৰ-ছাত্ৰীৰ নাম বছৰি অন্তৰ্ভুক্ত কৰোৱাব পাৰিছে, সেই সময়তে কিন্তু মাহিলী পোন্ধৰ-বিশ হাজাৰ টকা বা তাতোতকৈ অধিক চৰকাৰী বেতনভোগী আমাৰ সন্মানীয় শিক্ষাগুৰুসকলে প্ৰদান কৰা শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শীৰ্ষ স্থান দখলৰ তালিকাত নিজৰ নাম ঠিক তেনেদৰে লিপিবদ্ধ কৰিবলৈ সক্ষম হোৱা নাই। এইয়া জানো চৰকাৰী ধনৰ অপচয় নহয়? যি কাৰ্যত ধন ব্যয় কৰা হৈছে সেই কাৰ্য যদি ফলপ্ৰসূয়েই নহয়, তেন্তে চৰকাৰে ব্যয় কৰা ধনৰ বিনিময় জনকল্যাণনে? নিশ্চয় নহয় বুলিয়েই ক'ব লাগিব। অৱশ্যে সন্মানীয় শিক্ষাগুৰুসকলৰ বংশ-পৰিয়ালত হোৱা কল্যাণৰ কথাটো সুকীয়া। কিন্তু এটা কথা আমি সকলোৱে নিশ্চয় মানি লব লাগিব যে, ৰাজকোষৰ ধন ব্যয় কৰি ৰূপায়ন কৰিবলগীয়া আঁচনি যদি সফল ৰূপায়ন নহয়, সেই আঁচনিয়ে যদি কাৰোবাৰ ব্যক্তিগত স্বাৰ্থহে সুৰক্ষিত কৰে, তেতিয়াহ'লে সেই আঁচনিৰ ফলাফল কেতিয়াও জনকল্যাণমূলক হ'ব নোৱাৰে আৰু আঁচনি ৰূপায়নত ব্যয় হোৱা ধনখিনি চৰকাৰী ধনৰ অপচয় হোৱা বুলিয়েই ক'ব লাগিব।

ইফালে এক মোটা অংকৰ দৰমহা লাভ কৰা একাংশ শিক্ষকে নিজৰ মুখ্য দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি পিঠি দি ব্যক্তিগত টিউচন, সাংবাদিকতা, মেল-মিটিং, ব্যৱসায় আদিৰ উপৰিও বিভিন্ন সামাজিক কৰ্মত বেছিপৰিমাণে সময় অতিবাহিত কৰা বহু সময়ত আমাৰ দৃষ্টিগোচৰ হয়। অৱশ্যে আমি শিক্ষিত সমাজক কোনোধৰণৰ অন্য সামাজিক কামত জড়িত নহ'বলৈ ক'ব বিচৰা নাই। আমি ক'ব বিচাৰিছো, সমাজৰ শিক্ষিত শ্ৰেণীৰ বৌদ্ধিক মহলত অন্তৰ্ভুক্ত শিক্ষক সমাজে ভৱিষ্যত দেশৰ নাগৰিক অৰ্থাৎ দেশৰ মানৱ সম্পদ গঢ় দিয়াৰ দৰে আটাইতকৈ গুৰুত্বপূৰ্ণ কৰ্মত নিয়োজিত হৈ কেইজন ছাত্ৰ বা কেইগৰাকী ছাত্ৰীক কিমান সু-শিক্ষাৰে শিক্ষিত কৰি তুলিব পাৰিছে এবাৰ হ'লেও নিজকে নিজে প্ৰশ্ন কৰক। নিজৰ দৰমহা বৃদ্ধিৰ বাবে, শিক্ষকৰ বিভিন্ন সমস্যা সমাধান বাবে



ৰাজপথত আন্দোলন কৰা শিক্ষিত সমাজে ব্যক্তিগত টিউচন, সাংবাদিকতা, ব্যৱসায় ইত্যাদিৰ লগত জড়িত শিক্ষকসকলক নিজৰ মুখ্য দায়িত্বৰ প্ৰতি সচেতন হৈ চৰকাৰৰ নিমখ খাই নিমখ হাৰাম নকৰিবলৈ আহ্বান জনাব পাৰিবনে? মেল-মিটিং, ৰাজনীতি আদিৰ যোগেদি সমাজসেৱা কৰা বা মৰ্যদা বুটলাৰ পৰিৱৰ্তে সেইসকল শিক্ষকক মানৱ সম্পদ গঢ় দি সামগ্ৰীকভাৱে গোটেই সমাজখনকেই মৰ্যদাসম্পন্ন আৰু শিক্ষিত কৰি তোলাৰ স্বাৰ্থত নিজকে আত্মনিয়োগ কৰিবলৈ বাধ্য কৰাব পাৰিবনে আন্দোলনকাৰী শিক্ষক সমাজে? উঠি অহা প্ৰজন্মৰ স্বাৰ্থত, দেশ তথা জাতিৰ স্বাৰ্থত পাৰিবনে শিক্ষক সমাজে নিজৰ অনীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিব? এইখিনিতে আৰু এটা কথা উনুকিয়াই থৈ গ'লে নিশ্চয় ভাল হ'ব বুলি অনুভৱ কৰিছো। ৰাজ্য চৰকাৰখনে মহাবিদ্যালয়সমূহত 'পাঞ্চিং মেচিন' ব্যৱহাৰৰ কথা ঘোষণা কৰাৰ লগে লগে জাঙুৰ খাই উঠিল শিক্ষক সমাজ। সমাজৰ বৌদ্ধিক মহলত অন্তৰ্ভুক্ত উচ্চ শিক্ষিত চিৰ পূজ্য সন্মানীয় অধ্যাপক/অধ্যাপিকাসকলক চৰকাৰে ইমান অবিশ্বাস কৰাত আত্ম সন্মানত লাগিল তেওঁলোকৰ। সমাজত পৰামৰ্শদাতা ৰূপে পৰিগণিত একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগৰ এগৰাকী উচ্চ শিক্ষিত পুৰুধা ব্যক্তি হৈও তেওঁলোকে মানধাতা যুগৰ কৌটিকলীয়া পদ্ধতিকে মানি চলিব। তেওঁলোকে 'ৰেজিষ্টাৰ বহী'তে চহী কৰিব। সভাই-সমিতিয়ে নীতি শিক্ষা প্ৰদান কৰি অহা সমাজৰ এগৰাকী বুদ্ধিজীৱিয়ে বিভাগীয় নীতি মানি চলাত কি আপত্তি থাকিব পাৰে সেইটোহে অবুজ সাঁথৰ। গোলকীকৰণৰ যুগত বাটকটীয়াৰ ভূমিকা লৈ পৰিবৰ্তিত সমাজব্যৱস্থাত খাপ খাবলৈ শিকাব বুলি আশাৰে বাট চাই থকা পিছপৰা সমাজৰ সাধাৰণ নাগৰিকে তেওঁলোকৰ পৰা নিশ্চয় বিশেষ কিবা আশা নকৰাই ভাল। তেওঁলোকেই নিজেই অনুভৱ কৰক আমি ভবা কথাবোৰ যুক্তিসংগত হয় নে নহয়? আমাৰ বোধেৰে 'পাঞ্চিং মেচিন' ব্যৱহাৰৰ সিদ্ধান্তটো চৰকাৰৰ সঠিক সিদ্ধান্তই হৈছে। চৰকাৰৰ বেতনভোগী বিষয়া-কৰ্মচাৰীসকলক বিভাগীয় শীৰ্ষতম কতৃপক্ষৰ নজৰত ৰাখিলে নিশ্চয় তেওঁলোকে কৰ্তব্যত গাফিলতি কৰিব নোৱাৰিব। কাৰণ আমাৰ একাংশ মহাবিদ্যালয় শিক্ষকে কৰ্তব্যত গাফিলতি কৰাৰ উদাহৰণ বিগত দিনত নথকাও নহয়।

এতিয়া প্ৰশ্ন হ'ল, ৰাজকোষৰ ধন ব্যয় কৰি বেতন প্ৰদান কৰা শিক্ষকসকলক নিষ্ঠা আৰু সততাৰে নিজ-নিজ কৰ্মত তথা নিজ-নিজ দায়িত্বত নিয়োজিত কৰাবপাৰিবনে শাসনাধিষ্ঠ ৰাজ্য চৰকাৰখনে? গণতান্ত্ৰিক শাসন ব্যৱস্থাত অন্তৰ্ভুক্ত আমাৰ ৰাজ্য চকৰাকখনে অসমত গণতন্ত্ৰৰ সঠিক মূল্যায়ন কৰিব পাৰিবনে? সেইটোহে লক্ষ্য কৰিবলগীয়া কথা হ'ব।

❖❖

# অপৰাধ প্ৰৱনতা এক সামাজিক ব্যাধি

আল্‌পনা গগৈ ভূঞা
সহযোগী অধ্যাপিকা
মৰাণ মহাবিদ্যালয়

অপৰাধ প্ৰৱনতা বুলি ক'লে কৈশোৰ কালত ল'ৰা ছোৱালীয়ে প্ৰদৰ্শন কৰা অসামাজিক, অস্বাভাৱিক নৈতিকতাবিহীন আচৰণৰ প্ৰতি থকা হাবিয়াসকেই বুজা যায়। ইয়াক ইংৰাজীত 'Delinquency' বোলা হয়। ইয়াক কৈশোৰ কালৰ এটা বৈশিষ্ট্য বপলি ক'ব পাৰি। ছাত্ৰ-ছাত্ৰীসকল দেশৰ ধৰণী। তেওঁলোকৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰা হয়। কিন্তু বৰ্ত্তমান এই ছাত্ৰ-ছাত্ৰীসকলে যিকোনো অপৰাধমূলক কামত সহজেই লিপ্ত হোৱা দেখা যায়। কৈশোৰকালৰ অপৰাধমূলক কামবোৰক ইংৰাজীত 'Iuvenile delinquency' বোলা হয়। তেওঁলোকৰ অপৰাধমূলক কামবিলাক হ'ল- সমনীয়াৰ লগত কাজিয়া কৰা, সঘনাই মিছা কথা কোৱা, আনৰ বস্তু চুৰ কৰা, ৰাগিয়াল বস্তু সেৱন কৰা, অশ্লীল শব্দ ব্যৱহাৰ কৰা, জুৱা খেলা, অশ্লীল যৌন ৰুচীপূৰ্ণ ছবি প্ৰদৰ্শন কৰা, অনুশাসন মানি নচলা, শিক্ষকক অশালীন ব্যৱহাৰ কৰা , স্কুললৈ যাওঁ বুলি বন্ধু-বান্ধৱীৰ লগত কৰবালৈ গুছি যোৱা, কৰবাত আড্ডা মাৰি থকা, সময়মতে ঘৰলৈ নহা, মূল্যবান সময় নষ্ট কৰা, পঢ়াশুনাৰ প্ৰতি ধাউতি নথকা ইত্যাদি। এনেধৰণৰ আচৰণবিলাক ছোৱালীতকৈ ল'ৰাৰ ক্ষেত্ৰতহে বেছিকৈ পৰিলক্ষিত হয়।

অপৰাধ প্ৰৱণতাক বৰ্তমান এটা সামাজিক সমস্যা বুলিব পাৰি। কিশোৰ কিশোৰীসকলে কৰা অপৰাধমূলক কামবিলাক অসমাজিক আৰু সকলোৰে বাবে অনিষ্টকাৰক। ১২ বছৰ বয়সৰ পৰা ল'ৰা ছোৱালীৰ কৈশোৰ কাল আৰম্ভ হয়। এই সময়ছোৱাত তেওঁলোকৰ শাৰীৰিক, মানসিক, আবেগিক আৰু প্ৰৱল যৌনবিকাশ ঘটে গতিকে বহুত কিশোৰ কিশোৰীয়ে নিজৰ আমোদ প্ৰমোদৰ বাবে বিভিন্ন অপৰাধমূলক কাম কৰিবলৈও কুণ্ঠাবোধ নকৰে। ভালদৰে পৰ্যবেক্ষণ কৰিলে অপৰাধপ্ৰৱনতাৰ কিছুমান



বিশেষ কাৰণ পৰিলক্ষিত হয়। কাৰণসমূহ হৈছে- (১) অসুস্থ ঘৰুৱা পৰিবেশ (২) দৰিদ্ৰতা (৩) বেয়া সঙ্গৰ প্ৰভাৱ (৪) দৈহিক অক্ষমতা (৫) বৌদ্ধিক অনগ্ৰসৰতা (৬) আজৰি সময়ৰ অপব্যৱহাৰ (৭) অসুস্থ সামাজিক বাতাবৰণ (৮) আঁসোৱাহ পূৰ্ণ শিক্ষা ব্যৱস্থা (৯) শিক্ষকৰ উদাসীনতা (১০) ছাত্ৰ-ছাত্ৰীৰ প্ৰতি প্ৰয়োজনীয় দৃষ্টি নিক্ষেপ নকৰা (১১) প্ৰয়োজনীয় অনুশাসনৰ অভাৱ (১২) পিতৃ-মাতৃৰ অজ্ঞতা, অমনোযোগীতা (১৪) চৰকাৰৰ প্ৰশাসনীয় দুৰ্বলতা ইত্যাদি।

কিশোৰ কিশোৰীসকলৰ এনে অপৰাধ প্ৰৱনতা দূৰ কৰিবলৈ হ'লে পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক সমাজক নেতৃস্থানীয় ব্যক্তিসকল চৰকাৰ সকলোৱেই সমানে মনোযোগ দিয়া প্ৰয়োজন। মনোবিজ্ঞানীসকলৰ মতে মৰম, স্নেহ আৰু শান্তিৰ মাজেদি ল'ৰা-ছোৱালীক তেওঁলোকৰ কৃতকৰ্মৰ অসাৰ্থকতাৰ কথা উপলব্ধি কৰাব পৰাটোৱেই প্ৰতিকাৰৰ প্ৰকৃত উপায়।

পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ অপৰাধপ্ৰৱনতা নিবাৰন কৰিবলৈ হ'লে তেওঁলোকৰ প্ৰতি সদায় মৰমীয়াল, দয়ালু, সহানুভূতিশীল হোৱাৰ উপৰিও ভাল আচৰণ প্ৰদৰ্শন কৰিব লাগে। তেওঁলোকক কঠোৰ অনুশাসনৰ মাজতেই ৰখাৰ চেষ্টা কৰিব নালাগে অন্যহাতে অনুশাসনৰ পৰা বঞ্চিতো কৰিব নালাগে। ঘৰখনত সদায় সুস্থ পৰিবেশ সৃষ্টি কৰাটোও পিতৃ-মাতৃৰেই দায়িত্ব। ল'ৰা-ছোৱালীৰ ৰুচি, অভিৰুচি, আগ্ৰহ আৰু প্ৰয়োজনীয়তাৰ প্ৰতিও পিতৃ-মাতৃ সজাগ হ'ব লাগে।

কিশোৰীসকলৰ ওপৰত বিদ্যালয়ৰ দায়িত্ব কোনো গুনে কম নহয়। তেওঁলোকৰ অপৰাধ প্ৰৱনতাৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰি শিক্ষকে যিকোনো উপায়েৰে প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ৰ পাঠ্যক্ৰমখন ছাত্ৰ-ছাত্ৰীৰ ৰুচি, অভিৰুচি, প্ৰয়োজনীতাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষক হ'ল চক্ষুদাতা, শিক্ষকৰ ভূমিকা অপৰিসীম, শিক্ষকজন ছাত্ৰ-ছাত্ৰীৰ বাবে মৰমীয়াল সহানুভূতিশীল, নিৰ্দেশক আৰু এজন ভাল পথ প্ৰদৰ্শক হ'ব লাগে। শিক্ষকৰ সু ব্যক্তিত্ব আৰু সজ আচৰণ ছাত্ৰ-ছাত্ৰীৰ বাবে একান্তই প্ৰয়োজনীয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীক আজৰি সময়ৰ সদব্যৱহাৰৰ বাবে আৰু কৌশলগতভাৱে শিক্ষাত মনোনিবেশ কৰিবলৈ কিছুমান শিক্ষণীয় কৰ্ম ঘৰত কৰাৰ দায়িত্ব দিব লাগে। শিক্ষকৰ মনোগ্ৰাহী পাঠ উপস্থাপনাইও শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ অন্যমনস্ক ভাৱ দূৰ কৰিব পাৰে। ইয়াৰোপৰি মাজে সময়ে বিদ্যালয়ত পিতৃ-মাতৃ অভিভাৱক শিক্ষক সকলোৱে লগ-লাগি ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন বিষয়বোৰ অথবা সমস্যাবোৰ পৰ্যালোচনা কৰিলেও অপৰাধপ্ৰৱনতা কিছু পৰিমাণে নিবাৰণ কৰিব পৰা যাব বুলি ধাৰনা কৰিব পাৰি। বিদ্যালয়ৰ অনুশাসনৰ পৰা যাতে ছাত্ৰ-ছাত্ৰীসকল আতৰি যাব নোৱাৰে তাৰ বাবে শিক্ষকসকল সদায় সজাগ হ'ব লাগে।

পিতৃ-মাতৃ, সিক্ষক তথা শিক্ষানুষ্ঠানৰ উপৰিও অপৰাধপ্ৰৱনতাক প্ৰতিকাৰ কৰাৰ দায়িত্ব সমাজৰ ওপৰতো আছে। বৰ্তমান সমাজত প্ৰচলিত দূৰ্নীতি, অপকৰ্ম, অন্যায়, অত্যাচাৰ, ধৰ্ষন হত্যা, লুণ্ঠনাদিয়েও সামাজিক বাতাবৰণ অসুস্থ কৰি পেলাইছে। সমাজৰ দুষিত বাতাবৰনে কিশোৰ কিশোৰীসকলৰ ওপৰতো যথেষ্ঠ প্ৰভাৱ পেলাইছে। গতিকে সমাজখন নিকা আৰু পৰিষ্কাৰ কৰাৰ দায়িত্ব সমাজৰ প্ৰতিজন ব্যক্তিৰ ওপৰতেই আছে। মাজে সময়ে কোনো এডোখৰ নিৰ্দিষ্ট স্থানত সামাজিক অনুষ্ঠানৰ যোগেদি কিশোৰ-কিশোৰীসকলৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক বিকাশৰ বাবে আলোচনা চক্ৰ, খেলাধূলা, বিভিন্ন বিষয়ত প্ৰতিযোগিতা. নৃত্য-গীত, অভিনয় আদিৰ আয়োজন কৰা দৰকাৰ, সমাজৰ অন্য যিকোনো উন্নয়নমূলক কামত তেওঁলোকক অংশগ্ৰহণ কৰাৰ সুবিধাৰ পৰা বঞ্চিত কৰিব নালাগে।

অপৰাধ প্ৰৱনতাৰ প্ৰতিকাৰ কৰিবলৈ চৰকাৰৰ ফালৰ পৰাও ব্যৱস্থা নথকা নহয়। অপৰাধমূলক কামত লিপ্ত হোৱা কিশোৰ কিশোৰী সকলক বাছি উলিয়াবলৈ বিশেষ আৰক্ষীৰ ব্যৱস্থা আছে। আৰক্ষীয়ে চিনাক্তকৰণ কৰা অপৰাধীসকলৰ অপৰাধপ্ৰৱনতাৰ কাৰণবোৰ বিচাৰ কৰিবলৈ 'Invenile Caurt' ৰ ব্যৱস্থাও আছে। চৰকাৰেকেৱল এনেধৰণৰ ব্যৱস্থাৰে অপৰাধপ্ৰৱনতাক প্ৰতিকাৰ নকৰি অন্য প্ৰকাৰেও প্ৰচেষ্টা আগবঢ়াব পাৰে। শিক্ষানুষ্ঠানৰ আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থাৰ সলনি কৰা, অধিক অনুদান আগবঢ়োৱা, প্ৰশাসনীয় দিশৰ উন্নতি ঘটোৱা, ৰুচিপূৰ্ণ বিষয় শিক্ষানুষ্ঠানত অন্তৰ্ভূক্ত কৰা, বৃত্তিমূলক বিষয়ৰ ব্যৱস্থা কৰা, দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা, সমাজৰ অন্যায়, অত্যাচাৰ, দূৰ্নীতি, অৰাজকতা আদি নিৰ্মূল কৰা সকলো ব্যক্তিকে সম মৰ্য্যদা প্ৰদান কৰা, আইন শৃংখলা অটুট ৰখা আদি ব্যৱস্থা চৰকাৰৰ দ্বাৰাই সম্ভৱপৰ হয়।

মুঠৰ ওপৰত ক'বলৈ গলে অপৰাধপ্ৰৱনতা এক সামাজিক ব্যাধি। এনে ব্যাধিক প্ৰতিকাৰ কৰাৰ ব্যৱস্থা নকৰিলে দিনক দিনে বাঢ়ি গৈ চৰম উচ্ছৃংখলতা আৰু অৰাজকতাৰ সৃষ্টি হ'ব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই দুৰ্বাৰ প্ৰগতিত যদি আজিৰ ছাত্ৰ-ছাত্ৰীসকল এনে ধৰণৰ সামাজিক ব্যাধিত পতিত হয় তেতিয়াহ'লে আমাৰ অনাগত ভৱিষ্যত মেঘাচ্ছন্ন হ'ব গতিকে আমি সকলোৱে উমৈহতীয়া প্ৰচেষ্টাৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এনে জটিল সমস্যাৰ পৰা উদ্ধাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰোঁ আহক।

❖❖



# আধুনিক বিজ্ঞানৰ উন্মেষ ঘটিছিল মহাভাৰতৰ যুগতেই

**যদু চুতীয়া**
স্থানীয় সংবাদদাতা, অসমীয়া প্ৰতিদিন

মহাভাৰতক পঞ্চম বেদৰূপে বন্দনা কৰা হয়। ঋষি কৃষ্ণ দ্বৈপায়ন ব্যাসে ৰচনা কৰিছিল এই মহাভাৰত। ধৰ্ম সংস্থাপনৰ বাবে ৰচনা কৰিছিল মহাভাৰতৰ কাহিনী। কৃষ্ণৰ অলৌকিক কাহিনীৰে মানৱাতীত বৰ্ণনাৰে ৰচনা কৰিছিল মহাভাৰত। মহাকাব্যখনৰ আদি পৰ্বত উল্লেখ আছে- 'ধৰ্ম, অৰ্থ, কাম আৰু যুক্তিৰ বিষয়ে ইয়াত যিখিনি আছে সেইখিনি আনতো আছে। যিখিনি ইয়াত নাই সেইখিনি ক'তো নাই।'

আধুনিক বিজ্ঞানৰ বিভিন্ন দিশো ইয়াত দেখিবলৈ পোৱা যায়। বৰ্তমানৰ বহু বিজ্ঞান যে মহাভাৰতৰ যুগৰে কল্পনা সেই কথা আমি ধাৰণা কৰিব পাৰোঁ। মহাকাব্যখনত ভাৰতবৰ্ষৰ সমগ্ৰ জীৱনৰ প্ৰায় সকলো দিশৰে আলোচনা হৈছে। বৰ্তমানৰ সাধু কথাৰ দৰে অলৌকিক কাহিনীও বৰ্ণিত হৈছে। বহু কল্পনাই বৰ্তমানৰ বিজ্ঞানৰ ৰূপ পাইছে। মহাভাৰতৰ সঞ্জয়ক আমি দূৰদৰ্শনৰ লগত তুলনা কৰিব পাৰোঁ। সঞ্জয়ে দিব্য দৃষ্টিৰে অন্ধ ধৃতৰাষ্ট্ৰক ৰাজপ্ৰাসাদতে কুৰুক্ষেত্ৰত সংঘটিত হৈ থকা মহাযুদ্ধৰ যেন চলন্ত বিৱৰণীহে দিছে। সঞ্জয়ে কৌৰৱ-পাণ্ডৱৰ মাজত সংঘটিত হোৱা মহাযুদ্ধৰ সকলো দৃশ্য প্ৰত্যক্ষ কৰিব পাৰিছে। বৰ্তমান আমি যেনেদৰে ঘৰতে বহি দুৰদৰ্শন চাই থাকিব পাৰোঁ। ইফালে প্ৰাচীন কালত মহাভাৰতৰ কাহিনীতো আছে আকাশবাণী। মহাশূণ্য বা আকাশৰ পৰা আহে এই বাণী। যেন বৰ্তমানৰ অনাতাঁৰ-ৰেডিঅ'। সেই সময়ৰ নাৰদৰ বাহন ঢেঁকীয়েই হওক বা দেৱ-দেৱতা আদিৰ ৰথেই হওক ইবোৰক বৰ্তমানৰ মহাকাশ যান, কৃত্ৰিম উপগ্ৰহ, ৰকেট আদিৰ নামান্তৰ বুলি ক'ব পাৰি। তেতিয়াৰ দিনত যি মায়াৰ যান ব্যৱহাৰ কৰিছিল সেইবোৰ যেন বৰ্তমানৰ ৰকেট, ৰকেট লাঞ্চাৰ আদি। অথবা গুলী, বোমা-বাৰুদ।

টেষ্ট টিউব, কলন আদিৰ ধাৰণাও মহাভাৰতত তেতিয়াই হৈছিল। কুন্তীৰ পুত্ৰ জন্ম হোৱাৰ খবৰ শুনি গান্ধাৰীয়ে নিজৰ উদৰত লোহাৰ মুদগৰেৰে প্ৰহাৰ কৰি

এক মাংস পিণ্ড প্ৰসৱ কৰে। প্ৰসৱ কৰা মাংস পিণ্ড ব্যাসৰ নিৰ্দেশমৰ্মে এশ এটুকুৰা কৰি কলহত ভৰাই ৰাখে। এই এশ এটুকুৰা মাংস পিণ্ডই কৌৰৱৰ এশ পুত্ৰ আৰু একমাত্ৰ কন্যা দুঃশলা। এই কাৰ্য টেষ্ট টিউবত সন্তান জন্ম দিয়াৰ নামান্তৰ বুলিব পাৰি। ইফালে সুন্দ-উপসুন্দ অসুৰক বধৰ হেতু ব্ৰহ্মাই বিশ্বকৰ্মাক এগৰাকী অপূৰ্ব সুন্দৰী তিৰোতা সৃষ্টিৰ নিৰ্দেশ দিলে। বিশ্বকৰ্মাই সৌন্দৰ্যৰ বিন্দু সংগ্ৰহ কৰি তিলোত্তমাক সৃষ্টি কৰে। তিলোত্তমাৰ সৃষ্টিক বৰ্তমানৰ কলন পদ্ধতি বুলিব পাৰি। এই তিলোত্তমাক পাবৰ বাবেই অসুৰ ভাতৃদ্বয় সুন্দৰ-উপসুন্দৰৰ যুদ্ধ হয় আৰু যুদ্ধত দুই ভাতৃৰ মৃত্যু হয়। উল্লেখ্য, এই তিলোত্তমাৰ ৰূপ-সৌন্দৰ্যত আকৰ্ষিত হৈ স্বয়ং ব্ৰহ্মাই তিলোত্তমাক ইফালে-সিফালে চাবলৈ ধৰে। তেতিয়াই ব্ৰহ্মাৰ চাৰিমূৰ হৈ পৰে। ব্ৰহ্মাই তিলোত্তমাক যিফালে চাই সেইফালেই একোটাকৈ মূৰ সৃষ্টি হয়। স্বৰ্গৰাজ ইন্দ্ৰও তিলোত্তমাৰ ৰূপ-সৌন্দৰ্য দেখি তিলোত্তমাক ইফালে চাবলৈ ধৰে। ফলত ইন্দ্ৰৰ সমগ্ৰ দেহতে অলেখ চকুৰ সৃষ্টি হয়। দ্ৰোণৰ জন্মকো টেষ্ট টিউবৰ লগত তুলনা কৰিব পাৰি। এটা দ্ৰোণত ৰখা বীৰ্যৰ পৰাই দ্ৰোণৰ জন্ম হয়। দ্ৰোণক বধৰ বাবেই দ্ৰুপদ ৰজাই যজ্ঞ কৰি যজ্ঞৰ অগ্নি কুণ্ডৰ পৰাই পুত্ৰ ধৃষ্টদ্যুম্ন আৰু অৰ্জুনৰ সতে বিবাহ পাশত আবদ্ধ হ'বৰ বাবেই এক কন্যা দ্ৰৌপদীৰ সৃষ্টি কৰে। দ্ৰৌপদীৰ স্বয়ম্বৰ সভাত আকাশত নিৰ্মিত এটা কৃত্ৰিম যন্ত্ৰত এটা মাছ ৰাখি ঘূৰাই থকা হৈছে। তলত ফটফটীয়া পানীত পৰিছে ইয়াৰ ছাঁ। এই ছাঁ চায়েই অৰ্জুনে ওপৰৰ মাছটোৰ চকু বিদ্ধ কৰিছে কাঁড়েৰে। ইয়াত অৰ্জুনৰ জ্যামিতিক জোখ-মাখ জ্ঞানৰো পৰিচয় পোৱা গৈছে। ধৃতৰাষ্ট্ৰই পাণ্ডৱক অৰ্ধৰাজ্য দিওঁতে বিশ্বকৰ্মাই ইন্দ্ৰপ্ৰস্থ নামৰ এখন নগৰ সৃষ্টি কৰিছে (নিৰ্মান নহয়)। মাতৃ কুন্তীৰে সৈতে পাণ্ডৱক পুৰি মৰাৰ উদ্দেশ্যে শকুনিৰ পৰামৰ্শমতে দুৰ্যোধনে বিৰোচনৰ দ্বাৰা লাৰে জতুগৃহ নিৰ্মান কৰোৱা কাৰ্য সম্পূৰ্ণ বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰতিফলন। ইয়াৰ পূৰ্বে দুৰ্যোধনক পাণ্ডৱে ইন্দ্ৰপ্ৰস্থৰ কাৰুকাৰ্য দৰ্শনৰ বাবে নিমন্ত্ৰণ কৰাত দুৰ্যোধনে নিমন্ত্ৰণ ৰক্ষা কৰি ইন্দ্ৰপ্ৰস্থত প্ৰৱেশ কৰাৰ সময়ত পানীকে বাম, বামকে পানী বুলি ভুল কৰা, ৰাস্তা যেন লগা দৃশ্য প্ৰকৃততে বন্ধ ঘৰৰ অংশ, বন্ধ যেন লগা অংশই প্ৰকৃততে প্ৰৱেশ পথ ইত্যাদি যি পৰিৱেশৰ সন্মুখীন হৈছিল সেইবোৰ প্ৰকৃততে বিজ্ঞানৰ পৰিঘটনা। চিকিৎসা বিজ্ঞানত যমজ সন্তানক পৃথক কৰা হয়। মহাভাৰতত একেটি সন্তানেই দুই ৰাণীৰ গৰ্ভত দুফাল হৈ জন্ম লোৱা দেখিবলৈ পাইছোঁ। সেই সন্তানক জোৰা লগাই এটি পূৰ্ণ সন্তান ৰূপে পোৱা গৈছে। সিয়েই মহা দুৰ্দান্ত জৰাসন্ধ। অদ্ভুত ধৰণৰ জৰাসন্ধৰ জন্মৰ কাহিনীটো চমুকৈ এনেধৰণৰ- মগধৰ অজেয় ৰজা, নিঃসন্তান বৃহদ্ৰথ দুই ৰাণীৰে সৈতে বনলৈ যোৱাৰ পূৰ্বে উদাৰচেতা মুনি চণ্ডকৌশিকৰ কাষ চাপি তেওঁলোকৰ দুখ-দুৰ্দশাৰ কথা প্ৰকাশ কৰে। তেনে সময়তে মুনিৰ কোলাত এটা আম সৰি পৰিল। মুনিয়ে মন্ত্ৰ পাঠ কৰি আমটো দুফাল কৰি দুই



ৰাণীক খাবলৈ দিলে। পৰিণামত দুই ৰাণীৰ একেটা সন্তানৰেই এফাল এফালকৈ জন্ম হ'ল। দুই ৰাণীৰ নিৰ্দেশ মৰ্মেই ধাত্ৰীয়ে সন্তানৰ খণ্ডকেইটা আবৰ্জনালৈ দলিয়াই দিলে। সেই সময়তে ৰক্ত-মাংসভোজী জৰা নামৰ এক ৰাক্ষসীয়ে মাংসপিণ্ডকেইটা লৈ সংযোগ কৰাত এটা সম্পূৰ্ণ সন্তানলৈ ৰূপান্তৰ হয়। সন্তানটো ৰাক্ষসীয়ে ৰাণী দুগৰাকীক অৰ্পণ কৰে। এয়েই জৰাসন্ধ। এই জৰাসন্ধকেই কৃষ্ণৰ নিৰ্দেশত ভীমে দুফাল কৰি বধ কৰে।

সন্তানক সৰ্বাংগ সুন্দৰ ৰূপত পাবলৈ মাতৃ গৰ্ভত থকাৰ পৰাই বিশেষ কিছুমান নিয়ম পালন কৰিব লাগে। অভিমন্যুৰ কাহিনীৰ পৰাই ইয়াৰ উদাহৰণ লাভ কৰিব পাৰি। অৱশ্যে এই বিষয়ে আমি প্ৰহলাদ, প্ৰদ্যুম্ন আদিৰ কাহিনীৰ পৰাও জানিব পাৰোঁ। অভিমন্যু মাতৃ গৰ্ভত থাকোঁতে অৰ্জুনে বেহু কেনেকৈ ভেদ কৰিব পাৰি সেই কাহিনী কৈ আছিল। অৰ্জুনে এই কাহিনী বেহুত প্ৰৱেশ কৰালৈকে সুন্দৰভাৱেই কৈ আছিল। কিন্তু, অভিমন্যুৰ মাতৃ তেনে সময়তে নিদ্ৰাত আছন্ন হৈ পৰে। সেয়ে শুনিবলৈ নাপালে বেহুৰ পৰা কেনেকৈ ওলাব লাগে। ফলত গৰ্ভস্থ সন্তান অভিমন্যুয়েও লাভ কৰিব নোৱাৰিলে বেহুৰ পৰা ওলাই অহাৰ জ্ঞান। এই অভিমান্যুকেই দ্ৰোণাচাৰ্যই নিৰ্মাণ কৰা বেহুৰ মাজত সোমোৱাই সপ্তৰথীয়ে নৃশংসভাৱে হত্যা কৰে।

মহাভাৰতত যৌন আচৰণৰ বৈজ্ঞানিক চৰ্চাও হৈছে। এইক্ষেত্ৰত ব্যাসক বিজ্ঞানী, যৌন বিজ্ঞানী আদি ৰূপত দেখিবলৈ পাওঁ। ব্যাসক এক প্ৰকাৰ অভিজ্ঞ যৌনকৰ্মী বুলিও ক'ব পাৰি। সেয়ে তেওঁ পৰিস্থিতি পৰিৱেশ অনুসৰি যৌন আচৰণৰ পোষকতা কৰিছিল। মাতৃ সত্যৱতীয়ে যেতিয়া তেওঁৰে পুত্ৰ বিচিত্ৰ বীৰ্যৰ যক্ষ্মা ৰোগত মৃত্যু হয় তেতিয়া বোৱাৰীয়েক অম্বিকা আৰু অম্বালিকাৰ সতে তেওঁৰ পুত্ৰ, পৰাশৰ মুনিৰ ঔৰসজাত ব্যাসক বোৱাৰীয়েক কেইগৰাকীৰ গৰ্ভত সন্তান ধাৰণৰ বাবে মিলনৰ বাবে আহ্বান জনায়। কিন্তু, ব্যাসে সুস্থ সন্তান ধাৰণৰ বাবে সময় বিচাৰে। মাকে সময় নিদিলে। শাহুয়েক সত্যৱতীৰ নিৰ্দেশমতে বোৱাৰীয়েক অম্বিকাই অপূৰ্ব পোছাক-অলংকাৰ পৰিধান কৰি মনোহৰ শয্যাত অপেক্ষা কৰে। বৰজনাক ব্যাসক দেখি অম্বিকাই অসহজবোধ কৰি চকু মুদি দিলে। ফলস্বৰূপে জন্ম হ'ল অন্ধ ধৃতৰাষ্ট্ৰ। সন্তান ধাৰণৰ বাবে সেই সময়ত অসামাজিক পন্থা অৱলম্বন কৰাত অম্বালিকাও সহজ হ'ব নোৱাৰিলে। কিন্তু কোনো প্ৰতিবাদ কৰিব পৰা নাই। অন্তৰতে ক্ষোভ-জালা-যান্ত্ৰনা লৈ অম্বালিকা শেঁতা পৰি গ'ল। ফলত জন্ম হ'ল পাণ্ডুৰূপী পাণ্ডুৰ। ইফালে ধীৰ স্থিৰ হৈ থাকিল দাসী। ফলস্বৰূপে জন্ম হ'ল মহাজ্ঞানী বিদুৰৰ। মহাভাৰতত আৰু অনেক আধুনিক বিজ্ঞানৰ সূচনা সম্বলিত কাহিনী অন্তনিৰ্হিত হৈ থকা দেখিবলৈ পাওঁ।

❖❖

# Man in the Society

***Dr. Asimabha Datta***
Associate Prof.
Moran College

No matter how far we go back in history. We have to recognize the fact that man, as Aristotle mentions, is undoubtedly a social being- who lives in a group forming a society. No one can imagine what a solitary human would be like but one thing is true that we are a part of the great whole. Many thinkers tend to propose a theory about "man before society" but it is unethical and illogical to think that there was a stage when union between men did not exist and we therefore have to go by Aristotle and accept the fact that man is indeed a social being as were our ancestors.

The beauty of the society is that it gives us a sense of security. We come into this world single and helpless, unable to take care of ourselves and from the first hour we are dependent on others who influence our lives right from the cradle to the graveyard. No human can live a proper life without these influences and it is horrible even to think what a human beings life would have been without them.

If we realize this truth, we should also realize that we have tremendous duty towards this society. A study of the past and present of mankind will clearly suggest that, as compared to the time of our forefathers were very sincere in their duties to the society, the present scenario is very grim and rather unacceptable. Where as our



forefathers were very sincere in their duties to the society, the present day man has become very self concentrated without recognizing their basic responsibilities to the society. Man often tend to blame corruption, civic bodies and even the Government for all the bad and unwanted things happening in our society without questioning himself about his contribution to the society and whether, his contributions, if any, was positive leading to the upliftment of social values or negative. I always feel that it is time we stopped expecting others to do everything for us and to question ourselves about our possible contributions in building a strong society with high moral values. We should realize that it is time to act truly like humans, the most evolved and intelligent of all living being an earth, and also to accept the truth that he is an enemy of the society it the nation who stands for any part of it against the other. We should prevent any type of injury to the society by discouraging those sections of people who sets religion against religion, class against class and school against school.

Accepting the fact that we are all dependent on each other. I hope that we will realize that opposing one part of the body against the other is to injure or destroy it as strikes or wars injure the social body. Let us rise above everything and work for a wonderful society and prove that we are indeed the best.

❖❖

# TOURIST SPOTS OF SIVASAGAR DISTRICT

*Tulshi Das*
Asst. Prof. Moran College.

Introduction : The name of Assam derived from A-Kham-or A-SOM . There are 27districts Assam and among there Sivasagar is also a very important from the side of historical value. It spreads over an area of 2.668m. sq. It is bounded on the north dribrugarh district in the east by part of Arunchl Pradesh and Nagaland in the South by Jorhat District. The headquater towan is Sivasagar. According to history in the year 1733 A.D. the Ahome queen Devi dug a tank at the towan Ahom capital Rangpur covering an area of 257 acres in the memory of her beloved husband king Sivasingha. At that time the Ahom Capital was Rangpur. The place to be known as Sivapur being related with the great Siva temple built on the bank of this tank. With the passage of time the old towan of Rangpur became popularity known as Sivasagar by the name of big tanks and temple.

*HISTORY OF SIVASAGAR :*

Sivasagatar was capital of the mighty Ahome who ruled Assam for around six hundred years. At that time of Ahome rule it was the heart of the states affairs till the beginning of the British rule. While tea gardens and oil field in the area fast crossing over to modernity countless. All monuments temples and places of sculptural and excellent speak volume of Assam



past glory. It during the declaiming the days of Ahome Kingdom in 1833 Purandra entrusted with the administration of upper Assam by the East India company who had already own mystery over Assam. In t1826 as aresult of first Anglo-Burmis war the British appointed the Adam white as a poliyical agent in the same year by a proclamation in 1839 the areas was divided in two district namely Sivasagar and Lakhimpur. Till 1981 there were four sub-division of Sivasagar district,namely Jorhat,Sivasagar, Golaghat and Majuli. Later it was devided in three district,Sivasagar, Jorhat and Golaghat. Various historical tourist spot are exist in the Sivasagar district. These are-

*(a) A Naga Village in Sivasagar :* From meant time immemorial the Naga lived in peace & harmony with the people of Assam during the Ahom reign.occasional wars took place between the two kingdoms which also maintains cordial relation in spite of the foe even Ahome rullers married Naga girls but in course of time the north- eastern region was separated a from the one another. Though are simply known as the inhabitant of Nagaland. Yet in a part of Assam a Naga village with its Assam culture can still be found. It is situated near the ancient Ahom capital Rngpur anurid present Sivasagar. Crossing nine kilometer on the stamp size sivasagar though the the Sivasagar Simaluguri road the famous Hari-para ali can be seen. From one time Ahome capital Gargaon the distance of hari-para tini ali is only five kilometer. One has go through Kujibali and Hahchora to this place, passing through Hari- para ali from Hari- para tini ali Hahchara Higher Secondary School and the Railway track leading from Simaluguri toMoranhat can be found. The area of this naga village began from the other part of the Railway track. Assam history is silent about the migration of the Naga's to yhis plain area but it is traditionally believed that two hundred years ago in Naginimara area of Nagaland there start a place between two group of Naga's. As a result one group might have taken refuge in the

Sontak area of Assam.A satradhikar of Mayamora Satra Shri Janardan Deva allowed them to live in his own land. The Satradhikar also converted them into Hinduism and turned inti Vaishnavite faith by giving the right of Saran and Bhajan.Another theory also existed about the migration of Naga's. In the year of 1673 they began to settle in this plain area.

The naga people celebrate both Naga and Assamese festivals. Morang Ghar, Deka sang where they perform various social functions. They use different musical instruments and both Assamese and Naga's. They use many dress of in Assamese Bihu marriage. Tithi and other social occasion. In Sivasagar district near Gargaon different community have been living together in peace for long period. During this days of border dispute between Nagaland and Assam. The Naga gaon exist as the symbol of peace and good will to attract tourist.

*b) Anadaram Baruah Park :* This park is located on bank os sivsagar tank and closed to the circuit house. This park that houses a toy train and one big fountain is tourist attraction.

*c) Bakhar Bengena :* The historical Bakhor Bengana ( Beady Bringle ) is still standing ereet on bank of a river lap name dhane khana. The tree is almost 7.5 meters in height seven branches form the parent tree had come out and surrounded the main tree the leaves of the Bakhar Bengana are smoot and elongated. During with the season the leave fall off and in spring season is agin come out. Some Times white flowers bloom among the green leaves. The seeds of the flowers and the plain grange are like dazzling beads. The seeds of this tree are as being as guava. The seeds don't germinato.

Even the branches too don't germinate.The branch carry three folded thons but there is a possibility that vegetative propagation of the tree can be made fronhe roots because the sampling can be seen at a distance of around 3.5 meter at root of the main tree. With the borahi king Mahamanikya the ahom



king Su –Hun –Mung and Chutia king Dharmadharj Pal are associated. According to history this sampling was presented to Borahi king Mahamanikya as a bribe by the ambassador of Chinese Emperor Mahamanikya then offer this sampling to the Chutia king Dharmadharaj Pal while sorting out the boundary of the state. Both the kings planted the tree in the place as a symbol of integration. With this there many superstations believed are there. The local believes that any one tryingto cut or brick the branch he or she suffered from blood bromating. Some people even pray to tree for the fulfillment of their wishes.

*d) Borpatra Dol :* Queen phuleswari constructed the Borpatra Dol and the Tank in memory of her brther Borpatra Gohain at Kalugaon about 3 K.m. away from Joysagar. The two temple Vishnu Temple and Jayadhatri Temple are situated on the bank of the tank known as joysagar.

*e) Charaideo :* First Ahom king Su-Ka-Pha established the first capital of Ahom Kingdom at Charaideo. It is about 30 K.M. away from Sivsagar and is also the sacred burial around of the Kings and Queens of the Ahom kingdom. The tombs of kings and queens at Charaideo hillocks can be compareq to the Priyamid if Egypt. The Maidam revels the super skill of sculptor and fine formed of Architecture. this is also the place of ancestral God of the Ahom. The stone piller's of Deoshal are still lying at the summit of the hillocke.

*f ) Gaurisagar tank and Temples:* The Gaurisagar tank and temple was constructed by queen Phuleswari Konwari in the year of 1723 during the reign of king Sivsagar . The Gaurisagar tank span across 150 acres and these temples namely Devi Dol, Siva Dol, Bishnu dol, the Devi Dol had numerous beautiful images on its walls. The Gaurisagar tanks is dedicated in the name of Goddess Gouri.

*g) Ghanayam Temple of Jaysagar :* Ghanshym temple or Nati Gosain Dol is situated on the south –west side of Joysagar tank.

It is a beautiful small temple with tera – kuta design on its wall. It was constructed during the resign of king Rudrasingha. many fine and rare images of small sizes are seen on all sides of the temple.

*h) Joysagar Tank and Temples:* King Rdrasingha constructed the Jaysagar tank in the year of 1697 in memory of his mother Sati Joymoti.The tank is known as the biggest man made tank comprising on 318 acres of land including its four banks on the bank of the Joysagar tanks, there are three temples Keshob rai Bishnu Dol, Siva Dol and Devi Dol.

*i) Kareng Ghar :* The Ahom ruled Assam for around six hundreds years. During this period 42 kings had build many monumental structures which use to carry his stamp. In 1751 Rajeshwar Singha became the king after the death of his brother Pramatra Singha. This king Rajeshwar Singh built the Kareng Ghar of Gargaon. It is very astonishing architecture engineering.

*j) Talatal Ghar :* In the year of 1765 Rajeswar Singha buill Talatal Ghar. It was buill in such a way that if a person without previous knowledge goes inside he or she losses his her way. It is say that from the last floor underground there was a tunnel which led to the bank of Dikhow river. It is say that there were system to the let the light come and make it dark if necessary and also many design were corve on the walls. The tunnel was created keeping in view the security of the kings. This is it any situation arise for the king to escape the attack of the enemy. He could escape through the tunnel. The tunnel is new closed but who hed closed it and way these are not known. Some says that it close by british to crush a rebellion and the rebels were taking shelter in the Talatal Ghar. Some says that the tunnel was close after independence. Again some other says it was close during the 1950 earthquake. What ever the reason behind the closing of the tunnel one thing is sure that after a century of India's



independence this architecture beauty has not been not given its due importance to develop it into a hot tourist spot.

*k) Golaghar :* The Gloghar or Kharghar stuated near Joysagar palace is apart of Ahom Monarch develop in 1704 during the reigns of king Rudra singha. All kinds of arms and weapons kept here.

*l) Namdang Stone Bridge :* The Namdang Stone Bridge is situated between Gourisagar and Joysagar on the Namdang River on N.H. 37. The Namdang Bridge was constructed by Rudra Singh in about 1703 A.D. It is a strong massive bridge sixty meter in length and 6.5 meter in breath. With many culverts and images engraved on it. It is say that the stone that use to built the bridge was carried from the hills of Nagaland. The whole bridge is a huge piece of rock cut in between like a tunnel. Ghanshyam Khanikar is believed to be the real architect of this stone bridge.

*m) Namti Dol :* The Namti Dol is situated at Namti about 12 K.m away from sivsagar town. There are two dols at namti Bishnu Dol and Devi Dol. They are known as Namti Dol. This Dol was built by Namtial Bhagawati Bol–Boruah during the resigns of king Gaurinath Singha.

*n) Panidehing Bird's Sanctuary :* Assam is very rich in natural resources with many sprawling forest but today that fame reduce a lot. Once forest is Panidehing birds Sanctuary. Panidehing is the 3rd Bird Sanctuary of Assam situated is Sivsagar District.

Its distance from Sivsagar town is 13 k.m. Its geographical location is 27.10 North and 94.35 East axis . The total area of Panidehing is 33.9 sq. km . But some village situated is Panidehing area had reduced the actual area according to government records.

Panidehing is collection of many small and big lakes but there is no such big lake with name of Panidehing. During rainy season the whole Panidehing, under the flood water of

Brahmaputra. During dry season Panidehing is full various grasses and all its water holes are filled with jungle fishes. Almost all the plant found in Panidehing are aquatic plants. Panidehing is huge feeding tank for aquatic birds and so the number of different species of birds found hear is large . different type of local and migratory birds are found hear. The Assam government announce Panidehing as a bird Sanctuary in 1996. but the 293 hectore land which was announce by the government as reserved by the forest Department is now a populated village. During the winter Panidehing is full of colorful migratory birds.

*o) Rang Ghar* : The Rang Ghar was the Royal Sports Pavilion of Ahom king constructed during the resign of King Pramatta Singha in 1746. The Royal king and his officers uses to witness several indigenous games like wrestling, birds fight, and buffalo fight etc. from top the Rang Ghar. The two storied imposing structure is situated a little distance from the Royal palace of Joysagar and by the side of Assam trunk road.

*p) Phakua Dol of Joysagar* : Phakua Dol is situated near Ranga nath Dol in Joysagar. King Rudra singha constructed the temple in the year 1704 in memory of his mother Sati Joymati. There are 21 steps leading to the temple. It said that a golden idol of Joymati was kept on the brick Moidam at the top and the temple was constructed upon it.

*q) Ranganath Siva Dol* : The Rangnath Siva Dole was constructed during the resign King Rudra Singha in the year 1703. The temple is situated in between Joysagar and Talatal Ghar at Bordowarmukh ali.

*r) Reserve forests of Sivasagar* : There are total 7 forests in the district of Sivasagar. There are panidehing, Galeky, Abhaypur, Dirio-Rangli, Diluhi, Chola and Sapekhati. Panidehing is famous for birds sanctuary and in the otherhand Galeky is famous for various valuable woods. In Charaideo sub-division also there are five reserve forests. Out of these the biggest forest Abhaypur



in famous for wild elephant. But it is also rich nature resources like valuable wood. Another forest in Sivsagar district is Diluhi which is famous for Indian wild dog, Nahor and Holong woods are available hear. The specialty about holong is that it is found only the jungle of Assam ,Andaman and Nikubor Island.

*s) Rudrasagar Dol* : The Rudrasagar Dole constructed by Ahom king Laxmi Singha is on the bank of Rudrasagar tank known as Na- Pukhuri. On the other side Rudrasagar tank lies Othai Sagar ( Purani Pukhuri ) dug during the resign of Joydhawja Singha.

*t) Ajan Pir Dargah* : Ajan Pir or sah Millan come to Assam from Bagdad during the 17th century, but no document of life is not available except his religions songs which again found into texts . Make a difference of one hundred years of his celebrated poetic life. According to Imran Sah people called his Azan Fakir because of his habit giving azan to invited people to the Mosque for prayer. It is leads to fast the poet composed his lyric during the resign of king Pratap singha. This type of senys are known as zikir and zari.

*u) Sivasagar Tank and Temples* : The most interesting landscape of the Sivasagar town is the Sivasagar tank and temple. This tourist site is very popular among both foreign and domestic tourist. In 1734 Queen Ambika Devi 2nd Queen of Ahom king Sivasagar dug the tank in memory of his husbsnd and named it as Sibasagar Pukhuri. The tank cover an area 129 acres on the day of 6th Bohag 1735 the tank was dedicated to lord Siva. The name of the town and district originated from this tank. It is interesting that the tank is situated at the heart of the town but the water level of the tank always remain unchanged and is about the level of the town . On the bank of Sivasagar tank there are tree historical temple namely Siva Dol , Bishnu dol and Devi Dol. Queen Ambika built the three Dol in 1734 A.D. The Siva Dol is between Bishnu Dol and devi Dole is 180 ft. in height and 195 ft. in diameter. It is the tallest Siva temple in India. It is kept by 7 ft. high golden dome.

*v) Thowra Dol :* The Thowra dol is situated about 10 km away from Sivasagar near Demow beside 37 N.H. This temple was constructed by Alon Bhura Dehingia Bor-Baruah in between 1683-85 during the resign of king Gadhadhar Singha.
*w) Tai Museum :* There are many different museum and institutions in teaching and learning and process and among them one of the most important things is museum. Museums now a day become important life of modern people. The tendency of people to precious antiquity, important properties has inspired people to established museum later. The Ahom dynasty and they ues various things in Tai Museum of sivasagar. It is a important tourist site open for all kind of people of society.
*Conclusion :* It is seen that from the above important tourist site of Sivasagar District there have been number of domestic and foreign tourist visit these site every season of the year. Because Sivasagar bears a six hundred years glorious history of the Ahom Monarch. Every monumental is standing in the district as a witness of History.

❖❖



# Human Rights And Women : A Theoretical Perspective

***Dr. Pramila Paul***
**Associate Professor**
**Moran College**

The issue of Human Rights is a universal phenomenon with world-wide concern. Human being by virtue of their being human possess certain basic and inalienable rights. Therefore, Human Rights are those rights which belong to an individual as a consequence of being human.[1] These are the rights which entitle mankind a decent, civilized life in which the inherent dignity of each human being will receive respect and protection. Human Rights means those conditions of life which allow mankind to develop and use their human qualities, their intelligence, talents and conscience and to satisfy their physical, spiritual and other needs. Human Rights are fundamental to our nature and in the absence of these rights people cannot live as human being.[2] These rights, being the birth rights, are therefore inherent in all the individuals irrespective of their caste, creed, religion, sex and nationality. These rights are necessary as they provide suitable conditions for the material and moral uplift of the people. Thus Human Rights is a generic term that embraces civil rights, civil liberties, social, economic and cultural rights. Therefore, it is difficult to give a precise definition of Human Rights.[3] However, it can be said that the rights that all people have by virtue of their human being are Human Rights. In other words, Human Rights means the rights relating to

life, liberty, equality and dignity of the individuals guaranteed by the Constitution or embodied in the International Covenants, Conventions and Treaties.[4]

The expression "Human Rights" is undoubtedly the product of the post second world war period. But the concept of Human Rights is as old as the doctrine of Natural Rights based on Natural Law. The legacies of the concept of Human Rights is often traced from the 18th century culminating in Magna Carta of Britain, 1215 AD and the Bill of Rights, American Declaration of Independence, 1776 and French Declaration of the Rights of Man, 1789. In fact, during this period Human Rights was conceptualised based on individual right to life and liberty.[5] But after the Bolshevik Revolution in Russia (1917), Soviet Russia proclaimed a Declaration of the rights of the working and exploited people. For the first time "Rights of Man" were replaced by Rights of people. Soviet Declaration for the first time added a gender neutral orientation to the concept of rights.[6]

Thus, the term Human Rights came somewhat late in the vocabulary of mankind. It is a twentieth century name for what has been traditionally known as Natural Rights or "Rights of Man" was the slogan of the revolutionaries worldwide, especially in the 18th and 19th centuries. But the term was not gender neutral. Everywhere it was man's right. Man was taken to be the only representative of the human species and woman was too insignificant to be mentioned.[7]

It was only after the First World War and Second World War that international activity concerning Human Rights was given an institutional form. The League of Nation and Second World War marked a turning point in the development of international concern for Human Rights. However, it was only after the establishment of the United Nations that Human Rights became one of the central preoccupations of the International Relations.[8] The Universal Declaration of Human Rights (UDHR) was adopted by General Assembly on December 10, 1948. For the first time in human history, the Universal Declaration of Human Rights, 1948 had furnished an elaborate universal statement on Human Rights. Thus a standard has been laid down for the first time to measure and evaluate the violation of Human Rights.[9]

## II

In this connection it is important to mention that there are certain groups of human beings which either by nature or because of deep rooted custom are weak and vulnerable. Among these groups



of human beings, women are one of the remarkable groups whose rights have been violated very frequently. Although the International Bill of Human Rights laid down a comprehensive set of rights to which all persons, including women are entitled, additional means for protecting the Human Rights of women were seen as necessary because the mere fact of their 'humanity' has not been sufficient to guarantee the rights of women. In other words discrimination against women continues to exist in every society.[10]

The women rights movement followed a separate trajectory from that of the main Human Rights movements as women struggled to achieve equal rights with men in the choice of work, right to education, equal pay for equal work, political rights and so on. It was only after the Second World War that the women's rights movement was accepted as part of the International Human Rights agenda. For the protection of women's rights all over the world, the United Nations set up in 1946 a Commission on the Status of Women to monitor the situation and to promote women's rights. It adopted a Convention on the Political Rights of women to legalize women's rights to political participation in 1952. The United Nations declared 1975 as the International Women's Year and 1975-1985 as the women's Development Decade to focus attention on the existent discrimination against women and to promote legislative measure in member nations to end all forms of discriminations. In 1979 UN General Assembly adopted a new instrument to ensure equality of women in public sphere and that was the Convention on the Elimination of All forms of Discrimination Against Women (CEDAW). Thereafter the United Nations has held a series of World Conference on women issues. These conferences created an international forum for women's rights. The United Nations Fourth World Conference on women, 1995 held in Beijing, issued a Declaration that stated, "All Human Rights are women's rights and all women's rights are Human Rights." The Declaration also stated that "Violence against women constitutes a violation of basic Human Rights and is an obstacle to the achievement of the objectives of equality, development and peace."[11]

Conclusion :

In conclusion it can be said that since women's rights have come to be recognised as an integral and indivisible and inalienable part of Human Rights, it ought to be the society's concern to promote and protect Human Rights which are women's rights.[12] It is imperative that people from every walks of life irrespective of gender must come

forward to fight against atrocities on women. It is very important to highlight Human Rights and Women's Rights issues throughout the world. Building up healthy Human Rights and Women's Rights movement particularly in its gender dimension is a necessary step in ensuring the Human Rights not just for women but of all.

*Notes and References :*


1. H. O. Agarwal, Human Rights, Central Law Publications, Allahabad, 2002.
2. A.N. Sen, Human Rights, Sri Sri Law Publication, Haryana, 2002.
3. Op. Cit. H.O. Agarwal.
4. Protection of Human Rights Act, 1993, Section 2 (i) (d).
5. Girin Phukan, Working Paper on State of Human Rights in India : A North Eastern Perspective.
6. Bharati Mukherjee, "Genesis and Development of the Concept of Human Rights" in Journal of Politics Vol. VIII, 2001, Dibrugarh University.
7. Op. Cit. H.O. Agarwal.
8. Adil-Ul-Yasin, Archana Upadhyay, Human Rights, Akansha Publishing House, New Delhi, 2004.
9. Op. Cit. H.O. Agarwal.
10. Ibid.
11. Op. Cit. H.O. Agarwal
12. Anuradha Dutta, "Philosophy of women's Rights : Human Rights are Women's Rights", in Bolin Hazarika (ed) Human Rights in India : Socio-Politico and Legal Dimension, Human Rights Study Cell, Jorhat, 2003.



❖❖

## ৫ম খণ্ড

# কবিতাৰ কৰণি

# এজন কবিৰ কবিতা

মানসী গগৈ



এজন কবি
জাগতিক মোহ
জীৱনৰ মায়া
ৰজা পৰজা
সময় আৰু বাটৰ অনন্ততাত অস্থিৰ
আছিল

তেওঁ এটা নিজৰ বাট পালে
তেওঁ এজন নিজৰ গুৰু পালে
কবিজনৰ মন গ'ল শিশু হ'বলৈ

বৈৰাগ্য (আঙুঠি পিন্ধোৱা কইনা এৰি)
তাৰ পাছত লাহে লাহে শিশু

অব্যক্ত নিৰাকাৰ নিৰঞ্জণ
বিচাৰিলে নিজক

কবিজন শিশুমতি মূঢ়মতি
ডুবি গৈ থাকিল
ডুবিল ডুবিল ডুবিল বিশালতাত

নামঘোষা তৰিত উঠি ভাঁহি আহিল
মানুহৰ হৃদয়লৈ

এই তৰিত উঠি আমিও আজিও
শিশু হ'ব খোজো
কেতিয়াবা বৈৰাগ্য
কেতিয়াবা....
নামাঘোষা নামঘোষাৰ বুকুত
বিশালতা
ক্ষুদ্ৰত্ব
কবিজন আছিল দাসৰো দাস
সেয়ে তেওঁহে কবি
কবি মাধৱদেৱ।

## বৰষুণ

**দিতুল চেতিয়া**

ৰুণুক জুনুককৈ নূপুৰ বাজিছে
দ পথাৰত জাকি মাৰি উজাইছে
সোৰণ ডঁৰিকণা মাছ
টোপ টোপ মুকুতা হৈ
নামি আহিছে নীল আকাশৰ জোন

ঝুন ঝুন সুৰত
তুমি তিতিছা, ময়ো তিতিছোঁ
আৰু তিতিছে আমাৰ চৌপাশ
তোমাৰ নিশাহত নামি আহিছে
ভিজা ভিজা জোনাক

বতাহত হালিছে-জালিছে
কাকিনী তামোলৰ গছ
নৈ এখন হৈ উভন্দি উঠিছা তুমি
মই ৰ লাগি চাই আছোঁ তোমাৰফালে
তুমি চাই আছা আকাশৰফালে
আৰু আকাশে
আমাৰ দুয়োৰে গাত ঢালি দিছে
ন-বসন্তৰ মুঠি মুঠি আবীৰ।



## কবিতা

**নবীন বুঢ়াগোহাঁই**

জোনাকত সাৰ পাই উঠা ফুল এপাহি
উচুপনি এটাৰ বুকুত
সৰি পৰিব খুজোঁতে
তাল পাতত বহি আছিল
এটা বনৰীয়া বাঁহীৰ মাত
নিথৰ হৈ ভাবি আছিলোঁ
ডেউকা পিন্ধাম
পুৰণি কবিতাৰ গাত।




## অভিযোগ জীৱনৰ

**পূৰবী নাথ**

আপুনি কৈছিল
পুৰণি হেৰাই গ'লেহে পাব পাৰি নতুন
পাৰিনে সকলো পুৰণিৰে এৰিব মোহ সহজতে ....
আপোনাৰ পুৰণি দিনবোৰ
অথবা পুৰণি বন্ধুজন

কৈছিল,
সপোন দেখক সপোন জীৱনৰ সপোন
এই যে পৃথিৱীৰ মানুহ
যি নিঃস্ব
এটা সৰু সপোনৰ বাবেও
যি কেৱল নিজৰ স'তে হাঁহে
নিজৰ স'তে কান্দে
নিজৰ কান্ধত মূৰ থৈ কথাপাতে
মানুহ কি নিজেই মানুহ হ'ব পাৰে
কোনেও কাক দেখুৱাব নোৱাৰেনে সুখৰ
সম্ভাৱনাৰ এটা সপোন

আপুনি যে কৈছিলে
চাব লাগে পৃথিৱীখন নিজা চকুৰে
ক'ত সেই মন্ত্ৰ
যাক যপ কৰি আহ্বান কৰিব পাৰি
মানুহৰ বাবে
অনুভৱৰ এক আপোন দৃষ্টি



হয়তোবা
তেতিয়াই মানুহে
কেৱল যাপন নহয়, উৎযাপন কৰিব সময়
সন্তোষ্টিৰে শেষ নহয়

অন্তহীন অসন্তোষ্টিৰ ফালে গতি কৰিব
এয়াই যে জীৱন

যি জীৱনৰ প্ৰতি
সকলোৰে থাকে এক আত্মীয়তা
ঠিক আপুনি আৰু আপোনাৰ পুৰণি বস্তুবোৰৰ দৰে
দূৰৰ বাঁহীৰ সুৰ হৈ
যি আপোনাৰ বাবে বাজি থাকিব পাৰে
পাৰিনে পাহৰো বুলিয়েই পাহৰি যাব সকলো কথা?



## মদাৰ


**বনমালী দাস**

গধুলি বগলীবোৰ বৰকৈ উৰে
ক'লা ডাৱৰৰ বুকুৰেদি
শৰতৰ নিশাৰ সুগন্ধি
শেৱালীবোৰ সৰি পৰে
পুৱতি বেলাতে
কাঁইটীয়া গোলাপৰ
মৌ চুহি যায় মৌ-পিয়াই,
বসন্তৰ কপৌফুল মৰহি যায়
কোনোবা গাভৰুৰ খোপাত
সেয়াই জানো ভালপোৱা
কোনোৱেই নিবিচৰা
মদাৰক মই ভাল পাওঁ
যি নিজতেই শেষ হৈ যায়।



## কাষ চাপি আহিছে দূৰণিৰ মেঘ

**ৰনদ্বীপ বড়া**



মা, সৌটো ফেঁচা
তামোলটো কেঁচা
তোক দিম ঘোচা ঘোচা ঘোচা, গাই
দলৰ মাজত লক্ষ্মণৰেখা পাৰ হৈ
আনকি দলৰ কোনো এজনক চুই দিলেই
খেলৰ বাহিৰ হৈ যোৱাৰ খেল খেলোঁ

এইযে চুই দিলেই মা সাৰি যাওঁ খেলত
তথাপি খেলি থাকোঁ খেলি থাকোঁ
এনেকৈয়েতো আমি বেছিবাগ খেলতেই
সাৰি যাওঁ ন মা
জিকাতেই সাফল্য প্ৰাপ্তিৰ আনন্দ মা
এইযে আমি খেলি থাকোঁ
তাত পোৱা আনন্দ কি মিছা

মা অ' ক'ৰ পৰা যে ক'ত আহোঁহি
মুকলি আকাশ মুকলি বতাহ পোহৰৰ সৌন্দৰ্য
মুকলি উশাহ ক'তোৱেই নাই মা

কংক্ৰিটৰ পৃথিৱীত জানো সেউজ অৰণ্য থাকে
ভাৱনাৰ পৃথিৱীত আৱেগ নচলে
মনত ৰং নাই হাঁহিলে ৰস নাই


তোক এটা কথা সোধো মা
তোৰ পেটৰ কুঠৰীত জিপ লৈ থাকোঁতে
মোৰ মনত বাৰু কি খেলাইছিল
তই জাননেকি মা

ভাবিছিলোঁ নেকি মা মই
পৃথিৱীৰ পোহৰত এন্ধাৰ নাথাকিলে
থমা বান্ধিব চকুত

আহ্ মা যিমানেই দৌৰি দৌৰি আঁতৰি আহিছোঁ
কাষ চাপি আহিছে দূৰণিৰ মেঘ।

## ওচৰতে সাগৰ

**বিকাশজ্যোতি শইকীয়া**



ওচৰতে সাগৰ
গুণ গুণালোঁ

বিচাৰি বিচাৰি সেই নীল
বালিৰ চিক্ মিকনি

লহৰ তোলা এটা নাচোনৰ মুদ্ৰা
বুকুত

বহুদিন ধৰি শুকাই থকা জুৰিলৈ
নামি অহা বৰষুণৰ ঢল

ওচৰতে সাগৰ
তুমিও দেখা
মইও।

## জীৱন

**তু হি ৰো**

আশা আৰু প্ৰত্যাশাৰ দোমোজাত
কলিজাৰ মাজত আউসীৰ চন্দ্ৰমাতো
কিলবিলাই উজাই আহে
পোহৰ আৰু পোহৰ
মাতাল সপোনবোৰ ভাঙি যায়
কপালত চন্দনৰ ফোঁট
ফুলনিত এতিয়া
সুগন্ধময় এজাক পখিলা



## নেতা

**দিলীপ বৰুৱা**

মহাশয়,
আপুনি সময় বুজি সলনি কৰিব পাৰে আপোনৰ স্বভাৱ
মাতিব পাৰে বিনয়ী মাত
আৰু আমাৰ দুখ দেখি কান্দিব পাৰে
অথবা ৰংমনৰ ফটা চোলাটো দেখি
খুলি দিয়ে আপুনি পিন্ধি থকা পোছাক
কাৰণ অহা কালিলৈ খেলিব লগা খেলখনত যে
আপুনি জিকিব লাগে
কাইলৈ আপুনি ৰজা হ'ব
আমাৰ বুকুৰ তেজ শুহি শুহি
মেনেজ কৰিব আপোনাৰ ইচ্ছাৰ আকাংক্ষা
অথবা আপোনাৰ খোজত পোত যাব আমাৰ হৃদয় বাৰ্তা
মহাশয়,
এই পৃথিৱীত আপুনিয়েই
নিৰ্দয় বিবেকহীন এজন অবিশ্বাসী মানুহ।



## খিৰিকী

**অংকুৰ ৰঞ্জন ফুকন**

সৰাপাতেৰে আলফুলকৈ সজাইছোঁ হেপাঁহবোৰ
চকুপানীবোৰ চুঁচি-মাজি ঠেক কৰিছোঁ আউসীৰ আকাশ

মামৰ লগা দুহাতত উৰলি উৰলি
জোনাকত জুৰুলি-জুপুৰি হ'ম ....

# শৰত

**পলাশ বকলীয়াল**



শৰতৰ আগমনে
এটা মিঠা অনুভৱ কঢ়িয়াই আনিছে
মোৰ হৃদয়লৈ

তলশৰা শেৱালীৰ সুভাষে
আমোলমোলাই তুলিছে
সেউজী ধৰণী।

আহাঁ শৰত,
ৰক্ষা কৰা অসমীয়া জাতিৰ অস্তিত্ব
মিলনভূমিত পৰিণত কৰা জন্মভূমি অসম।

# কচুপাত

**দিপাংকৰ গগৈ**

কচুপাত,
কচুপাতৰ দৰে আছোঁ
দুবাহু মেলি
ধৰিবলৈ আশাৰ টোপালবোৰ
পিছে সকলো মিছা
সকলো গুচি গ'ল
এতিয়া বৰষুণ নাই
শেষ হ'ল সেই আশাৰ বৰষুণ
উদং হৈ থাকি গ'ল মোৰ বুকু।





# মৰাণ মহাবিদ্যালয়
# ছাত্ৰ একতা সভাৰ একলম

শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সংগমস্থলত অৱস্থিত ক্ষুদ্ৰ উদ্যোগ নগৰী মৰাণ। ইতিহাস প্ৰসিদ্ধ মৰাণ বৃহত্তৰ অঞ্চলটোৰ কেন্দ্ৰবিন্দু স্বৰূপ। শিক্ষা, সাহিত্য-সংস্কৃতি, ক্ৰীড়া, ব্যৱসায়-বাণিজ্য, যাতায়াত-যোগাযোগ আদি সৰ্বতো দিশতে যথেষ্ট সম্ভাৱনাৰ থল আছে মৰাণত। মৰাণ অঞ্চলৰ অন্যতম ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান হ'ল মৰাণ মহাবিদ্যালয়। এই শিক্ষানুষ্ঠানখনতে চলিত মাহৰ ১২, ১৩ আৰু ১৪ তাৰিখে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিবেশনখনি অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰীয় সমিতিয়ে আমাক সুবিধা প্ৰদান কৰাৰ বাবে আমি মৰাণ মহাবিদ্যালয় ছাত্ৰ একতা সভাই তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে গৌৰৱ অনুভৱ কৰিছোঁ।

হে সুদীবৃন্দ, আমাৰ লগতে আপোনালোকেও নিশ্চয় সম্প্ৰতি অসমৰ হত্যা-সন্ত্ৰাস, বন্ধ-হৰতাল, পাৰস্পৰিক সংঘাত আৰু অবিশ্বাস জৰ্জৰ এক অসুস্থ বাতাবৰণ অতিশয় উদ্বেগ আৰু উৎকণ্ঠাৰে প্ৰত্যক্ষ কৰিছে। ইতিমধ্যে ক্ষত-বিক্ষত হৈ ক্ষুদ্ৰকায় হৈ পৰা অসমত ভাঙোনমুখী প্ৰৱণতা অদ্যপি মুঠেই প্ৰশমিত হোৱা নাই। ঐতিহাসিক ভাষা আন্দোলন, মাধ্যম আন্দোলন আৰু অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ নামত অকুণ্ঠচিত্তে শ্বহীদৰ তালিকা দীঘলীয়া কৰা বৰ্তমানৰ অসমীয়াৰ অসমখনত কিন্তু অসমীয়া ভাষা, অসমীয়া সংস্কৃতি তথা অসমীয়া খিলঞ্জীয়া মানুহ মুঠেই সুৰক্ষিত নহয়। জাতীয়তাবাদী শিবিৰৰো এক বৃহৎ অংশ এই ক্ষেত্ৰত নিস্পৃহ-নিৰ্বিকাৰ অথবা স্ব-বিৰোধী প্ৰতিক্ৰিয়াশীল হৈ পৰিছে যেন আমাৰ অনুভৱ হয়। স্বদেশ আৰু স্বজাতিৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত যিটো বিভাগত আটাইতকৈ স্বচ্ছতা, নিৰপেক্ষতা আৰু দক্ষতাৰ প্ৰয়োজন সেই শিক্ষা বিভাগটোতেই একাংশ স্বাৰ্থান্বেষী ব্যক্তিয়ে দীৰ্ঘদিনধৰি চলাই

আহিছে দুৰ্নীতি, স্বজনপ্ৰীতি আৰু ব্যাপক অনিয়ম। এইসকল অদক্ষ আৰু অকমণ্য বিষয়া তথা মন্ত্ৰী-বিধায়কে নিযুক্তি তথা অন্যান্য কাম-কাজৰ ক্ষেত্ৰত কৰি অহা লেতেৰা ৰাজনীতিয়ে গোটেই শিক্ষা বিভাগটোকেই সম্প্ৰতি কোঙা কৰি পেলাইছে। কোনোবাই সততাৰে সচেষ্ট হ'লেও সেয়া নিষ্ফল প্ৰয়াসলৈ পৰ্যবসিত হৈছে। যাৰ ফলস্বৰূপে দেশ আৰু জাতিৰ ভৱিষ্যত্ নিৰ্মাতা ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ নামি আহিছে অনিশ্চয়তা।

আমি আশাবাদী, এনে এক নিকৰুণ পৰিবেশত হতাশাৰ কলীয়া ডাৱৰ ফালি এধানি আশাৰ আলোক দেখুওৱাৰ এক বিনয়ী অথচ দৃঢ় আৰু সাহসী পদক্ষেপ গ্ৰহণৰ সংকল্প ল'ব সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ এই মৰাণ অধিবেশনে।

হে অভ্যাগত, আমি মৰাণ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আপোনালোকক জনাইছো সশ্ৰদ্ধ প্ৰণিপাত।

"জয় আই অসম"

ভৱদীয়-

*ভৰতজ্যোতি গঁগৈ*
উপ-সভাপতি
মৰাণ মহাবিদ্যালয় ছাত্ৰ একতা সভা

*অসীমজ্যোতি ফুকন*
সাধাৰণ সম্পাদক
মৰাণ মহাবিদ্যালয় ছাত্ৰ একতা সভা

❖❖



# অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদকৰ একাষাৰ

শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সঙ্গমস্থলত অৱস্থিত ক্ষুদ্ৰ উদ্যোগ নগৰী মৰাণ উজনি অসমৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ। ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথে সমানে দ্বি-বিভক্ত কৰা নগৰখনৰ শিৱসাগৰ জিলাৰ অংশটো ১০৫ নং মাহমৰা বিধান সভা সমষ্টি আৰু ডিব্ৰুগড় জিলাৰ অংশটো ১১৫ নং মৰাণ বিধান সভা সমষ্টিৰ অন্তৰ্ভুক্ত। ঠিক তেনেদৰে মাহমৰা বিধান সভা সমষ্টিটো যোৰহাট আৰু মৰাণ বিধান সভা সমষ্টিটো ডিব্ৰুগড় লোক সভা সমষ্টিৰ অধীনত। উজনি আৰু নামনিৰ যোগাযোগৰ অন্যতম একমাত্ৰ স্থল পথ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো মৰাণ নগৰৰ মাজেদি পাৰ হৈ যোৱাৰ বাবেই হওক বা ইয়াত শিক্ষা, চিকিৎসা, যাতায়ত, যোগাযোগ আদি সকলো দিশৰ সুবিধা থকাৰ বাবেই হওক সম্প্ৰতি বৃহত্তৰ অঞ্চলটোৰ গ্ৰামাঞ্চলৰ পৰা অহা তথা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কৰ্মসূত্ৰে অহা মানুহৰ আৱাসস্থল ৰূপে পৰিগণিত হৈছে মৰাণ নগৰখন। ৰাজনৈতিকভাৱেও পিছ পৰি থকা নাই মৰাণ। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইটকৈ শক্তিশালী মন্ত্ৰী পৱন সিং ঘাটোৱাৰ , দুগৰাকী অসম চৰকাৰৰ সংসদীয় সচিব আৰু দুগৰাকী বিধায়ক, মুঠ পাঁচগৰাকী বলিষ্ঠ ৰাজনৈতিক নেতাৰ স্থায়ী আবাসস্থলী মৰাণ। ইফালে শৈক্ষিক, ক্ৰীড়া, বৌদ্ধিক, সাহিত্যিক আৰু সাংস্কৃতিক আদি সকলো দিশতে মৰাণখন আগবঢ়া। কিন্তু বৰ্তমান গোলকীকৰণৰ যুগত মৰাণ নগৰখনে যিমান উন্নয়ন দেখিব লাগিছিল ঠিক সেই অনুপাতে উন্নয়ন হোৱা দেখিবলৈ পোৱা পৰিলক্ষিত হোৱা নাই। আমি আশা ৰাখিম, তেল আৰু চাহৰ বাবে ভাৰতবৰ্ষৰ মানচিত্ৰত স্থান দখল কৰিবলৈ সক্ষম হোৱা নগৰখনক অনাগত দিনত আমাৰ জনপ্ৰতিনিধিসকলে এখন আদৰ্শ নগৰৰূপে গঢ়ি তুলিবলৈ উদ্যোগ ল'ব।

এই ক্ষুদ্র উদ্যোগ নগৰী মৰাণতেই সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) কেন্দ্ৰীয় অধিবেশনখনি অনুষ্ঠিত কৰিবলৈ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিয়ে অনুমতি দিয়াৰ বাবে আমি এই আপাহতে তেওঁলোকক ধন্যবাদ জনাইছো। তিনিদিনীয়া কাৰ্যসূচীৰে মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অধিবেশখনি সফল উদ্‌যাপনত আমি অভ্যৰ্থনা সমিতিয়ে চেষ্টাত ত্ৰূটি কৰা নাই যদিও অজানিতে বৈ যোৱা ভূলৰ বাবে ক্ষমাৰ প্ৰাৰ্থী। আশা ৰাখিম অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অভ্যাগতসকলে আমাক দায়-দোষ নধৰে যেন।

অধিবেশনখনি সফল উদ্‌যাপনৰ ক্ষেত্ৰত সকলো দিশত সৰ্বতো প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা সদৌটি ৰাইজলৈ অভৰ্থনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ধন্যবাদসহকাৰে-

ভৱদীয়-

*ৰাজকুমাৰ বৰুৱা*
মুখ্য সম্পাদক
অভ্যৰ্থনা সমিতি
৪৬ তম্ (পঞ্চম দ্বি-বাৰ্ষিক) অধিবেশন
সদৌ অসম কলেজ কৰ্মচাৰী সন্থা

যাৰ ত্যাগ আৰু প্ৰচেষ্টাৰ বিনিময়ত আজিৰ এই

মৰাণ মহাবিদ্যালয়

